● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

### দিগ্‌দৰ্শন

*মই জানো পৃথিৱীত কেৱল দুই ধৰণৰ চিনেমাহে থাকে— ভাল চিনেমা, নহ'লে বেয়া চিনেমা।*

**ৰাজ কাপুৰ**
*অভিনেতা-পৰিচালক*



www.dainikagradoot.in

৭ ১৫ জুলাইৰ পৰা দিল্লী বিশ্ববিদ্যালয়ৰ নামভৰ্তি প্ৰক্ৰিয়া!
১৩ ড'পিঙত নিৰ্বাসিত ভাৰতীয় মল্লযুঁজাৰু
৪ 'ছেকুলাৰিজিম'ৰ উৰ্দ্ধত অলপ সাম্প্ৰদায়িক চিন্তা-চৰ্চা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৩৫তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২১ জেঠ ১৪২৮ ভাস্কৰাব্দ ৫ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 5 June 2021 মূল্য ঃ ৭.০০ টকা

কৰ'নাৰ আঘাতত বিধ্বস্ত দেশৰ অৰ্থনীতি

## আৰ্থিক বিকাশৰ হাৰৰ পূৰ্বানুমান হ্ৰাস কৰিলে ৰিজাৰ্ভ বেংকে

### অপৰিৱৰ্তিত ৰেপ' ৰেট



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ জুন ঃ** সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই ৰেপ' ৰেট আৰু ৰিভাৰ্ছ ৰেপ' ৰেট অপৰিৱৰ্তিত ৰাখিলে ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)এ। আজি এখন সংবাদমেলত এই কথা ঘোষণা কৰিলে *১০ পৃষ্ঠাত চাওক*

■ ৫০টা একাউণ্টৰ পৰাই সৰকালে জালিয়াতিৰ ধনৰ ৭৬ শতাংশ

■ ৰিজাৰ্ভ বেংকৰ তথ্যই উদঙালে আৰ্থিক বিপৰ্যয়ৰ অন্যতম কাৰণ

## বিগত সাত বছৰত দেশত কমেও পাঁচ লাখ কোটিৰ বেংক জালিয়াতি

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ জুন ঃ** নৰেন্দ্ৰ মোদী চৰকাৰৰ বিগত সাত বছৰীয়া কাৰ্যকালত দেশৰ বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহত পাঁচ লাখ কোটি টকাৰ ঋণ জালিয়াতি সংঘটিত হৈছে। প্ৰদত্ত




ঋণৰ চাৰে চাৰি শতাংশ এইদৰেই কাৰ্যতঃ বেংক আৰু আৰ্থিক প্ৰতিষ্ঠানসমূহৰ ব্যয়ৰ শিতানৰ অন্তৰ্ভুক্ত হৈছে। মহাৰাষ্ট্ৰৰ তথ্য জনাৰ অধিকাৰ আইনৰ আন্দোলনৰ স'তে জড়িত সৌৰভ পানধাৰৰ এক *১০ পৃষ্ঠাত চাওক*



*এছিয়ান বক্সিঙত পদক জয়ী শিৱ থাপাক সম্বৰ্ধনা মুখ্যমন্ত্ৰীৰ।*

## ৰীতি-নীতিহে পালন হ'ব, দ্বিতীয়বাৰলৈ স্থগিত ধৰ্মীয় কামাখ্যাৰ অম্বুবাচী মেলা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** নীলাচল পাহাৰত অৱস্থিত দেশৰ অন্যতম শক্তিপীঠ কামাখ্যা দেৱালয়ত অম্বুবাচী মেলা দ্বিতীয়বাৰলৈ স্থগিত ৰাখি ইয়াৰ কেৱল ধৰ্মীয় ৰীতি-নীতিহে পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে পৰিচালনা সমিতিয়ে। উল্লেখ্য যে বিগত বৰ্ষতো কৰ'নাৰ প্ৰকোপৰ ফলত মেলা *১০ পৃষ্ঠাত চাওক*



■ এমাহত ৫৭০ শিশু ক'ভিড আইচিইউ ■ প্ৰতিষেধকৰ বাবে ব্যক্তিগত চিকিৎসালয়ক সুতবিহীন ঋণ ■ ক'ভাক্সিনৰ প্ৰথম পালি প্ৰতিষেধক প্ৰদান বন্ধ ■ স্বাস্থ্যমন্ত্ৰীৰ ঘোষণা

# নাৰ্ছিংহোমৰ ক'ভিড মাচুল নিৰ্ধাৰণ

আন জটিল ৰোগ থকা ক'ভিড ৰোগীৰ হোম আইছ'লেছন বন্ধৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** পলমকৈ হ'লেও অসমতো স্বাস্থ্য বিভাগে নিৰ্ধাৰণ কৰিলে কৰ'নাৰ চিকিৎসাত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ মাচুল। আজি জনতা ভৱনত মুখ্যমন্ত্ৰীৰ লগত স্বাস্থ্য বিভাগৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সেই বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে ইয়াত এক সংবাদমেলত স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰা অনুসৰি ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ *১০ পৃষ্ঠাত চাওক*

## অচিৰেই কেন্দ্ৰীয় মন্ত্ৰিত্বৰ পদ প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱাললৈ


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** অৱশেষত উৎকণ্ঠাৰ অন্ত পৰিল নেকি? পুনৰ দেশৰ ৰাজধানী নতুন দিল্লী হ'ব অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাজুলীৰ বিধায়ক সৰ্বানন্দ সোণোৱালৰ *১০ পৃষ্ঠাত চাওক*



*সাজু স্বাস্থ্যকৰ্মী ঃ বিভীষিকাৰ মাজতে ৰাজ্যত অব্যাহত আছে কৰ'নাৰ প্ৰতিষেধক প্ৰদান অভিযান।*

■ সংক্ৰমণৰ হাৰ হ্ৰাস পালেও ৰাজ্যত অব্যাহত আছে আক্ৰান্ত-মৃত্যু ■ গৌৰীসাগৰত মাতৃৰ আদ্যশ্ৰাদ্ধতে কৰ'নাত আক্ৰান্ত পুত্ৰৰ মৃত্যু

## পুনৰ ক'ভিডত ৫৪ জনৰ মৃত্যুৰ বিপৰীতে নতুনকৈ আক্ৰান্ত ৪৫৪৮



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** সংহাৰী ৰূপ ধাৰণ কৰা ক'ভিড-১৯ৰ সংক্ৰমণ তুলনামূলকভাৱে ৰাজ্যত হ্ৰাস পালেও অব্যাহত আছে নতুন আক্ৰান্ত আৰু মৃত্যু। বিগত ২৪ ঘণ্টাত ৰাজ্যত নতুনকৈ ৪,৫৪৮ জন আক্ৰান্ত হোৱাৰ লগতে ৫৪ জনৰ মৃত্যু হৈছে ক'ভিড-১৯ত। আজি ১,২৩,৫৯৩ জনৰ ক'ভিড পৰীক্ষা সম্পন্ন *আঠ পৃষ্ঠাত চাওক*

■ অসমসহ পাঁচ ৰাজ্যত বিপৰ্যয়ৰ কাৰণ সম্বলিত প্ৰতিবেদন দাখিল

## নিৰ্বাচনী বুজাবুজি-নেতৃত্বৰ মাজত সমন্বয়ৰ অভাৱতে কংগ্ৰেছৰ পৰাজয়

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ জুন ঃ** বিগত সময়ছোৱাত কেৱল পৰাজয়ৰ সন্মুখীন হোৱা কংগ্ৰেছৰ বৰঘৰ গভীৰভাৱে শংকিত হৈছে। এনে পৰিস্থিতি কিমানদিন অব্যাহত থাকিব আৰু ইয়াৰ পৰা উদ্ধাৰৰ উপায় কি? তাকে লৈ চৰ্চা চলিছে কংগ্ৰেছৰ অভ্যন্তৰত। ইতিমধ্যে কংগ্ৰেছৰ সভাপতি পদক লৈও দ্বি-বিভাজিত কংগ্ৰেছৰ শীৰ্ষ মহল। অন্তৰ্বৰ্তী সভানেত্ৰী ছোনিয়া গান্ধীৰ হাততে দাখিল কৰা হৈছে সদ্যসমাপ্ত পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত দলৰ শোচনীয় প্ৰদৰ্শনৰ কাৰণ। এই প্ৰতিবেদনত কেৰালা, অসম আৰু পুডুচেৰীৰ বিষয়ে বিশ্লেষণ দাঙি ধৰা *১০ পৃষ্ঠাত চাওক*



১৫ জুনলৈ বন্ধ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়

## কাইলৈৰ পৰা সান্ধ্য আইন আৰম্ভ এক বজাৰ পৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** অসমৰ ক'ভিড পৰিস্থিতি পূৰ্বৰ তুলনাত সামান্য উন্নত হ'লেও পৰিৱেশ মুঠেই বিপদমুক্ত নহয়। সেয়েহে সাধাৰণ এক সংশোধনৰ বাদে বৰ্তমানৰ সকলো নিষেধাজ্ঞা বাহাল ৰাখি আজি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সংশোধিত নীতি-নিৰ্দেশনা জাৰি কৰে। অহা ছয় জুনৰ পৰা ১৬ জুলাইলৈ বলৱৎ হ'বলগীয়া এই নিৰ্দেশনা অনুসৰি চহৰ অঞ্চলত বৰ্তমানৰ *১০ পৃষ্ঠাত চাওক*

## অতিৰিক্ত কয়লা পৰিবাহী ট্ৰাক নিয়ন্ত্ৰণৰ বিধি প্ৰস্তুতৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** সামৰ্থ্যতকৈ অধিক কয়লা পৰিবাহী ট্ৰাকৰ চলাচলৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ সুনিশ্চিতকৰণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই *১০ পৃষ্ঠাত চাওক*

## শীঘ্ৰে ৰাজ্যত খহনীয়াত সৰ্বস্বান্তৰ বাবে পুনৰ সংস্থাপন আঁচনি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** ৰাজ্যৰ নতুন চৰকাৰে শীঘ্ৰে ঘোষণা কৰিব খহনীয়াত সৰ্বস্বান্ত হোৱাসকলৰ বাবে এখন নতুন পুনৰ সংস্থাপন আঁচনি। সম্পূৰ্ণ কঠোৰ চৰ্ত বিধিৰ আধাৰত ৰূপায়ণ *১০ পৃষ্ঠাত চাওক*

বিটিআৰ শান্তি চুক্তিৰ চৰ্ত পূৰণ


## চাৰি জিলাৰ উপায়ুক্ত হ'ব উন্নয়ন প্ৰক্ৰিয়াৰ অংশীদাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** বিটিচিৰ উন্নয়ন প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰাৰ বাবে আজি এক নতুন সংযোজন ঘটোৱা হয়। সেই অনুসৰি এতিয়াৰে পৰা পৰিষদীয় অঞ্চলটোৰ জিলা চাৰিখনৰ উপায়ুক্তসকল উন্নয়ন প্ৰক্ৰিয়াৰ এক মুখ্য অংশ হ'ব। আজি বিটিচিৰ প্ৰধান সচিব শান্তনু পি গোটমাৰেই জাৰি কৰা এক নিৰ্দেশনা অনুসৰি উপায়ুক্ত চাৰিজনে সংশ্লিষ্ট জিলাত বিভাগবোৰৰ আঁচনি ৰূপায়ণৰ কাম-কাজ নিৰীক্ষণ তথা তদাৰক কৰিব। উপায়ুক্তসকলক বিটিচিৰ উন্নয়নৰ অংশ কৰাৰ দাবী বিগত বৰ্ষত সম্পন্ন হোৱা শান্তি চুক্তিত উল্লেখ আছিল। *আঠ পৃষ্ঠাত চাওক*

সৰৱ ৰাইজৰ দল

## বিজেপিৰ 'শ্ৰেষ্ঠ অসম'ৰ স্বৰূপ উদঙাই দিলে নিটি আয়োগে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** দেশ তথা ৰাজ্যসমূহৰ প্ৰকৃত উন্নয়নৰ মাপকাঠি নিটি আয়োগৰ বহনক্ষম উন্নয়নৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ লগে লগে ৰাজ্যৰ দল-সংগঠন সৰৱ হৈছে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে। লগতে প্ৰশ্ন কৰিছে শাসক বিজেপিয়ে *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৪° |
| ডিব্ৰুগড় | ৩৫° | ২৪° |
| দিল্লী | ৩৬° | ২৬° |
| কলকাতা | ৩৬° | ২৮° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৪° | ২৪° |
| বাংগালুৰু | ২৭° | ২২° |
| শ্বিলং | ২৩° | ১৮° |

*৪ জুন, ২০২১*

নলবাৰীত মাজনিশা আৰক্ষীৰে মুখামুখি সংঘৰ্ষ ঃ পিষ্টল-বাহন উদ্ধাৰ

## 'ম'ষ্ট ৱাণ্টেড' ডকাইতৰ চৰ্দাৰসহ তিনিজন গুলিবিদ্ধ ডকাইতক গ্ৰেপ্তাৰ



গুলীয়াগুলিৰ মাজতে পলাল তিনিজন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৪ জুন ঃ** অৱশেষত দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ অন্তত নলবাৰী আৰক্ষীৰ মূৰৰ কামোৰণি হৈ পৰা 'ম'ষ্ট ৱাণ্টেড' ডকাইতৰ দল এটা যোৱা নিশা আৰক্ষীৰ জালত পৰে। দুৰ্ধৰ্ষ ডকাইতৰ দলটোক আটক কৰিবলৈ যাওঁতে মুখামুখি সংঘৰ্ষত লিপ্ত হ'বলগীয়া হয় নলবাৰী আৰক্ষী। ইতিমধ্যে গ্ৰেপ্তাৰ *১০ পৃষ্ঠাত চাওক*

হালাকুৰাত উত্তেজনা

## শ্মশানৰ কালী মন্দিৰ চৌহদত দুষ্কৃতিকাৰীৰ অপপ্ৰয়াস

**অগ্ৰদূত বাৰ্তা**
**আগমনী, ৪ জুন ঃ** শ্মশানৰ কালী মন্দিৰ চৌহদত সন্দেহযুক্ত গো-মাংস ৰখাক লৈ আজি ধুবুৰী জিলাৰ গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত হালাকুৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। হালাকুৰাৰ জিনকাটা শ্মশান *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল



*মাস্ক পিন্ধাৰ ভাও জুৰি দোষ লুকুৱাব নালাগে, মই সব বুজি পাওঁ!*

■ প্ৰয়োজনীয় ঔষধৰ লগতে ধৈৰ্য আৰু সাহস গোটাওক, ক'ভিডে হাৰ মানিব ■ স্বাস্থ্য বিভাগক অযথা দোষাৰোপ নকৰিবলৈ আহ্বান ■ নতুন অভিজ্ঞতা-নতুন বিড়ম্বনা

## আপুনি হোম আইছ'লেছন'ত আছে নেকি?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ জুন ঃ** কিছুদিনৰ পৰা আপোনাৰ গা বেয়া লাগি আছে। অলপ সন্দেহ, অলপ ভয় ভাব হৈছে? টিভি, বাতৰি কাকত, ফেচবুক সকলোতে কৰ'নাত মৃত্যু হোৱা অথবা এসপ্তাহ-১০ দিন হাস্পতালত ছটফটাই থকা বাতৰিবোৰ পঢ়ি-শুনি বিভিন্নজনৰ মনত বিভ্ৰান্তিকৰ ধাৰণাই গঢ় লৈছে। ক'ভিড পৰীক্ষা কৰিব



নে ঘৰতে কাকো নোকোৱাকৈ মনে মনে থাকিব— এনে কথাও মনলৈ আহিছে। কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত ঘৰত থাকিব নে হাস্পতালত, এয়াও এক অতি বিভ্ৰান্তিকৰ বিষয়। বিভিন্নজনৰ ভাষ্য অনুসৰি বেচৰকাৰী হাস্পতালত কৰ'নাৰ চিকিৎসা খুবেই ব্যয়বহুল, সকলোৰে সাধ্য নাই। বহুতে ভাবে যে চৰকাৰী হাস্পতালত ভৰ্তি হ'লে *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত



No.BN/36/2021 /

**PRESS NOTICE**
**(FOR SHORT NOTICE INVITING TENDER)**

The Chief Engineer, P.W.D. (Building), Assam, on behalf of the Governor of Assam invites Tender for the following works from registered contractors of under P.W.D. (Building), Assam, having experience of similar nature of work.

Details of the bid may be seen at e-procurement portal website i.e. *www.assamtenders.gov.in* and also in the office of the undersigned during office hours from **14-06-2021 (3.00 AM) to 05-07-2021 (2.00 PM).**

The bidders must be enrolled in *www.assamtenders.gov.in*

| Sl. No | Name of Work | Approx. Value of Work | Time of completion | Bid Security | Bid Security to be drawn in favour of | Tender Cost | Category of Contractor |
|---|---|---|---|---|---|---|---|
| 1 | Proposed Construction of Inspection Bunglow(IB) at Ghograpar in Nalbari District. | Rs3,88,42,112.84 | 18 (Eighteen) months | Rs.7,76,842.00/- (for General) Rs.3,88,421/- (for reserved Category) | Executive Engineer, PWD, Nalbari Bldg. Division, Nalbari | Rs.11,650.00 | Class I (A & B) |

Sd/-
Chief Engineer, P.W.D. (Building), Assam,
Chandmari, Guwahati-3

Janasanyog/C/753/21

## ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

**ASSAM INDUSTRIAL INFRASTRUCTURE DEVELOPMENT CORPORATION**
**(A GOVT OF ASSAM UNDERTAKING)**
**Industrial Estate, Bamunimaidam, Guwahati-21.Phone (Fax): 0361/2556864**

**No. AIIDC/2074/2020/28/1729**

**PRESS NOTICE**

Managing Director, AIIDC, Bamunimaidam, Guwahati-21, invites Bid through e-tendering from eligible registered contractor (up to date) under APWD (Bldg)/Industries & Commerce Department for the work **"Setting up of New Micro Industrial Estate at Jagiroad, Dist- Morigaon, Assam" ON TWO BID SYSTEM.**

Last date and time for on-line as well as Hard copy submission of bid from 10.00 AM of 11/06/2021 up to 14.00 hour of 21/06/2021.

For details kindly visit website: www.assamtenders.gov.in

Sd/-
Managing Director
AIIDC

Janasanyog/CF/164/21

**NOTICE INVITING TENDER**

Sealed tender affixing non-refundable court fee stamp of Rs. 8.25 (Rupees eight and paisa twenty five) only are hereby invited from the intending GST registered firm/ Distributors, Dealer/individuals for supply of "Eveready Heavy Duty 1050 R20 Battery" for this Division for the financial year 2021-2022 which will be received by the undersigned on or before 16-06-2021 upto 1400 hrs and will be opened on the same day in presence of the tenderers or their authorized re-preventative if any.

* An amount of Rs. 10000.00 (Ten thousand) only being the earnest money in the form of call deposit receipt from any Nationalized Bank duly pledge in favour of the undersigned should invariably be enclosed with the tender.
* The rate of earnest money will be 1% of the estimated value in case of tenderer falls on category of ST/SC or OBC. They will have to submit attested copy of the Caste certificate along with tender paper

Sd/-
Divisional Forest Officer
Eastern Assam Wildlife Division,
Bokakhat.

Janasanyog/C/747/21

*No. ACE- 50/TECH/KOK(Bldg)/IFB/2016-17/388* *Dated Kokrajhar the 3rd June' 2021*

**Tender No. 02 of 2021-22**
**INVITATION FOR BID (IFB)**

The Addl. Chief Engineer-cum-Director, P.W.D., B.T.C., Kokrajhar invites bids from approved contractors registered under Class-II & Class-I (A,B& C) category of Assam PWD (Building) or BTC according to their eligibility for submitting Bids for the work stated below.

| Sl. No. | Name of Work | Package No. | Cost of Construction (Approx) in Rs. | Completion Period | EMD (In Rs.) | Cost of Tender documents (D/D) in Rs. |
|---|---|---|---|---|---|---|
| 1. | Repair & Renovation of Puthimari State Dispensary (SD) at Puthimari village in Udalguri District. | TN-02/1 | 19,43,176.00 | 3 Month | 19,500.00 For SC, ST & 39,000.00 For GNL. | 1,000.00 |
| 2 | Construction of Boundary Wall, Earth filling, Latrine Urinal of Bhakatpara State Dispensary at Bhakatpara village in Udalguri District. | TN-02/2 | 19,34,769.00 | 3 Month | 19,400.00 For SC, ST & 38,800.00 For GNL. | 1,000.00 |
| 3 | Repair & Renovation, Earth filling, Cont. of Latrine Urinal of Barjhar Sub-Centre at Jhargaon in Udalguri District. | TN-02/3 | 15,18,845.00 | 3 Month | 15,200.00 For SC, ST & 30,400.00 For GNL. | 1,000.00 |
| 4 | Repairing and Renovation of Staff Quarter's of Rowta MPHC at Rwota in Udalguri District. | TN-02/4 | 19,71,925.00 | 3 Month | 19,800.00 For SC, ST & 39,600.00 For GNL. | 1,000.00 |
| 5 | Construction of Brick Boundary Wall & Boys toilet and staff Toilet at Bhalukmari Vidyapith M.E. School in Udalguri District. | TN-02/5 | 24,64,284.00 | 3 Month | 24,650.00 For SC, ST & 49,300.00 For GNL. | 1,000.00 |

Detail IFB may be seen in all working days in the office of the undersigned. Bid will be issued to the contractor or their authorized agent up to **4.15 PM till 10/06/2021** in the office of the undersigned on payment in the form of Bank Draft duly pledged to **the Principal Secretary, Bodoland Territorial Council, Kokrajhar,** payable at SBI Kokrajhar. The bidder has to submit 2% in case of GNL and 1% in case of ST/SC as Bid security in the form of Fixed Deposit/Call Deposit/ Bank Guarantee under any Nationalized Bank duly pledged to **the Executive Engineer, PWD, Udalguri (R&B) Division, Udalguri** the time of submission of Bid.

**N.B.:**

1. Last date of receiving application : **10th June/2021**
2. Last date of Issuing Bid documents : **10th June/2021**
3. Last date of receiving Bid : **15th June/2021 (Up to 2.00 PM).**
4. Date of Technical Bid opening : **15th June/2021 (on 2.30 PM).**
5. In case the office remains closed due to various reasons on the scheduled dates as mentioned in the I.F.B the same will be /issued/received/opened on the next working days.
6. Contractors/ Bidders must submit Bank Certificate from Nationalized Bank, Affidavit for Key person, Affidavit for Tools, Plants, Audit report for last 5 (Five) years & Latest copy of Registration/PAN/VAT etc.
7. The Additional Chief Engineer, PWD, BTC, Kokrajhar reserves the right of issuing of Bidding document or outright rejection of the same without assigning any reason thereof.
8. The intending bidders or their authorized representative may remain present at the time of opening of Bid.
9. Other details can be seen in the bidding documents.
10. This IFB will form a part of the contract agreement.
11. The successful bidder shall deliver Performance Security of 1% (one P.C.) for ST/SC and 2% (two P.C.) for GNL of the contract price in the form of Fixed Deposit/ Call Deposit/ Bank Guarantee under any Nationalized Bank duly **pledged to the Executive Engineer, PWD, Udalguri (R&B) Division, Udalguri.**
12. Payment will be made subject to availability of fund.

Sd/-
Addl. Chief Engineer, Cum Director, PWD,
Bodoland Territorial Council, Kokrajhar.

*IPR(BTC)-44/2021*

## প্ৰয়োজন

বাঁহৰ কুশল কাৰিকৰ আৰু সহায়কাৰীৰ প্ৰয়োজন, যিয়ে হোটেলৰ ফাৰ্নিচাৰ আৰু কোটেজ (cottage) বনাব পাৰে। নিজৰ সবিশেষ তথ্য WhatsAppত দিয়ক 8587055195, থকা-খোৱাৰ সুবিধা আছে।

## LOST

**I have lost my Higher Secondary Council Admit Card Roll-0890, No. 30025 and Registration Card No. 235050 of the Year 2019-20.**
**Anjali Mallik**
**Udalguri, Assam**

শুধৰণি-পত্ৰ নং.-৩

নিবিদা জাননী নং: কন/২০২১/মাৰ্চ/০৬; তাৰিখঃ ১৯-০৩-২০২১ ৰ জৰিয়তে প্ৰকাশিত নিবিদা নং: চিই/কন/ডি-কে/টিএন/২০২১/০২, চিই/কন/ডি-কে/টিএন/২০২১/০৩ আৰু চিই/কন/ডি-কে/টিএন/২০২১/০৪ৰ। অনুগ্ৰহ কৰি এনেদৰে পঢ়কঃ নিবিদা বন্ধৰ পুনৰ নিৰ্ধাৰিত তাৰিখ হৈছে ১৫-০৬-২০২১। বিস্তৃত বিবৰণ www.ireps.gov.inত উপলব্ধ হ'ব।

মুখ্য অভিযন্তা/কন-VI, মালিগাঁও
**উত্তৰ পূৱ সীমান্ত ৰেলৱে**
(নিৰ্মাণ সংস্থা)
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

## আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ছবি 'লাইফ ইন্ এ পাপেট'

**পাটাছাৰকুছি, ৪ জুন ঃ** কৰ'না মহামাৰীয়ে চলচ্চিত্ৰ জগতখনত প্ৰতিবদ্ধকতা আনি দিয়াৰ সময়তেই বিকল্প ব্যৱস্থা হিচাপে ভাৰ্চুৱেল প্লেটফৰ্মত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমৰ পুতলা নাচক চলচ্চিত্ৰ মাধ্যমত উজ্জ্বলাই ৰখাৰ প্ৰয়াস অব্যাহত ৰাখিছে অসমৰ চলচ্চিত্ৰ পৰিচালক তথা অধ্যাপক ৰাজেন দাসে। ৰাজেন দাস পৰিচালিত পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া চলচ্চিত্ৰ 'লাই ইন্ এ পাপেট' পুনেত অনুষ্ঠিত হোৱা ষষ্ঠ বাৰ্ষিক ছত্ৰপতি শিৱাজী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ সমাৰোহ চমুকৈ চি এছ আই এফ এফত শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে নিৰ্বাচিত হোৱা খবৰে কৰ'নাকালৰ দুঃসময়ৰ মাজতো এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে ৰাজ্যখনলৈ । উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বীৰপুৰুষ ছত্ৰপতি শিৱাজীৰ স্মৃতিত উৎসৰ্গিত আৰু বিশ্বৰ আই এম ডি বি ৰিভিউ তালিকাত শ্ৰেষ্ঠ এশ চলচ্চিত্ৰ মহোৎসৱৰ অন্তৰ্গত এই চলিচ্চত্ৰ সমাৰোহখন এইবাৰ কৰ'নাকালৰ বাবে ভাৰ্চুৱেল প্লেটফৰ্মত কেৱল প্ৰতিযোগিতা শাখাহে অনুষ্ঠিত হৈছে। দেশ-বিদেশৰ বহু সংখ্যক ছবিৰ মাজত ৰাজেন দাস পৰিচালিত অসমীয়া চলচ্চিত্ৰ 'লাইফ ইন পাপেট'এ তিনিটা শাখাত মনোনয়ন পাবলৈ সক্ষম হৈছিল। চূড়ান্ত পৰ্যায়ত 'লাইপ ইন্ এ পাপেট'এ শ্ৰেষ্ঠ ছবিৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱাত উৎফুল্লিত হৈ পৰিছে 'লাইফ ইন্ এ পাপেট' পৰিয়ালে। ৩০ মে'ত সামৰণি পৰা চলচ্চিত্ৰ সমাৰোহখনৰ শ্ৰেষ্ঠ ছবিৰ চাৰ্টিফিকেট কালি 'লাইফ ইন্ এ পাপেট'ৰ পৰিচালক ৰাজেন দাসক ভাৰ্চুৱেল মাধ্যমত প্ৰদান কৰে মহোৎসৱৰ কৰ্তৃপক্ষই।

## লাহৰীঘাটত অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপনৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ৪ জুন ঃ** মৰিগাঁও জিলাৰ ব্যৱসায়ৰ প্ৰাণকেন্দ্ৰ স্বৰূপ লাহৰীঘাট বজাৰত অগ্নিনিৰ্বাপক কেন্দ্ৰ এখন স্থাপন কৰিবলৈ অঞ্চলটোৰ ৰাইজে সজোৰে দাবী উত্থাপন কৰিছে। বিভিন্ন ধৰণৰ ব্যৱসায়ৰ বাবে জিলাৰ ভিতৰত জনাজাত লাহৰীঘাট বজাৰ আৰু কাষৰীয়া অঞ্চলত প্ৰায়েই সংঘটিত হয় অগ্নিকাণ্ড। ফলত বজাৰৰ একো একোজন ব্যৱসায়ীৰ দোকান-পোহাৰ, ব্যৱসায়ীক প্ৰতিষ্ঠান, বিভিন্ন সা-সামগ্ৰী জ্বলি লাখ লাখ টকাৰ লোকচান হৈ আহিছে। উল্লেখ্য যে লাহৰীঘাট বজাৰত অগ্নিকাণ্ড সংঘটিত হ'লে মৰিগাঁও চহৰৰ পৰা নাইবা মৈৰাবাৰী অথবা ভূৰাগাঁৱৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ এখন স্থাপন কৰাটো অতি জৰুৰী হৈ পৰিছে। উল্লেখ্য যে অগ্নিনিৰ্বাপক কেন্দ্ৰ নথকাৰ বাবেই যোৱা ২৮ মে'ৰ অগ্নিকাণ্ডত লাহৰীঘাটৰ ব্যৱসায়ীসকলে কৰ'না ভয়াবহতাৰ সময়তেই বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে। অগ্নিকাণ্ডৰ পৰা ব্যৱসায়ীসকলৰ ক্ষয়-ক্ষতি ৰোধ কৰাৰ বাবে লাহৰীঘাট বজাৰত এটা অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন কৰিবলৈ বজাৰৰ ব্যৱসায়ীসকল, স্থানীয় ৰাইজ, বিভিন্ন দল-সংগঠনে চৰকাৰ তথা প্ৰশাসনক দাবী জনাইছে।

অসম চৰকাৰ

## কৃতজ্ঞতা

**ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।**

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| গ্ৰীণ অৰ্কিড এন.ই প্ৰাঃলিঃ | ৫,০০,০০০ টকা |
| জিতেন দাস | ১,০০০ টকা |
| ধ্ৰুৱজ্যোতি কোঁৱৰ | ১০১ টকা |
| পৰাগ হাজৰিকা | ৭১৫ টকা |
| গুৰুপদ দাস | ১,০০০ টকা |
| অনুপ কুমাৰ ৰয় | ২,০০০ টকা |
| মেচাৰ্চ যমুনা ভেলি ইণ্ডা | ১০,০০০ টকা |
| ভাৰতী ডেকা | ১,০০০ টকা |
| হেমন্ত বৰগোঁহাই | ১,০০০ টকা |
| আলোকন | ৫,০০০ টকা |
| সুজিত কুমাৰ দাস | ২,০৪৪ টকা |
| ৰাজীৱ কলিতা | ১০১ টকা |
| পশ্চিম গুৱাহাটী কোঃ | ১০,০০০ টকা |
| ইষ্ট ইণ্ডেন | ৩,০০০ টকা |
| সত্যজিৎ পুৰকায়স্থ | ১,৮৮১ টকা |
| প্ৰভাত কুমাৰ তিৱা | ৬০০ টকা |
| মিতালী মজুমদাৰ | ১,৪৮৪ টকা |
| ত্ৰিদীপ বৰুৱা | ৮০০ টকা |
| সন্তোষ কুমাৰ ডেকা | ৩,০০০ টকা |
| মঃ তাজউদ্দিন ভূঞা | ৩,০০০ টকা |
| কাকদংগা সমবায় | ১০,০০০ টকা |
| সুৰজ ভান শৰ্মা | ৫,০০০ টকা |
| মঃ আব্দুল জব্বাৰ | ৫০০ টকা |
| অশোক চন্দ্ৰ শৰ্মা | ২,১০০ টকা |
| ৰঙিয়া শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ | ১০,০০০ টকা |
| ৰাম প্ৰসাদ শৰ্মা | ১,০০০ টকা |
| মঃ আব্দুল আজিজ আলী | ৩,৬২৯ টকা |
| গামিৰিপাল গাঁও | ৫,০০০ টকা |
| গৌতম দুৱৰা | ৩০১ টকা |
| ৰাধেবালা কলিতা | ৩,০০০ টকা |
| মনিৰাম ৰাভা | ৩,০০০ টকা |
| অৰবিন্দ কুমাৰ চৌধুৰী | ১,১১২ টকা |
| সুমিত গুপ্তা | ১০১ টকা |
| দুৰ্লভ নাথ | ১৫,৫৫৫ টকা |
| পৰিশিখা দত্ত | ১,০০০ টকা |
| শৰত চন্দ্ৰ কাকা | ১০,০০০ টকা |
| ধীৰাজ কুমাৰ দাস | ১,০০০ টকা |
| শিৰম ট্ৰান্সকন প্ৰাঃলিঃ | ৫,০০,০০০ টকা |
| উৎপলা শৰ্মা | ১,০০১ টকা |
| বালিপাৰা বুক ষ্ট'ল | ৫০০ টকা |
| মালিতা তিৱাৰী | ৬০০ টকা |
| সুনীল কুমাৰ পদ্দাৰ | ৫,০০০ টকা |
| সুমিত ভৌমিক | ১৩ টকা |
| দিগন্ত কুমাৰ শৰ্মা | ৫০১ টকা |
| আৰাধনা দে | ৫,০০০ টকা |
| ডিজাইন প্লাছ | ২,৫০০ টকা |
| লাচিত ডেকা | ২,২২২ টকা |
| মেচাৰ্চ সেন মেডিকেল ষ্ট'ৰ | ৫,০০০ টকা |
| শ্ৰীমন্ত শংকৰদেৱ এডুঃ এণ্ড ছচিওঃ ইকঃ ডেঃ ট্ৰাষ্ট | ১,০০,০০০ টকা |
| সন্দিপানী জুনিয়ৰ কলেজ, নগাঁও | ৫,০০০ টকা |
| স্বপন ৰয় | ৩,০০০ টকা |
| সুৰজিৎ ডেকা | ৪,০০০ টকা |
| পংকজ ৰামচিয়াৰী | ৫,০০০ টকা |
| জিতুমণি বৈশ্য | ৫০,০০০ টকা |
| প্ৰভাস কাব্ৰা, বিনোদ ফ্ল'ৰ মিল | ১১,০০,০০০ টকা |
| হিল ট্ৰেড এজেন্সি | ১০,০০,০০০ টকা |
| নৰ্থ ইষ্ট চেণ্টাৰ ফ'ৰ টেকনলজি এপ্লিকেশ্বন এণ্ড ৰিচাৰ্চ | ৬০,০০০ টকা |
| প্ৰশান্ত ফুকন | ১,০০,০০০ টকা |
| ধৰমপাল সত্যপাল চেৰিটেবল ট্ৰাষ্ট | ১০০০০০০০ টকা |
| প্ৰতুল কুমাৰ ভট্ট | ৫৫৫ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
**35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow Us /@diprassam https://dipr.assam.gov.in/

জনসংযোগ/ডি/৭৬৮/২১

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২১ জেঠ শনিবাৰ ৫ জুন**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪১।৪, **সূৰ্যাস্ত ঃ** ঘঃ ৬।১।৪। **তিথি ঃ** কৃষ্ণা দশমী, দং ৪।৭।৩৫ প্ৰাতঃঘঃ, ৬।২০।৬। **নক্ষত্ৰ ঃ** ৰেৱতী, দং ৫০।৪৯।৩ ৰাঘঃ ১।০।৪১। **যোগ ঃ** আয়ুষ্মান, দং ২।১৯।২৩ প্ৰাতঃঘঃ ৫।৩৬।৪৯। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** মীনৰাশি, বিপ্ৰবৰ্ণ, দেৱগণ, হাতীৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী শুক্ৰ, বিংশোত্তৰী বুধৰ দশা, ৰাঘঃ ১।০।৪১ যোৱাত মেষৰাশি, ক্ষত্ৰিয়বৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, ঘোৰা অস্থি, মাহেন্দ্ৰযোগ, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** ৪৫ দিনীয়া দুঃশীলা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** উত্তৰত, প্ৰাতঃঘঃ ৬।২০।৬ যোৱাত অগ্নিকোনত। **যাত্ৰাঃ** নাই, বিষ্টিভদ্ৰা দোষ, প্ৰাতঃঘঃ ৬।২০।৬ যোৱাত শুভ অমৃতযোগ, পূবত নাই। **শুভকৰ্ম ঃ** বিবাদ (ৰাঘঃ ১০।৪৯ৰ পৰা ১।০ৰ ভিতৰত কুম্ভ আৰু, মীন লগ্নত সুতহিবুক যোগত) আৰোগ্যস্নান, দীক্ষা। **ভক্ষাভক্ষ্য ঃ** কলমৌ শাক, প্ৰাতঃঘঃ ৬।২০।৬ যোৱাত উৰহী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মনত আনন্দ, কৰ্ম তৎপৰতাৰ থাকিব। কিন্তু শৰীৰ ভালে নাযাব পাৰে। ব্যৱসায়ীসকল কোনো সম্ভাব্য যোগাযোগৰ বাবে চেষ্টা কৰি চাব পাৰে। প্ৰেমত মতবিৰোধ। বিদ্যাত উৎসাহ।

**বৃষ ঃ** সন্তান সুখ, উদ্বেগৰ মাজেৰে আপুনি কৰ্ম আৰু যোগাযোগ ৰক্ষা কৰিব পাৰিব। বিদ্যাৰ্থীৰ বাবে শুভাশুভ। কৰ্মসমন্ধীয় কামত কষ্টেৰে প্ৰগতি কৰিব।

**মিথুন ঃ** আন সহায়ত, কোনো কাৰণত বৃদ্ধিদীপ্ত চুক্তি সম্পাদন কৰি উপকৃত হ'ব। বিদ্যাতো বেয়া নহ'ব। ব্যৱসায় বাণিজ্যত আয় বৃদ্ধিৰ কাৰকতা। শৰীৰ বিশেষ ভাল বুলি ক'ব নোৱাৰি। শুভ ৰং নীলা।

**কৰ্কট ঃ** পদোন্নতি, আৰ্থিকত বাধা কম পাব। কিন্তু কোনোৰে কৰ্মস্থানত কেইটিমান দিশত চিন্তিত হ'ব পাৰে। বিদ্যাত শুভাশুভ ফল পাব। শৰীৰো মধ্যম।

**সিংহ ঃ** আশা পূৰণ হ'ব। মাজে মাজে গভীৰ চিন্তাই জুমুৰি দি ধৰিব। কৰ্মস্থানত সচ্ছলতা নাথাকিব। শৰীৰ মধ্যম। দাম্পত্যত মজলীয়া প্ৰভাৱ পৰিব। কাকো কক্ষ ব্যৱহাৰ নকৰিব।

**কন্যা ঃ** দ্ৰব্যলাভ, আৰ্থিক দিশত ধনাত্মক হ'ব পাৰে। কৰ্মক্ষেত্ৰত দক্ষতা বৃদ্ধি পাব। ব্যৱসায়ত শুভ ফল পাব। বিদ্যাৰ্থীৰ কিছু বেমাজালি আহিব পাৰে।

**তুলা ঃ** বন্ধু আগম থাকিব। আৰ্থিক দিশত প্ৰয়োজনীয় সম্পদাদিৰ বাবে খৰচৰ বাট ওলাব। ব্যৱসায়ীসকলৰ বাবে দিনটো বিশেষ শুভ নহ'ব। শত্ৰুৰ পৰা মিত্ৰ যোগাৰ আশা। বিয়া-বাৰুৰ সংযোগ।

**বৃশ্চিক ঃ** সন্মান লাভ কৰিব। নিৰাশ কৰ্মচিন্তা, ভ্ৰমণাদিৰ যোগ থাকিব। কোনো অপৰাধীৰ কথাত মত অস্থিৰতা থাকিব। ব্যৱসায়ত প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব।


**ধনু ঃ** গৃহ সুখ-শান্তি থাকিব পাৰে। অস্থিৰ চিন্তা বাদ দিয়াটো ভাল। চকুৰ আমনি দেখা যায়। কৰ্ম আৰু পাৰিবাৰিক ক্ষেত্ৰত শুভ ফল পাব। দাম্পত্যত সিমান আনন্দ নাথাকিব।

**মকৰ ঃ** কৰ্মোন্নতি উন্নতি হ'ব পাৰে। কৰ্মস্থানত গতানুগতিক পৰিৱেশ বিৰাজ কৰিব। প্ৰাপ্য সুযোগ ব্যৱহাৰ কৰাত সাৱধান থকাটো ভাল। ভ্ৰমণত লাভজনক ফল কম।

**কুম্ভ ঃ** পৰিবৰ্তন হ'ব পাৰে। শিল্প কলাত পাৰদৰ্শিতা থাকিব। আৰ্থিক দিশত খৰচৰ পথ মুক্ত থাকিব। অংশীদাৰী ব্যৱসায়ত লাভৰ কবিতা।

**মীন ঃ** প্ৰেমতহাতত লোৱা কাৰ্যসূচীৰ সুস্থ সমাধান পাব। সুচিন্তা আৰু হাতাশ হ'ব। আপোনাৰ ভদ্ৰতাৰ বাবে অনুকূলতাৰ প্ৰভাৱ পেলাব। নতুন কোনো আশা পূৰণ হ'ব।

## শব্দ-বেছ ঃ ০৫ জুন ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

২। ইচলাম ধৰ্মীয় বিশ্বাস অনুসৰি মৃত্যুৰ পাছৰ আনন্দ ধাম, স্বৰ্গ (৩)
৫। দুৰ্দশা, আহুকাল, অসুবিধা (৪)
৬। থিতাপি, থিৰতা, বস্তু থোৱাৰ শৃংখলা (৪)
৭। অসমীয়া তিৰোতাই চাদৰৰ তলেৰে মেৰিয়াই লোৱা দীঘল কাপোৰ (২)
৯। কষ্ট বা বিপদৰ পৰা পৰিত্ৰাণ, বাচি যোৱা, উদ্ধাৰ (২)
১১। বামুণ, পূজা-উপাসনা আদিত মুখ্য দায়িত্ব লোৱা হিন্দুধৰ্মৰ এটা সম্প্ৰদায় (২)
১৪। অনবৰত, লেথাৰি নিছিগাকৈ, নিৰৱচ্ছিন্নভাৱে (৪)
১৬। হানি, ক্ষতি, লাভৰ বিপৰীত (৪)
১৭। শতৰু, অৰি (২)
১৮। খাবলৈ শুকুৱাই লোৱা ধঁপাত গছৰ পাত (৩)
২০। একোবাৰত কান্ধত লৈ আনিব পৰা খাগৰি, কুঁহিয়াৰ আদিৰ পোলা (২)
২২। মেকুৰীৰ সমান নেজ চুটি, কাণ থিয় এবিধ তৃণভোজী জন্তু (৪)
২৪। ভিতৰত শাহ নথকা শস্য, পতান মিহলি হৈ থকা ধান-ঘেহু আদি (৪)
২৫। য'লৈ প্ৰবেশ কৰাটো কঠিন, যাক ভেদ কৰিব নোৱাৰি (৩)

**থিয়কৈ ঃ**

১। হিত, কল্যাণ (৪)
২। উদক, সলিল, পানী (২)
৩। সেই ৰূপ, সেই নিচিনা (২)
৪। বতৰা, খবৰ, সংবাদ (৩)
৮। বিচাৰক, দণ্ডাধীশ (৩)
১০। অম্লৰ লগত সংযোগ হৈ লোণ আৰু পানী উৎপাদন কৰা পদাৰ্থ (৩)
১২। ৰখীয়া, পহৰাৰ দায়িত্বত থকা মানুহ (৩)
১৩। হাবি-জংঘলত উৎপাদিত (৩)
১৫। মজিয়াত পৰা ডাঠ আৰু ধুনীয়া আচ্ছাদন, কাৰ্পেট (৩)
১৬। নয়নজল, অশ্ৰু, চকুপানী (৩)
১৭। কবিৰাজ, বেজ, বহু বেছি (২)
১৯। দ্বাৰৰক্ষক, দুৱৰী (৪)
২১। নাশ কৰোতা, ধ্বংসকাৰী (৩)
২৩। ফেঁচা জাতিৰ কিন্তু তাতকৈ ডাঙৰ এবিধ নিশাচৰ চৰাই (২)
২৪। ছন্দৰ মিল ৰাখি লিখা ৰচনা বিশেষ, লয় থকা কবিতা (২)

**উত্তৰ অহা সংখ্যাত**

**০৪ জুন সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১। কৰচলি ৩। আৰুবেলি ৫।খতিয়ান ৬। ধান ৭। নখ ৯। নাগাৰা ১১। আনাৰস ১৩। ফেন্দু ১৪। জঠৰ ১৬। হলফ ১৮। হীৰা ১৯। লবেজান ২১। পোৱাল ২৩। কবি ২৫। জাক ২৬। মাতব্বৰ ২৭। আগধন ২৮। জহন্নাম

**থিয়কৈ ঃ** ১ ।কটকিনা ২। লিখন ৩। আনমূৰ ৪। বেতন ৬। ধাৰা ৮। খদ্দৰ ১০। গাগল ১১। আহু ১২। সজ ১৫। ঠৰুৱা ১৬। হৰেক ১৭। ফল ১৮। হীন ২০। বেইমান ২১। পোক ২২। লমালম ২৪। বিৰাগ ২৫। জাৰজ

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৫ জুন, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

# ডিব্ৰুগড়ত ৫০ লক্ষাধিক টকাৰ ব্ৰাউন ছুগাৰ-নগদ ধন-আ-অলংকাৰ উদ্ধাৰ

## চাৰি মহিলাসহ আটক পাঁচ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৪ জুন ঃ** উজনি অসমৰ ড্ৰাগছৰ সাম্ৰাজ্য ডিব্ৰুগড়ৰ কালীবাৰীৰ ইলাহীপট্টিত এতিয়া ড্ৰাগছ মাফিয়া ইলাহী শ্বেখেই নহয় আন বহুতে চলাইছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। সমগ্ৰ ৰাজ্যজুৰি আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়তে যোৱা নিশা ডিব্ৰুগড় আৰক্ষীয়ে একালৰ কুখ্যাত ড্ৰাগছ মাফিয়া ইলাহী শ্বেখৰ সাম্ৰাজ্যৰূপে খ্যাত ইলাহীপট্টিত অভিযান চলাই চাৰিগৰাকী মহিলাসহ পাঁচজন লোকক আটক কৰে। ড্ৰাগছৰ ঘাটিৰূপে প্ৰায় তিনিটা যুগ ধৰি ছয় পৃষ্ঠাত চাওক



# সোঁতৰ বিপৰীতে

# এখন এক্সকেভেটৰৰে চলিছে নলবাৰী পৌৰসভা

## বন্ধ হৈ পৰিছে ফুলগুৰি, সতীৰকুৰ, জাহা চেনেল

**বিশেষ সংবাদদাতা**
**নলবাৰী, ৩ জুন ঃ** বাৰিষা আহিলেই শংকিত হ'ব লগা হয় নলবাৰীবাসীৰ লগতে ইয়াৰ ব্যৱসায়ী, অনুষ্ঠান-প্ৰতিষ্ঠান সকলো। কোনো নদীৰ বান বা নিপকোৰ দৰে জলবিদ্যুৎ প্ৰকল্পই এৰা পানী নহয়, সাধাৰণ এজাক বৰষুণ আহিলেই জলবন্দী হৈ পৰে নলবাৰী চহৰ। আনহাতে, বছৰৰ পাছত বছৰ ধৰি এই সমস্যাই নলবাৰী চহৰক জ্বলা-কলা খুৱাই আহিছে যদিও কি জিলা প্ৰশাসন, কি নিৰ্বাচিত জনপ্ৰতিনিধি কোনো



এজনেই চহৰখনৰ নিম্নতম নলাকেইটাৰ উন্নয়ন কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে সংসদীয়, বিধানসভা বা পৌৰসভা নিৰ্বাচনৰ সময়ত চলে কেৱল নলবাৰী চহৰ উন্নয়ন আৰু ইয়াৰ পানী নিষ্কাসনৰ মাষ্টাৰ প্লেনৰ কথা। তদুপৰি এজন মাত্ৰ প্ৰাক্তন জিলা উপায়ুক্ত ছয় পৃষ্ঠাত চাওক

# ষাঁড়গৰুৰ আক্ৰমণত কামপুৰত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কামপুৰ, ৪ জুন ঃ** কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত তেতেলীসৰাত ষাঁড়গৰুৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন মণ্টু দাস (৫০)। দুৰ্ভগীয়া দাস কালি সন্ধিয়া ষাঁড়গৰুৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। শুই থকা অৱস্থাতে আজি পুৱা তেওঁৰ মৃত্যু হয়। ষাঁড়গৰুটোৱে ইতিমধ্যে অঞ্চলটোৰ কে'বাজনো লোকক আহত কৰাৰ লগতে বহু ক্ষতিসাধন কৰিছে। দাসৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## তেজপুৰত ৫৪টা বন্যপ্ৰাণী উদ্ধাৰ

# বান্দৰক বিস্কুট দি বন্য চৰিত্ৰ নোহোৱা নকৰিবলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৪ জুন ঃ** কেৱল অৰণ্যৰ সংকোচনেই নহয়, চহৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত বাসোপযোগী পৰিৱেশ দ্ৰুতগতিত ধ্বংস হোৱাৰ সময়ত বিগত সময়ছোৱাত তেজপুৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত বিভিন্ন প্ৰজাতিৰ সাপ তথা অন্যান্য বন্য জীৱ মানুহৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিছে। উল্লেখ্য যে মানুহৰ ঘৰৰ ভিতৰত থকা নিগনি আৰু এন্দুৰ আদি খাদ্যৰ বাবেই এনেদৰে সাপে প্ৰৱেশ কৰাৰ লগতে খাদ্যৰ সংকটত পৰা বান্দৰে তেজপুৰ চহৰৰ লগতে বিভিন্ন অঞ্চলত সৰ্বসাধাৰণক অতিষ্ঠ কৰিছে। যোৱা ছয় এপ্ৰিলৰ পৰা আজিলৈকে তেজপুৰ আৰু কাষৰীয়া অঞ্চলত সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়েই তেওঁৰ সহযোগী সহায়ত উদ্ধাৰ কৰিছে ৫৪টা বন্য জীৱ। উল্লেখ্য যে তেজপুৰ আৰ্ৰত ভৱন, কেতেকীবাৰী, বামপৰ্বতীয়া, কটনৰ'ড, গাভৰু শিৱ মন্দিৰ, বাৰহলীয়া, সদৰ আৰক্ষী থানাৰ আৱাস, গাৰোৱানপট্টি, আই টি আই শিৱ মন্দিৰ, গেৰেকী, ছয় পৃষ্ঠাত চাওক

# ভৱানীপুৰত নিচাজাতীয় সামগ্ৰীসহ তিনিজন আটক

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ৪ জুন ঃ** সমগ্ৰ ৰাজ্যখনত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰখাৰ সমান্তৰালভাৱে আজি ভৱানীপুৰতো বজালী জিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা এক অভিযানত বহু অবৈধ নিচাজাতীয় সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে তিনিজনক আটক কৰে। আজি বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসৰ নেতৃত্বত অহা এক বৃহৎ আৰক্ষীৰ দলে ভৱানীপুৰৰ ৰাজাখাটৰ ইন্দ্ৰ ঘোষ নামৰ এজন লোকৰ ঘৰত তালাচী চলাই ডেনড্ৰাইট, ইৰেজাৰ, বিভিন্ন দেশী-বিদেশী অবৈধ মদ তথা বিভিন্ন ধৰণৰ নিচা জাতীয় সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে তিনিজন লোকক এই ছয় পৃষ্ঠাত চাওক

# শিমলুগুৰি ৰেল জংচনত কৰ্মৰত স্বাস্থ্য কৰ্মীক দুৰ্ব্যৱহাৰ কৰি আটক বিষয়া

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা/শিমলুগুৰি, ৪ জুন ঃ** ৰাজ্যত চিকিৎসক-নাৰ্চক প্ৰহাৰ কৰাৰ ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওতেই আজি শিৱসাগৰৰ নাজিৰা মহকুমাৰ শিমলুগুৰি ৰেল জংচনত ৰেল যাত্ৰীসকল লেলাউটি সংগ্ৰহত কৰ্মৰত এগৰাকী মহিলা কৰ্মচাৰীক দুৰ্ব্যৱহাৰ কৰি আৰক্ষীৰ হাতত আটক হ'বলগীয়া হ'ল এজন ৰেল বিভাগৰ বিষয়া। ৰেল বিভাগৰ ডিব্ৰুগড় বাণীপুৰৰ টিটিআইৰূপে কৰ্মৰত তথা আমগুৰিৰ নিবাসী সোনাৰাম গগৈয়ে শিমলুগুৰি জংচনত ৰেলেৰে আহি উপস্থিত হয়। যিহেতু ৰেলত যাত্ৰাত কৰা প্ৰতিজন যাত্ৰীয়ে ৰেল জংচনত নামি স্বাস্থ্য বিভাগৰ অস্থায়ী পৰীক্ষা শিবিৰত ক'ভিডৰ পৰীক্ষা কৰিব লাগে ছয় পৃষ্ঠাত চাওক

## বনধ্বংসৰ বাবেই জিলাখনৰ মুঠ মাটি কালিৰ ১৮ শতাংশ ভূমিতো নাই বনাঞ্চল

# বেদখলৰ কবলত নগাঁৱৰ বনাঞ্চল



**বিশেষ সংবাদদাতা**
**নগাঁও, ৪ জুন ঃ** 'গছ থাকিলেহে মানুহ থাকিব' বন বিভাগৰ এই শ্লʼগান অসাৰ হ'বলৈ গৈ আছে অবিভক্ত নগাঁও জিলাত। বিগত কে'বা দশক ধৰি অবিভক্ত জিলাখনত অব্যাহত থকা অবাধ বন ধ্বংস যজ্ঞৰ বাবেই ইখনৰ পাছত সিখনকৈ বনাঞ্চল নিশ্চিহ্ন হৈ পৰাৰ উপক্ৰম হৈছে। জিলাখনত বন ধ্বংসৰ সমান্তৰালকৈ অব্যাহত আছে বনাঞ্চলৰ ভূমি বেদখল। এই বেদখলে ক্ৰমাৎ সংকুচিত কৰিছে জিলাখনৰ দুখন অভয়াৰণ্য আৰু ১২ খন সংৰক্ষিত বনাঞ্চল। ইয়াৰ বিৰূপ প্ৰভাৱ পৰিছে জৈৱ বৈচিত্ৰ্যৰ ওপৰত। ব্যাপক হাৰত চলা বনধ্বংসৰ বাবেই এতিয়া জিলাখনৰ মুঠ মাটি কালিৰ ১৮ শতাংশ ভূমিতো নাই বনাঞ্চল। অথচ চৰকাৰী নীতি অনুসৰি একোখন জিলাৰ মুঠ মাটিকালিৰ ৩৩ শতাংশ ভূমিত বনাঞ্চল থাকিব লাগে। জিলাখনৰ নগাঁও বন সংমণ্ডল (টেৰিটৰিয়েল)ৰ অধীনস্থ জুকুতা সংৰক্ষিত বনাঞ্চল আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ কোচমৰা সংৰক্ষিত বনাঞ্চল দুখন এশ শতাংশই বেদখলকাৰীৰ কবলত পৰিছে। আনহাতে, বেদখলকাৰীৰ কবলত পৰি নিশ্চিহ্ন হোৱাৰ দিশলৈ গতি কৰা সংৰক্ষিত বনাঞ্চলকেইখন হৈছে কাকী সংৰক্ষিত বনাঞ্চল, যমুনা মৌডংগা সংৰক্ষিত ছয় পৃষ্ঠাত চাওক

## উছন দুশ পৰিয়ালৰ ঘৰ-বাৰী, জাহ গ'ল বৃহৎ কৃষিভূমি

# বাঢ়নী পানীত শংকিত বাঘবৰৰ মাজৰচৰৰ পাঁচ শতাধিক পৰিয়াল

**আলোপতি, ৪ জুন ঃ** বান অহাৰ লগে লগে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ মাজৰচৰ গাঁৱৰ প্ৰায় পাঁচ শতাধিক পৰিয়াল শংকিত হৈ পৰিছে। জিলাখনৰ অন্যতম বৃহৎ গাঁওখনৰ দক্ষিণ-পূব দিশত ব্ৰহ্মপুত্ৰ আৰু জলজলি নদীৰ খহনীয়াত বিস্তৰ ক্ষতিসাধন হোৱা পৰিলক্ষিত হৈছে। বিগত প্ৰায় ১৫-২০ বছৰ ধৰি বৃহৎ গাঁওখনত খহনীয়া অব্যাহত থকাত সংকুচিত হৈ পৰিছে গাঁওখনৰ মাটিকালি। বছৰ বছৰ ছয় পৃষ্ঠাত চাওক



# কৰ'নাকালৰ প্ৰত্যাহ্বানৰ মাজতে শোণিতপুৰৰ মুগাপামৰ উৎপাদন বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৪ জুন ঃ** কৰ'নাৰ সংক্ৰমণে ৰাজ্যৰ অৰ্থনীতিতত মাধমাৰ সোধোৱাৰ সময়তে শোণিতপুৰত এনে জটিল সময়তো মুগাৰ উৎপাদনে আশাৰ সঞ্চাৰ কৰিছে। জিলাখনৰ চাৰিখন মুগাপামত বৰ্তমানেও চলি আছে মুগা উৎপাদনৰ কাম। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ ৰেচম বিভাৰ অধীনস্থ শোণিতপুৰ জিলাৰ বৰছলা মুগা খাদ্য গছ ৰোপণ কেন্দ্ৰৰ অধীনত এশগৰাকী মহিলাৰ ১৩টা গোটে মুগা পলু পালন কৰি মে'ত বৰছলাৰ এইখন পাম এশ



কিলোগ্ৰাম মুগা সূতা উৎপাদন কৰি আৰ্থিকভাৱে প্ৰতিটো গোটে ৪০ হেজাৰৰ পৰা ৬০ হেজাৰ টকা পৰ্যন্ত আয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে শোণিতপুৰ জিলাৰ বৰছলাত ১৯৭০-৭১ত স্থাপিত ৪২ হেক্টৰ মাটিৰ কালিৰ এই মুগা ফাৰ্মখনত থকা ৫,৪৩০ জোপা প্ৰকাণ্ড চোম গছৰ পাত বছৰত পাঁবাৰ মুগা পলুৰ খাদ্যৰূপে ব্যৱহাৰ কৰাৰ লগতে অঞ্চলটোৰ বায়ুমণ্ডলৰ পৰিৱেশ প্ৰদূষণ মুক্ত হোৱাৰ ক্ষেত্ৰত সহায়ক হৈছে। মুগা ফাৰ্মখনত মুগা সূতা উৎপাদনত ছয় পৃষ্ঠাত চাওক

# পৰকীয়া প্ৰেমক লৈ মোৰাঝাৰত দুই ফৈদৰ সংঘাতত আহত পাঁচ ঃ ধৃত চাৰি



**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৪ জুন ঃ** পৰকীয়া প্ৰেমৰ বাবেই এক ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি হয় হোজাই জিলাৰ মোৰাঝাৰত। মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰৌৱাৰপাৰাত কালি বিয়লি দা-লাঠিৰে দুটা ফৈদৰ মাজত হোৱা তুমুল সংঘৰ্ষৰ ফলত চাৰিজন লোক গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য মতে, কিছুদিন পূৰ্বে নাজিমুদ্দিন নামৰ যুৱক এজনক একেই গাঁৱৰে বিবাহিতা দুই সন্তানৰ মাতৃ এগৰাকীৰ স'তে অসংযত অৱস্থাত নিশা স্থানীয় ৰাইজে আটক কৰি উত্তম-মধ্যম শোধাই মোৰাঝাৰ আৰক্ষী থানাত গতাই দিছিল। তেতিয়াৰে পৰা দুয়োটা ফৈদৰ মাজত চলি আহিছিল শীতল যুদ্ধ। কালি বিয়লি ভাগত প্ৰেমিকাৰ আত্মীয় জাকিৰ হুছেইন নামৰ লোকজন ঘৰলৈ ওভতাৰ পথত প্ৰেমিক নাজিম উদ্দিনৰ সমৰ্থকে দা-লাঠিৰে বাট আগচি ধৰি প্ৰাণে মৰাৰ চেষ্টা চলায়। তাৰ পাছতে ঘটনাই জটিল ৰূপ ধাৰণ কৰে। পাছত দুয়োটা ফৈদৰ শতাধিক লোকৰ সমাগম হোৱাত ভয়ংকৰ সংঘৰ্ষৰ সৃষ্টি হয়। গাঁওখনৰ চফৰ আলীৰ পৰিয়াল আৰু ৰিয়াজ আলীৰ পৰিয়ালৰ স'তে হোৱা সংঘৰ্ষত পুৰুষ-মহিলা সকলোৱে এজনে আনজনৰ ওপৰত দা-লাঠিৰে আক্ৰমণ আৰম্ভ কৰে। ভয়ংকৰ আক্ৰমণৰ ফলত জাকিৰ হুছেইনসহ পাঁচজন লোক গুৰুতৰভাৱে আহত হয়। আঘাতপ্ৰাপ্ত লোককেইজনক আৰক্ষীয়ে মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি ডবকা চিকিৎসালয়ত ভৰ্তি কৰে। ইফালে, ঘটনাস্থলীত ডবকা আৰক্ষী, মোৰাঝাৰ আৰক্ষীৰ লগতে আৰক্ষীৰ ছয় পৃষ্ঠাত চাওক

# মোৰাঝাৰত বন্দুকসহ এজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৪ জুন ঃ** হোজাই জিলাৰ মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত মধ্যম চামৰালি গাঁৱত আজি পুৱতি নিশা অভিযান চলাই আৰক্ষীয়ে এটা হস্তনিৰ্মিত বন্দুকসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিকমল হাজৰিকাই সদৰী কৰা মতে, এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত পুৱতি নিশা মধ্যম চামৰালি গাঁৱৰ আব্দুল লতিফৰ ঘৰত তালাচী চলাইছিল আৰক্ষীয়ে। তালাচী কালত এটা হস্তনিৰ্মিত ৰাইফল, তিনিজাঁই



সক্ৰিয় গুলি আৰু এটা খালী কাৰ্টিজৰ লগতে লোকজনক গ্ৰেপ্তাৰ কৰে। ইফালে, লোকজনক গ্ৰেপ্তাৰৰ পাছতে আৰক্ষীৰ বিৰুদ্ধে সৰৱ হৈ পৰে স্থানীয় ৰাইজ। স্থানীয় ৰাইজৰ মতে, আব্দুল লতিফ আৰু স্থানীয় বৰকত উল্লাহ আৰু তেওঁৰ পুত্ৰ গিয়াছুদ্দিন, নাছিৰুদ্দিন, চাহাজুদ্দিনৰ স'তে এডোখৰ ভূমিক কেন্দ্ৰ কৰি কাজিয়া চলি আহিছে। সম্পৰ্কত আব্দুল লতিফ আৰু বৰকত উল্লাহ সম্পৰ্কীয় ভাই-ককাই। কাজিয়াৰ পোতক তুলিবলৈ বৰকত উল্লাহ আৰু তেওঁৰ পুত্ৰসকলে মিলি ষড়যন্ত্ৰমূলকভাৱে আব্দুল লতিফৰ মুৰ্গীৰ গৰালত মাৰণাস্ত্ৰ ৰাখি আৰক্ষীক খবৰ দি লোকজনক গ্ৰেপ্তাৰ কৰাইছে। এই সন্দৰ্ভত আৰক্ষীৰ হাতত ধৃত আব্দুলৰ পত্নী নুৰজাহান বেগমে মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক ছয় পৃষ্ঠাত চাওক

# জয়সাগৰত চাৰিটা বৰ কাছ উদ্ধাৰ ঃ ধৃত এক

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৪ জুন ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষীয়ে আজি চলালে আন এক অভিযান। জয়সাগৰ আৰক্ষী চকীৰ আৰক্ষীয়ে আজি নিশা শিলা সাঁকো অঞ্চলত চলোৱা এই সফল অভিযানটোত এজন চোৰাং ব্যৱসায়ীৰ জিম্মাৰ পৰা চাৰিটা বিৰল প্ৰজাতিৰ প্ৰকাণ্ড বৰ কাছ উদ্ধাৰ কৰে। ভটীয়াপাৰ শিলা সাকোঁৰ নিৱাসী খগেন দাস নামৰ ব্যক্তিজনৰ গৃহত চলোৱা অভিযানত ডাঙৰ ডাঙৰ কেৰাহীত জীয়াই থোৱা অৱস্থাত বৰ কাছকেইটা উদ্ধাৰ কৰে। অভিযানকাৰী আৰক্ষীৰ দলটোৱে বৰ কাছ সৰবৰাহ কৰা, মজুত ৰখাৰ অভিযোগত বাবু দাস নামৰ যুৱকজনক আটক কৰে।

# ডিব্ৰুগড়ৰ উন্নয়নৰ পৰ্যালোচনা অভিভাৱক মন্ত্ৰী অতুল বৰাৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৪ জুন ঃ** অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লাভৰ পাছতেই ডিব্ৰুগড় ভ্ৰমণ কৰে মন্ত্ৰী অতুল বৰাই। তেওঁ ডিব্ৰুগড় জিলাত হৈ থকা উন্নয়নমূলক কাম-কাজৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। জিলাখনৰ সামগ্ৰিক উন্নয়ন ক্ষিপ্ৰতাৰে হোৱাত গুৰুত্ব আৰোপ কৰে। আনহাতে, গুৱাহাটীৰ পাছতে ডিব্ৰুগড় জিলাত ভয়াৱহ হৈ পৰা ক'ভিড পৰিস্থিতি সন্দৰ্ভত স্বাস্থ্য বিভাগ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ স'তে আলোচনা কৰাৰ লগতে জিলাবাসীক অধিক সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ লগতে ডিব্ৰুগড়ত ক'ভিড পৰিস্থিতি কিছু হ্ৰাস পাইছিল যদিও পুনৰ শেহতীয়াকৈ বৃদ্ধি পাইছে বুলি কয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্নয়ন ক্ষিপ্ৰ কৰাৰ বাবে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অভিভাৱক দায়িত্ব দিয়া লগতে মাহত দুবাৰকৈ আহি উন্নয়ন সন্দৰ্ভত বুজ ল'ব বুলি কয়। উক্ত পৰ্যালোচনাত ডিব্ৰুগড় জিলা উপায়ুক্ত কাৰ্যালয়ত বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, চক্ৰ গগৈ, পোনাকন বৰুৱা, তেৰছ গোৱালা উপস্থিত থাকে।

# সমাজকৰ্মী আবুল খায়েৰৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৪ জুন ঃ** ৰঙিয়া চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ চৰিয়ৎপুৰ নিবাসী সমাজকৰ্মী, উত্তৰ-পূব সীমান্ত ৰেলৰ ভেণ্ডি ঠিকাদাৰ সন্থাৰ প্ৰাক্তন সভাপতি আবুল খায়েৰ (৬৯)ৰ মধুমেহ ৰোগত আক্ৰান্ত হৈ আজি নিজ বাসভৱনত মৃত্যু হয়। তেওঁ মৃত্যুৰ সময়লৈকে ৰঙিয়াৰ বিভিন্ন সামাজিক সংগঠনৰ লগত জড়িত আছিল। উত্তৰ-পূব সীমান্ত ৰেলৰ বিভিন্ন ষ্টেছনৰ ভেণ্ডাৰ সকলৰ অধিকাৰ তথা সুযোগ-সুবিধাৰ বাবে তেওঁ দীৰ্ঘদিন ধৰি সংগ্ৰাম অব্যাহত ৰাখিছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰক এৰি যায়।

# আৰক্ষীয়ে নষ্ট কৰিলে বৃহৎ পৰিমাণৰ চুলাই

**বিশেষ সংবাদদাতা**
**নগাঁও, ৪ জুন ঃ** নগাঁৱত আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নেতৃত্বত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। আজিও আৰক্ষী অধীক্ষক মিশ্ৰৰ নেতৃত্বত আৰক্ষীৰ এটা দলে প্ৰথমে ক'ভিড নীতি-নিয়ম ভংগকাৰীৰ বিৰুদ্ধে সষ্টম হয়। পাছত আৰক্ষীয়ে হয়বৰগাঁও, হুজগাঁও, লাওখোৱা ৰোডত কে'বাটাও বাসগৃহত অভিযান চলাই বৃহৎ পৰিমাণৰ চুলাই নষ্ট কৰে। আৰক্ষীয়ে চুলাই প্ৰস্তুত কৰা সামগ্ৰীও নষ্ট কৰে। আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ সময়ত চুলাই মদৰ ব্যৱসায়ৰ লগত জড়িত কে'বাজনো লোকক আটক কৰে।

# অৰণ্য ধ্বংসকাৰী এতিয়া প্ৰকৃতি সংৰক্ষক গঢ়ি তুলিছে এখন সেউজ অৰণ্য



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৪ জুন ঃ** একালৰ বন ধ্বংসকাৰী, চোৰাং চিকাৰী এতিয়া বন সংৰক্ষক। বন ধ্বংসকাৰীসকলৰ মুখত এতিয়া প্ৰকৃতি সংৰক্ষণ কৰাৰ কথা। হয় বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত দেখা এক ডজন লোক পূৰ্বতে বনাঞ্চল বা পাহাৰৰ পৰা গছ-গছনি কাটি সেইবোৰ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰিছিল। বনাঞ্চল আৰু পাহাৰৰ মূল্যবান গছ-গছনি কাটি তহিলং কৰিছিল; কিন্তু বাগ্‌সাৰ স্বেচ্ছাসেৱী প্ৰকৃতিপ্ৰেমী সংগঠন 'মানস চৌচি খংখৰ ইকো টুৰিজিম ছ'চাইটি'ৰ কৰ্মকৰ্তাসকলে এই সংখ্যক বনাঞ্চল ধ্বংসকাৰীক বুজনি দি পূৰ্বৰ পন্থা সলনি কৰি দিলে আৰু এই স্বেচ্ছাসেৱী সংগঠনৰ স'তে জড়িত হৈ এতিয়া প্ৰকৃতি সংৰক্ষণত লাগি পৰিছে। শান্তিপুৰৰ ঘন অৰণ্যৰ কেম্পত এই সংগঠনটোৰ এক ডজন কৰ্মী দিনে নিশাই পহাৰ দি প্ৰকৃতি সংৰক্ষণত নিয়োজিত হৈ আহিছে। 'গছ থাকিলেহে যে মানুহ থাকিব' এই কথা তেওঁলোকে এতিয়া আনক বুজায়। কাইলৈ বিশ্ব পৰিৱেশ দিৱস। এই দিৱসটো লৈ তেওঁলোকে বেছ উৎসাহী। তেওঁলোকৰ আহ্বান 'প্ৰকৃতি সংৰক্ষণ কৰি জীৱন সংৰক্ষণ কৰক। যি সময়ত ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চলসমূহ একাংশ চোৰাং কাঠ ব্যৱসায়ীয়ে কাটি তহিলং কৰিছে তেনে সময়তে এসময়ৰ বন ধ্বংসকাৰীয়ে এতিয়া গঢ়ি তুলিছে এখন সেউজ অৰণ্য। ৰ'দ, বৰষুণকো নেওচি ৰত্নাকৰৰ পৰা বাল্মিকীলৈ পৰিৱৰ্তন ছয় পৃষ্ঠাত চাওক

## মানাহৰ বাঁহবাৰীত পৰ্যটন-কৃষি বিভাগৰ প্ৰসংগত বৈঠক

# বিটিআৰত সুকীয়াকৈ টে'ট অনুষ্ঠিত নহয় ঃ বড়ো

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৪ জুন ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানত আজি উপস্থিত হয় বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু বন বিভাগৰ কাৰ্যবাহী সদস্য বিআৰ ফেৰেংগা ওৰফে ৰঞ্জিত বসুমতাৰী। তেওঁলোকে পৰ্যটন আৰু কৃষি বিভাগ প্ৰসংগত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক অমল কুমাৰ শৰ্মা, বাঁহবাৰী বন সংমণ্ডল কাৰ্যালয়ৰ বিষয়া বাবুল ব্ৰহ্মসহ কে'বাগৰাকী বিষয়াৰ স'তে উদ্যানখনৰ বাঁহবাৰী বন সংমণ্ডল কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠকত



মিলিত হয়। বৈঠকৰ অন্তত বিটিআৰৰ মুখ্য কাৰ্যবাহী বড়োৱে কয়, 'বেঁকী নৈৰ বুকুত যিমান অবৈধ খনন কাৰ্য চলিছে তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অকল মানাহতে নহয় বিটিআৰৰ পৰ্বতঝোৰাৰ পৰা ভৈৰৱকুণ্ডলৈ যিমান বেদখল আছে সকলোতে জৰীপ কৰি থকা হৈছে আৰু এই ক্ষেত্ৰত বিটিআৰ চৰকাৰৰ ফালৰ পৰা নিশ্চিত ব্যৱস্থা লোৱা হ'ব। মানাহক লৈ বিটিআৰ নতুন চিন্তা-চৰ্চা সন্দৰ্ভত বড়োৱে কয়, 'মানাহ ৰাষ্ট্ৰীয় উদ্যানক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত লৈ যোৱাৰ নতুন পৰিকল্পনা কৰা হৈছে। দিল্লীৰ পৰা বিশেষজ্ঞ আহিছে। আমাৰ লগত আলোচনা কৰিছে। দুই-এবছৰৰ ভিতৰতে সকলোৱে নতুন ৰূপত দেখা পাব মানাহক।' ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২১ জেঠ ১৪২৮ ভাস্কৰাব্দ ৫ জুন ২০২১

# তৃতীয় ঢৌৰ শংকা


ভাৰতত সম্প্ৰতি কৰ’নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ তীব্ৰতা হ্ৰাস পাবলৈ ধৰিছে। দৈনিক আক্ৰান্তৰ সংখ্যা সৰ্বাধিক চাৰি লাখৰ পৰা বৰ্তমান ডেৰ লাখৰ আশে-পাশে আছে। একে সময়তে মৃত্যুৰ সংখ্যাও কমি আহিছে। কৰ’নাৰ এই নিম্নমুখী প্ৰৱণতাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে যে ভাৰতত ক’ভিডৰ দ্বিতীয়টো ঢৌৱে ইতিমধ্যে সংক্ৰমণৰ শিখৰ অতিক্ৰম কৰিলে। কৰ’নাৰ সংক্ৰমণৰ সন্দৰ্ভত এনে এক ইতিবাচক বতৰা লাভ কৰাৰ সময়তে দেশত ক’ভিডৰ সম্ভাব্য তৃতীয়টো ঢৌৰ বিষয়ত সকীয়াই দিলে বিশেষজ্ঞসকলে। একাধিক বিশেষজ্ঞ আৰু প্ৰতিষ্ঠানে ইতিমধ্যে কৈছে যে কৰ’নাৰ সংক্ৰমণ বৰ্তমানে অৱনমিত হৈছে যদিও এই ভাইৰাছে বিদায় লোৱা নাই। বিশ্বৰ বহু দেশতে ক’ভিডৰ দ্বিতীয়তকৈ অধিক ঢৌৰ আগমন ঘটিছে আৰু একাধিক দেশত চতুৰ্থ-পঞ্চম ঢৌৱে হাহাকাৰ অৱস্থাৰ ইতিমধ্যে সৃষ্টি কৰিছে। সেয়েহে ভাৰতকো বিশেষজ্ঞসকলে ক’ভিডৰ সম্ভাব্য তৃতীয়টো ঢৌৰ সন্দৰ্ভত সতৰ্ক আৰু সাজু থাকিবলৈ পৰামৰ্শ দিছে। ভাৰতীয় ষ্টেট বেংক (এছ বি আই)ৰ অৰ্থনৈতিক বিশেষজ্ঞই এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ভাৰতত কৰ’নাৰ তৃতীয়টো সম্ভাব্য ঢৌৰ প্ৰকোপ কমেও ৯৮ দিনলৈ থাকিব পাৰে। দেশত ক’ভিডৰ দ্বিতীয় ঢৌৰ স্থায়িত্ব ১০৮ দিন বুলি উল্লেখ কৰি এই প্ৰতিবেদনত এছ বি আয়ে কৈছে যে দ্বিতীয় ঢৌৰ দৰেই দেশত তৃতীয়টো ঢৌ সমানে ভয়াৱহ আৰু প্ৰাণঘাতক হ’ব। তৃতীয়টো ঢৌৰ বাবে পূৰ্বৰে পৰা দেশ সাজু থাকিলে স্বাস্থ্য আৰু অৰ্থনীতিৰ ক্ষতি কম হ’ব বুলিও দেশৰ সৰ্ববৃহৎ বেংকটোৰ প্ৰতিবেদনত কোৱা হৈছে। ক’ভিডৰ তৃতীয় ঢৌত দেশৰ ১২-১৮ বছৰ বয়সীয়া লোকসকল অধিক প্ৰভাৱিত হোৱাৰ আশংকা থকাৰ কথাও এছ বি আয়ে উল্লেখ কৰিছে।

ক’ভিডৰ প্ৰথম ঢৌৰ তুলনাত দ্বিতীয়টো ঢৌত ভাৰতৰ অধিক ক্ষতি হ’ল। অসমতো কৰ’নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৱে মানৱ জীৱনৰ লগতে অৰ্থনীতিৰ ব্যাপক ক্ষতিসাধন কৰিলে। উল্লেখ্য যে বিশ্ব স্বাস্থ্য সংস্থা (হু) সহ একাধিক সংগঠন আৰু বিশেষজ্ঞই ভাৰতক ক’ভিডৰ প্ৰথমটো ঢৌৰ সময়তে বাৰে বাৰে সকীয়াই দিছিল যে দ্বিতীয় ঢৌৰ বাবে সাজু থকা উচিত হ’ব; কিন্তু কেন্দ্ৰীয় চৰকাৰে ক’ভিড যুঁজত ভাৰতে জয়লাভ কৰিলে বুলি গৌৰৱৰে ঘোষণা কৰি সকলো শিথিল কৰি দিছিল। তলাবন্ধ প্ৰত্যাহাৰৰ পাছত দেশবাসীয়েও কৰ’নাৰ ভয়াৱহতাক পাহৰি পুনৰ পূৰ্বৰ নিশ্চিত জীৱন-যাত্ৰালৈ উভতি গৈছিল। কিন্তু এনে আচৰণৰ পৰিণতিতে দেশলৈ ক’ভিডৰ পুনৰ আগমন ঘটিল আৰু দেশবাসীয়ে স্বাস্থ্যখণ্ডত এক অভূতপূৰ্ব পৰিস্থিতি প্ৰত্যক্ষ কৰিব লগা হ’ল। দৈনিক চাৰিলাখৰো অধিক লোক কৰ’নাত আক্ৰান্ত হোৱাৰ অভিলেখ ৰচনাৰ লগতে ৰোগীৰ বাবে হাস্পতালত শয্যা, অক্সিজেন আদিৰ অভাৱত এক অবৰ্ণনীয়, অকল্পনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছিল। বৰ্তমানে পৰিস্থিতি কিছু উন্নত হৈছে যদিও ক’ভিড ৰোগীৰ দুৰ্দশাৰ অন্ত হোৱা নাই। দৰাচলতে ‘হু’সহ একাধিক সংস্থা তথা বিশেষজ্ঞৰ সকীয়নিক আওকাণ কৰি সময় থাকোতেই ক’ভিডৰ দ্বিতীয় ঢৌ প্ৰতিৰোধৰ ব্যৱস্থা নোলোৱাৰ পৰিণতিতে দেশত হঠাতে কৰ’নাৰ পুনৰ আগমনে বিভীষিকাৰ সৃষ্টি কৰাৰ সুযোগ পাইছিল।

ভাৰতত কৰ’নাৰ তৃতীয় ঢৌৰ সম্ভাৱনাৰ কথা ইতিমধ্যে বিশ্ব স্বাস্থ্য সংস্থায়ো প্ৰকাশ কৰিছে। এইবাৰ ষ্টেট বেংকৰ অধ্যয়নতো একে শংকাকে ব্যক্ত কৰিলে। তৃতীয়টো সংক্ৰমণৰ ঢৌ প্ৰথম দুটাতকৈও অধিক ব্যাপক আৰু ক্ষতিকাৰক হ’ব বুলিও বিশেষজ্ঞই উল্লেখ কৰিছে। তদুপৰি শিশু-কিশোৰ এই ঢৌত অধিক প্ৰভাৱিত হোৱাৰ শংকাও ব্যক্ত কৰা হৈছে। উল্লেখ্য যে মালয়েছিয়াত ইতিমধ্যে ক’ভিডৰ তৃতীয় ঢৌ আৰম্ভ হৈছে আৰু দেশখনত পহিলা জুনৰ পৰা সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰা হৈছে। তৃতীয়টো ঢৌত মালয়েছিয়াত ৮২,৩৪১ শিশু ক’ভিডত আক্ৰান্ত হৈছে আৰু এইসকলৰ ১৯,৮৫১টিৰ বয়স চাৰি বছৰৰ অনূৰ্ধ্ব। আনহাতে, আক্ৰান্ত ৮,২৩৭টি শিশুৰ বয়স হৈছে পাঁচৰ পৰা ছয় বছৰ। এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি ভাৰতৰ ক্ষেত্ৰত ক’ভিডৰ তৃতীয়টো ঢৌ শিশুৰ বাবে কিমান ভয়াৱহ হ’ব পাৰে। ক’ভিডৰ তৃতীয় সম্ভাব্য ঢৌৰ পৰা দেশ আৰু দেশবাসীক ৰক্ষা কৰিবলৈ হ’লে সময় থাকোতেই চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা ল’ব লাগিব। স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে শিশুৰ বাবে ক’ভিড চেণ্টাৰ গঢ়ি তোলাত গুৰুত্ব দিয়া অতি জৰুৰী হৈছে। টিকাকৰণৰ ক্ষেত্ৰতো ১২-১৮ বছৰীয়াসকলক সামৰি লোৱা প্ৰয়োজন। ক’ভিডৰ দ্বিতীয় ঢৌ মাৰ গ’ল বুলি চৰকাৰ আৰু দেশবাসীয়ে সকাহ লভি হাত সাবটি বহি থাকিলে কিন্তু তৃতীয়টো ঢৌৰ আগমন ঘটিলে ভয়াৱহ পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনা অধিক।

## খোলা মঞ্চ

# আলফাৰ কাৰ্য-কলাপে অসমীয়া জাতিক সহায় কৰিছেনে?



**১৯৭৯ৰ** পৰা অসমত আৰম্ভ হোৱা অবৈধ বিদেশী বিতাড়ন আন্দোলনৰ গইনা লৈ কিছু সংখ্যক অসমীয়া যুৱকে এখন স্বাধীন অসম গঢ়াৰ সপোন লৈ গঠন হোৱা বিপ্লৱী সংগঠন আলফা।

অসমখন অতীজৰে পৰা সুকীয়া ৰাজ্য আছিল। আহোম ৰাজত্বৰ শেষ ভাগত বদন বৰফুকনে নিজৰ স্বাৰ্থ পূৰণৰ বাবে অসমলৈ মান আনে আৰু মানে আহোমক পৰাস্ত কৰি স্বাধীন অসমক নিজৰ অধীনলৈ আনে। মানৰ লগত ইংৰাজৰ সংঘৰ্ষ হোৱাত মান ইংৰাজৰ হাতত পৰাজয় হয় আৰু ১৮২৬ খ্ৰীষ্টাব্দত মানে ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ব্ৰিটিছৰ হাতত গতাই দিয়ে। ব্ৰিটিছে গোটেই ভাৰতবৰ্ষ নিজৰ হাতলৈ নিয়াৰ পাছত গান্ধীজীৰ নেতৃত্বত সুদীৰ্ঘ কাল ধৰি সংগ্ৰাম কৰাৰ পাছত ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে আৰু অসমো ভাৰতৰ এটা অবিচ্ছেদ্য অংগ হৈ পৰে।

অসম এখন প্ৰাকৃতিক সম্পদৰে ভৰা ৰাজ্য। অসম স্বাধীন ভাৰতৰ অংগ ৰূপে পৰিচয় লাভ কৰাৰ পাছত কেন্দ্ৰই অসমৰ বিভিন্ন প্ৰাকৃতিক সম্পদ আহৰণ কৰাৰ চেষ্টা চলায়। আন্দোলন অবিহনে অসমে ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত হৈছিল আৰু কোনো উন্নয়নমূলক কামত অগ্ৰগতি লাভ কৰিব পৰা নাছিল। আন্দোলন নকৰিলে অসমে কেন্দ্ৰৰ পৰা একো নোপোৱাটো এক নীতিত পৰিণত হৈছিল। কেন্দ্ৰৰ এনে ধৰণৰ মনোভাৱৰ কাৰণে আলফাৰ জন্ম হৈছিল আৰু কেন্দ্ৰৰ ওচৰত ন্যায্যপ্ৰাপ্তিৰ আদায়ৰ বিপৰীতে অতীতৰ স্বাধীন অসম বিচাৰি কেন্দ্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সদস্য ভৰ্তিৰ অভিযান চলাই আৰু গাঁৱে-ভূঞে নানা জনহিতকৰ কামত নিজকে আত্মনিয়োগ কৰি, আনকি সমাজত অনৈতিক কাম-কাজ কৰা লোকক শাৰীৰিক শাস্তি আদি দি ৰাইজৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। আনকি ৰাইজৰ মাজৰ পৰাই তেওঁলোকলৈ প্ৰচুৰ পৰিমাণে ধন আহিবলৈ ধৰে। প্ৰচুৰ পৰিমাণে ধন হাতত অহাৰ পাছত ধনৰ লোভত তেওঁলোকৰ আগৰ পৰিকল্পনা সলনি হৈ জনহিতকৰ কামৰো যতি পৰিল, লগতে আধুনিক মাৰণাস্ত্ৰ ক্ৰয় কৰি সশস্ত্ৰ সংগ্ৰামত লিপ্ত হ’ল। ধনৰ লিপ্সাত হত্যা, অপহৰণ, ধনদাবী আৰু বে-আইনী কাম কৰি ৰাজ্যৰ বিস্তৰ ক্ষতি সাধনত নামিল। যাৰ বাবে চৰকাৰে সংগঠনটোক নিষিদ্ধ ঘোষণা কৰিবলৈ বাধ্য হ’ল। পাছলৈ তেওঁলোকৰ অনাকাংক্ষিত কাৰ্যকলাপৰ বাবে জনসাধাৰণৰ সমৰ্থন হেৰুৱাই এটা চামে মূল সুঁতিলৈ ঘূৰি আহে। কিন্তু আন এটা চামে এতিয়াও চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰত ঘাটি পাতি সময়ে সময়ে অন্ততঃ আৰ্থিক নাটনি জোৰা মৰাৰ বাবে ধন দাবী, অপহৰণ আদি চলাই জনসাধাৰণক হাৰাশাস্তি কৰি থাকিল।

**বলোৰাম ডেকা,** লেখক

এতিয়া কথা হ’ল আলফাৰ এনেধৰণৰ কাৰ্যকলাপে অসমীয়া জাতিৰ উন্নতিত সহায় কৰি আহিছেনে? প্ৰথমতে আলফাই যিটো কাম কৰিব বুলি সংগঠন কৰিলে অৰ্থাৎ কেন্দ্ৰৰ পৰা অসমখন স্বাধীন কৰিব বুলি সংকল্প ল’লে জনসাধাৰণক সেই ক্ষেত্ৰত পতিয়ন নিয়াব পাৰিলেনে? আলফাই অসমক স্বাধীন কৰাৰ অছিলাতে নিজৰ স্বাৰ্থ পূৰণৰ বাবে অসমীয়া জাতিটোৰহে অনিষ্ট কৰিব ধৰিলে। বৰঞ্চ বিদেশী ৰাষ্ট্ৰৰ আশ্ৰয় লৈ স্বদেশী লোককহে হাৰাশাস্তি কৰি আছে। এটা চামে ছালফা হৈ চৰকাৰৰ পৰা অৰ্থ সাহায্য লৈ ৰাজ আতিথ্য গ্ৰহণ কৰিলে আৰু আন এটা চামে নিজক শক্তিশালী বুলি দেখুওৱাৰ গইনা লৈ ৰাজকৰ্মচাৰীক অপহৰণ, নিষ্পাপ শিশুক হত্যা কৰি সুস্থিৰ অসমীয়া জাতিটোকে অস্থিৰ কৰি ৰখাৰ চেষ্টা চলাই থকা আলফাৰ এনে কাৰ্যকলাপে অসমীয়া জাতিক সহায় কৰিছে বুলি ভাবিব নোৱাৰি।

ফোন ঃ ৮৭৬১৯০৪৩১৭

# ‘ছেকুলাৰিজিম’ৰ উৰ্ধ্বত অলপ সাম্প্ৰদায়িক চিন্তা-চৰ্চা

### ধৰ্ম প্ৰচাৰৰ নামত বা মৌলবাদ বিস্তাৰৰ স্বাৰ্থত দুষ্কৃতিকাৰীয়ে চলোৱা অমানৱীয় কাৰ্যকলাপে যুগে যুগে সমাজত ভীতিৰ সঞ্চাৰণ ঘটোৱাই নহয়, বৌদ্ধিক সম্পদৰো বিস্তৰ ক্ষতিসাধন কৰি আহিছে



**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

(এক)

শনিবাৰে ৰাতিপুৱাতে আমিনুলৰ ফোন আহিল; — মামা, আপোনালোক সকলোৱে ভালে আছেনে? গুৱাহাটীত দেখোন ভাইৰাছে মানুহ মাৰিছে, সেই বাবে চিন্তা লাগি আছে। অলপ সাৱধানে থাকিব মামা। — আছো, ভালেই আছো; তহঁতৰ ফালে কেনে? — আমাৰ ইয়াত ভাইৰাছৰ নামেই নাই, সব ঠিকেই চলি আছে।

আমিনুল দিন হাজিৰা কৰা ডেকা, গোৱালপাৰাৰ ফালৰ। বিশ্বাসী আৰু কৰ্মপটুতাৰ বাবে আমাৰ ঘৰৰ বাহিৰে-ভিতৰে কাম কৰিবলৈ তাকেই লগাওঁ। বিহুৰ পাছতে আহি এসপ্তাহমান কাম কৰি থৈ গ’ল। যাবৰ পৰত ক’লে,— মামা, হাজিৰা কৰি পোৱা টকাকেইটা ঘৰ ভাড়া দিওঁতে আৰু খাওঁতে শেষ হ’ল; এতিয়া ঘৰলৈ শুদাহাতে যাওঁ কেনেকৈ? মই তাক টকা এহেজাৰ দিলো। অলপ লাজ লাজ কৰি সি ক’লে,— মই ইমানদিনে আপোনাক লাজতে কথাটো কোৱা নাই; আমাৰ ল’ৰা-ছোৱালীবোৰৰ কম বয়সতে বিয়া হয়, আপুনি জানেই। ময়ো বিয়া কৰাইছো, এটা ল’ৰা সন্তানো আছে, দুবছৰ বয়স তাৰ। মই ৰগৰ কৰি ক’লো,— তেনেহ’লে দ্বিতীয় সন্তানটোও দেখোন আহিবৰ হ’ল! সি জাঁপ মাৰি উঠিল,— বাপৰে, কি কয় মামা? এইটোকে ভালকৈ খুৱাই-পিন্ধাই পঢ়াই-শুনাই ডাঙৰ কৰাটো কিমান টান কাম হ’ব, সেইটো ভালদৰে বুজিছো।

তাৰ উত্তৰ শুনি ভাল লাগিল। সেইখন সমাজতো তেনেহ’লে জন্ম-নিয়ন্ত্ৰণ আৰু উন্নত জীৱন-যাত্ৰাৰ বা বলিছে, সেইটোৱেই আশাৰ বতৰা।

সেইদিনাই ‘দৈনিক অগ্ৰদূত’ত (২৯ মে’ ২০২১)ত প্ৰকাশ পোৱা লংকাৰ আব্দুল হালিম আহমেদৰ ‘চৰকাৰ বুলিলে আছে দৰকাৰ’ শীৰ্ষক পত্ৰখন উষ্ণ প্ৰবাহৰ মাজত যেন এচাটি শীতল বা। নতুন চৰকাৰলৈ কেতবোৰ গঠনমূলক পৰামৰ্শ দিয়াৰ লগতে তেওঁ লিখিছে,— অভিভাষী মুছলমানৰ মাজত এতিয়াও বাল্য বিবাহৰ প্ৰচলন হৈ আছে,... শিক্ষা ক্ষেত্ৰত মুছলমান সম্প্ৰদায়ৰ ছোৱালী পিছপৰা, চৰকাৰে ‘দুটাকৈ সন্তান আইন’ কাৰ্যকৰী কৰি হাতে-কামে প্ৰচলন কৰক,... জনসাধাৰণ সুখত থাকিলেহে এখন সুখী সুস্থিৰ চৰকাৰ বুলিব পাৰি।

সাধাৰণতে মুছলমান নেতা আৰু ছেকুলাৰ বুদ্ধিজীৱীসকলে মুছলমান সমাজৰ অনগ্ৰসৰতাত হা-হুমুনিয়াহ কাঢ়িয়েই আত্মসন্তুষ্টি লভে। মুছলমানসকল সাম্প্ৰদায়িক বিদ্বেষৰ বলি হৈ দৰিদ্ৰতা আৰু অশিক্ষাত ভুগিছে; এনেধৰণৰ অভিযোগো উত্থাপন কৰে, যেন তাৰ বাবে হিন্দুসকলহে দায়ী। আব্দুল হালিমৰ দৰে বস্তুনিষ্ঠ দৃষ্টিভংগী কম লোকৰহে আছে। ডাঃ ইলিয়াছ আলীয়ে কৰ্তব্যবোধৰ প্ৰতি সজাগ হৈ মুছলমান সমাজত পৰিয়াল পৰিকল্পনাৰ বাণী হাতে-কামে প্ৰচাৰ কৰি দেখুৱাইছে, তাৰ শলাগ লওঁতাও কমেই ওলাব, অনুকৰণ কৰাটো দূৰৰে কথা।

খ্ৰীষ্টান ধৰ্মীয় নেতাসকলে সময়ে সময়ে সংখ্যা বৃদ্ধিৰ কথা কয়, কোনো কোনো হিন্দু ধৰ্মগুৰুৱেও সম্প্ৰদায়টো সংখ্যালঘু হৈ পৰাৰ আশংকা ব্যক্ত কৰে; পিছে সেইবোৰলৈ তেওঁলোকৰ অনুগামীসকলে বিশেষ গুৰুত্ব নিদিয়ে। কিন্তু ইছলাম ধৰ্মীয় নেতাৰ কথা সৰ্বসাধাৰণ মুছলমানে অমান্য কৰাৰ কথা ভাবিব নোৱাৰে। তাতেই আব্দুল হালিমৰ দৰে ব্যক্তি আৰু আমিনুলৰ দৰে ডেকাৰ প্ৰাসংগিকতা।

(দুই)

৩০ মে’ৰ ‘ডি হিন্দু’ কাকতত প্ৰকাশ পোৱা খ্ৰীষ্টান স্কুলত শিশুসকলৰ কংকাল উদ্ধাৰ হোৱা বাতৰিটোৱে মনটো অশান্ত কৰি তুলিলে। বাতৰিটোত কোৱা হৈছে, ঊনৈশ শতিকাৰ পৰা ১৯৭০লৈকে প্ৰায় ডেৰলাখ শিশুক বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা কানাডালৈ নি খ্ৰীষ্টান স্কুলত ভৰ্তি কৰোৱা হৈছিল; কিন্তু সিহঁতৰ ওপৰত যৌন শোষণকে ধৰি এনে অকথ্য নিৰ্যাতন চলোৱা হৈছিল যে হেজাৰ হেজাৰ শিশু মৃত্যু মুখত পৰিছিল। শিশুসকলক ধৰ্মান্তৰিত কৰাই নহয়, সিহঁতৰ খাদ্যাভ্যাস, মাত-কথা, নিজস্ব ভাষা-সংস্কৃতি আদিৰো পৰিৱৰ্তন ঘটোৱা হৈছিল, সভ্য কৰাৰ নামত। শেহতীয়া বাতৰিটো হ’ল, কানাডাৰ এসময়ৰ বৃহত্তম আৱাসিক বিদ্যালয়খনত ২১৫টা ফুলকুমলীয়া শিশুৰ মৃতদেহৰ অৱশেষ পোৱা গৈছে। শিশুসকলৰ অধিকাংশই আছিল বিভিন্ন জনজাতীয় গোষ্ঠীৰ।

অৱশ্যে এনে বাতৰি পূৰ্বতেও প্ৰকাশ পাইছিল। ২০০৮ত কানাডাৰ প্ৰধানমন্ত্ৰী ষ্টিফেন হাৰ্পাৰে এই বুলি ক্ষমা প্ৰাৰ্থনা কৰিছিল যে আদিবাসীসকলক সভ্য কৰাৰ নামত খ্ৰীষ্টান স্কুলবোৰে যি দুষ্কৰ্ম কৰিলে তাৰ বাবে দুখ প্ৰকাশ কৰিবলৈ তেওঁৰ ভাষা নাই। তাৎপৰ্যপূৰ্ণ যে অনুৰূপ দুষ্কাৰ্য অষ্ট্ৰেলিয়াতো সংঘটিত হৈছিল আৰু ২০০৮ত নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰী কেভিন ৰুডেও প্ৰায় একে ভাষাত ক্ষমা প্ৰাৰ্থনা কৰিছিল। পিছে খ্ৰীষ্টান মিছনেৰীসকলে বিশ্বৰ সকলো প্ৰান্ততে প্ৰায় একেধৰণে ধৰ্মান্তৰকৰণৰ অভিযান চলাইছিল আৰু এতিয়াও চলাই আছে। ভাৰতবৰ্ষতো তাৰ ব্যতিক্ৰম ঘটা নাছিল।

মৌলবাদী ইছলামীয় সংগঠনৰ হাততো আধুনিক শিক্ষা গ্ৰহণ কৰিবলৈ বিদ্যালয়লৈ যোৱা শিশুসকল নিৰ্যাতিত হোৱাৰ ঘটনা অলেখ। দুবছৰমান পূৰ্বে পাকিস্তানৰ এখন বৃহৎ বিদ্যালয়ত ইছলামীয় উগ্ৰপন্থীয়ে দিন দুপৰতে আক্ৰমণ চলাই শতাধিক ছাত্ৰ-ছাত্ৰীক হত্যা কৰিছিল। ‘বকো হাৰাম’ নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে বন্দুক দেখুৱাই ছাত্ৰীবাসৰ পৰা শ শ ছাত্ৰীক অপহৰণ কৰাৰ ঘটনা আফ্ৰিকাৰ একাধিক দেশত সংঘটিত হৈছে। সংগঠনটোৱে ছাত্ৰীসকলক যৌনদাসীৰূপে ব্যৱহাৰ কৰাৰ উপৰি সন্ত্ৰাসবাদত দীক্ষিত কৰোৱায়। মাথোন বিদ্যা অৰ্জন কৰিবলৈ গৈ এনে নাৰকীয় নিৰ্যাতনৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ দুখ-যন্ত্ৰণা কেনে হৃদয় বিদাৰক, সেইটো ভাষাৰে প্ৰকাশ কৰা টান।

অতীতত মুছলমান আক্ৰমণকাৰীৰ হাতত ভাৰতৰ শিক্ষা ব্যৱস্থা বিধ্বস্ত হোৱাৰ করুণ কাহিনী সৰ্বজনবিদিত। আক্ৰমণকাৰীৰ অন্যতম লক্ষ্য আছিল মঠ-মন্দিৰত চলি থকা পঢ়াশালিবোৰ। নালন্দা বিশ্ববিদ্যালয়ৰ ধ্বংসৰ কাহিনী কোনে নাজানে? লক্ষ্যণীয় যে আক্ৰমণকাৰীয়ে পুথিভঁৰালবোৰ জুই দি পুৰি পেলোৱাৰ ফলত সমাজে হেজাৰ হেজাৰ মূল্যবান গ্ৰন্থ আৰু তথ্যপাতি হেৰুৱাবলগীয়াত পৰিছিল, যিটো মানৱ সভ্যতাৰ বাবেই অপূৰণীয় ক্ষতি ৰূপে পৰিগণিত। পৰিতাপৰ কথাটো হ’ল, ধৰ্ম প্ৰচাৰৰ নামত বা মৌলবাদ বিস্তাৰৰ স্বাৰ্থত দুষ্কৃতিকাৰীয়ে চলোৱা অমানৱীয় কাৰ্যকলাপে যুগে যুগে সমাজত ভীতিৰ সঞ্চাৰণ ঘটোৱাই নহয়, বৌদ্ধিক সম্পদৰো বিস্তৰ ক্ষতিসাধন কৰি আহিছে।



(তিনি)

অৱশেষত ইজিপ্তৰ মধ্যস্থতাত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ হেঁচাত ইজৰাইলে ‘হামাছ’ৰ স’তে যুদ্ধবিৰতি বলৱৎ কৰিবলৈ সন্মত হ’ল। আপাতদৃষ্টিত ১০ মে’ত সূচনা হোৱা তয়াময়া যুদ্ধখনৰ ১১ দিনৰ মূৰত অন্ত পৰিল। কিন্তু পৰ্যবেক্ষকসকলৰ আশংকা, এই শান্তি সাময়িক সকাহ নহয়তো! কাৰণ ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱ অনুসৰি ১৯৪৮ৰ ১৪ মে’ত ইজৰাইল ৰাষ্ট্ৰ গঠন হোৱাৰ পাছৰে পৰা পেলেষ্টাইনীসকলৰ স’তে দেশখনৰ সংঘাত চলিয়েই আছে। আৰম্ভণিতে মুছলমান ৰাষ্ট্ৰসমূহে ইজৰাইলৰ অস্তিত্বকে ধ্বংস কৰিবলৈ সংকল্পবদ্ধ হৈছিল; কিন্তু মূৰকত ইহুদী ৰাষ্ট্ৰখনৰ প্ৰচণ্ড সামৰিক শক্তিৰ সমুখত শিৰনত কৰি এখনৰ পাছত আনখনে ইজৰাইলক স্বীকৃতি দিবলৈ বাধ্য হয়।

১৯৭৭ত ইজিপ্তৰ ৰাষ্ট্ৰপতি আনৱাৰ ছাদাটে ইজৰাইলৰ সদনত ভাষণ দি শান্তি বাৰ্তা প্ৰেৰণ কৰে। দুবছৰ পূৰ্বে সংযুক্ত আৰব এমিৰেটে ইজৰাইলৰ স’তে সহযোগিতাৰ চুক্তি কৰিছে। তাৎপৰ্যপূৰ্ণ যে শেহতীয়াভাৱে ইজৰাইল-হামাছ যুদ্ধবিৰতি স্থাপন হোৱাৰ পাছতে বাংলাদেশেও ইজৰাইলক স্বীকৃতি দিলে।

১৯৬৪ত পেলেষ্টাইনী আৰবসকলৰ বাবে এখন স্বাধীন ৰাষ্ট্ৰগঠনৰ সংকল্প লৈ Palestine Liberation Organisation স্থাপিত হয়; সংগঠনটোৰ নেতা য়াছেৰ আৰাফটে ইজৰাইলৰ অস্তিত্বক স্বীকাৰ কৰি এখন স্বাধীন পেলেষ্টাইন ৰাষ্ট্ৰ নিৰ্মাণ কৰাৰ সংকল্প গ্ৰহণ কৰিছিল। কিন্তু সেই আশা আজিও পূৰণ হোৱা নাই। উল্লেখযোগ্য যে ইজৰাইল গঠনৰ অন্যতম চৰ্ত আছিল জেৰুজালেমক আন্তঃৰাষ্ট্ৰীয় মুক্ত চহৰৰূপে মান্যতা প্ৰদান। কাৰণ এইখন চহৰৰ আল্ আক্ছা মছজিদ প্ৰাংগণতে ইহুদীসকলৰ আটাইতকৈ পবিত্ৰ ধৰ্মীয় স্থানো অৱস্থিত।

কিন্তু জৰ্ডানে ইয়াৰ পূব অঞ্চলটো বলপূৰ্বক দখল কৰি লোৱাৰ পাছত ইজৰাইলে অধিক আক্ৰমণাত্মক নীতি গ্ৰহণ কৰে। ১৯৬৭ৰ যুদ্ধত ইহুদী ৰাষ্ট্ৰখনে এই অঞ্চলটো পুনৰ নিজৰ দখললৈ নিয়ে, আৰু তেতিয়াৰে পৰা তাত নতুনকৈ বসতি স্থাপন কৰিবলৈ লোৱা পেলেষ্টাইনীসকলক উচ্ছেদ কৰিবলৈ চেষ্টা চলাই আহিছে। সাম্প্ৰতিক সংঘৰ্ষৰ কেন্দ্ৰ বিন্দুও সেইটোৱেই।

১০ মে’ৰ দিনা ইজৰাইল সীমান্তৰ গাজা চহৰৰ পৰা হামাছে হঠাতে ইজৰাইলৰ বিৰুদ্ধে ৰকেটেৰে উপৰ্যুপৰি আক্ৰমণ চলায়। পিছে প্ৰথমটো ৰকেট পৰাৰ পাছতেই ইজৰাইলে ৰকেট প্ৰতিৰোধী ক্ষেপণাস্ত্ৰ নিমিষতে সক্ৰিয় কৰি তোলে আৰু হামাছে প্ৰেৰণ কৰা সহস্ৰাধিক ৰকেট মাজ আকাশতে চমকপ্ৰদভাৱে ধ্বংস কৰি হামাছৰ সদৰস্থান গাজাত ধাৰাসাৰ বোমাবৰ্ষণ কৰিবলৈ লয়। পৰিস্থিতি মূৰকত এনে হ’লগৈ যেন ইজৰাইলে প্ৰতিশোধ লোৱাৰ নামত গাজা চহৰখনকে ধ্বংস কৰি পেলাব। বিশ্ববাসীৰ বাবে সেইটোৱেই আছিল উদ্বেগৰ কাৰণ।

একাংশ মৌলবাদীয়ে হামাছ-ইজৰাইলৰ যুদ্ধখনক মুছলমানৰ ওপৰত ইহুদীৰ আক্ৰমণ বুলি চিহ্নিত কৰে। প্ৰকৃততে হামাছ হ’ল ‘Muslim Brotherhood’ আন্দোলনৰ দ্বাৰা প্ৰেৰিত এটা সন্ত্ৰাসবাদী সংগঠন। ২০০৪ত য়াছেৰ আৰাফটৰ মৃত্যু হোৱাৰ পাছত সংগঠনটোৱে গাজা দখল কৰি লয়। পেলেষ্টাইন ৰাষ্ট্ৰ গঠনৰ বাবে সমৰ্পিত ‘ফাটাহ’ দলৰ স’তে ‘হামাছ’ৰ প্ৰত্যক্ষ সংঘাত আজিও চলি আছে। আনকি ২০১৭ত পেলেষ্টাইন গঠনৰ বাবে ইজৰাইলৰ স’তে ফাটাহ চুক্তিবদ্ধ হোৱা সত্ত্বেও ‘হামাছ’ৰ বিৰোধিতাৰ বাবে চুক্তিখন অকাৰ্যকৰী হৈ পৰি ৰ’ল; কাৰণ সন্ত্ৰাসবাদী সংগঠনটোৱে ইজৰাইলক স্বীকৃতি দিবলৈকে প্ৰস্তুত নহয়। এই কাৰণতে হামাছে কোনো ইছলামীয় ৰাষ্ট্ৰৰ সমৰ্থন লাভ কৰা নাই। কিন্তু এইটো সঁচা যে ছুন্নী মুছলমানৰ দ্বাৰা সংগঠিত সন্ত্ৰাসবাদী সংগঠনটোৰ উত্থানৰ ফলত ‘PLO’ ৰ গণতান্ত্ৰিক স্থিতি ভালেখিনি দুৰ্বল হৈছে। পেলেষ্টাইনীসকলে আজি য়াছেৰ আৰাফটৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰে।

(চাৰি)

বিশ্বৰ ভিতৰতে সঁচা অৰ্থত ছেকুলাৰ ৰাষ্ট্ৰখন হ’ল ফ্ৰান্স। ফ্ৰান্সৰ ৰাজহুৱা জীৱনত কোনো ধৰ্মীয় পৰিচয় গ্ৰহণযোগ্য নহয়। সেয়াই ফৰাচী জীৱন যাত্ৰা; তেওঁলোকে কয়, ফ্ৰান্সত থাকিলে ফৰাচী জীৱনযাত্ৰালৈ সন্মান জনাবই লাগিব। পিছে সমস্যাৰ সৃষ্টি হৈছে ‘আইছিছ’ৰ আক্ৰমণত নিজৰ দেশ এৰি ইউৰোপীয় ৰাষ্ট্ৰবোৰত শৰণ লোৱা মুছলমানসকলক লৈ। শৰণাৰ্থীসকলে ফৰাচী জীৱন যাত্ৰা মানি চলিবলৈ প্ৰস্তুত নহয়। ২০২০ত এগৰাকী শিক্ষকক হজৰত মহম্মদৰ কাৰ্টুন আঁকা বুলি অভিযোগ তুলি দুৰ্বৃত্তই স্কুল ঘৰৰ ভিতৰতে তেওঁৰ শিৰশ্চেদ কৰিছিল। তেতিয়াৰে পৰা ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে মৌলবাদী শক্তিক নিয়ন্ত্ৰণ কৰিবলৈ কঠোৰ আইন বলৱৎ কৰিছে। তাকে লৈ ভাৰত আৰু পাকিস্তানৰ কেতবোৰ সংগঠন ফ্ৰান্সৰ বিৰুদ্ধে বিষোদগাৰ কৰিবলৈ লৈছে। দুমাহমান পূৰ্বে পাকিস্তানৰ পৰা ফৰাচী ৰাষ্ট্ৰদূতগৰাকীক বহিষ্কাৰ কৰিবলৈ তীব্ৰ গণ আন্দোলন গঢ়ি তোলা হৈছিল। ভাৰতত আলিগড় মুছলিম বিদ্যালয়ৰ একাংশ ছাত্ৰ নেতাই মেক্ৰনৰ শিৰশ্চেদ কৰাৰ ভাবুকি দি সমদল উলিয়াইছিল।

নক’লেও হয় যে ভাৰতত এচাম বুদ্ধিজীৱীয়ে সন্ত্ৰাসবাদৰ মাজতো মুছলমানৰ স্বাৰ্থ ৰক্ষাৰ বিষয়টো উত্থাপন কৰি আহিছে। জে এন ইউ ছাত্ৰাৱাসত কানহায়া কুমাৰৰ দলটোৱে আফজল গুৰু আৰু বুৰহান ৱানিৰ সমৰ্থনত ধ্বনি দিয়াৰ কথাটো পাহৰিব নোৱাৰি। একাংশ ছেকুলাৰ নেতাই তেওঁলোকলৈ সমৰ্থনো দিছিল। এতিয়া আকৌ ছেকুলাৰবাদীসকল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ হিন্দু-বিৰোধী কাৰ্যকলাপত বাৰুকৈয়ে আহ্লাদিত। লক্ষ্যণীয় যে পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত মুছলমান ধৰ্মগুৰু আব্বাছ ছিদ্দিকিয়ে স্থাপন কৰা ‘ইণ্ডিয়ান ছেকুলাৰ ফ্ৰণ্ট’ দলৰ স’তে মিত্ৰতা স্থাপন কৰিছিল ছেকুলাৰিজিমৰ সংৰক্ষক কংগ্ৰেছ দলে। এনে পটভূমিতে ‘ছেকুলাৰিজিম’ৰ উৰ্ধ্বত সাম্প্ৰদায়িক চিন্তা-চৰ্চা কৰাৰ সময় সমাগত।

ফোন ঃ ৯৪৩৫৫-৫৪২০৫

# ড্ৰাগছ নিচাসক্ত কোন!

### ক্ষণস্থায়ী ড্ৰাগছ বিৰোধী অভিযানত হাতচাপৰি বজাই লাভ নহ’ব

**দেৱানন্দ মেদক**

**নৱ** নিৰ্বাচিত চৰকাৰখনৰ প্ৰথম চমকটোৱেই হ’ল সৰ্বব্যাপী মাৰাত্মক ড্ৰাগছ বিৰোধী অভিযান। ইতিমধ্যে আৰক্ষী বাহিনী আৰু চৰকাৰে এই ড্ৰাগছ বিৰোধী অভিযানত বৃহৎ সফলতা লাভ কৰিছে বুলি এচামে দাবীও কৰিছে। তাৰ কাৰণো নথকা নহয়। কিয়নো এনে ধৰণৰ ধাৰাবাহিক আৰু আগ্ৰাসী অভিযান অসমৰ জনসাধাৰণে হয়তো পূৰ্বতে দেখা নাই। তদুপৰি এইবাৰৰ অভিযানত জব্দকৃত ড্ৰাগছ, গাঞ্জা, নগদ ধনৰ পৰিমাণ আৰু আটকাধীন বেপাৰীৰ সংখ্যাও তুলনামূলকভাৱে বেছি। তথাপি এই সমগ্ৰ অভিযানৰ কৃতিত্ব এচামে যেনেধৰণে চৰকাৰ বা আৰক্ষীক দিবলৈ উঠি-পৰি লাগিছে, এয়া ‘গছত কঁঠাল, ওঁঠত তেল, নৌখাওঁতেই চেল-বেল’ ধৰণৰ কথা কোৱা নাইনে বাৰু? আমি একেবাৰে ভাবিয়ে ল’লো নেকি যে এইবেলি অভিযানে অসমৰ পৰা ড্ৰাগছৰ বেহা আৰু বেপাৰীক চিৰকাললৈ নিঃশেষ কৰিব?

সাম্প্ৰতিক ড্ৰাগছ বিৰোধী অভিযানৰ প্ৰেক্ষাপট আৰু গতিধাৰা অধ্যয়ন কৰি আমাৰ তিনিটা ধাৰণা স্পষ্ট হৈছে। (ক) ড্ৰাগছ বিৰোধী অভিযান চলাই আৰক্ষী বিষয়াই পদোন্নতি পাব, ৰাইজৰ পৰা আদৰ-সাদৰো পাব, সংবাদ মাধ্যমে দুদিনৰ নায়ক সজাব, কিন্তু ড্ৰাগছৰ বেহা কমক ছাৰি বাঢ়িবহে। কাৰণ এটা সময়ত আৰক্ষী ভাগৰি পৰিব। কিয়নো আৰক্ষীৰ অন্যান্য প্ৰশাসনিক আৰু আইন শৃংখলাজনিত দায়িত্বও আছে।

(খ) ড্ৰাগছ বিৰোধী অভিযান চলাই চৰকাৰে ক্ষন্তেকীয়া ৰাজনীতি কৰিব পাৰিব। বহুতো মৌলিক সমস্যাৰ পৰা সামূহিকভাৱে ৰাইজৰ ধ্যান সলনি কৰিব পাৰিব। কিন্তু ড্ৰাগছৰ দৰে মাৰাত্মক ব্যাধিৰ পৰা অসম মুলুকক বচাব পৰাকৈ, বিশেষকৈ ৰাজ্য চৰকাৰখনৰ ওচৰত তেনে কোনো দীৰ্ঘম্যাদী আঁচনিও নাই। আন্তঃগাঁথনি তথা নীতিও নাই। গতিকে চলিত অভিযানৰ ফল অনাগত দিনত কেনে ধৰণৰ হ’ব সেয়া অনুমেয়।

(গ) এই অভিযানে ৰাজ্যত চলি থকা ড্ৰাগছৰ অবৈধ বেহা কিছুদিনৰ বাবে স্তিমিত কৰিব যদিও অনাগত দিনত ড্ৰাগছ বেপাৰী আৰু সেৱনকাৰী উভয়ে অধিক সচেতন আৰু সাৱধানতাৰে নতুন ক’লা জগত এখন গঢ়ি তোলাৰ সম্ভাৱনাই অধিক।

প্ৰথমতে আমি মনত ৰাখিব লাগিব যে ড্ৰাগছ অসমত উৎপাদন নহয়। তিনি কোটি ৩০ লক্ষ জনসংখ্যাৰ অসম প্ৰদেশ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ উৎপাদনকাৰীসকলৰ কাৰণে এখন বৃহৎ বজাৰহে মাথোন। নব্য-উদাৰনৈতিক অৰ্থনীতিত য’তেই চাহিদা আছে তাত সামগ্ৰী যোগান ধৰাটো তেনেই স্বাভাৱিক কথা, ৰপ্তানিৰ পথ আৰু প্ৰক্ৰিয়া যিমানেই জটিল নহওক কিয়। এতিয়া প্ৰশ্ন হ’ল—আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ উৎপাদনকাৰী মাফিয়া আৰু অসম পৰ্যন্ত সদ্য সম্প্ৰসাৰিত বজাৰখনক মষিমূৰ কৰিব পৰাকৈ অসম আৰক্ষীৰ প্ৰযুক্তি, জনশক্তি আৰু আন্তঃগাঁথনি কিমান সবল? আচলতে অসম তথা উত্তৰ-পূৰ্বাঞ্চল পৰ্যন্ত সম্প্ৰসাৰিত ড্ৰাগছৰ বজাৰখনৰ কাৰণে মূলতঃ কোন দায়ী? একালত পৰম্পৰাগতভাৱে প্ৰচলন হোৱা আৰু ১৮২৮ৰ ইয়াণ্ডাবু সন্ধিৰ পৰৱৰ্তী সময়ত পূৰ্ণাংগ বাণিজ্যিক মৰ্যাদাৰে ড্ৰাগছৰ বেহা বৃদ্ধি কৰি ঔপনিৱেশিক অৰ্থনীতি মজবুত কৰা ব্ৰিটিছৰ সেই ক’লা অধ্যায় আজিও ৰমৰমীয়া আৰু সম্প্ৰসাৰিত ৰূপত জীয়াই থকাত কোনে সাৰ-পানী যোগালে? নিশ্চিতভাৱেই স্বাধীনোত্তৰ ভাৰতৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ ভুল নীতি আৰু অমনোযোগিতাই।

চৰকাৰৰ ভুল নীতিসমূহৰ প্ৰমাণ দিবলৈ কেইটামান উদাহৰণ দিয়া দৰকাৰ। প্ৰথমতে উল্লেখ কৰা ধৰণে, ড্ৰাগছ যিহেতুকে অসমত উৎপাদন নহয়, সেয়েহে কোন পথেদি, কেনেকৈ, কোনে আৰু কি পৰিস্থিতিত অসমলৈ ড্ৰাগছৰ যোগান ধৰে তাক বুজি পাবলৈ উত্তৰ-পূৰ্বাঞ্চলৰ চুবুৰীয়া ৰাজ্যসমূহৰ ভৌগোলিক, সামাজিক আৰু অৰ্থনৈতিক প্ৰসংগও টানি আনিব লাগিব। মেঘালয়-বাংলাদেশ সীমান্তৰ কালাইচৰ আৰু বালাত আৰু ত্ৰিপুৰা বাংলাদেশ-সীমান্তৰ কমলাসাগৰ আৰু শ্ৰীনগৰ অঞ্চলৰ অতি দুৰ্গম অঞ্চলত বাস কৰা অতিকৈ পিছপৰা, উপেক্ষিত, বানপীড়িত আৰু ন্যূনতম মৌলিক অধিকাৰৰ পৰাও বঞ্চিত স্থানীয় বাসিন্দাসকলৰ উন্নতিৰ বাবে দশক পূৰ্বে চাৰিখনকৈ ‘ইণ্টাৰনেছনেল বৰ্ডাৰ হাট’ স্থাপন কৰা হৈছিল। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে জাৰি কৰা এছ অ’পি অনুসৰি উক্ত ‘হাট’ৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বাস কৰা স্থানীয় বাসিন্দাই (দুয়ো দেশৰ) সেই ‘ইণ্টাৰনেছনেল বৰ্ডাৰ হাট’ সমূহত নিজৰ উৎপাদিত সামগ্ৰী কিনা-বেচা কৰিব পাৰিব। পৰিতাপৰ কথা, আজিৰ দিনত সেই আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বজাৰসমূহ সম্পূৰ্ণৰূপে বহিৰাগত কোটিপতি বণিয়াৰ দখলত আৰু নিয়ন্ত্ৰণত। পূৰ্বতকৈ স্থানীয় বাসিন্দাসকল আৰু অধিক উপেক্ষিত আৰু বঞ্চিতহে হ’ল। এতিয়া স্বাভাৱিকতে প্ৰশ্ন উঠিব, সেই নিপীড়িত মানুহখিনিয়ে দুপইচা ঘটিবলৈ ড্ৰাগছ বিক্ৰী নকৰি জংঘলৰ মাজত জুৱেলাৰী খুলি বহি থাকিব নেকি?

দ্বিতীয়তে, চুবুৰীয়া অৰুণাচল প্ৰদেশৰ কথালৈ আহো। ৰাজ্যখনৰ চুবুৰীয়া দেশ ম্যানমাৰ সীমান্তৰ টিৰাপ জিলাত বিশেষ খেতি বুলিবলৈ কঁচু, মাকৈ, জুম পদ্ধতিৰে কৰা সামান্য আলি ধান আৰু বনৰীয়া শাক-পাচলি। উন্নয়নৰ নমুনা দেখিলে আধুনিকতাই জাঁপ মাৰি পলাব। জিলাখনৰ নেতা আৰু ধনী শ্ৰেণীয়ে পাহাৰত জুই জ্বলাই লাখ লাখ হেক্টৰ মাটি উলিয়াই চাহ আৰু ৰবৰ খেতি আৰম্ভ কৰিছে। দুখীয়াসকলে কানি খেতিৰে বছৰৰ উপাৰ্জন উলিয়াই লৈছিল। কিছু বছৰৰ পৰা স্থানীয় প্ৰশাসনে কানি খেতি দেখিলেই জ্বলাই ছাই কৰি দিয়ে। খেতিয়কসকলক জেইলৰ ভাত খুৱাইছে। তাৰ বিপৰীতে প্ৰশাসনে স্থানীয় লোকসকলক বিকল্প উপাৰ্জনৰ পথ বাছি দিয়াত বিফল হৈছে। স্থানীয় প্ৰশাসনৰ দুৰ্নীতি



পাহাৰসম। তদুপৰি সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ অধীনত থকা হেতুকে উগ্ৰপন্থী বিচৰাৰ নামত আছাম ৰাইফলছৰ জোৱানৰ গাঁওবাসীৰ ওপৰত নিৰ্যাতন আছেই। অপ্ৰিয় সত্যটো হ’ল— স্থানীয় লোকসকল বিপদৰ সময়ত স্থানীয় প্ৰশাসনৰ পৰা নহয় উগ্ৰপন্থীসকলৰ পৰাহে বেছি সহায় পায় বুলি চৰ্চা আছে। এনে পৰিস্থিতিত, উগ্ৰপন্থীয়ে যেতিয়া চুবুৰীয়া তিনিচুকীয়াৰ বজাৰখন আঙুলিয়াই দি হাতত ড্ৰাগছ তুলি দিব, তেওঁলোকে কি পেটৰ ভোক পাহৰি প্ৰতিবাদ কৰিব? আমি সকলোৱে জানো, ২০১৪ত কেন্দ্ৰত বিজেপিৰ চৰকাৰ অহাৰ লগে লগে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ ‘লুক্ ইষ্ট পলিচি’খন নতুনকৈ নামকৰণ কৰি ‘এক্ট ইষ্ট পলিচি’ কৰা হৈছিল। ফলত মেঘালয়ৰ ডাউকি, মণিপুৰৰ ম’ৰে, ত্ৰিপুৰাৰ আগৰতলা, মিজোৰামৰ চাম্পাই, অসমৰ মানকাচৰ আৰু অসম-ভূটান সীমান্তৰ বাগ্‌সা জিলাত থকা ভূমিতংক কেন্দ্ৰসমূহক সংহত তালাচী চকীলৈ উন্নীত কৰা হ’ল। ফলত সেইবোৰ চকীত বেপাৰ কৰিবলৈ স্থানীয় ব্যৱসায়ীসকলক আমদানি-ৰপ্তানিৰ অনুজ্ঞাপত্ৰ লগা হ’ল। কিবা সামগ্ৰী বিক্ৰী কৰিবলৈ হ’লে সামগ্ৰীবিধৰ প্ৰকৃত উৎপাদনৰ অঞ্চলৰ তথ্যপাতি অৰ্থাৎ ‘চাৰ্টিফিকেট অৱ অৰিজিন’ দেখুৱাবলগীয়া হ’ল। অলপ নগদ ধনেৰে নহয়, বেংকত লাখৰ ওপৰত জমা কৰি মূলধনৰ ‘গেৰাণ্টি’ দেখুৱাবলগীয়া হ’ল। নতুন নিয়মসমূহত তিষ্ঠিব নোৱাৰি স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ হয় কোনোবা মানসিক বিকাৰগ্ৰস্ত হ’ল, কোনোবাই আত্মহত্যা কৰিলে আৰু তাৰে মাজৰ কিছুমানে বে-আইনী কামত লিপ্ত হ’ল আৰু তাৰেই বিকল্প হিচাপে ড্ৰাগছ বেপাৰতো জড়িত হ’ল। আজিৰ দিনত সেই সমগ্ৰ সংহত তালাচী চকীসমূহ দিল্লী, মুম্বাই, কলকাতা আদি বৃহৎ চহৰৰ বণিক গোষ্ঠীৰ নিয়ন্ত্ৰণত চলি আছে। সেই বঞ্চিত স্থানীয় লোকসকলে এতিয়া কি কৰিব? চৰকাৰে পদ্ধতিগতভাৱে, পৰিকল্পিতভাৱে সেই মানুহখিনিৰ উপাৰ্জনৰ পথ বন্ধ কৰাৰ পাছত তেওঁলোক ক’লৈ যাব বা কি কৰিব? কাৰ ওচৰত উত্তৰ আছে? শেষত আৰু এটা বেদনাদায়ক উদাহৰণ পাঠক ৰাইজৰ জ্ঞাতাৰ্থে নিলিখি নোৱাৰিলো। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত থকা ভাৰত-বাংলাদেশ সীমান্তত এতিয়াও এনে বহুকেইখন গাঁও আছে য’ত মানুহখিনি ভাৰতৰ নাগৰিক; প্ৰমাণ দিব পৰাকৈ ভোটাৰ পৰিচয়পত্ৰ, ৰেছন কাৰ্ড, আধাৰ কাৰ্ড সকলো আছে কিন্তু গাঁওখন আছে তাঁৰৰ সিপাৰে অৰ্থাৎ বাংলাদেশৰ ফালে। আৰু সহজ ভাষাত ক’বলৈ গ’লে, গাঁওখন ভাৰত-বাংলাদেশ সীমান্তৰ ‘ন মেনছ্ লেণ্ড’ত অৱস্থিত। সমস্যাটো হ’ল, সীমান্ত অঞ্চলৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ দায়িত্ব যিহেতুকে ‘বি এছ এফ’ৰ অধীন, সেয়েহে সেই গাঁওকেইখনৰ স্থানীয় প্ৰশাসনে কল্যাণমূলক আঁচনি ৰূপায়ণ কৰিব নোৱাৰে। ফলস্বৰূপে সেই গাঁৱৰ বাসিন্দাসকল যুগ যুগ ধৰি চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ পৰা বঞ্চিত। বি এছ এফে সেইসকল গঞাক অপৰাধীৰ দৃষ্টিৰে চায়, ভাৰতীয় নাগৰিক হিচাপে নহয়। উদাহৰণ স্বৰূপে, ত্ৰিপুৰাৰ সোণামুৰা আৰু ঘোষপাৰা গাঁৱৰ কথাকে ক’ব পাৰি। এনে প্ৰেক্ষাপটত, কোনোবাই প্ৰশ্ন কৰিব পাৰিবনে, সেই গাঁওসমূহৰ বাসিন্দাই গাঞ্জা, ড্ৰাগছ কিয় বিক্ৰী কৰে?

এনে পৰিপ্ৰেক্ষিতত আমাৰ আহ্বান, ক্ষণস্থায়ী ড্ৰাগছ বিৰোধী অভিযানত হাত চাপৰি বজাই বিশেষ লাভৱান নহ’ব। অসমৰ পৰা মাৰাত্মক ব্যাধি ড্ৰাগছৰ বেহা নিঃশেষ কৰিবলৈ হ’লে সমগ্ৰ চুবুৰীয়া ৰাজ্যসমূহৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক সমস্যাসমূহ আলোচনাৰ মেজলৈ আনক। এক উমৈহতীয়া আলোচনাৰ মঞ্চ তৈয়াৰ কৰক। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ ভুল নীতি, একাংশ বৃহৎ ব্যৱসায়ীৰ আগ্ৰাসী ব্যৱসায়িক নিয়ন্ত্ৰণৰ উপায় উলিয়াওক। অন্যথা উত্তৰ-পূৰ্বাঞ্চলৰ লগত সংলগ্ন (বাংলাদেশক বাদ দি) সকলো আন্তঃৰাষ্ট্ৰীয় সীমা উন্মুক্ত। গতিকে অসমলৈ ড্ৰাগছ সৰবৰাহৰ পথো উন্মুক্ত। এনে প্ৰেক্ষাপটত অসম আৰক্ষীৰ অভিযানৰ ফলাফল সদায় আশাৰ বিপৰীতেই হ’ব। এই বাবেই আৰম্ভণিতে কৈছো, আৰক্ষী এটা সময়ত ভাগৰি পৰিব। আৰু এই কথাবোৰৰ বিষয়ে অৱগত হৈও যদি সস্তীয়া কৰা হৈছে, তেন্তে আমি ভাবিবলৈ বাধ্য হ’ম যে প্ৰশাসন যন্ত্ৰটোৱে প্ৰকৃততে ড্ৰাগছৰ নিচাৰ বলি হৈছে।




# কটন গৌৰৱ নে অসম গৌৰৱ?

## মানুহৰ জীৱনৰ মান বা গুণৰ ক্ষেত্ৰত যদি লক্ষ্যণীয় পৰিৱৰ্তন নঘটে তেন্তে সেই শিক্ষাৰ অৰ্থই বা কি?

ড° অৰূপ কুমাৰ হাজৰিকা

**কটন** কলেজ (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়) ব্ৰহ্মপুত্ৰ উপত্যকাৰ উচ্চ শিক্ষাৰ একমাত্ৰ অসম আৰু কটনৰ অগ্ৰগতি সমাৰ্থক আছিল। ইয়াৰ মূল কাৰণ সাহিত্য-সংস্কৃতি, ৰাজনীতি, বিজ্ঞান, ব্যৱসায়-বাণিজ্য, সমাজসেৱা ইত্যাদিৰ প্ৰতিটোৰ ক্ষেত্ৰত কটনিয়ানৰ অৱদান অনুভৱ কৰা হৈছিল। তেতিয়াৰ কটনৰ অধ্যাপক-অধ্যাপিকা বুলিলেই যেন অসীম জ্ঞানৰ ভাণ্ডাৰ। কটনৰ ছাত্ৰ-ছাত্ৰী বুলিলে মেধা আৰু উদাৰতাৰ সমাহাৰ। কটন কলেজে তেনে এক পৰম্পৰা অটুট ৰখাৰ মূলতেই ইয়াৰ লগত জড়িত হৈ থকা বিভিন্ন অধ্যাপক-অধ্যাপিকাসকল আৰু ইয়াত অধ্যয়ন কৰি যোৱা ছাত্ৰসকল। তাতোতকৈ উল্লেখযোগ্য কথা এইটোৱেই যে আজি পৰ্যন্ত বহু মেধা ছাত্ৰৰ জীৱনৰ প্ৰথম হাবিয়াস এইখন অনুষ্ঠানত পঢ়াতো। সেই হেতুকে মেধাৱী ছাত্ৰসকলৰহে ইয়াত সমাৱেশ ঘটিছিল। সেয়েহে এজন কটনিয়ানে ধুবুৰীৰ পৰা শদিয়ালৈ বিভিন্ন ঠাইৰ অলেখ বন্ধু-বান্ধৱী বিচাৰি পাইছিল। ইয়েই সংকীৰ্ণ দৃষ্টিভংগী আঁতৰাই এক ঐক্যৰ মঞ্চ গঢ়ি তোলাৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰিছিল। সেই বাবেই হওক বা অন্য কোনো বিভিন্ন কাৰণতেই হওক তেতিয়াৰ কটনিয়ানে জনমত গঠনৰ ক্ষেত্ৰত আগভাগ ল'বলৈ সক্ষম হৈছিল। আনকি স্বাধীনতা আন্দোলনৰ ক্ষেত্ৰতো কটনৰ ভূমিকা আছিল অনন্য। এয়াই নহয় পৰৱৰ্তী কালতো কটন কলেজে বিভিন্ন বিয়াগোম বিয়াগোম ব্যক্তিক তৈয়াৰ কৰি সমাজ সেৱাৰ বাবে আগবঢ়াই দিছিল বা আজিও দি আছে।

যোৱা ১৯৯৯ আৰু ২০০০ৰ কথা— কটন কলেজে শতবৰ্ষ উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছিল। তেতিয়া মই কলেজত চাকৰিত সোমোৱা বৰ বেছি বছৰ হোৱা নাছিল। যেনে-তেনে সাতটা বছৰ পাৰ কৰিছিলো। কিন্তু সেই সময়ৰ জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাসকলে আমাৰ দৰে নতুনকৈ যোগদান কৰা শিক্ষকসকলক বৰ মৰমৰ চকুৰে চাইছিল আৰু উৎসাহিত কৰিছিল। শতবৰ্ষ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক আছিল ড° সত্যেন চৌধুৰী ছাৰ আৰু তেওঁৰ লগত সমানে কাম কৰিছিল ড° কমলেশ্বৰ চৌধুৰী ছাৰ ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য ছাৰ, তেওঁলোকে মোক বৰ মৰম কৰিছিল আৰু ময়ো তেওঁলোকৰ অনুৰাগী আছিলো। সেই সময়ত শতবৰ্ষৰ লগত সংগতি ৰাখি 'কটন গৌৰৱ নে অসম গৌৰৱ' ধাৰাবাহিকভাৱে এলানি আলেখ্য 'দৈনিক অগ্ৰদূত'ত লিখি উলিয়াইছিলো। ধাৰাবাহিকভাৱে সেইলানি অলেখ্য 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱাৰ সময়তে পঢ়ুৱৈৰ পৰা প্ৰভূত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিলো। মোৰ এতিয়াও ভাবি ভাল লাগে যে কলেজত ক্লাছ নাথাকিলে মই 'কটন গৌৰৱ' নে অসম গৌৰৱ লিখি সময়খিনি সুপ্ৰয়োগ কৰিছিলো। লগতে অৱশ্যে মোৰ বহুত সহায়ো হৈছিল। মোৰ লেখাটো আমাৰ সহকৰ্মী বাইদেউ ড° ৰীতা মহন্ত আৰু ড° বিনয় কুমাৰ ডেকাক দেখুৱাই লৈছিলো কাৰণ মোৰ বহু সময়ত বানান ভুল হৈছিল আৰু তেওঁলোকৰ সহযোগত সেইখিনি ঠিক কৰি ল'ব পাৰিছিলো। কেতিয়াবা আৰু দুই এজন ছাত্ৰ বন্ধুৱো সহায় লৈছিলো, তাৰ ভিতৰত ৰফিউল আছিল অন্যতম। তেওঁ সেইখিনি সময়ত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ আছিল এতিয়া পিছে নামী চিকিৎসক হ'ল। বহু কষ্ট কৰি বিভিন্ন কিতাপ, মেগাজিন আদি গোটাই লৈ লিখনিবোৰ আৰম্ভ কৰিছিলো। এই লানি লিখনি আৰম্ভ কৰোতে এই কথা মন কৰিছিলো আমাৰ কটনৰ পুথিভঁৰাল বহু ডাঙৰ ডাঙৰ পুথিভঁৰালতকৈ বহু চহকী। মই এই পুথিভঁৰালৰ সদ্‌ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিলো। তাত কাম কৰা প্ৰত্যেকজন কৰ্মচাৰীয়েই বৰ সুন্দৰ ব্যক্তিত্বৰ মানুহ। ১৯৯৯ আৰু ২০০০ৰ মাজত মই কিমান যে কিতাপ আনিছিলো মই নিজেই গম পোৱা নাছিলো কিছুমান কিতাপ পোকে খাইছিল, কিছুমানৰ আকৌ আগৰ দুই এটা পৃষ্ঠা নাছিল, কিন্তু অমূল্য আছিল। পাছত ভালকৈ বন্ধাই ওভতাই দিছিলো। পাঠকক এই পুথিভঁৰালৰ বিষয়ে জনোৱা উদ্দেশ্য হ'ল নতুন প্ৰজন্মই যেন আমাৰ কটন বিশ্ববিদ্যালয়ৰ সূৰ্য কুমাৰ ভূঞা পুথিভঁৰালৰ পূৰ্ণ সোৱাদ ল'ব পাৰে। আমাক বৰ্তমানৰ লাইব্ৰেৰিয়ান জেবিন বাইদেৱে বহু সহায় কৰিছিল, ভৱিষ্যতে দিনত কি হয় নাজানো। আশা কৰিছো নতুন প্ৰজন্মই পুথিভঁৰাললৈ গৈ এনেকুৱা এটা পৰিৱেশ পাব যেন সদায়েই তাত যাবলৈ মন যাব। এই খিনিতে আকৌ এটা কথা মনলৈ আহিছে— বৰ্তমান লাইব্ৰেৰিয়ান বাইদেউৰ লগত মই প্ৰায়েই কথা পাতিছিলো। কেনেকৈনো পুথিভঁৰালটো ধুনীয়াকৈ ৰাখিব পাৰি যাতে তাত বহি থাকিলে উটি আহিবৰ মন নাযায়। জেবিন বাইদেউ বৰ চৌখিন, তেওঁ সঁচাকৈয়ে পুথিভঁৰালটো যিমান পাৰি সিমান আটোমটোকাৰিকৈ ৰাখিবলৈ যত্ন কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লাইব্ৰেৰী অৱ কংগ্ৰেছ পৃথিৱীৰ এটা বৃহত্তম লাইব্ৰেৰী কিতাপৰ বাহিৰেও তাত অনেক ধৰণৰ Monograph, C.D. Reel আদিৰে ভৰপূৰ। কিন্তু ইমান সুন্দৰভাৱে বস্তুবোৰ সংৰক্ষণ কৰা হৈছে যে চালে চাই থাকিবৰ মন যায়। সকলো পিনে চোফা পাতি থোৱা আছে। টেবুল লাইট আছে, টইলেটৰ ব্যৱস্থা অতি সুন্দৰ আৰু পৰিষ্কাৰ, গতিকে লাইব্ৰেৰীলৈ যোৱাটো এটা আড়ম্বৰহে। আমাৰ হয়তো কটনৰ পুথিভঁৰালটো তেনেকুৱা কৰিব পৰা হ'লে সঁচাকৈয়ে প্ৰশংসনীয় হ'ল হয়।

এতিয়া দুটা দশকৰ পাছত আকৌ 'কটন গৌৰৱ' নে অসম গৌৰৱ' লিখিবলৈ মন মেলিছো। সিদিনা 'অগ্ৰদূত কাকত'ৰ সম্পাদক সন্মানীয় কনকসেন ডেকা ছাৰৰ লগত ফোনেৰে কথা-বাৰ্তা হোৱাৰ পাছত আকৌ যেন এটা নতুন উদ্যম পাইছো। এই দৈনিক বাতৰি কাকতখনৰ লগত মোৰ সম্বন্ধ এই কাকতখনৰ জন্মলগ্নৰ পৰাই। সেয়েহে এই কাকতখনৰ প্ৰতি এটা অপত্য স্নেহ আছে। অগ্ৰদূত কাকতখন আগতে সাপ্তাহিক আছিল। ১৯৯৫-৯৬ত কনকসেন ডেকা ছাৰে সেইবাবে News Paper Registration (পঞ্জীয়ন) কৰিবৰ বাবে দিল্লীলৈ অহা-যোৱা কৰোতে বহু সময়ত একেলগে অহা-যোৱা কৰিছিলো। তেতিয়া অসমৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত হিতেশ্বৰ শইকীয়া। তেওঁৰ কনকসেন ডেকা ছাৰৰ লগত মধুৰ সম্বন্ধ আছিল। দৈনিক বাতৰি কাকত মানে আমাৰ 'দৈনিক অগ্ৰদূত'ৰ কাৰ্য সুন্দৰভাৱে আগবাঢ়িব ধৰিলে আৰু সেই বিশেষ দিনটো আহি পৰিল। যিদিনাৰ পৰা কাকতখন দৈনিক ভাৱে ছপা হ'ব। ডেকা ছাৰে মোক খবৰটো দিলে— মোৰ এতিয়াও মনত পৰিলে ভাল লাগে। ছাৰক মই ক'লো— 'ছাৰ হিতেশ্বৰ শইকীয়া ছাৰটো ৰাতি বহুত দেৰিলৈ শোৱে। আমি দেখোন ছাৰক মাতি পেপাৰখন উন্মোচন



কৰাব পাৰো।' কনকসেন ডেকা ছাৰে সেই মতেই মুখ্যমন্ত্ৰীক নিশা ১২ বজাত পোৱাকৈ নিমন্ত্ৰণ কৰিলে আৰু সেই মতেই 'দৈনিক অগ্ৰদূত'ৰ শুভাৰম্ভ হ'ল। সঁচাকৈয়ে অতি স্মৰণীয় দিন আছিল সেইবোৰ। পাছত বাইদেৱে ৰাতিয়েই আমাক সুন্দৰ পৰঠা বনাই খুৱাইছিল।

যিয়েই নহওক, দিনবোৰ সলনি হ'ল। শতবৰ্ষ গৰকা কটন কলেজেও নিজৰ স্থিতি আৰু পৰিচয় সলনি কৰাৰ দৌৰত নামি পৰিছিল কেতিয়াবা Deemed University, কেতিয়াবা Centre of Excellence, কেতিয়াবা আকৌ University কিন্তু বহু বসন্ত পাৰ হৈ গৈছিল, একো হোৱা নাছিল। ১৯৯২ত মই যেতিয়া কটন কলেজত যোগদান কৰিছিলো, তেতিয়াই সেই সময়ৰ ৰাষ্ট্ৰপতি ড° শংকৰ দয়াল শৰ্মাই কটন কলেজক Centre of Excellence, হিচাপে ঘোষণা কৰিছিল। সেই সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল। পৰৱৰ্তী সময়ত তেওঁ যেতিয়া অসমৰ ৰাজনীতিত ভৰি দিছিল তেতিয়াও তেওঁ বহু যত্ন কৰিছিল। পাছত ২০১২ত কেবিনেট বৈঠকত সিদ্ধান্ত হৈছিল কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ঘোষণা। নতুন উপাচাৰ্যও নিযুক্তি দিয়া হ'ল। পিছে কটন কলেজ আৰু বিশ্ববিদ্যালয় দুয়োটা বেলেগ বেলেগ হৈ পৰিল। এফালে কলেজৰ অধ্যক্ষ আনফালে আকৌ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। পাঁচটা বছৰ বহু সংকটৰ মাজেদি পাৰ হ'ল। কটন কলেজত চাকৰি কৰা প্ৰত্যেকজন ব্যক্তিৰ মনত আশংকা হ'ল। আমাৰ কি হ'ব? বিশ্ববিদ্যালয়ৰ অধিনিয়মখনৰ অজুহাত দেখুৱাই কলেজৰ অধ্যাপক- অধ্যাপিকাবোৰক বহু মনোকষ্ট দিয়া হৈছিল। নতুন নতুন শিক্ষক অকল বিশ্ববিদ্যালয়ৰ বাবে নিযুক্তি দিয়া হৈছিল। আমাৰ অৱস্থা মানসিকভাৱে সঁচাকৈয়ে বৰ বেয়া হৈ পৰিছিল। কলেজৰ কিছু অংশ শিক্ষকে কলেজখন কলেজ হৈয়ে থাকক বুলি মত পোষণ কৰিছিল আৰু আমি কিছুমানে আকৌ সম্পূৰ্ণভাৱে বিশ্ববিদ্যালয় হোৱাটো বিচাৰিছিলো। ফলত কোনেও শান্তিত দিন কটোৱা নাছিল। আনকি কটনৰ প্ৰতিষ্ঠা দিৱস ২৭ মে'ত শ্ৰেণী চলি থাকিব লাগিব বুলি বিশ্ববিদ্যালয় বৰমূৰীয়াই আদেশ দিছিল। কাৰণ বিশ্ববিদ্যালয় আৰম্ভ হোৱাৰ দিনটো বেলেগ আছিল। আনকি পৰম শ্ৰদ্ধাৰ মহেন্দ্ৰ নাথ ডেকা ফুকনে সৃষ্টি কৰা প্ৰতীক চিহ্নটোত নতুনকৈ অঁকাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু সকলো নীৰৱ হৈ ৰ'ব লগা হৈছিল। ২০১৪ৰ নৱেম্বৰত কেতিয়াও নোহোৱা ঘটনা ঘটিছিল ১১৩ বছৰীয়া বুৰঞ্জীত। কটন শিক্ষক সন্থাৰ বাবে নিৰ্বাচন পতা হ'ল, সেই নিৰ্বাচনতে মই সাধাৰণ সম্পাদক পদৰ বাবে মনোনয়ন দাখিল কৰিলো। কটনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু কটন শিক্ষক সন্থাৰ সম্পাদক এই দুয়োটা বৰ পদ, বৰ স্পৰ্শকাতৰ। সকলোৰে আশা আৰু ভৰসাৰ স্থল। নিৰ্বাচনত মই জয়ী হৈছিলো। মনত সঁচাকৈ আনন্দ লাগিছিল, কাৰণ ১১৩ বছৰৰ পাছত হোৱা প্ৰথম নিৰ্বাচনত মই জয়ী হৈছিলো। পিছে মোৰ মূৰত এটা গধুৰ দায়িত্বৰ বোজা আহি পৰিছিল। মোৰ লক্ষ্য এটাই আছিল কেনেকৈ কলেজখনক বিশ্ববিদ্যালয় কৰিব পাৰি। কিন্তু এইটো কৰিবলৈ যাওঁতে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল, কাৰণ এচাম ব্যক্তি আকৌ কলেজখন কলেজ হৈ থকাটোৱেই বিচাৰিছিল। ময়ো নুবুজা নহয়, 'কটন কলেজ' বহু ব্যক্তিৰ হিয়াৰ আমঠু কটনত পঢ়া বুলি ক'লেই দেখোন মনটো ভাল লাগে। অধ্যাপক-অধ্যাপিকাসকলকো সমাজৰ সকলো স্তৰৰ লোকে সন্মান দিয়ে। গতিকে কটন কলেজৰ কথা সঁচাকৈয়ে সুকীয়া আছিল। গতিকে কিবা এটা কৰাৰ আগতে এশবাৰ চিন্তা কৰিব লগা হৈছিল। বাৰে বাৰে অসফল হৈছিলো ২০১৪ৰ পৰা ২০১৬লৈ কিমান যে কাক লগ পোৱা নাছিলো। কিন্তু সকলো প্ৰচেষ্টা বৃথা হৈছিল। সেই সময়ত মই কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী সমিতিৰো সদস্য আছিলো। যিকোনো বিশ্ববিদ্যালয়ৰ সকলো গুৰুত্বপূৰ্ণ বিষয় কাৰ্যবাহী সমিতিতে নিৰ্ণয় হয়। মই সাধাৰণ সম্পাদকৰূপে আৰু সেই সময়ৰ শিক্ষক সন্থাৰ সভাপতি ড° গৰীমা কলিতা বাইদেৱে প্ৰত্যেকখন সভাতেই এই প্ৰস্তাৱটো আনিছিলো। কিন্তু কোনোপধ্যে সফল হোৱা নাছিলো। ২০১৪-১৫ৰ সেই সময়ৰ শিক্ষামন্ত্ৰী শৰৎ বৰকটকীকো লগ ধৰি আমি বুজাবলৈ চেষ্টা কৰিছিলো, কিন্তু কামবোৰ হৈ উঠা নাছিল। বৰ নিৰাশাত ভুগছিলো, ইপিনে, কলেজত কিছু অংশ শিক্ষকৰ আমি এলাগী হৈ পৰিছিলো। কাৰণ তেওঁলোকৰ মতে কলেজখন কলেজ হৈয়ে থাকক। কিন্তু প্ৰাক্তন কটনীয়ান সংস্থাৰ সকলো ব্যক্তিয়েই অনুষ্ঠানটো বিশ্ববিদ্যালয় হ'ব লাগে বুলি সদায়েই চিঞৰি আহিছিল।

ইয়াৰ উপৰি আমি কিছু সংখ্যক শিক্ষক লগ হৈ সেই সময়ৰ শিক্ষা বিভাগৰ প্ৰধান সচিব ৰাজীৱ কুমাৰ বৰাক লগ পাইছিলো। তেওঁ আমাৰ সকলো কথা শুনি মোক এটা Power point Presentation দিবলৈ কৈছিল আৰু মই সুন্দৰভাৱে সকলো তৈয়াৰ কৰি তেওঁক দেখুৱাইছিলো। তেওঁ ভালদৰে কথাখিনি বুজি লৈ কেবিনেটত কথাটো উত্থাপন কৰিছিল। কিন্তু কোনোপধ্যেই কামখিনি হৈ উঠা নাছিল। কিবা নহয় কিবা কাৰণত ৰৈ গৈছিল। বিভিন্ন জনৰ বিভিন্ন সমস্যা আছিল—শিক্ষকসকলৰ শংকা হৈছিল, বিশ্ববিদ্যালয় হ'লে আমি পেঞ্চন নাপাম নেকি? চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ'ম নেকি? ইত্যাদি ইত্যাদি।

এটা সময়ত এনেকুৱা হৈছিল যে কটন কলেজ বিশ্ববিদ্যালয় নহ'বগৈ। কিন্তু আমাৰ এটা বিশ্বাস আছিল যে ২০১৬ত আহিব লগা নতুন চৰকাৰ আৰু যদি সেই চৰকাৰত কটনক মনেপ্ৰাণে ভালপোৱা এজন ব্যক্তি শিক্ষামন্ত্ৰী হয়। আমাৰ প্ৰাৰ্থনা যেন ঈশ্বৰে শুনিলে। ২০১৬ত নতুন চৰকাৰ হ'ল। শিক্ষামন্ত্ৰীৰ ভাৰ গ্ৰহণ কৰিলে কটনক অতিকৈ ভালপোৱা এজন ব্যক্তিয়ে— বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আমাৰ মনত আকৌ আশা জাগিল মই আৰু আমাৰ শিক্ষক সন্থাৰ সভাপতি ড° গৰীমা কলিতা বাইদেৱে যেনে তেনে মন্ত্ৰীৰ appointment এটা লৈ লগ ধৰিলো। শিক্ষামন্ত্ৰীয়ে আমাক আশ্বাস দিলে। কথা মতেই কাম হ'ল। শিক্ষামন্ত্ৰীয়ে কেবিনেট বৈঠকত সৰ্বসন্মতি ক্ৰমে অধ্যাপক মিহিৰ কান্তি চৌধুৰীক (তেতিয়া তেওঁ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল) Cotton Universityৰ Act খন প্ৰস্তুত কৰি উলিয়াব দায়িত্ব দিলে। পাছত মিহিৰ কান্তি চৌধুৰী ছাৰৰ লগত মই কে'বাবাৰো লগ হৈ Act খন final কৰিছিলো। অৱশেষত সেই সময়ৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত কটন কলেজে যেন আকৌ নতুন জীৱন পালে। কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয় আৰু কটন কলেজ আকৌ এক হৈ পৰিল আৰু অনুষ্ঠানটো 'কটন বিশ্ববিদ্যালয়' নামেৰে নামকৰণ কৰা হ'ল ২০১৭ৰ পহিলা জুনত। জীৱন পথত কিছু দূৰ আগবঢ়াৰ পাছত অতীতলৈ দৃষ্টিপাত কৰিবলৈ সকলোৰে মন যায়। অতীতৰ সুখ-দুখ পোৱা-নোপোৱা, সফলতা-বিফলতা আদিৰ হিচাপ-নিকাচৰ পৰা ভৱিষ্যৎ জীৱন পথৰ সামগ্ৰীও কিছু গোট খায়। ব্যক্তিগত জীৱনৰ নিচিনা একোটা অনুষ্ঠানৰ একোটা ইতিহাস আছে। তাৰ কোনো এটা মাইলৰ খুঁটিত থিয় দি এৰি অহা দিনবোৰলৈ ভুমুকি মাৰিলে বহু কথাই দৃষ্টিগোচৰ হয়। কটন স্থাপন হোৱা আজি ১২২ বছৰ পূৰ্ণ হ'ল। দায়িত্ব বহুত আছে আমাৰ, যি আশাৰে ইয়াক বিশ্ববিদ্যালয় কৰা হৈছিল, সেয়া বাৰু সফল হৈছেনে? এই বিচাৰ কৰাৰ ৰাইজৰ দায়িত্ব আৰু অধিকাৰ দুয়োটাই আছে।

ডেভিদ লজে তেওঁৰ 'নাইচ ৱৰ্ক'ৰ চতুৰ্থ অধ্যায়ত কোৱাৰ দৰে ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰ আধুনিক যুগৰ গিৰ্জা, ব্যৱহাৰিক জীৱনৰ মানেৰে সেইবোৰে নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিব নালাগে— কথাবোৰ মানি ল'বলৈ অসুবিধা। মানুহৰ জীৱনৰ মান বা গুণৰ ক্ষেত্ৰত যদি লক্ষ্যণীয় পৰিৱৰ্তন নঘটে তেন্তে সেই শিক্ষাৰ অৰ্থই বা কি, প্ৰয়োজনেই বা কি? সমাজখনৰ পৰা কটন কলেজ (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়ক) নিলগাই চাব নোৱাৰি। জাতীয় আশা-আকাংক্ষাৰ প্ৰতীক হ'বলৈ হ'লে কটনে আজি নিজৰ অস্তিত্ব প্ৰমাণ কৰি দেখুৱাব লাগিব।

দুটা দশকৰ পাছত মই আকৌ 'কটন গৌৰৱ নে অসম গৌৰৱ' লিখিবলৈ মন মেলিছো— যোৱাবাৰ যেতিয়া এইলানি লেখা প্ৰকাশ পাইছিল তেতিয়া বহু স্বনামধন্য কটনিয়ানৰ পুত্ৰ-কন্যাসকলে মোক বহুতো সমল যোগাইছিল। সেয়েহে পাঠক ৰাইজক মই আহ্বান কৰিছো যেন তেওঁলোকে মোক এইবাৰো সহায়-সহযোগিতা আগবঢ়ায়।

*ফোন ঃ ৯৮৬৪০৪৪৪৫৩*

# অসন্তুলিত পৰিৱেশ ঃ আমাৰ কৰণীয়

## সুপৰিকল্পিতভাৱে পৰিৱেশৰ প্ৰতি সকলোকে সজাগ কৰি প্লাষ্টিক আৰু পৰিৱেশ ধ্বংস কৰা সামগ্ৰীৰ ব্যৱহাৰ পাৰ্যমানে কমাব লাগিব। এনেদৰে আগবাঢ়িব পাৰিলেহে আমাৰ পৰিৱেশ ব্যৱস্থাৰ সমতা বাহাল থাকিব আৰু আমাৰ নতুন প্ৰজন্মক এক সেউজীয়া আৰু স্বচ্ছ পৰিৱেশ উপহাৰ দিব পাৰিম

ড° চিন্তামণি শৰ্মা

**মানৱ** পৰিৱেশ সম্পৰ্কিত বিশ্বৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ আন্দোলন ১৯৭২ৰ পাঁচ জুনৰ পৰা ১৬ জুনলৈ ছুইডেনৰ ষ্টকহ'মত ৰাষ্ট্ৰসংঘৰ উদ্যোগত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ পৰা হৈছিল। বিশ্বৰ ১১৩ খন দেশৰ প্ৰতিনিধি আৰু বিভিন্ন ৰাষ্ট্ৰৰ চাৰিশ বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে এই ১১ দিনীয়া সন্মিলনত অংশগ্ৰহণ কৰিছিল। সন্মিলনৰ অন্তত 'UN Declaration on Human Health and Environment' শীৰ্ষক ২৬টা প্ৰস্তাৱ বিশিষ্ট ঘোষণাপত্ৰ প্ৰকাশিত হৈছিল। ১৯৭২ৰ পাঁচ জুনত প্ৰথমবাৰৰ বাবে বিশ্বৰ ১১৩ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি মানৱ পৰিৱেশ সম্পৰ্কীয় সন্মিলনত সমূহীয়া সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্যকৰীকৰণৰ বাবে সমবেত হোৱা বাবে পৰৱৰ্তী বছৰৰ পৰা পাঁচ জুন ৰাষ্ট্ৰসংঘৰ কাৰ্যক্ৰমণিকাৰূপে 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰি অহা হৈছে। মানৱ স্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ ১৯৭২ৰ ঘোষণাপত্ৰৰ সাৰমৰ্ম হ'ল— 'মাটি, বায়ু, পানী, উদ্ভিদ আৰু প্ৰাণী আদি প্ৰাকৃতিক সম্পদবোৰত সকলোৰে সমান অধিকাৰ আৰু অংশীদাৰিত্ব আছে। ভৱিষ্যৎ প্ৰজন্মৰ উপযোগী হোৱাকৈ পৰিৱেশ নিকা ৰখা আৰু এই সম্পদবোৰৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণ কৰা দায়িত্ব মানৱ জাতিৰ। উদ্ভিদ আৰু বনজ প্ৰাণী তথা প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ বাবে সকলো ৰাষ্ট্ৰই নিজাববীয়াকৈ আইন প্ৰণয়ন কৰি পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ বাবে যাৱতীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উন্নয়নশীল ৰাষ্ট্ৰৰ চাহিদা আৰু গোহাৰিৰ প্ৰতি লক্ষ্য ৰাখি উন্নত ৰাষ্ট্ৰই পৰিৱেশ সংৰক্ষণৰ বাবে বৈজ্ঞানিক আৰু কাৰিকৰী সহায় আগবঢ়াব লাগে। পুনঃ নবীকৰণযোগ্য সম্পদবোৰৰ ব্যৱহাৰত উদগনি জনোৱাৰ লগতে ৰাষ্ট্ৰসমূহত পুনঃ নবীকৰণ অযোগ্য সম্পদবোৰৰ ব্যৱহাৰ পাৰ্যমানে হ্ৰাস কৰিব লাগে আৰু বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰাকৃতিক সম্পদ যিহেতু বিশ্বৰ উমৈহতীয়া সম্পত্তি, গতিকে প্ৰাকৃতিক সম্পদবোৰৰ সমবন্টনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উন্নত ৰাষ্ট্ৰই নিজ সীমাৰ ভিতৰত সম্পদ উপভোগ আৰু সংৰক্ষণ কৰোতে চুবুৰীয়া ৰাষ্ট্ৰৰ পৰিৱেশ যাতে বিঘ্নিত নহয়, তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।'

সন্মিলনৰ ঘোষণাপত্ৰৰ পৰা এটা কথা স্পষ্ট হৈছে যে বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰ কম-বেছি পৰিমাণে প্ৰতিকূল পৰিৱেশৰ প্ৰতি চিন্তিত আৰু সেইবাবে সকলো ৰাষ্ট্ৰই পৰিৱেশ সংৰক্ষণ আৰু সম্পদবোৰৰ উপভোগৰ ক্ষেত্ৰত সচেতন হৈ আগবাঢ়িব বিচাৰে যাতে ভৱিষ্যৎ প্ৰজন্মই এক স্বচ্ছ আৰু নিৰ্মল পৰিৱেশ প্ৰাপ্ত কৰে। উন্নত ৰাষ্ট্ৰই উন্নয়নশীল ৰাষ্ট্ৰলৈ বৈজ্ঞানিক, কাৰিকৰী আৰু আৰ্থিক সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণাপত্ৰত উল্লেখ আছে। ৰাষ্ট্ৰসংঘই বিশ্ব পৰিৱেশ দিৱস পালনৰ যি কাৰ্যসূচী যুগুত কৰে তাক United Nations Environment Programme বা চমুকৈ UNEP বোলা হয়। ৰাষ্ট্ৰসংঘই প্ৰতি বছৰে একো একোটা বিষয়বস্তু নিৰ্বাচন কৰে। বন জংঘল ধ্বংস কৰি উদ্যোগীকৰণ আঁকোৱালি লোৱা বাবে আজি জীৱকুলৰ অস্তিত্ব সংকটাপন্ন হৈছে। অ'জ'ন স্তৰৰ অৱক্ষয়, গোলকীয় উত্তাপ বৃদ্ধি, খৰাং, ধুমুহা, বানপানী আৰু জলবায়ুৰ অভাৱনীয় পৰিৱৰ্তন আদি মানৱসৃষ্ট সমস্যাৰ বাবে দৈনন্দিন জীৱন দুৰ্বিষহ হৈ পৰিছে। বনাঞ্চল ধ্বংস, অভাৱনীয় জনসংখ্যা বৃদ্ধি, আধুনিক জীৱনশৈলী, উদ্যোগীকৰণৰ উত্তৰণ আদিৰ বাবে আজি আমাৰ পৰিৱেশ ব্যৱস্থাৰ ভাৰসাম্যতা বিনষ্ট হৈছে। বিশ্ব পৰিৱেশ দিৱস, ২০২১ পালনৰ বিষয়বস্তু হ'ল 'পৰিৱেশতন্ত্ৰৰ পুনঃস্থাপন'। মানৱসৃষ্ট সমস্যাৰ বাবে পৰিস্থিতিতন্ত্ৰৰ বিঘ্নিত ভাৰসাম্যতাৰ পৰা তাৎক্ষণিকভাৱে পৰিত্ৰাণ পোৱা অসম্ভৱ যদিও দীৰ্ঘম্যাদী কাৰ্যপন্থাৰ পোষকতা সকলো ৰাষ্ট্ৰই কৰিব লাগিব। বিশ্ব পৰিৱেশ দিৱস পালনৰ নামত কেৱল পাঁচ জুনত চৰকাৰী পৃষ্ঠপোষকতাত মন্ত্ৰী-বিধায়কৰ অনুষ্ঠানত বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰিলেই নহ'ব। একেদৰে বেচৰকাৰী অনুষ্ঠানবোৰেও পৰিৱেশ সচেতনতা বৃদ্ধিৰ বাবে বেনাৰ-ফেষ্টুন লৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীক লৈ সমদল উলিয়াই বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সহায়ত বাতৰি প্ৰচাৰৰ মাত্ৰ মানসিকতা দেখুৱালে নহ'ব। বাস্তৱতে পাঁচ জুনত চৰকাৰী আৰু বেচৰকাৰীভাৱে বিশ্ব পৰিৱেশ দিৱস



পালন কৰাৰ নামত যিমান পুলি ৰোপণ কৰা হয়, তাৰ পাছত সেই পুলিবোৰৰ আপডালৰ দায়িত্ব লোৱা হয়নে? ৰোপণ কৰা বৃক্ষৰ আপডাল কৰাৰ মানসিকতা আমাৰ কিমান শতাংশৰ আছে? ২০১৫ৰ মাৰ্চত বিশ্ববিদ্যালয় অনুদান আয়োগে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশাৱলীৰ ভিত্তিত সকলো উচ্চ শিক্ষানুষ্ঠানৰ উপাচাৰ্যসকললৈ নিৰ্দেশনা জাৰি কৰিছিল। সেই নিৰ্দেশনা মতে স্নাতকত নামভৰ্তি কৰা প্ৰত্যেক শিক্ষাৰ্থীয়ে বাধ্যতামূলকভাৱে একোটাকৈ গছপুলি শিক্ষানুষ্ঠানৰ চৌহদত ৰোপণ কৰিব লাগিব আৰু পৰিৱেশ শিক্ষা বিষয়ৰ ছমহীয়া পাঠ্যক্ৰম পঢ়িব লাগিব। 'One student one plant' আঁচনি আগুৱাই নিবলৈ সকলো উচ্চ শিক্ষানুষ্ঠানৰ উপাচাৰ্যসকলক নিৰ্দেশনা জাৰি কৰা আৰু পৰিৱেশৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ মানসেৰে স্নাতক পৰ্যায়ত পৰিৱেশ শিক্ষা পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ এনে পদক্ষেপ আদৰণীয়। পৰিৱেশ ব্যৱস্থাৰ সমতা বজাই ৰাখিবলৈ ভূখণ্ডৰ ৩৩.৩ শতাংশ ঠাই গছ-গছনিৰে আৱৰি থকা বাঞ্ছনীয়; কিন্তু কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী প্ৰকাশ জাৱেড়কাৰে এই বছৰৰ মাৰ্চত সংসদত এক প্ৰশ্নৰ উত্তৰ দিওঁতে ভাৰতৰ ভৌগোলিক ক্ষেত্ৰৰ ২৪.৫৬ শতাংশ সেউজীয়া হৈ থকা কথা উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ বায়ুমণ্ডল ইমানেই প্ৰদূষিত যে চিকাগো বিশ্ববিদ্যালয়ৰ এনাৰ্জী পলিচি ইনষ্টিটিউটৰ দ্বাৰা প্ৰস্তুত কৰা এয়াৰ কোৱালিটী লাইফ ইণ্ডেক্সৰ মতে যদি বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্ধাৰণ কৰি দিয়া অনুকূলতম মান চোৱা হয়, তেনেহ'লে অহা ন বছৰলৈকেহে দিল্লীৰ নাগৰিক জীয়াই থাকিব পাৰিব। ভাৰতৰ আন আন চহৰ আৰু মহানগৰৰ বায়ুমণ্ডলৰ প্ৰদূষিত স্তৰে স্বাস্থ্য ক্ষেত্ৰত এক সংকটপূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিব। সেই উদ্দেশ্যেই ভাৰতবৰ্ষত কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰণালয়ে ১০ জানুৱাৰী, ২০১৯ত ৰাষ্ট্ৰীয় স্বচ্ছ বায়ু কাৰ্যক্ৰম ঘোষণা কৰি বিস্তৃত কাৰ্যসূচী হাতত লৈছে। বায়ুমণ্ডলত দিনক দিনে বৃদ্ধি পোৱা বিষাক্ত প্ৰলম্বিত কণিকাৰ বাবে আমাৰ হাওঁফাওঁ বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে, কাহ বৃদ্ধি পাইছে, ৰক্তচাপ বৃদ্ধি হৈছে, ষ্ট্ৰ'ক আৰু হৃদয়াঘাতৰ ঘটনা বাঢ়িবলৈ লৈছে। শিশু আৰু বৃদ্ধলোক প্ৰলম্বিত কণিকাৰ পৰা বেছি প্ৰভাৱিত হৈছে। ভাৰতবৰ্ষত ২০২০ত বায়ুমণ্ডলৰ প্ৰদূষণে উৎপন্ন কৰা সমস্যাৰ বাবে ১,২০,০০০ লোকৰ মৃত্যু ঘটিছে। অকল বায়ু প্ৰদূষণৰ বাবে ভাৰতে দুই লাখ কোটি টকাৰ আৰ্থিক লোকচানৰ সন্মুখীন হ'ব লগা হৈছে। আজিৰ দিনত জনসাধাৰণে উশাহ ল'বৰ বাবে নিৰ্মল বতাহৰ অভাৱত ভুগিব লগা হৈছে। আমাৰ পৰিৱেশ নিৰ্মল কৰি ৰাখিবলৈ বনানীকৰণক অগ্ৰাধিকাৰ দিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা সকলো বিশ্ববিদ্যালয়ে পালন কৰিব লাগিব। সকলো কলেজ বা শিক্ষানুষ্ঠানত বৃক্ষৰোপণত গুৰুত্ব দি বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা সঁচা অৰ্থত পালন কৰিব লাগিব। অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ আদৰ্শক আঁকোৱালি আগবাঢ়িব লাগিব। বৃক্ষৰোপণৰ লগতে ৰোপণ কৰা গছৰ আপডালৰ দায়িত্ব সকলোৱে ল'ব লাগিব। সুপৰিকল্পিতভাৱে পৰিৱেশৰ প্ৰতি সকলোকে সজাগ কৰি প্লাষ্টিক আৰু পৰিৱেশ ধ্বংস কৰা সামগ্ৰীৰ ব্যৱহাৰ পাৰ্যমানে কমাব লাগিব। এনেদৰে আগবাঢ়িব পাৰিলেহে আমাৰ পৰিৱেশ ব্যৱস্থাৰ সমতা বাহাল থাকিব আৰু আমাৰ নতুন প্ৰজন্মক এক সেউজীয়া আৰু স্বচ্ছ পৰিৱেশ উপহাৰ দিব পাৰিম। আমাৰ পৰিৱেশ নিকা কৰাৰ দায়িত্ব আমি প্ৰকৃত অৰ্থত পালন কৰিলেহে অনাগত দিনত জীৱকুল সুৰক্ষিত হৈ থাকিব।

*লেখক বিশ্বনাথ মহাবিদ্যালয় অধ্যক্ষ*
*ফোন ঃ ৭০০২৫৬১৬১৩*



# বিশ্ব পৰিৱেশ দিৱস আৰু বন্যহস্তীৰ সুৰক্ষা

দিলীপ কুমাৰ মজুমদাৰ

**প্ৰকৃতিৰ** বুকুতেই জীৱকুলৰ জন্ম। প্ৰকৃতিয়ে দান কৰা নিৰ্মল বায়ু, পানী আৰু খাদ্য গ্ৰহণ কৰি জীৱকুল বৰ্তি আছে; কিন্তু পৰিৱেশ প্ৰদূষণৰ দ্ৰুত অৱনতিৰ বাবে সমগ্ৰ পৃথিৱী বৰ্তমান অসুস্থ। অতিসম্প্ৰতি পৰিৱেশ অৱনতিৰ সমস্যা কোনো এখন ৰাজ্যৰ নিজৰ সমস্যা বুলিব নোৱাৰি। উদ্যোগ প্ৰধান ৰাষ্ট্ৰ কিছুমানে সৃষ্টি কৰি প্ৰদূষিত বায়ু অইন দেশলৈ গতি কৰা তাত বায়ু প্ৰদূষণৰ মাত্ৰা বৃদ্ধিয়ে বাতৰিৰ শিৰোনাম দখল কৰি আহিছে। সেয়েহে জলবায়ু পৰিৱৰ্তনৰ লগতে উষ্ণতাই দহন কৰা ধৰিত্ৰীক ৰক্ষা কৰিবলৈ বিশ্ব নেতৃত্বই চিন্তা-চৰ্চা আৰম্ভ কৰে। সেই মৰ্মে ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ১৯৭২ৰ পাঁচ জুনৰ পৰা ১৬ জুনলৈ ছুইডেনৰ ষ্টকহ'মত পৰিৱেশ সন্মিলন এখন অনুষ্ঠিত হয়। এই ঐতিহাসিক সন্মিলনত ১১৩ খন ৰাষ্ট্ৰৰ নেতৃত্বই অংশগ্ৰহণ কৰি সন্মিলনৰ আৰম্ভণি দিনটো অৰ্থাৎ পাঁচ জুনৰ দিনা সমগ্ৰ বিশ্বই প্ৰতিবছৰে পৰিৱেশ দিৱস পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে ১৯৭৩ৰ পাঁচ জুনৰ পৰা বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ প্ৰথা আৰম্ভ হয়। এয়াই ধৰিত্ৰী আইৰ পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ প্ৰথম পদক্ষেপ।

এনেদৰে সমগ্ৰ বিশ্বই বিশ্ব পৰিৱেশ দিৱস পালন কৰি আহিছে। প্ৰতি বছৰে এই দিৱস বিশ্বৰ ভিন ভিন ৰাষ্ট্ৰৰ নেতৃত্বত নিৰ্দিষ্ট শ্ল'গানেৰে অনুষ্ঠিত হৈ আহিছে। বিগত ২০১৮ত ভাৰতবৰ্ষত অনুষ্ঠিত সন্মিলনৰ শ্ল'গান আছিল 'বিট প্লাষ্টিক পলুউছন।' পৰৱৰ্তী বছৰত 'বিট এয়াৰ পলুউছন' শ্ল'গানেৰে চীনত আৰু ২০২০ত 'টাইম ফৰ নেচাৰ' শ্ল'গানেৰে কলম্বিয়াত এই দিৱস উদ্‌যাপিত হয়। 'ইক'ছিষ্টেম ৰিষ্ট'ৰেছন' শীৰ্ষক শ্ল'গানেৰে চলিত বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱস পালনৰ উদ্যোক্তা পাকিস্তান; কিন্তু প্ৰতি বছৰে ভিন ভিন ভাৱনাৰে উদ্‌যাপন কৰা বিগত দিৱসসমূহৰ পৰা পৰিৱেশ সংৰক্ষণৰ মূল উদ্দেশ্য কিমানদূৰ সফল হৈছে সেয়া পৰ্যালোচনাৰ বিষয়। প্ৰসংগক্ৰমে প্লাষ্টিক পৰাভূত কৰাৰ ভাৱনাৰে ২০১৮ত ভাৰতত এই দিৱস অনুষ্ঠিত হয়। নেতৃত্বই সমুদ্ৰতীৰৰ প্লাষ্টিক বটল বুটলিও প্লাষ্টিকৰ ভয়াৱহতা সন্দৰ্ভত বিশ্ববাসীক সজাগ কৰিলে; কিন্তু বিগত বছৰসমূহত প্লাষ্টিকৰ ব্যৱহাৰ কিমান হ্ৰাস হ'ল, তাৰ পৰিসংখ্যা আমাৰ হাতত আছেনে? আমাৰ দৈনন্দিন জীৱনত প্লাষ্টিক বৰ্জন কৰাটো সম্ভৱ হ'বনে? প্লাষ্টিকৰ বিকল্প সামগ্ৰী উদ্‌ভাৱন হৈছেনে? সেয়েহে প্লাষ্টিকৰ বিকল্প হিচাপে জৈৱিক পদাৰ্থৰে তৈয়াৰী সামগ্ৰী বজাৰত উপলব্ধ হ'ব লাগিব। ইয়াৰ বাবে চৰকাৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা পৰিৱেশৰ আহ্বান। একেদৰে ২০২০ত চীনৰ নেতৃত্বত 'বিট এয়াৰ পলুউছন' ভাৱনাৰে পালন কৰা পৰিৱেশ দিৱসৰ পৰৱৰ্তী বছৰসমূহত বায়ু প্ৰদূষণ হ্ৰাস হোৱা বুলি আমি জ্ঞাত নহয়। আমেৰিকাৰ বষ্টন চহৰত অৱস্থিত 'Health Effect Institute'-এ প্ৰকাশ কৰা তথ্য অনুসৰি বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্ধাৰণ কৰা গেছ নিৰ্গমনৰ পৰিমাণতকৈ চাৰিগুণ বেছি বিষাক্ত গেছ চীনত নিৰ্গমন হৈছে।

বায়ুমণ্ডলৰ প্ৰদূষণ ৰোধৰ স্বাৰ্থত দেশৰ অন্য প্ৰান্তৰ লগতে প্ৰকৃতিৰ ৰ'হঘৰা অসমতো বিভিন্ন পৰিকল্পনা চৰকাৰে হাতত লৈছে। কেম্প্ৰা আঁচনিৰ মাধ্যমেৰে আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে গছ পুলি ৰোপণ কৰি বন সংৰক্ষণ কৰা বুলি পৰিৱেশ আৰু বনমন্ত্ৰীয়ে ব্যক্ত কৰিছে; কিন্তু বাস্তৱ ক্ষেত্ৰত কিমানখিনি বনাঞ্চল বৃদ্ধি হ'ল সেয়া বিচাৰ্যৰ বিষয়। আনহাতে, গছপুলি ৰোপণৰ বাবে স্থান নিৰ্বাচনত সুনিৰ্দিষ্ট দৃষ্টিভংগী গ্ৰহণ কৰা যুগুত। এনে ক্ষেত্ৰত বনৰীয়া হাতীৰ কৰিড'ৰসমূহ চিহ্নিত কৰি অতি শীঘ্ৰে বনাঞ্চল বৃদ্ধি কৰা অতি জৰুৰী। আনহাতে, হাতীদণ্ডীত যিকোনো প্ৰকল্প স্থাপন বন্ধ হ'ব লাগিব। প্ৰশাসন যন্ত্ৰৰ দীৰ্ঘদিনীয়া অৱহেলা তথা অদূৰদৰ্শিতাৰ বাবেই নগাঁও জিলাৰ বামুণী পাহাৰৰ তপতজুৰিত ব্ৰজপাত পৰি ১৮টাকৈ বনৰীয়া হাতীৰ মৃত্যু হ'ল। এই অঞ্চলটো হাতীৰ বিচৰণ ভূমি বুলি জ্ঞান হৈয়ো পাহাৰখনত ওখ গছ-গছনিৰ বনাঞ্চল গঢ়িব নোৱৰাটো বিয়াগোম বন বিভাগৰ চৰম ব্যৰ্থতা। এই অঞ্চলটোত কোটি টকা শৰাধ কৰি বাঁহ ৰোপণ কৰা বাতৰি প্ৰকাশ পাইছিল। সেই বাঁহবাৰী গঢ়ি উঠিলনে? অসমৰ হস্তীদণ্ডিসমূহ চিনাক্ত কৰি তাত গছ-গছনি ৰোপণেৰে বনাঞ্চল বৃদ্ধি কৰাটো পৰিৱেশৰ আহ্বান। হস্তীদণ্ডিসমূহ চিনাক্তকৰণৰ বাবে হস্তী তথা প্ৰকৃতিপ্ৰেমী ব্যক্তি তথা সংগঠনে নিশ্চয় নিস্বাৰ্থ সেৱা আগবঢ়াব।

প্ৰকৃতে অসমৰ হস্তীদণ্ডীসমূহ সংৰক্ষণ কৰি ব্যাপকভাৱে গছ-গছনি ৰোপণৰ লগতে তাৰ নিকটৱৰ্তী অঞ্চলত হস্তীৰ খাদ্য উপলব্ধ হোৱাটো আৱশ্যক। আনহাতে মৃত হতী ১৮টাৰ মৃত্যুত স্মৃতিশৌধ নিৰ্মাণনতকৈ বনৰীয়া হাতী বিচৰণৰ বাবে উপযুক্ত প্ৰকল্প গ্ৰহণ কৰিলেহে হস্তীকুল ৰক্ষা হোৱাৰ উপৰি পৰিৱেশ সুৰক্ষাতো সহায়ক হ'ব।

*ফোন ঃ ৯৯৫৪০৭২১৪৪*



# কৰ'নাকালৰ প্ৰত্যাহ্বানৰ মাজতে

*তিনি পৃষ্ঠাৰ পৰা* ব্যস্ত হৈ থকা এগৰাকী মহিলা হিতাধিকাৰীয়ে অঞ্চলটোৰ মহিলাসকলে মুগা সূতা উৎপাদনৰ জৰিয়তে আৰ্থিকভাৱে লাভৱান হোৱা বুলি মন্তব্য কৰে। আনহাতে, বছৰত পাঁচবাৰকৈ মুগা পলু পালনৰ জৰিয়তে আৰ্থিকভাৱে উপকৃত হোৱা মহিলাসকলে উৎপাদন কৰা মুগা সূতাৰ প্ৰতি কিলোগ্ৰামৰ মূল্য ২০ হেজাৰৰ পৰা ২২ হেজাৰ টকা আৰু মহিলাসকলৰ প্ৰতি গোটে এবাৰত ১০ হেজাৰ টকা ব্যয় কৰি ৫০ ৰ পৰা ৬০ হেজাৰ টকা আয় কৰিবলৈ সক্ষম হয়। ইফালে, শোণিতপুৰ জিলা ৰেচম বিভাগৰ অধীনস্থ বৰছলা মুগা পামকে ধৰি জিলাখনত থকা চাৰিখন মুগা পামত নিয়োজিত মহিলাসকলে অসমৰ মুগা পালনৰ জৰিয়তে স্বনিয়োজনৰ লগতে অসমৰ গ্ৰামীণ অৰ্থনীতি টনকিয়াল কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে বুলি বিভাগীয়ভাৱে উল্লিখিত হৈছে। উল্লেখ্য যে মে'তে শোণিতপুৰৰ চাৰিখন মুগা পামত জড়িত মহিলাসকলে মুগা পালনৰ জৰিয়তে ২২০ কিলোগ্ৰাম মুগা সূতা উৎপাদন কৰাৰ কথা সদৰী কৰিছে ৰেচম বিষয়া নীল কোচে। চাৰিদুৱাৰৰ মুগা পামত আছে ৪,৫০০ জোপা গছ। ইয়াত ২৫-৩০ জন লোক নিয়োজিত হৈ আছে।

বিভাগীয় তথ্য অনুসৰি, বছৰি এইখন বাগিচাত বছৰি ইয়াত ৪০ কিলোগ্ৰাম মুগা উৎপাদন হয়। একেদৰে, চতিয়াৰ চাৰিঙীয়াত থকা মুগা পামত আছে এহেজাৰ জোপা চোম গছ। ইয়াত ১০ জন লোক নিয়োজিত হৈ থকাৰ বিপৰীতে বছৰি উৎপাদন হয় ১৫ কিলোগ্ৰাম মুগা। বিভাগীয়ভাৱে প্ৰকাশ কৰা অনুসৰি, মেমাজিৰ কিছুসংখ্যক অভিজ্ঞ আৰু প্ৰগতিশীল মুগা পালকৰ সহযোগিতাত তেওঁলোকৰ বিভাগৰ কৰ'নাৰ এই দুৰ্যোগৰ সময়তো বৰছলা, চাৰিদুৱাৰ টুপীয়া আৰু চাৰিঙীয়াত কাম চলি আছে। ৰেচম বিভাগৰ শোণিতপুৰৰ বিষয়া অজিত পাঠকে সদৰী কৰা মতে, মুগা পামসমূহত বৰ্তমান ২২ হেজাৰ মুগা চকীৰ কণীৰ জেঠুৱা মুগা পালন অব্যাহত আছে। বিভাগীয় তথ্য অনুসৰি, ১৭০ গৰাকী পলু পালকে চলাই থকা এই পাম চাৰিখনত ছুল জেঠুৱা বাঁহৰ পৰা প্ৰায় দুশ কিলোগ্ৰাম মুগা উৎপাদন লক্ষ্য স্থিৰ কৰা হৈছে। সেয়া হ'লে শোণিতপুৰত এইবাৰ ইয়াৰ পৰা ৪০ লাখ টকা উপাৰ্জন হ'ব। উল্লেখ্য যে বৰছলাৰ মুগা পামত খড়্গধৰ কলিতা, শশীন শৰ্মা, চাৰিদুৱাৰৰ দীপক শইকীয়া, টুপীয়াত সোণমা দলে আৰু চাৰিঙীয়াত গোবিন্দ মণ্ডল আদি বিষয়াই মুগা পালন তথা উৎপাদন আঁচনিখনত কাৰিকৰী ক্ষেত্ৰত মুগা পালকসকলক সহযোগিতা আগবঢ়াই আছে। এসময়ত প্ৰচুৰ সম্ভাৱনীয়তাৰে স্থানীয় লোকৰ প্ৰচেষ্টা গঢ় লৈ উঠা মুগা পামত পুনৰ উৎপাদন বৃদ্ধিৰ প্ৰয়াসে এই ক্ষেত্ৰত জড়িতসকলৰো উৎসাহ বৃদ্ধি কৰিছে।

# বেদখলৰ কবলত নগাঁৱৰ বনাঞ্চল

*তিনি পৃষ্ঠাৰ পৰা* বনাঞ্চল, বৰপানী সংৰক্ষিত বনাঞ্চল, লুটুমাৰী সংৰক্ষিত বনাঞ্চল, পিলখানা সংৰক্ষিত বনাঞ্চল আৰু মাধৰপাৰা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল। জিলাখনৰ অন্তৰ্গত লাওখোৱা অভয়াৰণ্য, বুঢ়াচাপৰি অভয়াৰণ্য আৰু কোচমৰা সংৰক্ষিত বনাঞ্চলতো অব্যাহত আছে প্ৰতিৰোধবিহীন বেদখল। নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ কোচমৰা সংৰক্ষিত বনাঞ্চলৰ মাটিকালি ২১.৫৫ বৰ্গ কিলোমিটাৰ যদিও সংৰক্ষিত বনাঞ্চলখনৰ এশ শতাংশ ভূমিয়েই বেদখলকাৰীৰ কবলত পৰিছে। তাহানিৰ সেউজ অৰণ্যাবৃত বনাঞ্চলখনত গঢ়ি উঠে অসংখ্য বস্তি। গছ-গছনি কাটি খাস্তাং কৰা বনাঞ্চলৰ ভূমিক এতিয়া বেদখলকাৰীয়ে কৃষি ভূমিৰূপেহে ব্যৱহাৰ কৰি আহিছে। আনহাতে, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ লাওখোৱা অভয়াৰণ্যৰ মাটিকালি ৭১.০১ বৰ্গ কিলোমিটাৰ যদিও অভয়াৰণ্যখনৰ প্ৰায় দুশ হেক্টৰ মাটি ইতিমধ্যেই বেদখলকাৰীৰ কবলত পৰিছে। অভয়াৰণ্যখনৰ শালপাৰা, শিঙিমাৰী, ফুটলঝাৰ, কালিয়াডিঙা প্ৰমুখ্যে বিভিন্ন ঠাইত অবাধ বেদখলে অভয়াৰণ্যখনক সংকুচিত কৰিছে। একেদৰে, বুঢ়াচাপৰি অভয়াৰণ্যৰ মুঠ মাটিকালি ৪৪.০৬ বৰ্গ কিলোমিটাৰ যদিও কে'বা দশক ধৰি চলি থকা বেদখলে অভয়াৰণ্যখনকো সংকুচিত কৰি তুলিছে। অভয়াৰণ্যখনৰ লেতেৰীৰ পাৰে পাৰে সাত নম্বৰ ভগামুখত, ধনীয়া, লংকে টাপো, বাঘেটাপো, লাঠিমাৰী, শিয়ালী, সন্ধ্যা টাপো আদিত অবাধ বেদখল হৈছে। এই পৰ্যন্ত অভয়াৰণ্যখনৰ ভূমিৰ ৩০ শতাংশ ভূমিয়েই বেদখলকাৰীৰ কবলত পৰিছে। অভয়াৰণ্য দুখনত চলি থকা অবাধ বেদখলক লৈ মুঠেই চিন্তিত নহয় ৰাজ্যৰ বন বিভাগ। ইয়াৰ বেদখল উচ্ছেদৰ বাবে নগাঁও বন সংমণ্ডল (বন্যপ্ৰাণী)য়ে যেনে ধৰণৰ তৎপৰতা দেখুৱাব লাগিছিল তেনে তৎপৰতা পৰিলক্ষিত হোৱা নাই। মাজে সময়ে বেদখল উচ্ছেদ কৰিবলৈ গৈ বন বিভাগে সশস্ত্ৰ বেদখলকাৰীৰ সন্মুখত তিষ্ঠিব নোৱাৰি ছত্ৰভংগহে দিয়া ঘটনা সংঘটিত হৈছে। ফলত বেদখলকাৰীৰ দৌৰাত্ম্য দুগুণে বৃদ্ধি পাইছে। আনহাতে, বন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি, অবিভক্ত নগাঁও জিলাৰ লামডিং সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১৫০০ হেক্টৰ মাটি, কাকী সংৰক্ষিত বনাঞ্চলৰ ৯,৮০০ হেক্টৰ মাটি, ডৰকা সংৰক্ষিত বনাঞ্চলৰ ৩০ হেক্টৰ মাটি, যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলৰ ১,৩০০ হেক্টৰ মাটি ইতিমধ্যেই বেদখলকাৰীৰ কবলত পৰিছে। একেদৰে, বৰপানী সংৰক্ষিত বনাঞ্চলৰ ২,৩০০ হেক্টৰ মাটি, লুতুমাৰী সংৰক্ষিত বনাঞ্চলৰ ১,৫০০ হেক্টৰ মাটি, জুকুতা সংৰক্ষিত বনাঞ্চলৰ এশ শতাংশ অৰ্থাৎ ১৩৯ হেক্টৰ ভূমি, পিলাখনা সংৰক্ষিত বনাঞ্চলৰ ৪৫ হেক্টৰ মাটি, খোলাহাট সংৰক্ষিত বনাঞ্চলৰ ৩.৫০ হেক্টৰ মাটি, সোণাইকুছি সংৰক্ষিত বনাঞ্চলৰ ৮.৫০ হেক্টৰ মাটি আৰু মাধৰপাৰা (প্ৰস্তাৱিত) সংৰক্ষিত বনাঞ্চলৰ ৩২ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত পৰিছে। অবিভক্ত জিলাখনত বনাঞ্চলত চলা অবাধ ধ্বংসযজ্ঞ আৰু বেদখলৰ ফলত জৈৱ বৈচিত্ৰ্যৰ প্ৰতিও চৰম ভাবুকি নামি আহিছে। বন ধ্বংসৰ ফলতেই জিলাখন প্ৰাকৃতিক ভাৰসাম্যহীনতাত ভোগাৰ আশংকা কৰিছে প্ৰকৃতিবিদসকলে। ইপিনে, চৰকাৰৰ বন বিভাগে জিলাখনৰ বিভিন্ন বনাঞ্চলত বন বিভাগৰ কেতবোৰ আঁচনিৰ অধীনত বৃক্ষৰোপনেৰ নামতেই কোটি কোটি টকা আবণ্টন দি আহিছে যদিও সেই ধনৰে বৃক্ষৰোপণ কৰি জিলাখনক সেউজ কৰা সলনি চৰকাৰী ধনৰ ওপৰত অবাধ লুণ্ঠনহে চলিছে।

# এখন এক্সকেভেটৰেৰে চলিছে নলবাৰী

*তিনি পৃষ্ঠাৰ পৰা* ওম প্ৰকাশে সবল ভূমিকা গ্ৰহণ কৰি চহৰখনৰ নলা-নৰ্দমাসমূহ চাফা কৰি ৰাইজক কিছুদিনৰ বাবে সকাহ দিছিল যদিও পৰৱৰ্তী কালত তেনে ভূমিকাৰ ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিলে কোনো এজন উপায়ুক্ত বা পৌৰসভা সমিতিয়ে। ফলত পুনৰ যমৰ যন্ত্ৰণা ভুগিব লগা হৈছে নলবাৰীবাসীয়ে। একেই ঘটনা ঘটিল এইবাৰো। এই বৰ্ষত বৰষুণ যথেষ্ট পলমকৈ অহাত চহৰবাসীয়ে স্বাভাৱিক জীৱন যাপন কৰি আহিছিল যদিও যোৱা ৩১ মে'ৰ নিশাৰ বৰষুণত জলবন্দী হৈ পৰে নলবাৰী চহৰ। মাত্ৰ নিশাৰ মুষলধাৰ বৰষুণৰ ফলত ১২ টা ৱাৰ্ডৰ ভিতৰত প্ৰায় চহৰখনকে ধৰি প্ৰতিটো ৱাৰ্ডৰ আৱাসিক অঞ্চল প্লাৱিত হোৱাৰ পিছতে পানীত ডুব যোৱাত চহৰ আৱাসীসকলৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈ পৰে। লক্ষণীয় যে সদ্য কাৰ্যকাল সমাপ্ত বিপশা দাস নেতৃত্বাধীন পৌৰসভাখনৰ চৰম অকৰ্মণ্যতাৰ বাবেই নলবাৰী চহৰ উন্নয়নৰ গতিধাৰা সম্পূৰ্ণ স্তব্ধ হৈ পৰে। ৰাইজৰ অভিযোগ অনুসৰি এই সমিতিখনৰ কাৰ্যকালত কেৱলমাত্ৰ ৱাৰ্ড সদস্য একাংশৰ ঠিকা-ঠুকলিৰ খোৱা-কামোৰাৰ বাবে বাদ পৰি ৰ'ল নলা নিষ্কাসন ব্যৱস্থা। ইপিনে ২০২০ৰ চাৰি এপ্ৰিলত এই সমিতিখন নিয়মমাফিক ভংগ হয়। ইয়াৰ লগে লগে পৌৰসভাৰ সকলো কৰ্তৃত্ব জিলা প্ৰশাসনৰ হাতলৈ অহাত এই পৰ্যন্ত পৌৰসভাৰ দায়িত্ব চম্ভালি আছে জিলা প্ৰশাসনে। লক্ষণীয়ভাৱে জিলা প্ৰশাসনেও আজি এবছৰতকৈ অধিক কাল চহৰখনৰ বন্ধ পানী নিষ্কাসন ক্ষেত্ৰত তিলমাত্ৰ ভূমিকা লোৱা পৰিলক্ষিত নহ'ল। ইপিনে, পৌৰসভাৰ এক সূত্ৰই সদৰী কৰা মতে চহৰখনৰ নলা নিৰ্মাণ আৰু নিষ্কাসন নামত তদানীন্তন পৌৰসভা সমিতিখনৰ কাৰ্যকালৰ ভিতৰতে পৌৰসভাখনে এক সংস্থাৰ সহায়ত অভিযন্তা ফৰ্মী তালুকদাৰৰ তত্বাৱধানত আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষ এক প্ৰকল্প প্ৰস্তুত কৰি সংশ্লিষ্ট বিভাগক দাখিল কৰে। সেইমৰ্মে উক্ত প্ৰকল্প বিভাগে ইতিমধ্যে কেতিয়াবাই প্ৰশাসনিক অনুমোদন দিয়ে। তদুপৰি ইয়াৰ ৰূপায়ণৰ নামত তদানীন্তন পৌৰসভা সমিতিখনৰ বিভাগীয় টেণ্ডাৰ পৰ্যন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি চুক্তিও বিলৰ ডিমাণ্ড সাব্যস্ত কৰিছিল। কিন্তু লক্ষণীয় যে উক্ত বৃহৎ অংকৰ ধন সমিতিখনে খৰচ কৰিলে ক'ত? পৌৰসভাৰ সূত্ৰটোৱে অভিযোগ কৰা মতে সমিতি খনৰ কেইজনমান সদস্যই আৱাসিক অঞ্চলসমূহত নামমাত্ৰ কাম কৰি আঁচনিৰ ধন হৰুৱা কৰিছে। সূত্ৰটোৱে কয় যে এনে পৰিকল্পনাৰে খৰচ কৰা হ'লে চহৰখনৰ বন্ধ পানীৰ সমস্যাৰ সম্পূৰ্ণ স্থায়ী সমাধান নহ'লেও আৰু কেইবছৰমানৰ বাবে অন্ততঃ চিন্তা কৰিবলগীয়া নহ'লহেঁতেন।'

**বাৰিষা আহিলেহে চৰ্চালৈ আহে মাষ্টাৰ প্লেন**

কেৱল পৌৰসভাই নহয়, খৰালিত শুই থাকে নলবাৰী জিলা প্ৰশাসন, জনপ্ৰতিনিধি আনকি সাধাৰণ ৰাইজ পৰ্যন্ত। বিগত প্ৰায় দুটা দশকৰ পৰাই চহৰখনে এনেদৰে প্ৰতিটো বাৰিষাত বন্ধ পানীৰ সমস্যাত ভাৱাক্ৰান্ত হৈ অহা ঘটনা নতুন নহয় যদিও ইয়াৰ পৰিত্ৰাণৰ বাবে কোনো এক খৰালিতে সমস্যাৰ সমাধানৰ বাবে আলোচনাও কৰা অহা পৰিলক্ষিত নহ'ল। ইয়াৰ বিপৰীতে বাৰিষাৰ লগে লগে এনে সমস্যাত হাবু-ডুবু খাই কেৱল মাত্ৰ সংবাদ মাধ্যমৰ ওপৰত জনপ্ৰতিনিধি, পৌৰসভা, জিলা প্ৰশাসন আদিক দুষাবমান গালি পাৰিছে যেন সামৰিছে নাগৰিকৰ দায়িত্ব। ইপিনে, বাৰিষা বন্ধ পানীৰ নৰক যন্ত্ৰণা আহিলে প্ৰশাসনৰ চকু পৰে নলবাৰী চহৰৰ কৃত্ৰিম বান সমস্যা সমাধানৰ মাষ্টাৰ প্লেনৰ কথা। আনকি ইয়াকে লৈ জিলা প্ৰশাসনে সময়ে সময়ে বিভিন্ন বিভাগৰ লগত সভা-আলোচনাতো মিলিত হয়। কিন্তু বাৰিষা গ'লেই পুনৰ বন্ধ হয় 'মাষ্টাৰ প্লেন' চৰ্চা। এনেস্থলত এনে মাষ্টাৰ প্লেন চৰ্চাই কেতিয়া বাস্তৱ ৰূপ পাব সেয়া লক্ষণীয়।

**প্ৰাকৃতিক সোঁত বন্ধকাৰীক নাকী লগাব পৰা নাই জিলা প্ৰশাসনে ঃ**

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ দৰে নলবাৰীতো প্ৰায় সৰ্বত্ৰে এতিয়া বন্ধ হৈ পৰিছে পানী নিষ্কাসনৰ প্ৰাকৃতিক সোঁত। নলবাৰী চহৰকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত মাটি মাফিয়াসকলে কালভাৰ্ট আৰু জানসমূহ কৃত্ৰিমভাৱে বন্ধ কৰি পেলোৱাত প্ৰাকৃতিক পানী নিষ্কাসন প্ৰায় সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। উল্লেখ্য যে চহৰখনৰ পানী নিষ্কাসনৰ মূল প্ৰাকৃতিক পথ হ'ল ফুলগুৰি জান, সতীকুৰ জান আৰু জাহা চেনেল বা ভালুকমাৰা জান। ইয়াৰ ফুলগুৰি জানেৰে বালিকৰিয়া হৈ বুঢ়াদিয়া নদীৰে প্ৰাকৃতিকভাৱে পানী নিষ্কাসন হোৱাৰ লগতে সতীকুৰ আৰু জাহা চেনেলেৰে কালাকুছি হৈ পাগলাদিয়া নদীৰে প্ৰাকৃতিকভাৱে পানী নিষ্কাসন হৈ আহিছিল। কিন্তু ফুলগুৰি জান প্ৰাকৃতিকভাৱেই কিছু পৰিমাণে বন্ধ হৈ পৰাৰ বিপৰীতে সতীকুৰ আৰু জাহা চেনেলৰ মুখত কেইবাটাও বান্ধ দিয়াত বন্ধ হৈ পৰিছে। তদুপৰি ইয়াৰ পাছতো ক্ষেত্ৰত কালভাৰ্ট আৰু জানবোৰ বন্ধ হোৱাত চহৰৰ পৰা পানী নিষ্কাশিত হোৱাৰ পথ ৰুদ্ধ। এই সন্দৰ্ভত নলবাৰীৰ একাংশ জ্যেষ্ঠ নাগৰিকে ইতিমধ্যে বহুবাৰ আবেদন-নিবেদন জনালেও আজিলৈকে কোনো ব্যৱস্থা হোৱা নাই।

**এখন মাত্ৰ এক্সকেভেটৰেৰে চলে পৌৰসভাৰ কাম, বছৰৰ পাছত বছৰ ধৰি সম্পূৰ্ণ নহয় ক্ষেত্ৰ প্ৰতিবেদন উন্নয়ন কৰ্তৃপক্ষ-উন্নয়ন খণ্ডৰ সহযোগ দাবী বিষয়াৰ**

এখন মাত্ৰ এক্সকেভেটৰ আৰু মাত্ৰ কেইজনমান লোকেৰে কাম-কাজ চলাই থকা হৈছে পৌৰসভাৰ। স্বয়ং সংশ্লিষ্ট বিষয়াৰ ভাষ্যত প্ৰকাশ হৈছে নলবাৰী পৌৰসভাৰ এনে অৱস্থা। সংশ্লিষ্ট বিষয়া তথা অতিৰিক্ত উপায়ুক্ত চয়নিকা ঠাকুৰীয়াই 'দৈনিক অগ্ৰদূত'ক সদৰী কৰি কয় যে পৌৰসভাৰ বৰ্তমান এখনেই মাত্ৰ এক্সকেভেটৰ থকাৰ লগতে 'মেন পাৱাৰ' অতি কম। যাৰ ফলত পৌৰসভাই আশানুৰূপভাৱে কাম কৰিব পৰা নাই। অৱশ্যে বিষয়াজনে যোৱা ফেব্ৰুৱাৰীতহে এই দায়িত্ব গ্ৰহণ কৰা সদৰী কৰে। ইপিনে, যিখন জিলাৰ পৰা কেইবাজনকৈ কেবিনেট মন্ত্ৰীয়ে ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰি অহাৰ লগতে সাংসদ পৰ্যন্ত থকাৰ পাছতো তেনে এখন জিলাৰ পৌৰসভাৰ এখন মাত্ৰ এক্সকেভেটৰ থকা ঘটনাই সকলোকে আচৰিত কৰিছে। উল্লেখ্য যে এই ক্ষেত্ৰত নলবাৰী চহৰৰ বন্ধ পানী সমস্যাৰ সমাধানৰ বাবে নলবাৰী উন্নয়ন কৰ্তৃপক্ষ আৰু উন্নয়ন খণ্ডসমূহৰো সহায় দাবী কৰিছে পৌৰসভাৰ কাৰ্যবাহী বিষয়া ঠাকুৰীয়াই। তদুপৰি যোৱা ২৯ মে'ত জিলা উপায়ুক্তৰ লগত বৈঠকত মিলিত হৈ এনে সমস্যা সমাধানৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ পৰিকল্পনা কৰা বুলিও সদৰী কৰিছে। উল্লেখ্য যে বিগত ২০ বছৰে নলবাৰী জিলা প্ৰশাসনে এনেদৰে ক্ষেত্ৰ অধ্যয়ন কৰি ক্ষুদ্ৰ চহৰখনৰ দীৰ্ঘদিনীয়া বন্ধ পানীৰ সমস্যা সমাধানৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ পৰিকল্পনা গ্ৰহণ কৰিছে যদিও কোনো এটা ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিবেদন সম্পূৰ্ণ কৰিব নোৱাৰিলে জিলা প্ৰশাসনে। আজি ২০ বছৰে নলবাৰী জিলা প্ৰশাসনে এনে ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিবেদনো সম্পূৰ্ণ কৰিব নোৱাৰিলে। চহৰখনৰ বন্ধ পানী সমস্যা দিনক দিনে ভয়াবহ পৰিলক্ষিত হৈছে। এনে পৰিপ্ৰেক্ষিতত চহৰখনৰ প্ৰায়কেইটা জলবন্দী ৱাৰ্ডৰ বাসিন্দাই নৱনিৰ্বাচিত বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাক এই ক্ষেত্ৰত মুখ্য ভূমিকা লোৱাৰ আহ্বান জনাইছে।

# পৰকীয়া প্ৰেমক লৈ মোৰাঝাৰত

*তিনি পৃষ্ঠাৰ পৰা* ঊৰ্ধ্বতন বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও উত্তেজনা অব্যাহত আছে। দুয়োটা ফৈদে ঘটনা সন্দৰ্ভত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে চাৰিজন লোকক আটক কৰিছে।

# শিমলুগুৰি ৰেল জংচনত কৰ্মৰত

*তিনি পৃষ্ঠাৰ পৰা* তেনে অৱস্থাত ৰেল বিভাগৰ বিষয়া গগৈয়ে ৰেলেৰে যাত্ৰা কৰাৰ অন্তত লেলাউটি পৰীক্ষা কৰিবলৈ মান্তি হৈ কৰ্তব্যৰত এগৰাকী মহিলা স্বাস্থ্য কৰ্মৰ লগতে আন একাংশ পুৰুষ স্বাস্থ্য কৰ্মীকো দুৰ্ব্যৱহাৰ কৰে। এই সন্দৰ্ভত স্বাস্থ্য কৰ্মীসকলে বিভাগীয় কৰ্তৃপক্ষক খবৰ দিয়াৰ ৰগতে শিমলুগুৰি আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয় নাজিৰা মহকুমাৰ স্বাস্থ্য বিষয়া, চক্ৰ বিষয়া, মহকুমা আৰক্ষী বিষয়া, আৰু শিমলুগুৰি আৰক্ষীৰ এটা দল। পৰৱৰ্তী সময়ত ৰেল আৰক্ষীয়ে সোনৰাম গগৈ নামৰ ৰেল বিভাগৰ টি টি আইজনক আটক কৰে।

# বাঢ়নী পানীত শংকিত বাঘবৰৰ

*তিনি পৃষ্ঠাৰ পৰা* ধৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াই তাণ্ডৱ চলোৱাত দুই শতাধিক পৰিয়াল গাঁওখনৰ পৰা অইন স্থানলৈ স্থানান্তৰিত হোৱাৰ লগতে বহু পৰিয়াল ইখনৰ পাছত সিখন চৰত অস্থায়ীভাৱে ঘৰ সাজি বসতি কৰিছে। প্ৰতিটো বানে সংহাৰ সৃষ্টি কৰা বৃহত্তৰ মাজৰচৰ গাঁৱৰ শ শ বিঘা কৃষিভূমি ব্ৰহ্মপুত্ৰ আৰু জলজলি নদীৰ বুকুত জাহ যোৱাত কৃষিভূমি প্ৰধান অঞ্চলটোৰ বহু পৰিয়াল আৰ্থিকভাৱে দুৰ্বল হৈ পৰিছে। দীৰ্ঘদিন ধৰি গাঁওখনত ব্ৰহ্মপুত্ৰ আৰু জলজলি নদীয়ে ত্ৰাসৰ সৃষ্টি কৰি অহাত ছবছৰ পূৰ্বে খহনীয়া প্ৰতিৰোধৰ লক্ষ্যৰ পাৰ্কুপাইন বান্ধৰ ব্যৱস্থা কৰা হৈছিল যদিও সেয়া কোনো কামত নাহিল। জলসম্পদ বিভাগৰ এই কোটিটকীয়া আঁচনিত সংশ্লিষ্ট ঠিকাদাৰৰ দুৰ্নীতিৰ লগতে জলসম্পদ বিভাগৰ ৰহস্যজনক অমনোযোগিতাৰ বাবেই আঁচনিৰ পৰা সুফল নাপালে গাঁওবাসীয়ে। বিভাগীয় অদূৰদৰ্শিতাৰ সুযোগ লৈ ঠিকাদাৰে তেওঁৰ দুই এজন অনুগতৰ হতুৱাই পাল মৰা কাম কৰি আঁচনিৰ ধন উদৰস্থ কৰাৰ ফল ভোগ কৰিছে আজি মাজৰচৰ গাঁৱৰ শ শ পৰিয়াল। কামৰূপ জিলা নগৰবেৰাৰ সীমাতে লাগি থকা মাজৰচৰ গাঁৱৰ শেহতীয়া পৰিস্থিতিয়ে জিলাখনৰ আলোপতি মাজৰচৰ বজাৰ, আলোপতি চৰ আৰক্ষী থানা, আলোপতি মাজৰচৰ মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, ফখৰুদ্দিন আলী আহমেদ হাইস্কুল, লুইতপৰীয়া মহাবিদ্যালয়ৰ লগতে কে'বাখন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান- প্ৰতিষ্ঠানলৈও ভাবুকি কঢ়িয়াই আনিছে। ব্ৰহ্মপুত্ৰ আৰু জলজলিৰ খহনীয়াই বৃহৎ অঞ্চলটোত ভাবুকি কঢ়িয়াই অনাৰ পাছতো জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগে ন্যূনতম কাৰ্যব্যৱস্থা গ্ৰহণ নকৰাত বসতিপ্ৰধান অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে আলোপতি মাজৰচৰ গাঁও পঞ্চায়তৰ ফালৰ পৰা চতুৰ্দশ বিত্ত আয়োগৰ প্ৰায় ১২ লাখ টকা আবণ্টন দি বাঁহৰ বান্ধ দিয়া পৰিলক্ষিত হৈছে। কিন্তু এনে বাঁহৰ বান্ধে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ সক্ষম হ'বনে? বসতিপ্ৰধান অঞ্চলটো খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে স্থানীয় লোকে জিলা উপায়ুক্তৰ লগতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাক তাৎক্ষণিকভাৱে পদক্ষেপ লবলৈ দাবী জনাইছে।

# বান্দৰক বিস্কুট দি বন্য চৰিত্ৰ

*তিনি পৃষ্ঠাৰ পৰা* আৰক্ষী নিৰেশ, পিঠাখোৱা, মাজগাঁও, মুঢ়াতেতেলী, ডেকাৰগাঁও আদি অঞ্চলৰ পৰা উদ্ধাৰ হোৱা এই বন্যজীৱসমূহৰ ভিতৰত আছে বিষাক্ত ফেঁটী সাপ ১২ ডাল, অজগৰ ১০ডাল, মোচোৱাগোম চাৰিডাল, বাকৰাজ ১০ডাল তথা ঢোৰাসাপ আৰু ইণ্ডো চাইনিজ, মোছোৰাগোম আৰু মেকুৰী চকুৰা সাপসহ আন ১০ডাল সাপ। তদুপৰি এই সময়ছোৱাতে উদ্ধাৰ হৈছে এটাকৈ ফেঁচা, জহামাল, ঈগল আৰু পাঁচটা কেঁকো। ইয়াৰে ভিতৰত একাধিক অজগৰৰ দৈৰ্ঘ্য ন ফুটৰ অধিক। তদুপৰি বিহগুৰি কলিতাগাঁৱৰ মনোজ কলিতাৰ কুকুৰা ফাৰ্মত উদ্ধাৰ হোৱা এটা অজগৰে ৫০টাৰ অধিক মুৰ্গি ভক্ষণ কৰিছিল। এনেদৰে সাপ আৰু অজগৰ মানুহৰ ঘৰত উদ্ধাৰ হোৱা সন্দৰ্ভত অঞ্চলসমূহৰ ৰাইজে কয় যে সাপ আৰু অজগৰ তেজপুৰত পূৰ্বৰে পৰা বহুসংখ্যক আছে যদিও আগতে ঘৰৰ বাৰীত তথা প্ৰাকৃতিক ক্ষেত্ৰত মাজে-সময়ে দেখিবলৈ পোৱা গৈছিল। ৰাইজে লগতে কয় যে বৰ্তমান হোলা তথা পিতনি আদি নিঃশেষ হোৱাৰ লগতে একোখন মুক্ত বাৰীও নোহোৱা হোৱাত সাপে মানুহৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ লৈছে আশ্ৰয় আৰু খাদ্যৰ সন্ধানত। বৰকটকীয়ে উদ্ধাৰ কৰা এইবোৰ জীৱ পাছত সমীপৰ নিৰাপদ প্ৰাকৃতিক আৱাস ক্ষেত্ৰ আৰু তেজপুৰৰ ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়ে। আনহাতে, যোৱা দীঘলীয়া সময় ধৰি বালিপৰা ভালুকপুং সংযোগী পথত বিশেষকৈ চাৰিদুৱাৰ অঞ্চলত এজাক বান্দৰক বহু সংখ্যক পথচাৰীয়ে বিভিন্ন খাদ্য দি আহিছে। ক্ৰমশঃ মানুহৰ ওপৰত নিৰ্ভৰশীল হৈ পৰা এই বান্দৰ জাকে বালিপৰা, চাকিদুৱাৰৰ লগতে কাষৰীয়া বিভিন্ন অঞ্চলত উপদ্ৰৱ চলাই আহিছে। এনে অৱস্থাত কৰ'নাকেন্দ্ৰিক পৰিস্থিতিৰ সময়ত পুৱাৰ পৰাই বহু লোকে বান্দৰ জাকক ফলমূলকে ধৰি বিভিন্ন বিস্কুট চানা আদি দিয়াৰ বিষয়ে প্ৰকাশ কৰি বৰকটকীয়ে কয় যে এনে অৱস্থাত কোনোবাই এই বান্দৰজাকক কিছু পৰিমাণে ফলমূল দিছে যদিও বিস্কুট আদি দিয়াটো একেবাৰে অনুচিত। তদুপৰি এনে কাৰ্যই বান্দৰ জাকৰ বন্য চৰিত্ৰ নোহোৱা কৰি মানুহৰ সমস্যাহে বৃদ্ধি কৰিব বুলি উল্লেখ কৰি বৰকটকীয়ে লগতে কয় যে বনাঞ্চলৰ সংৰক্ষণ আৰু খাদ্যৰ তথা ফলমূলৰ গছ বৃদ্ধিত বন বিভাগে গুৰুত্ব নিদিলে সমস্যাৰ সমাধান নহয়। বৰকটকীয়ে চাৰিদুৱাৰ আৰু বালিপৰা সংৰক্ষিত বনাঞ্চলৰ বান্দৰক বিস্কুট আদি দিয়াটো বন্ধ কৰি তথা সৰ্বসাধাৰণক সজাগ কৰিবলৈ ইয়াত বন বিভাগে ফলক আঁৰিব লাগে বুলিও কয়।

# একালৰ অৰণ্য ধ্বংসকাৰী

*তিনি পৃষ্ঠাৰ পৰা* হোৱা এইসকললোকে এতিয়া প্ৰকৃতিৰ অতন্দ্ৰ প্ৰহৰী। তেওঁলোক এতিয়া ব্যস্ত বন সুৰক্ষা আৰু সংবৰ্ধনৰ কামত। ১৬ বছৰ পূৰ্বে বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত দিহিৰা সংৰক্ষিত বনাঞ্চলখন একাংশ চোৰাং কাঠ ব্যৱসায়ীয়ে তহিলং কৰি পেলাইছিল। বনাঞ্চলখনত ঠায়ে ঠায়ে চলিছিল বেদখল। ক্ৰমান্বয়ে সংকুচিত হৈছিল বনাঞ্চলৰ মাটি; কিন্তু ২০০৬ত প্ৰকৃতিপ্ৰেমী বিজয় চৌধুৰীৰ নেতৃত্বত গঠন হোৱা 'মানাহ চৌচি খংখৰ ইকো টুৰিজিম ছ'চাইটি'ৰ সহযোগত পুনৰ ঠন ধৰি উঠে বনাঞ্চলখন। স্বেচ্ছাসেৱী সংগঠনটোৱে চোৰাং কাঠ ব্যৱসায়ীসকলক সংগঠনটোৰ সদস্যৰূপ নিয়োগ কৰি অঞ্চলটোত ৰোপণ কৰে প্ৰায় আঢ়ৈ লক্ষাধিক গছ পুলি। প্ৰায় ডেৰশ বিঘা মাটি সামৰি ৰোপণ কৰা গছপুলিসমূহে এতিয়া অঞ্চলটোৰ পৰিৱেশ সেউজ কৰি তুলিছে। এসময়ৰ চোৰাং ব্যৱসায়ী দীপু বড়ো এতিয়া এজন বন সুৰক্ষাকৰ্মী। নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দীপু বড়োৱে নিজকে নিয়োজিত কৰিছে বনকৰ্মীৰূপে। দীপু বড়োৱে কয়, 'স্বেচ্ছসেৱী সংগঠনটোত যোগদান কৰাৰ পূৰ্বে দিহিৰা বনাঞ্চলৰ গছ-গছনি কাটি বিক্ৰী কৰাৰ লগতে ইয়াত থকা বন্যপ্ৰাণীও হত্যা কৰিছিলো; কিন্তু প্ৰকৃতিপ্ৰেমী বিজয় চৌধুৰীয়ে গছ-গছনি কাটি বিক্ৰী কৰাৰ লগতে ইয়াত থকা বন্যপ্ৰাণীও হত্যা কৰিছিলো; কিন্তু প্ৰকৃতিপ্ৰেমী বিজয় চৌধুৰীয়ে গছ-গছনি ধ্বংস কৰিলে যে আমাৰো ক্ষতি হ'ব সেই বিষয়ে বুজাই দিয়াত মই স্বেচ্ছাসেৱী সংগঠনত যোগদান কৰিছিলো। বিগত ১৪ বছৰে মই ইয়াত জড়িত আছো। গছ ৰোপণৰ পৰা ইয়াক প্ৰতিপালন কৰি সেউজ পৰিৱেশ গঢ় দিয়াত ব্ৰতী হৈ আহিছো।' দীপু বড়োৱে কয় যে অৱশ্যে পৰিয়ালৰ ভৰণ-পোষণ দিয়াত কিছু অসুবিধা হ'লেও সৎ পথত থাকি সুখ অনুভৱ কৰিছো। তেওঁ কয় যে বিটিচি পৰিষদে কিছু সাহায্য দিয়ে যদিও সেয়া পৰ্যাপ্ত নহয়। সেইদৰে অঞ্চলটোৰ মনোজ বড়ো, সুভাষ বড়ো, নিৰণ বড়ো, অতুল স্বৰ্গীয়াৰী, গোপেশ্বৰ ৰাভা, প্ৰকাশ বসুমতাৰীহঁতেও 'মানাহ চৌচি খংখৰ ইকো টুৰিজিম ছ'চাইটি'ত নিয়োজিত হৈ দিহিৰা বনাঞ্চলৰ একোগৰাকী অতন্দ্ৰ প্ৰহৰীৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। ঘাত-প্ৰতিঘাতৰ মাজেৰে এইসকলে সুৰক্ষা দি আহিছে দিহিৰা বনাঞ্চলৰ গছ-গছনিৰ লগতে বন্যপ্ৰাণী।

স্বেচ্ছাসেৱী সংগঠনটোৰ সম্পাদক হিমাংশু ৰামচিয়াৰীয়ে জানিব দিয়া মতে ২০০৬ৰ পূৰ্বে দিহিৰা বনাঞ্চলৰ এই অংশটো সম্পূৰ্ণৰূপে ধ্বংস হৈ গৈছিল। বন বিভাগ থকা সত্ত্বেও বনাঞ্চলখন বেদখল কৰি একাংশ লোকে বসতি কৰিব লৈছিল; কিন্তু স্বেচ্ছাসেৱী সংগঠনটোৱে ৰাইজৰ মাজত গছ-গছনি সুৰক্ষাৰ বাবে কেতবোৰ সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰি লগতে গছপুলি ৰোপণৰে বনাঞ্চলখনৰ পূৰ্বে পৰিৱেশ ঘূৰাই আনিবলৈ সক্ষম হয়। বৰ্তমান ২৬ গৰাকী লোকে সংগঠনটোৰ লগত জড়িত হৈ কাম কৰি আছে। বেছি সংখ্যক পূৰ্বৰ চোৰাং কাঠ আৰু চিকাৰীয়ে সংগঠনটোত যোগদান কৰি বনাঞ্চলখন ৰক্ষা কৰাৰ লগতে সুৰক্ষাৰ কামত নিয়োজিত হৈ আহিছে। পিছে এইসকল লোকৰ প্ৰতি গুৰুত্ব নাই ৰাজ্যৰ বন বিভাগৰ। বিটিচি পৰিষদৰ পৰা পোৱা নামমাত্ৰ অনুদানেৰে চলাই আহিছে পৰিয়াল। যদি চৰকাৰে কিছু ব্যৱস্থা ললেহেঁতেন অধিক সক্ৰিয়তাৰে কাম কৰিবলৈ সুবিধা পালোহেঁতেন। তথাপি বনৰ সুৰক্ষা আৰু সংবৰ্ধনৰ বাবে তেওঁলোকে দিনে নিশাই কাম কৰি আহিছে। অৱশ্যে অসৎ পথ এৰি সৎ পথলৈ অহা এইসকল লোকৰ প্ৰতি বিভাগীয় কৰ্তৃপক্ষই কিদৰে গুৰুত্ব প্ৰদান কৰিব সেয়াহে লক্ষ্যণীয় হ'ব।

# ক'ভিডজনিত পৰিস্থিতিয়ে পুনৰ সংকট নমালে শিলাঘাটৰ মৰাপাট কললৈ

## নিতৌ তিনি লক্ষাধিক টকা লোকচান ঃ মজুৰিক লৈ চৰম অনিশ্চয়তাৰ মাজত শ্ৰমিক

**বিশেষ সংবাদদাতা**


**নগাঁও, ৪ জুন ঃ** দেউলীয়া উদ্যোগ নীতিৰ বাবেই ৰাজ্যত ইটোৰ পাছত সিটোকৈ লাভজনক উদ্যোগৰ অপমৃত্যু ঘটিছে। কিন্তু ইয়াৰ মাজতো মৰো জীউকৈ কোনো মতে জীয়াই আছে নগাঁও জিলাৰ শিলাঘাটৰ মৰাপাট কলটো। কিন্তু অতিমাৰী কৰ'নাসৃষ্ট পৰিস্থিতিয়ে সমবায় খণ্ডত প্ৰতিষ্ঠিত অসমৰ একমাত্ৰ মৰাপাট কলটোলৈ চৰম সংকট নমাই আনিছে। যাৰ পৰিপ্ৰেক্ষিতত এসময়ত লাভজনক উদ্যোগৰূপে পৰিচিত। উদ্যোগটোৰ শ্ৰমিক-কৰ্মচাৰীৰ জীৱন-জীৱিকাৰ প্ৰতি চৰম ভাবুকি নমাই আনিছে। ক'ভিডৰ দ্বিতীয়টো লহৰৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰা এছ অ' পি অনুসৰি চলিত বৰ্ষৰ ১৩ মে'ৰ পৰা মৰাপাট কলটোৰ উৎপাদন প্ৰক্ৰিয়া বন্ধ হৈ আছে। ফলত প্ৰায় এহেজাৰৰো বিষয়া-কৰ্মচাৰী আৰু শ্ৰমিকৰ জীৱন-জীৱিকালৈ নামি আহিছে তীব্ৰ প্ৰত্যাহ্বান। মূলতঃ এই বন্ধৰ সময়ছোৱাত কৰ্মচাৰী-শ্ৰমিকে কোনো ধৰণৰ মজুৰি নাপাব। যাৰ বাবে এতিয়া তেওঁলোকৰ মাজত সৃষ্টি হৈছে হাঁহাকাৰ অৱস্থাৰ। বহু শ্ৰমিকে এতিয়া জীৱিকাৰ বাবে বিকল্প পথ বাছি ল'বলগীয়া হৈছে। উল্লেখ্য যে শিলঘাট মৰাপাট কলে 'আন্তৰ্জাতিক মানদণ্ড সংস্থা'ৰ স্বীকৃতি লাভ কৰিছিল। কিন্তু যোৱা ১৩ মে'ৰ পৰা আজিলৈকে কলটো বন্ধ হৈ থকাত নিতৌ তিনি লক্ষাধিক টকাৰ লোকচান হৈছে। এই সময়ছোৱাত তিনিটা দেওবাৰ বাদ দি ২০ টা কৰ্মদিনত প্ৰায় ৬০ লাখ টকা লোকচানৰ সন্মুখীন হৈছে মৰাপাট কলটোৱে। এনেদৰে বৃহৎ পৰিমাণৰ ধন লোকচান হোৱাত মৰাপাট কলটোৱে এইবাৰো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো নিশ্চিত। উল্লেখ্য যে ক'ভিডৰ প্ৰথমটো লহৰৰ সময়ত মৰাপাট কলটো ৪৩ দিন ধৰি বন্ধ হৈ আছিল। সেই সময়তো বৃহৎ লোকচানৰ সন্মুখীন হৈছিল কলটো। ইফালে, মৰাপাট কলটোৰ পৰিচালন সঞ্চালক গুণমনি গগৈয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে প্ৰতিমাহে কলটোত দৰমহাৰ বাবদ এক কোটি ৩০ লাখ টকা ব্যয়কে ধৰি প্ৰতিমাহে যাৱতীয় খৰচত ব্যয় হয় প্ৰায় পাঁচ কোটি। ক'ভিডজনিত পৰিস্থিতি আৰু মৰাপাটৰ মূল্যবৃদ্ধিয়ে মৰাপাট কল কৰ্তৃপক্ষক চিন্তিত কৰি তুলিছে। বৰ্তমান প্ৰতি কেজি মৰাপাটৰ মূল্য ৯০ টকাৰ অধিক হৈছে। অথচ পূৰ্বতেও ইয়াৰ মূল্য আছিল ৫৫-৬০ টকা। উল্লেখ্য যে ১৯৭০ত কলিয়াবৰৰ শিলঘাটতে দেশৰ ভিতৰত প্ৰথম সমবায় ভিত্তিত স্থাপন কৰা হৈছিল অসম মৰাপাট কলটো। কলিয়াবৰৰ তদানীন্তন বিধায়ক প্ৰয়াত লীলকান্ত বৰাৰ আপ্ৰাণ প্ৰচেষ্টাত স্থাপন হোৱা মৰাপাট কলটোৰ ১৯৬৭ৰ ১৪ আগষ্টত আধাৰশিলা স্থাপন কৰা হয়। আনহাতে, ১৯৭০ৰ এক জানুৱাৰীত তদানীন্তন অসমৰ বিত্ত মন্ত্ৰী ফকৰুদ্দিন আলী আহমেদে ইয়াৰ উদ্বোধন কৰিছিল। ১৫০ খন তাঁতশাল আৰু নশ কৰ্মচাৰী-শ্ৰমিকৰে আৰম্ভ কৰা সমবায় কলটোত আৰ্থিক সংকটে দেখা দিয়া ১৯৮৪ৰ ছয় মাৰ্চত শিলঘাটৰ মৰাপাট কলটো বন্ধ হৈ পৰে। অৱশ্যে পৰৱৰ্তী সময়ত ১৯৮৫ৰ ঐতিহাসিক অসম চুক্তিৰ আধাৰত ১৯৮৬ৰ এক জানুৱাৰীত কলটোৰ উৎপাদন প্ৰক্ৰিয়া পুনৰ আৰম্ভ হয়। পৰৱৰ্তী সময়ত আশাতীতভাৱে লাভৰ মুখ দেখা কলটোৱে চৰকাৰৰ সাহায্য অবিহনে ২০১৯লৈকে সুন্দৰভাৱে চলি আছিল। ২০২০ৰ মাৰ্চ মাহৰ মাজভাগৰ পৰা কলটোৱে কিছু সমস্যাৰ সন্মুখীন হয়। কিন্তু সেই বৰ্ষৰে নৱেম্বৰ-ডিচেম্বৰত মৰাপাট কলটো বন্ধ হৈ পৰাত তদানীন্তন বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী কেশৱ মহন্তৰ প্ৰচেষ্টাত চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা পুনৰ উৎপাদন আৰম্ভ হয় যদিও এতিয়া ক'ভিড পৰিস্থিতিৰ বাবে প্ৰত্যাহ্বান সন্মুখীন হৈছে। আনহাতে, মৰাপাটৰ যোগনিয়াৰ সকলকো বৃহৎ পৰিমাণত ধন আদায় দিবলগীয়া আছে যাৰ বাবে আৰম্ভ হ'লেও মৰাপাট যোগানক লৈ আহুকালৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিছে।




# ভেলৌগুৰিত ড্ৰাগছসহ ধৃত তিনি

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৪ জুন ঃ** মৰিগাঁও জিলাৰ ভেলৌগুৰি থানাৰ আৰক্ষীয়ে ব্যাপক অভিযান চলাই হাঁহচৰা গাঁৱৰ জাকিৰ হুছেইনৰ ঘৰৰ পৰা ৫০ টা কণ্টেইনাৰসহ তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি অঞ্চলটোত মাৰাত্মক ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই অহা এই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী জাকিৰ হুছেইনে নগালেণ্ডৰ ডিমাপুৰৰ পৰা ড্ৰাগছ আনি হাঁহচৰা গাঁৱত থকা নিজৰ ঘৰৰ পৰাই বেপাৰ চলাই আছিল। আজি নৱনিযুক্ত ভাৰপ্ৰাপ্ত বিষয়াই অভিযান চলাই জাকিৰ হুছেইনৰ ঘৰৰ পৰা এই বৃহৎ পৰিমাণৰ ড্ৰাগছ সামগ্ৰীৰ লগতে এটা ম'বাইল ফোন, নগদ ৫,৪৬০ টকা আৰু ৪৩ খন ম'বাইল ছিম জব্দ কৰে। ড্ৰাগছ বেপাৰী জাকিৰ হুছেইন, বিমলা খাতুন আৰু আজিজুল হকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে।



# ভৱানীপুৰত নিচাজাতীয়

*তিনি পৃষ্ঠাৰ পৰা* সংক্ৰান্তত আটক কৰে। কিন্তু এই অবৈধ ব্যৱসায়ত জড়িত মূল ব্যক্তি ইন্দ্ৰ ঘোষ নামৰ ব্যক্তিজন পলাই যাবলৈ সক্ষম হয়। ইফালে আৰক্ষী অধীক্ষকজনে এইদৰে অভিযান চলাই নিচা জাতীয় সামগ্ৰীসহ তিনিজন লোকক আটক কৰাৰ বাবে ৰাজাখাটৰ স্থানীয় লোকসকলে সন্তুষ্টি প্ৰকাশ কৰিছে।

# মোৰাঝাৰত বন্দুকসহ

*তিনি পৃষ্ঠাৰ পৰা* লিখিত অভিযোগ দিয়ে। মহিলাগৰাকীয়ে অভিযোগ কৰা মতে, যিখন গামোচাৰে মাৰণাস্ত্ৰটো বান্ধি ৰখা হৈছিল সেই গামোচাখন বৰকত উল্লাহৰ। গামোচাখন আৰক্ষীয়ে জব্দ কৰা নাই বুলিও তেওঁ অভিযোগ কৰে। ফলত সমগ্ৰ ঘটনাটো এতিয়া ৰহস্যৰ মাজত সোমাই পৰিছে। আৰক্ষীৰ তদন্ততে ওলাই পৰিব প্ৰকৃত সত্য।

## প্ৰশাসনক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আহ্বান

# সলপাম বদিয়াসিঁচাত মন্দিৰৰ ভূমি বেদখল দুই ভ্ৰাতৃৰ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৪ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সলপাম গাঁৱত মন্দিৰৰ ভূমি বেদখলক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নৱগঠিত বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে সত্ৰ আৰু মন্দিৰৰ ভূমি বেদখল কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্টভাৱে ঘোষণা কৰাৰ পাছতো সলপাম বদিয়াসিঁচা গাঁৱত দুই ভ্ৰাতৃয়ে মন্দিৰৰ ভূমি বেদখল কৰাত সাধাৰণতে ক্ষোভিত হৈ পৰিছে গাঁওখনৰ সাধাৰণ ৰাইজ। তথ্য অনুসৰি ১৪/২০২০ গোচৰৰ ভিত্তিত ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ প্ৰত্যায়িত প্ৰতিলিপি মৰ্মে লোক্ৰাই মৌজাৰ সলপাম গাঁৱৰ ৩১০ নম্বৰ দাগৰ এক বিঘা সাত লেচা জমি হৰি মন্দিৰ পৰিচালনা সমিতিক স্থানীয় গাঁওবুঢ়া আৰু ৰাইজৰ উপস্থিতিত ২০২০ৰ ১৩ আগষ্টত সৰ্বসন্মতভাৱে চমজাই দিয়া হয়। কিন্তু শেহতীয়াভাৱে উক্ত জমিত মন্দিৰ চৌহদৰ বেৰ নিৰ্মাণত পুনৰ বাধা প্ৰদান কৰে মন্দিৰ চৌহদৰ দক্ষিণ দিশত থকা ধীৰেন নাথ আৰু ধৰণীধৰ নাথ ভ্ৰাতৃদ্বয়ে। এই ঘটনাক লৈ জাঙুৰ খাই উঠিছে সলপাম বদিয়াসিঁচাৰ সাধাৰণ ৰাইজ। মন্দিৰৰ নিজা ভূমিত দুই ভ্ৰাতৃয়ে এনেদৰে কৰা বেদখলক ধিক্কাৰ দি ইয়াৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ তথা দৰং জিলা প্ৰশাসনক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ গাঁৱৰ সচেতন নাগৰিকসকলে আহ্বান জনাইছে। এই সন্দৰ্ভত গাঁৱৰ ৰাইজে ইতিমধ্যে ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াক পুনৰ অভিযোগ দাখিল কৰা বুলিও জানিব দিছে।

# বিটিআৰত সুকীয়াকৈ টে'ট অনুষ্ঠিত নহয়

*তিনি পৃষ্ঠাৰ পৰা* বিটিআৰৰ উগ্ৰপন্থী সমস্যা নিৰ্মূল কৰাৰ স্বাৰ্থত নতুনকৈ জন্মলাভ কৰা এনএলএফবি উগ্ৰপন্থী সংগঠনক আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায় বড়োৱে। তেওঁ টে'ট প্ৰসংগত কয়, 'বিটিআৰত অসমীয়া আৰু বড়ো মাধ্যমত টে'ট পৰীক্ষা পতাৰ চিন্তা-চৰ্চা চলি আছে। খালী পদ অনুযায়ী শিক্ষক নিযুক্তি দিয়া হ'ব। অনুসূচিত জাতি বা অনুসুচিত জনজাতি বুলি বিটিআৰত কোনো সুকীয়াকৈ টে'ট অনুষ্ঠিত নহয়। একেদৰে বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য বসুমতাৰীয়ে কয়, 'বিটিআৰত আমাৰ চৰকাৰ নতুন। আমি এতিয়াও ডলাত শুৱাই থোৱা কেঁচুৱাৰ দৰে হৈ আছো। কৰিবলৈ বহু কাম বাকী আছে। আমি কৰিম। বিটিআৰত চোৰাং চিকাৰীৰ কাৰ্যকলাপ বন্ধ হৈছে। মানাহৰ ভিতৰৰ পৰা শিল-বালি কঢ়িওৱা, গছ কটা এইবোৰ বন্ধ হৈছে। মানাহত বেদখল আজিৰ নহয়। বহু বছৰ ধৰি হৈ আছে। সেয়া সমাধান কৰিবলৈ ৰাইজ সজাগ হ'ব লাগিব। ৰাইজ সজাগ নহ'লে সেয়া এজন বা দুজনে সমাধান কৰিব নোৱাৰি। আমাৰ বিশ্বাস আছে ৰাইজৰ সহযোগত আমি সমস্যাবোৰ সমাধান কৰিব পাৰিম। এনএলএফবিসকল দুদিন পাছত নিশ্চয় শান্তি আৰু উন্নতিৰ স্বাৰ্থত চৰকাৰৰ স'তে আলোচনাত বহিবলৈ আহিব। এনডিএফবিৰ ৩৪ বছৰীয়া বাস্তৱ অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে বন্দুকেৰে নোৱাৰা কাম কলমেৰে কৰিব পাৰি। উগ্ৰপন্থী বাথা জংঘলৰ পৰা ওলাই আহি আলোচনাত বহিলে বিটিআৰৰ ৰাইজৰ কাম কৰিবলৈ আমি যথেষ্ট সুবিদা দিম।'

# ডিব্ৰুগড়ত ৫০ লক্ষাধিক টকাৰ ব্ৰাউন


*তিনি পৃষ্ঠাৰ পৰা* পৰিচিত ডিব্ৰুগড়ৰ কালীবাৰীত জিলা আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, উপ-আৰক্ষী অধীক্ষক এ জে বৰুৱা, সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ শইকীয়া, টি এছ আই অৰ্জুন সিংসহ সমীপৱৰ্তী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগতে আৰক্ষী আৰু চি আৰ পি এফৰ বিশাল বাহিনীয়ে অভিযান চলায়। অভিযান কালত ছয়শ গ্ৰাম নিষিদ্ধ ব্ৰাউন ছুগাৰ জব্দ কৰাৰ লগতে নগদ ৬২ হেজাৰ টকাৰ লগতে কে'বা লাখ টকাৰ সোণৰ গহনা পাতি জব্দ কৰে। এসময়ৰ ড্ৰাগছ মাফিয়া ইলাহী শ্বেখৰ ঘনিষ্ঠৰূপে পৰিচিত আব্দুল কৰিম ওৰফে বাবুসহ চাৰিগৰাকী মহিলাক অভিযানকালত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জব্দ কৰা ব্ৰাউন ছুগাৰখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰমূল্য প্ৰায় ৫০ লাখ টকা হ'ব। উল্লেখ্য যে এটা সময়ত এই ক'লা সাম্ৰাজ্যৰ একমাত্ৰ নায়কৰূপে পৰিচিত ইলাহী শ্বেখ বহুবাৰ কাৰাবন্দী হৈ পুনৰ মুকলি আকাশৰ তললৈ অহাটো স্বাভাৱিক ঘটনাৰ দৰে আছিল। কিন্তু আজি কিছু বছৰৰ পৰা ডিব্ৰুগড়ত ইলাহী শ্বেখৰ ড্ৰাগছৰ বজাৰ আধিপত্য কমি অহাৰ বিপৰীতে ড্ৰাগছৰ বেহাত নতুন নতুন মুখ দেখা পোৱাৰ লগতে কালীবাৰীসহ সমগ্ৰ জিলাখনতে ড্ৰাগছ চুকে-কোণে উপলব্ধি হ'বলৈ ধৰিছে। বিগত কেইদিনত আৰক্ষীয়ে ধাৰাবাহিক অভিযান চলাই বহু পৰিমাণে ড্ৰাগছ আৰু ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰিছে যদিও চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নগালেণ্ডলৈও ড্ৰাগছ সৰবৰাহ হৈ আহিছে।



## মহাৰাষ্ট্ৰত কৰ'নাত মৃতকৰ সংখ্যা এক লক্ষাধিক হ'ল

**নিউজ ব্যুৰ', মুম্বাই, ৪ জুন ঃ** কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌত দেশৰ ভিতৰতে সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মহাৰাষ্ট্ৰত এই ভাইৰাছত মৃত্যু হোৱা লোকৰ সংখ্যাই এক লাখৰ সীমা অতিক্ৰম কৰিলে। উল্লেখ্য যে দেশত সৰ্বমুঠ যিমানসংখ্যক লোকৰ ক'ভিডত মৃত্যু হ'ল, ইয়াৰ ৩০ শতাংশ মৃতকে হৈছে মহাৰাষ্ট্ৰৰ। কালি ৰাজ্যখনত কৰ'নাত আক্ৰান্ত হৈ পুনৰ ৬৫০ জন লোকৰ মৃত্যু হৈছিল। ফলত দেশখনত মুঠ মৃতকৰ সংখ্যা চৰকাৰী তথ্য অনুসৰি ১,০০,২৩৩ জনলৈ বৃদ্ধি পালে। মৃতকৰ অৰ্ধেকাংশৰ মৃত্যু হ'ল ১৫ ফেব্ৰুৱাৰীৰ পাছত। অৰ্থাৎ মাত্ৰ তিনিমাহতে মহাৰাষ্ট্ৰত ৫০ হেজাৰৰো অধিক লোকে ক'ভিডত প্ৰাণ হেৰুৱালে।

## কৰ'না কালত বেতন লোৱা নাই আম্বানীয়ে, কিন্তু কিয় ?



নিউজ ব্যুৰ', মুম্বাই, ৪ জুন ঃ বিগত আৰ্থিক বৰ্ষত এবাৰো বেতন গ্ৰহণ নকৰিলে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে। বেতনৰ সমগ্ৰ ধনৰাশি আম্বানীয়ে কৰ'নাৰ যুঁজলৈ দান হিচাপে আগবঢ়াইছে। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ ২০১৯-২০ বিত্তীয় বৰ্ষত আম্বানীয়ে কিয় ১৫ কোটি টকাৰ বেতনৰাশি সম্পূৰ্ণৰূপে গ্ৰহণ কৰিছিল। বিগত ১২ বছৰ ধৰি আম্বানীয়ে এই পৰিমাণৰ বেতন গ্ৰহণ কৰি আহিছে। ২০০৯ৰ পৰা আম্বানীৰ বেতনৰ নিৰিখ হ্ৰাস-বৃদ্ধি হোৱা নাই। ৰিলায়েন্সৰ বাৰ্ষিক প্ৰতিবেদনত উল্লেখ কৰা মতে, ১২ বছৰ ধৰি বেতনৰ পৰিমাণ অপৰিৱৰ্তিত ৰাখি এক নজিৰ গঢ়িব বিচাৰিছে এছিয়াৰ ধনাঢ্য ব্যক্তিজনে। কৰ'না কালত আম্বানীয়ে তেওঁৰ বেতন সম্পূৰ্ণৰূপে স্বেচ্ছাই দান হিচাপে আগবঢ়াইছে। এইদৰে বেতন দান কৰাৰ পাছতো বিগত এসপ্তাহত আম্বানীৰ সম্পত্তিৰ পৰিমাণ ৫২,৬২১ কোটি টকা বৃদ্ধি পালে। বৰ্তমানে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত ১২ সংখ্যক স্থানত আছে আম্বানী।

## টেছ্‌লাৰ বৈদ্যুতিক গাড়ীত খুঁত ঃ আমেৰিকা, চীনত মডেল-৩ গাড়ীত একাধিক বিসংগতি পৰিল ধৰা

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৪ জুন ঃ** বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি এলন মাস্কৰ মালিকানাধীন বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাই উৎপাদন কৰা মডেল-৩ গাড়ীৰ ৭০০ ইউনিট গ্ৰাহকৰ পৰা ওভতাই লোৱাৰ সিদ্ধান্ত ল'লে। এইসমূহ মডেল-৩ গাড়ীত ছিটবেল্ট আৰু টায়াৰৰ সমস্যাই দেখা দিছে। বিগত কেইমাহমানত কোম্পানীটোৱে এই মডেলৰ গাড়ী চীন আৰু আমেৰিকাত বিক্ৰী কৰিছিল। বৈদ্যুতিক গাড়ীৰ প্ৰায় পাঁচ হেজাৰখনত এই সমস্যা দেখা দিয়াত কোম্পানীটোৱে মেৰামতিৰ বাবে গাড়ীকেইখন ওভতাই ল'বলৈ সিদ্ধান্ত লয়। এই গাড়ীকেইখনৰ একাংশ মডেল ২০১৮-২০ৰ সময়ছোৱাত নিৰ্মাণ কৰা হৈছিল। আমেৰিকাত টেছলাৰ বৈদ্যুতিক গাড়ীৰ যথেষ্ট চাহিদা আছে। বিশ্বখ্যাত টেছলাই ইতিমধ্যে ভাৰতৰ বাংগালুৰুত কাৰ্যালয় মুকলি কৰিছে আৰু চলিত বৰ্ষৰ ডিচেম্বৰত টেছলাৰ মডেল-৩ গাড়ী ভাৰতত বিক্ৰীৰ সম্ভাৱনা আছে। মডেল-৩ গাড়ীৰ ন্যূনতম মূল্য হৈছে ৬০ লাখ টকা।




## মেহুলৰ প্ৰত্যৰ্পণ এতিয়াই নহয়, ড'মিনিকাৰ পৰা খালি হাতে উভতিল চি বি আই



**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জুন ঃ** ভাৰতীয় মূলৰ হীৰাৰ কুখ্যাত ব্যৱসায়ী মেহুল চক্‌ছিক স্বদেশলৈ ওভতাই আনিবলৈ চি বি আইৰ যি দল ড'মিনিকালৈ ৰাওনা হৈছিল, সেই দলটোৱে অৱশেষত কেৰিবিয়ান দ্বীপপুঞ্জৰ পৰা খালি হাতে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিব লগা হ'ল। মেহুলক ভাৰতলৈ প্ৰত্যৰ্পণৰ দাবীৰে চি বি আইৰ আঠজনীয়া সদস্যৰ এটা দল যোৱা ২৮ মে'ত ড'মিনিকাত উপস্থিত হৈছিল। এই দলটোত চি বি আইৰ দুজন বিষয়া আছিল। কিন্তু শেষ পৰ্যন্ত মেহুলক স্বদেশলৈ উভতাই আনিবলৈ সফল নহ'ল দলটোৱে। কালি মেহুলৰ গ্ৰেপ্তাৰৰ গোচৰৰ শুনানিত ড'মিনিকাৰ উচ্চ ন্যায়ালয়ে অহা এক জুলাইলৈকে শুনানি স্থগিত ৰখাৰ সিদ্ধান্ত লোৱাৰ পাছতে চি বি আইৰ দলটোৱে খালি হাতেৰে ভাৰতলৈ উভতি আহিবলৈ বাধ্য হয়। উল্লেখ্য যে পঞ্জাৱ নেচনেল বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈ পৰিশোধ নকৰাকৈ মেহুলে গোপনে এণ্টিগুৱালৈ পলায়ন কৰিছিল আৰু ইয়াৰ পাছত কিছুদিন পূৰ্বে এণ্টিগুৱাৰ পৰা কিউবালৈ পলাই যোৱাৰ সময়ত ড'মিনিকাৰ নিৰাপত্তা বাহিনীৰ হাতত ধৰা পৰিছিল।

### পৰিস্থিতিৰ সুযোগ লৈ আফগানিস্তানত নিজৰ দখলদাৰী বৃদ্ধি কৰিবলৈ অভিসন্ধি চীন-পাকিস্তানৰ

## মাৰ্কিন সৈনিকৰ অনুপস্থিতিত আফগানিস্তানত তৎপৰ চীন

**নিউজ ব্যুৰ' বেইজিং, ৪ জুন ঃ** পাকিস্তানৰ সহযোগত চীনে আফগানিস্তানত দখল বৃদ্ধি কৰাৰ অভিসন্ধি ৰচিছে। আমেৰিকাৰ সেনাই আফগানিস্তান ত্যাগ কৰাৰ সুযোগ গ্ৰহণ কৰিবলৈ তৎপৰ হৈ উঠা চীনে এইবাৰ এই ক্ষেত্ৰত বন্ধুৰাষ্ট্ৰ পাকিস্তানৰ সহযোগিতা বিচাৰিছে। মূলত পাকিস্তানৰ সহায়ত চীনে আফগানিস্তানৰ স'তে প্ৰতিৰক্ষা আৰু আৰ্থিক সহযোগিতা বৃদ্ধিৰ পৰিকল্পনা যুগুত কৰিছে। আন্তৰ্জাতিক সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, যোৱা বৃহস্পতিবাৰে চীন, আফগানিস্তান



আৰু পাকিস্তানৰ বৈদেশিক মন্ত্ৰীয়ে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে এখন বৈঠকত অংশ লৈছিল। এই বৈঠকত তিনি ৰাষ্ট্ৰই আফগানিস্তানৰ পৰা বিদেশী সৈনিক প্ৰত্যাহাৰৰ বিষয়টো আলোচনা কৰিছিল। আফগানিস্তানৰ শান্তি বিঘ্নিত নকৰাকৈ আৰু সন্ত্ৰাসবাদীয়ে যাতে দেশখনত পুনৰ মূৰ দাঙি উঠিব নোৱাৰে তাক নিশ্চিত কৰি দেশখনৰ পৰা বিদেশী সৈন্য প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা উচিত বুলি বৈঠকত আফগানিস্তানৰ লগতে চীন আৰু পাকিস্তানে সহমত প্ৰকাশ কৰিছিল। কূটনৈতিক মহলৰ শংকা অনুসৰি, চীনে আফগানিস্তানৰ পৰা আমেৰিকাই সেনা প্ৰত্যাহাৰ কৰাৰ পৰিস্থিতিৰ সুযোগ লৈ দেশখনত নিজৰ দখলদাৰী বৃদ্ধি কৰিবলৈ অভিসন্ধি ৰচিছে। এই ক্ষেত্ৰত চীনক পাকিস্তানে প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে আফগানিস্তানৰ পৰা মাৰ্কিন সেনা প্ৰত্যাহাৰ কৰাৰ কথা পূৰ্বে ঘোষণা কৰিছিল। এই ঘোষণা অনুসৰি, ইতিমধ্যে আমেৰিকাই দেশখনৰ পৰা মাৰ্কিন সেনা প্ৰত্যাহাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কিন্তু আফগানিস্তানৰ পৰা মাৰ্কিন সেনা আঁতৰি গ'লে দেশখনত পুনৰ তালিবানসহ একাধিক সন্ত্ৰাসবাদী সংগঠনে পুনৰ সংগঠিত ৰূপত নতুন আতংকৰ সৃষ্টি কৰাৰ যথেষ্ট শংকা আছে। এনে এক পৰিস্থিতিৰে সুযোগ ল'বলৈ সম্প্ৰতি পাকিস্তান আৰু চীন যৌথভাৱে তৎপৰ হৈছে।

## জিন্‌ছ-টি ছাৰ্টৰ পৰিৱৰ্তে কেৱল 'ফৰ্মেল' পোছাক পিন্ধিব চি বি আয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জুন ঃ** এতিয়াৰে পৰা কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চি বি আই)ৰ বিষয়া অথবা কৰ্মচাৰীয়ে জিন্‌ছ, টি ছাৰ্ট আৰু স্পৰ্টছ জোতা পৰিধান কৰিব নোৱাৰিব। কৰ্তব্যৰত অৱস্থাত চি বি আইৰ বিষয়া-কৰ্মীয়ে নিৰ্দিষ্ট পোছাক বিধি মানি চলিব লাগিব। চি বি আইৰ নতুন সঞ্চালক সুবোধ কুমাৰ জয়ছোৱালে দায়িত্ব গ্ৰহণৰ পাছত কৰ্তব্যৰত অৱস্থাত তদন্তকাৰী সংস্থাৰ বিষয়া-কৰ্মীৰ বাবে পোছাক বিধি নিৰ্দিষ্ট কৰি দিলে। জয়ছোৱালে নিৰ্দেশ দি কয় যে সংস্থাটোৰ প্ৰতিজন বিষয়া-কৰ্মচাৰীয়ে কৰ্মৰত অৱস্থাত কেৱল 'ফৰ্মেল' পোছাকহে পিন্ধিব পাৰিব। কাৰ্যালয়ৰ লগতে কৰ্তব্যৰত অৱস্থাত কোনো বিষয়া-কৰ্মীয়ে জিন্‌ছ, টি ছাৰ্ট আৰু স্পৰ্টছ জোতা পিন্ধিব নোৱাৰিব। পুৰুষ বিষয়া-কৰ্মীয়ে ফৰ্মেল ছাৰ্ট, পেণ্ট আৰু জোতা পিন্ধিব লাগিব। আনহাতে, মহিলা কৰ্মী-বিষয়াই শাড়ী, চুৰিডাৰ-কামিজ অথবা আন ফৰ্মেল পোছাক পিন্ধিব লাগিব। উল্লেখ্য যে যোৱা বুধবাৰে জয়ছোৱালে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৰ ৩৩ সংখ্যক সঞ্চালক হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।



## আমেৰিকাত ৫২ শতাংশ নাগৰিকৰ টিকাকৰণ সম্পন্ন

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৪ জুন ঃ** ক'ভিড-১৯ প্ৰতিৰোধৰ যুঁজত আমেৰিকাই দেশখনৰ ৫২ শতাংশ বয়োজ্যেষ্ঠ নাগৰিকৰ টিকাকৰণ সম্পন্ন কৰিলে। দেশখনৰ ৬৩ শতাংশ জ্যেষ্ঠ লোকে ইতিমধ্যে প্ৰতিষেধকৰ প্ৰথমটো পালি লাভ কৰিছে। ১২খন ৰাজ্যত কমেও এপালি প্ৰতিষেধক লাভ কৰা লোকৰ সংখ্যা ৭০ শতাংশ হ'ব। ইফালে, ২৮ খন ৰাজ্য আৰু কলম্বিয়া জিলাত জনসংখ্যাৰ ৫০ শতাংশৰো অধিকে ক'ভিড প্ৰতিষেধক লাভ কৰিলে। আমেৰিকাত ব্যাপক টিকাকৰণৰ লগে লগে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ঘটনাও ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে।

## ১৫ জুলাইৰ পৰা দিল্লী বিশ্ববিদ্যালয়ত আৰম্ভ হ'ব পাৰে নামভৰ্তি প্ৰক্ৰিয়া

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জুন ঃ অহা ১৫ জুলাইৰ পৰা দিল্লী বিশ্ববিদ্যালয়ত নতুন শিক্ষাবৰ্ষৰ বাবে নামভৰ্তি আৰম্ভ হ'ব পাৰে। বিশ্ববিদ্যালয়খনৰ কাৰ্যবাহী উপাচাৰ্য পি চি যোশীয়ে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা মতে, দ্বাদশ শ্ৰেণীৰ ব'ৰ্ডৰ পৰীক্ষা বাতিল হোৱাৰ ফলত দিল্লী বিশ্ববিদ্যালয়ে স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পঞ্জীয়ন প্ৰক্ৰিয়া ১৫ জুলাইৰ আশে-পাশে আৰম্ভ কৰিব। উপাচাৰ্যজনে লগতে কয় যে নামভৰ্তি প্ৰক্ৰিয়াৰ সময়ত সকলো ব'ৰ্ডৰ অধীনস্থ ছাত্ৰ-ছাত্ৰীয়ে সমান সুযোগ লাভ কৰিব। বিশ্ববিদ্যালয়ৰ স্নাতক নামভৰ্তিৰ প্ৰক্ৰিয়া দ্বাদশ শ্ৰেণীৰ ব'ৰ্ডৰ পৰীক্ষাৰ ফলাফলৰ আধাৰত সম্পন্ন কৰা হয়। এনে পৰিস্থিতিত কোনো ব'ৰ্ডৰ পৰীক্ষাৰ ফলাফল ঘোষণাত পলম হ'লে দিল্লী বিশ্ববিদ্যালয়ে নামভৰ্তিৰ প্ৰক্ৰিয়া কিছুদিনৰ বাবে বৃদ্ধি কৰিব বুলিও উপাচাৰ্যজনে জানিবলৈ দিয়ে।**






## জামিনত মুক্তি লাভ কৰিয়ে প্ৰধানমন্ত্ৰীক হত্যাৰ ভাবুকি দিয়া ব্যক্তিক গ্ৰেপ্তাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৪ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হত্যাৰ ভাবুকি দিয়াৰ অভিযোগত দিল্লীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে ছলমান নামৰ এজন যুৱকক। অভিযুক্তই খাজুৰি খাজ থানালৈ ফোন কৰি এইদৰে প্ৰধানমন্ত্ৰীক হত্যাৰ ভাবুকি দিছিল। উক্ত ফোনকলৰ উৎসৰ সন্ধান উলিয়াই দিল্লী আৰক্ষীয়ে ছলমানক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জানিব পৰা মতে, ছলমান হৈছে এজন জামিনত মুক্ত অভিযুক্ত আৰু তেওঁৰ বিৰুদ্ধে একাধিক গোচৰ আছে। আৰক্ষীৰ অনুসন্ধানত ছলমানে প্ৰকাশ কৰা মতে, তেওঁ কাৰাগাৰলৈ পুনৰ উভতি যাব বিচাৰে আৰু সেয়েহে এইদৰে ফোন কৰি প্ৰধানমন্ত্ৰীক হত্যাৰ ভুৱা ভাবুকি দিছিল। উল্লেখ্য যে ২০২০ বৰ্ষতো আন এজন ব্যক্তিয়ে নয়ডাৰ পৰা প্ৰধানমন্ত্ৰীক হত্যাৰ ভাবুকিৰে আৰক্ষীলৈ ফোন কৰিছিল।

## ভয়াৱহ খাদ্য সংকটত উত্তৰ কোৰিয়া, ক্ষুধাত মৃত্যু হ'ব পাৰে লক্ষাধিকৰ

**নিউজ ব্যুৰ', পিয়ংইয়ং, ৪ জুন ঃ** কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ সময়তে উত্তৰ কোৰিয়াত ভয়াৱহ খাদ্য সংকটে দেখা দিছে। প্ৰকাশিত বাতৰি অনুসৰি কীম জং উন শাসিত কমিউনিষ্ট দেশখনত সম্প্ৰতি ১.২ মেট্ৰিকটন খাদ্য শস্যৰ অভাৱ ঘটিছে। পূৰ্বৰে পৰা পৰিপুষ্টিহীনতা আৰু অন্যান্য ৰোগৰ স'তে সংগ্ৰাম কৰি অহা উত্তৰ কোৰিয়াবাসীৰ সন্মুখত এতিয়া খাদ্য সংকটে ভয়াৱহ ৰূপ লৈছে। এই খাদ্য সংকটৰ সমস্যা সমাধান কৰাটো দেশখনৰ স্বেচ্ছাচাৰী শাসকজনৰ বাবে সহজ নহ'ব। দক্ষিণ কোৰিয়াৰ থিংক টেংক কোৰিয়া ডেভেলপমেণ্ট ইনষ্টিটিউটে উত্তৰ কোৰিয়াৰ খাদ্য সংকটৰ সন্দৰ্ভত এই চাঞ্চল্যকৰ তথ্য ৰাজহুৱা কৰিছে। 'দ্য টেলিগ্ৰাফ'ৰ এক বাতৰি অনুসৰি, উত্তৰ



কোৰিয়াত সম্প্ৰতি এক বৃহৎসংখ্যক জনসংখ্যাই দুবেলা দুমুঠি খাদ্য লাভ কৰিবলৈ অসমৰ্থ হৈছে। এই প্ৰতিবেদনতে শংকা প্ৰকাশ কৰা মতে, দেশখনত খাদ্য শস্যৰ এই সংকট দীৰ্ঘদিন অব্যাহত থাকিলে উত্তৰ কোৰিয়াত ক্ষুধাত লক্ষাধিক লোকৰ মৃত্যু হ'ব পাৰে। খাদ্য দ্ৰব্যৰ অত্যধিক মূল্যবৃদ্ধিত অতিষ্ঠ উত্তৰ কোৰিয়াবাসীয়ে খাদ্য ক্ৰয়ৰ বাবে ঘৰৰ বিভিন্ন সা-সম্পত্তিও বিক্ৰী কৰিবলৈ বাধ্য হৈছে। প্ৰতিবেদনৰ তথ্য অনুসৰি, উত্তৰ কোৰিয়াত যোৱা বছৰত চাৰি নিযুত টন খাদ্য শস্যৰ উৎপাদন হৈছিল, কিন্তু দেশখনৰ জনসংখ্যাৰ বাবে কমেও ৫.২ নিযুতটন খাদ্য শস্যৰ প্ৰয়োজন। উত্তৰ কোৰিয়াৰ ২৬ নিযুত জনসংখ্যাৰ বাবে ১.২ নিযুত টন খাদ্য শস্যৰ অভাৱ ঘটিছে। যোৱা বছৰত দেশখনৰ বৃহৎ কৃষিখণ্ড বান আৰু ধুমুহাৰ দৰে প্ৰাকৃতিক দুৰ্যোগত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল আৰু ইয়াৰে পৰিণতিত এতিয়া উত্তৰ কোৰিয়াবাসীয়ে খাদ্যৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে।

### হংকঙত পুনৰ গণতন্ত্ৰকামী নেত্ৰীক গ্ৰেপ্তাৰ চীনৰ

**নিউজ ব্যুৰ', হংকং, ৪ জুন ঃ পুনৰ গণতন্ত্ৰৰ কণ্ঠৰোধৰ অপচেষ্টা চলিল হংকঙত। আজি হংকঙত টিয়েন আনমেন দিৱস আছিল আৰু এই দিৱসত চীনৰ দমন নীতিৰ বিৰুদ্ধে প্ৰতিবাদত আৰু নিহত গণতন্ত্ৰকামীৰ স্মৰণত মমবাতি জ্বলাই প্ৰাৰ্থনাৰ আয়োজন কৰিছিল গণতান্ত্ৰিক নেত্ৰী চাউ হাং টুঙে। এই অপৰাধতে হংকং আৰক্ষীয়ে আজি টুঙক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা বছৰতো এই দিনটোত সহস্ৰাধিক লোকে হংকঙত সমবেত হৈ চীনৰ দমন নীতিৰ বিৰুদ্ধে ব্যাপক বিক্ষোভ প্ৰদৰ্শন কৰিছিল। হংকঙত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীৰে অব্যাহত থকা আন্দোলনত টুঙে অন্যতম নেত্ৰী হিচাপে অংশ লৈ আহিছে। চীনৰ নিৰ্দেশত অৱশেষত হংকং আৰক্ষীয়ে গণতন্ত্ৰকামী এইগৰাকী নেত্ৰীক গ্ৰেপ্তাৰ কৰিলে। এই গ্ৰেপ্তাৰৰ বিৰোধিতাৰে হংকঙত প্ৰতিবাদকাৰীসকলে ব্যাপক বিক্ষোভ অব্যাহত ৰাখিছে।**



## তলাবন্ধৰ ৰাজপথত বিচৰণ কৰি আৰক্ষীৰ ধমক খালে নাছিৰুদ্দিনে



**নিউজ ব্যুৰ', মুম্বাই, ৪ জুন ঃ** তলাবন্ধত বিয়লিবেলা ৰাজপথত খোজকঢ়াৰ সময়ত আৰক্ষীৰ ধমক খালে বলিউডৰ বৰ্ষীয়ান অভিনেতা নাছিৰুদ্দিন শ্বাহে। প্ৰকাশিত বাতৰি অনুসৰি, যোৱা বুধবাৰে সন্ধিয়া নাছিৰুদ্দিনে পালিহিল অঞ্চলত ৰাজপথত সান্ধ্য ভ্ৰমণ কৰিছিল। সেই সময়তে উক্ত স্থানত আৰক্ষীৰ দল এটি উপস্থিত হৈছিল আৰু আৰক্ষীয়ে এইদৰে তলাবন্ধ উলংঘন কৰা বাবে অভিনেতাজনক সকীয়াই দিয়ে। অৱশ্যে আৰক্ষীৰ নিৰ্দেশ মানি লগে লগে নাছিৰুদ্দিনে উক্ত স্থান ত্যাগ কৰে। নাছিৰুদ্দিনক এইদৰে আৰক্ষীয়ে সকীয়নি দিয়া দৃশ্য কেমেৰাতো ধৰা পৰাত এই ঘটনা ভাইৰেল হয়। কিছুদিন পূৰ্বে বান্দ্ৰাতো অভিনেতা টাইগাৰ শ্ৰফ আৰু দিশা পাটানিৰ বিৰুদ্ধে আৰক্ষীয়ে তলাবন্ধ উলংঘনৰ অভিযোগত গোচৰ তৰিছিল। উল্লেখ্য যে কৰ'না প্ৰতিৰোধৰ বাবে অহা ১৫ জুনলৈকে মুম্বাইত তলাবন্ধ ঘোষণা কৰা হৈছে।

## তলামুক্ত ঘোষণা কৰিও পিছুৱালে মহাৰাষ্ট্ৰ চৰকাৰে



**নিউজ ব্যুৰ', মুম্বাই, ৪ জুন ঃ** কৰ'নাৰ দ্বিতীয়টো সংক্ৰমণৰ ঢৌত দেশৰ ভিতৰতে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে মহাৰাষ্ট্ৰ। নৈশ সান্ধ্যআইন আৰু তলাবন্ধৰ জৰিয়তে ৰাজ্যখনে ক্ৰমে ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছে। ৰাজ্যখনত শেহতীয়াভাৱে পাঁচটা পৰ্যায়ত তলাবন্ধ প্ৰত্যাহাৰৰ কথা উদ্ধৱ থাকৰে চৰকাৰে ঘোষণা কৰিছিল। প্ৰথমে ৰাজ্যখনে ১৬ জুনৰ পৰা তলাবন্ধ প্ৰত্যাহাৰৰ যো-জা চলাইছিল যদিও পৰিস্থিতিৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি এতিয়াই সম্পূৰ্ণ শিথিলতা অৱলম্বন কৰিব বিচৰা নাই। ইয়াৰ পৰিৱৰ্তে পৰ্যায়ক্ৰমে মহাৰাষ্ট্ৰক তলামুক্ত কৰাৰ সিদ্ধান্ত ল'লে উদ্ধৱ থাকৰে চৰকাৰে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, ৰাজ্যজুৰি অব্যাহত থকা তলাবন্ধ বিধি প্ৰত্যাহাৰৰ কোনো সিদ্ধান্ত চৰকাৰে লোৱা নাই। বিধি শিথিলৰ বিষয়টো এতিয়াও চৰকাৰৰ বিবেচনাধীন আৰু কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি জানিবলৈ দি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে কয় যে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ১৫ জুনৰ পাছতহে প্ৰয়োজনীয় সিদ্ধান্ত লোৱা হ'ব।

## ২৪ ঘণ্টাত বিশ্বত ৪.৭৪ লাখ হ'ল কৰ'নাত আক্ৰান্ত, ১০,৭৩৪ জনৰ মৃত্যু

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৪ জুন ঃ** বিশ্বত বিগত এদিনত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল চাৰি লাখ ৭৪ হেজাৰৰ অধিক লোক। যোৱা ২৪ ঘণ্টাত বিশ্বজুৰি ১০,৭৩৪ জন লোকৰ প্ৰাণ কাঢ়িলে কৰ'নাই। কৰ'নাৰ আক্ৰান্তৰ তালিকাত ভাৰতে আমেৰিকাৰ পাছত দ্বিতীয় স্থান দখল কৰিলে। আমেৰিকাত বৰ্তমানলৈকে তিনি কোটি ৪১ লাখ ৭৪ হেজাৰৰো অধিক লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছে। ইয়াৰ বিপৰীতে ভাৰতত এতিয়ালৈকে ক'ভিডত সংক্ৰমিত লোকৰ সংখ্যা হৈছে দুই কোটি ৮৫ লাখ ৪৩ হেজাৰজন। ইফালে, আমেৰিকাই বিশ্বৰ অন্যান্য দেশক আঠ কোটি পালি ক'ভিড প্ৰতিষেধক প্ৰদানৰ কথা ঘোষণা কৰিলে। এই আঠ কোটি প্ৰতিষেধকৰ ২.৫ কোটি প্ৰতিষেধক আমেৰিকাই বিশ্বৰ বিভিন্ন দেশক বিনামূল্যে যোগান ধৰিব। ভাৰতকো আমেৰিকাই বিনামূলীয়া প্ৰতিষেধক অচিৰে প্ৰদান কৰিব।




## ক'ভিডে প্ৰভাৱিত কৰিছে পুৰুষৰ যৌন জীৱন, নপুংসকতাৰো হৈছে কাৰক ঃ ইউনিভাৰচিটি অৱ কেলিফ'ৰ্ণিয়াৰ অধ্যয়ন



নিউজ ব্যুৰ', কেলিফ'ৰ্ণিয়া, ৪ জুন ঃ কৰ'না ভাইৰাছৰ সংক্ৰমণে মানুহৰ যৌন জীৱনতো নেতিবাচক প্ৰভাৱ পেলাইছে। গৱেষণামূলক অধ্যয়নৰ তথ্য অনুসৰি, ক'ভিড-১৯ত আক্ৰান্ত হোৱা পুৰুষৰ মাজত যৌনকাংক্ষা হ্ৰাস, নপুংসকতাৰ দৰে গুৰুতৰ সমস্যাই দেখা দিছে। ক'ভিডৰ পাছত সুস্থ হোৱা ব্যক্তিৰ মাজত মানসিক হেঁচা, অৱসাদগ্ৰস্ততা বৃদ্ধি পাইছে আৰু যথেষ্টসংখ্যক পুৰুষ নানা ধৰণৰ যৌন দুৰ্বলতাজনিত সমস্যাত আক্ৰান্ত হৈছে। ইউনিভাৰচিটি অৱ কেলিফ'ৰ্ণিয়াৰ ইউৰ'ল'জিষ্ট ডাঃ হাভৰ্ড আৰৱৰ্তে এই তথ্য প্ৰকাশ কৰি জনোৱা মতে, ক'ভিডৰ পাছত সুস্থ হোৱা পুৰুষৰ মাজত যৌন সমস্যা পূৰ্বৰ তুলনাত অধিক প্ৰত্যক্ষ হৈছে। বিশেষকৈ বিশ্বজুৰি বৰ্তমানে পুৰুষৰ মাজত নপুংসকতাৰ সমস্যা বৃদ্ধি পাইছে বুলি ডাঃ আৰৱৰ্তে জানিবলৈ দিয়ে। মানৱ যৌন জীৱনত কৰ'নাৰ প্ৰভাৱ সন্দৰ্ভত বৰ্তমানলৈকে বিশ্বৰ একাধিক দেশত গৱেষকসকলে কে'বাটাও অধ্যয়ন সম্পন্ন কৰিছে আৰু এইসমূহ অধ্যয়নৰ জৰিয়তে লাভ কৰা তথ্য অনুসৰি, ক'ভিড-১৯ৰ ভাইৰাছত আক্ৰান্ত হোৱাৰ পাছত পুৰুষৰ মাজত যৌন শক্তি দুৰ্বল হোৱাৰ সমস্যা অধিক প্ৰকট হৈছে। বিশেষজ্ঞসকলৰ মতে ক'ভিড-১৯ৰ ফলত হোৱা ক্ষতি কিছুমান স্থায়ী আৰু আন কিছুমান অস্থায়ী। যৌন জীৱনত কৰ'নাই পেলোৱা এনে নেতিবাচক প্ৰভাৱ দীৰ্ঘস্থায়ী হ'ব নে ই সাময়িক, এই সন্দৰ্ভত অধিক গৱেষণামূলক অধ্যয়ন চলোৱাৰ প্ৰয়োজন আছে বুলি ডাঃ আৰৱৰ্তে জানিবলৈ দিয়ে।

## কৰ'নাৰ বাবে চীনক পুনৰ জগৰীয়া কৰি ক্ষতিপূৰণ দাবী প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৪ জুন ঃ** বিশ্বজুৰি কৰ'নাৰ ব্যাপক সংক্ৰমণৰ বাবে আকৌ এবাৰ চীনক জগৰীয়া কৰিলে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। উল্লেখ্য যে নিজৰ শাসনকালতো ট্ৰাম্পে চীনৰ উহানৰ পৰাই ক'ভিড-১৯ৰ সংক্ৰমণ ঘটা বুলি একাধিকবাৰ দাবী কৰিছিল। এক বিবৃতিত পুনৰ চীনৰ পৰাই ক'ভিডৰ বিশ্বজুৰি সংক্ৰমণ হোৱা বুলি অভিযোগ কৰি ট্ৰাম্পে চীনৰ পৰা ১০ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ ক্ষতিপূৰণৰ দাবী জনালে। বিবৃতিত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিজনে কয়, 'এতিয়া প্ৰত্যেকে বিশেষকৈ শত্ৰুয়েও কৈছে যে চীনৰ উহানৰ গৱেষণাগাৰৰ পৰাই কৰ'না বিয়পি পৰিছিল। অৰ্থাৎ ৰাষ্ট্ৰপতি ট্ৰাম্পে ঠিকেই কৈছিল। চীনে আমেৰিকা আৰু বিশ্বক ইমান ক্ষতি কৰাৰ বাবে ১০ ট্ৰিলিয়ন ডলাৰৰ ক্ষতিপূৰণ দিয়া উচিত।'



# তিনি বছৰতে সকলো প্ৰশ্নৰ উত্তৰ দিয়া জ্যোতিস্মিতা



**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ফকিৰাগ্ৰাম থানাৰ অধীনত হাতাছাৰা গাঁৱৰ নিবাসী নেপাল বৰ্মন আৰু জেউতি ৰায়ৰ একমাত্ৰ কন্যা জ্যোতিস্মিতা বৰ্মনে তিনি বছৰ বয়সতে ৰাজ্য আৰু দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ বহু প্ৰশ্নৰ উত্তৰ দিয়ে সলসলীয়াকৈ জ্যোতিস্মিতাৰ ঘৰত সংবামাধ্যমৰ কৰ্মী উপস্থিত হৈ শিশুটিক বিভিন্ন ধৰণৰ প্ৰশ্ন সোধাত সলসলীয়াকৈ সকলো প্ৰশ্নৰ উত্তৰ দিয়ে। জ্যোতিস্মিতাৰ মাতৃয়ে কয় যে দুবছৰ বয়সৰ পৰা জ্যোতিস্মিতাই কিবা কথা শুনিলে সোনকালে আয়ত্ত কৰিব পাৰে।

# ফৰকাটিং গুৱাল গাঁৱত ক'ভিডত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৪ জুন ঃ** গোলাঘাট জিলাৰ আঠগাঁও মৌজা তথা আঠগাঁও পঞ্চায়তৰ অন্তৰ্গত গুৱাল গাঁৱৰ এজন লোকৰ ক'ভিড-১৯ত কালি সন্ধিয়া মৃত্যু হয়। গুৱাল গাঁৱৰ বাসিন্দা বংশীধৰ বৰা (৫১) নামৰ লোকজনে জ্বৰ আৰু শাৰীৰিক অসুস্থতা অনুভৱ কৰাত পৰিয়ালৰ লোকে দুদিন পূৰ্বে গোলাঘাট কুশল কোঁৱৰ ক'ভিড চিকিৎসালয়ত ভৰ্তি কৰে যদিও এদিন চিকিৎসাৰ অন্তত মৃত্যু হয়। ইতিমধ্যে তেওঁৰ মৃতদেহ চিকিৎসালয় কৰ্তৃপক্ষই গোলাঘাটতে সৎকাৰ কৰে। তাৎপৰ্যপূৰ্ণভাৱে এজন লোক ক'ভিডত মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে। মৃত্যুৰ সময়ত বৰাই পত্নীসহ এগৰাকী প্ৰায় ১৫ বছৰীয়া কন্যা, দুই ভ্ৰাতৃ আৰু অনেক আত্মীয়ক এৰি যায়।

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুৰে যুঁজিছে বাগ্‌সাৰ ৰচিলাই

## সাহায্য কামনা মেধাৱী ছাত্ৰীৰ পৰিয়ালৰ

**অগ্ৰদূত বাৰ্তা**


**মুছলপুৰ, ৪ জুন ঃ** বাগ্‌সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত নিকাছী আমবাৰী গাঁৱৰ এগৰাকী মেধাৱী ছাত্ৰী দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ জীৱন মৃত্যুৰে যুঁজ দি আছে। নিকাছীৰ মডাৰ্ণ ইংলিছ স্কুলত দশম শ্ৰেণীত অধ্যয়নৰত ৰচিলা লিম্বু (১৬) নামৰ ছাত্ৰীগৰাকীয়ে দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাৰ বাবে সোণাপুৰৰ নৰ্থ-ইষ্ট কেঞ্চাৰ ইনষ্টিটিউট এণ্ড ৰিচাৰ্চ চেণ্টাৰত চিকিৎসাধীন হৈ আছিল। পাছত ছাত্ৰীগৰাকীৰ তেজৰ নমুনা পৰীক্ষা কৰোতে চিকিৎসকে ৰচিলাৰ তেজত কৰ্কট ৰোগৰ উপস্থিতি ধৰা পেলায়। পৰৱৰ্তী সময়ত ৰচিলাক গুৱাহাটীস্থিত বি বৰুৱা কেন্সাৰ হাস্পতালত চিকিৎসাধীন কৰা হয়; কিন্তু আৰ্থিক দীনতাৰ বাবে এতিয়া সুচিকিৎসা লাভৰ পৰা বঞ্চিত হ'ব লগা হৈছে ছাত্ৰীগৰাকীয়ে। নিকাছী আমবাৰী নিবাসী কিশোৰ বাহাদুৰ লিম্বু আৰু মিনা লিম্বুৰ কনিষ্ঠ কন্যা ৰচিলাৰ ঘৰত মাতৃ আৰু বৃদ্ধ আইতাকৰ লগতে বিশেষভাৱে সক্ষম পেহীয়েকৰ বাদে কোনোৱেই নাই পৰিয়ালত। পিতৃহীন দুখীয়া পৰিয়ালটোৱে মেধাৱী ছাত্ৰী ৰচিলাৰ চিকিৎসাৰ নামত ইতিমধ্যে ঘৰৰ সকলো সা-সম্পত্তি বিক্ৰী কৰি সৰ্বস্বান্ত হৈছে। ওচৰ-চুবুৰীয়া, আত্মীয়-কুটুম্বই গৰিব পৰিয়ালটোক কিছু পৰিমাণে আৰ্থিক সাহায্য প্ৰদান কৰিছে যদিও সেয়া পৰ্যাপ্ত নহয়। ঔষধ ক্ৰয় কৰিবলৈ এতিয়া অসুবিধাৰ সন্মুখীন হৈছে ৰচিলাৰ মাতৃ। যাৰ বাবে চিকিৎসাধীন অৱস্থাত থকা ৰচিলাৰ চিকিৎসাৰ বাবে প্ৰয়োজন হৈছে বৃহৎ পৰিমাণৰ ধন; কিন্তু ক'ত পাব দুখীয়া পৰিয়ালটোৱে বৃহৎ পৰিমাণৰ ধন। সেয়েহে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ লগতে সদাশয় লোকৰ প্ৰতি পৰিয়ালৰ লোকে আহ্বান জনাইছে ৰচিলাক সহায় কৰক। যদি কোনোবা সদাশয় লোকে ছাত্ৰীগৰাকীক সহায় কৰিব বিচাৰে তেন্তে এছ বি আই নলবাৰী শাখাৰ একাউণ্ট নম্বৰ ৩২৯৬২৭৭৪২৯১, আইএফএছচি-এছবিআইএন০০১১৫২৭ লগতে গুগল পে' এলএমবি ৮০১১০৩৯৮০২ নম্বৰত আৰ্থিক সাহায্য প্ৰদান কৰিব পাৰে। হয়তো আপোনাৰ অকণমান সহায়ে মেধাৱী ছাত্ৰীগৰাকীৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হ'ব।

# ভাওৰাগুৰি ৰাজহ চক্ৰৰ বজাৰত ছেনিটাইজেছন

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ৪ জুন ঃ** মহামাৰী কৰ'না ভাইৰাছে দ্বিতীয়বাৰৰ বাবে যি ধৰণৰ সংহাৰি ৰূপ ধাৰণ কৰিছে তাৰ ফলত অসমৰ বিভিন্ন জিলাত বহু লোক আক্ৰান্ত হোৱাৰ লগতে মৃত্যু হৈছে। ইতিমধ্যে কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলতো কৰ'নাই লৈছে ভয়াৱহ ৰূপ। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ভাওৰাগুৰি ৰাজহ চক্ৰৰ অধীন ভাওৰাগুৰি, তুলসীবিল বজাৰত আজি অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগত বজাৰসমূহ ছেনিটাইজেছনৰ ব্যৱস্থা কৰে। উক্ত কাৰ্যসূচীত সহযোগ কৰে ভাওৰাগুৰি আৰক্ষী আৰু তুলসীবিল আৰক্ষীয়ে।

# সাহিত্যসেৱী বিনু গোস্বামীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৪ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদাম চলচলি ব্ৰাহ্মণ গাঁৱৰ বাসিন্দা তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম নাট্য সন্মিলনৰো আজীৱন সভ্য, চলচলি শাখা সাহিত্য সভাৰ অন্যতম উপদেষ্টা, চলচলি শ্ৰীশ্ৰী জগৰাল সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ নৰেন্দ্ৰ নাথ গোস্বামীৰ পত্নী বিনু গোস্বামীৰ আজি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। অসম সত্ৰ মহাসভাৰ অন্যতম সম্পাদক তথা সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীৰ মাতৃ বিনু গোস্বামীৰ মৃত্যুত বৃহত্তৰ চলচলি অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত দুজন পুত্ৰ, বোৱাৰী, পাঁচগৰাকী জী ইহসংসাৰত এৰি যায়। গোস্বামীৰ মৃত্যুত অসম সত্ৰ মহাসভা, নগাঁও জিলা সত্ৰ মহাসভা, চলচলি শাখা সাহিত্য সভা, অসম নাট্য সন্মিলন চলচলি শাখা আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# পুৰণিগুদাম আৰক্ষীৰ নিচাজাতীয় দ্ৰব্য বিৰোধী অভিযান

**বিশেষ সংবাদদাতা**

**নগাঁও, ৪ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন স্থানত যোৱা নিশা নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে পুৰণিগুদাম আৰক্ষীয়ে এক অভিযান চলায়। বিশেষকৈ নগাঁও-কাৰ্বি আংলং সীমান্তৱৰ্তী হায়াংথলত মহিলাসহ তিনিগৰাকী নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ নিৰ্দেশত পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিৰদাও গয়াৰীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে হায়াংথলৰ পৰা সৰবৰাহকাৰী অতুল কোঁৱৰ, ঋতু বৰা আৰু প্ৰতিমা বৰাক গ্ৰেপ্তাৰ কৰে। আনহাতে, নিশালৈ পুৰণিগুদাম আৰক্ষী চকীত চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকান্ত দলেৰ উপস্থিতিত অতিৰিক্ত আৰক্ষী অদীক্ষক ধ্ৰুৱ বৰাই সম্বোধন কৰা এক সংবাদমেলত অভিযানত ৪,৬০৮টা নিচাযুক্ত কেপচুল আৰু সাতশটা নিচাযুক্ত চিৰাপৰ বটল জব্দ হয় বুলি কয়।

### ৩১ ডিচেম্বৰৰ ভিতৰত দেশৰ প্ৰতিজন নাগৰিকৰ ক'ভিড টিকাকৰণ সম্পন্ন কৰক

# চৰকাৰে দিয়া ক'ভিড মৃত্যুৰ তথ্য শুদ্ধ নহয় ঃ কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ জুন ঃ** স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি এক সংবাদমেলত ৰাজ্যত ক'ভিডৰ সংক্ৰমণ আৰু মৃত্যুৰ হাৰ কিছু হ্ৰাস পোৱা বুলি মত পোষণ কৰিলেও প্ৰদেশ কংগ্ৰেছে আজি ৰাজ্যপালক সাক্ষাৎ কৰি সংক্ৰমণ আৰু মৃত্যুৰ হাৰ দ্ৰুতহাৰত অব্যাহত থকাৰ কথা সদৰী কৰিছে। শেহতীয়াকৈ ৰাজ্যখনৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলত ক'ভিডৰ সংক্ৰমণ দ্ৰুতহাৰত বৃদ্ধি হৈ বহু লোক মৃত্যু মুখত পৰা বুলি প্ৰদেশ কংগ্ৰেছে অভিযোগ তুলি চৰকাৰীভাৱে দিয়া ক'ভিডৰ মৃত্যুৰ তথ্য শুদ্ধ নহয় বুলি মন্তব্য কৰিছে। উল্লেখ্য যে দেশৰ ক'ভিড পৰিস্থিতি আৰু প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থাৱলীৰ সন্দৰ্ভত কিছু পৰামৰ্শ আগবঢ়াই ৰাজ্যপালৰ জৰিয়তে দেশৰ ৰাষ্ট্ৰপতিলৈ আজি এক স্মাৰকপত্ৰ প্ৰদান কৰে প্ৰদেশ কংগ্ৰেছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত যোৱা পাঁচজনীয়া সজাতি দলটোৱে ৰাজ্যপালক সাক্ষাৎ কৰি ৰাজ্যৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভতো কিছু আলোচনা কৰে। ৰাজ্যপালক সাক্ষাতৰ অন্তত বিৰোধী দলৰ উপ-দলপতি তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে এই অভিযোগ উত্থাপন কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে নিজৰ দেশৰ লোকক প্ৰতিষেধক দিবলৈ নাই। তেনেস্থলত ৬.৬৩ কোটি প্ৰতিষেধক বহিঃৰাষ্ট্ৰলৈ পঠাইছে। আমি প্ৰথমে দেশৰ প্ৰতিজন নাগৰিকক ৩১ ডিচেম্বৰ ভিতৰত টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছো। উল্লেখ্য যে গাঁও আৰু চাহ বাগিচাত ব্যাপক হাৰত কৰ'নাৰ সংক্ৰমণ অব্যাহত আছে বুলি প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতিজনে মত ব্যক্ত কৰি পৰ্যাপ্ত ক'ভিড পৰীক্ষা নোহোৱাৰ ফলতেই আচল ছবিখন পোহৰলৈ অহা নাই বুলি কয়। তেওঁ কয়, 'যোৱাবাৰ চহৰত সংক্ৰমণ বেছি হৈছিল আৰু গাঁৱত সংক্ৰমণ হ্ৰাস পাইছিল; কিন্তু এইবাৰ গাঁও আৰু চাহ বাগিচাত ব্যাপক সংক্ৰমণ হৈছে। এটা ঘৰত তিনিজনকৈ লোকৰ মৃত্যু হৈছে; কিন্তু চৰকাৰৰ ঘৰত এজনৰ হিচাপ আছে। সঁচা কথা কওঁক, সঁচা কথা কোৱাত ক'তো অসুবিধা থাকিব নালাগে। সকলো ক্ষেত্ৰতে আমি সমালোচনা নকৰো, পৰীক্ষা কৰক, আচল সংখ্যা ওলাই পৰিব।'

সমান্তৰালভাৱে বিৰোধী দলপতি শইকীয়াই ৰাজ্যপালক সাক্ষাৎ কৰা সন্দৰ্ভত ক'ভিডৰ সন্দৰ্ভত চৰকাৰে ল'ব লগা কিছু পদক্ষেপৰ তথ্য ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা বুলি সদৰী কৰে। উল্লেখ্য যে দেশত সম্প্ৰতি প্ৰতিষেধকৰ অভাৱত দৈনিক ১৬ লাখ লোককহে ক'ভিড প্ৰতিষেধক প্ৰদান কৰি অহা হৈছে বুলি শইকীয়া মত ব্যক্ত কৰি কয় যে যদি এই হাৰত প্ৰতিষেধক প্ৰদান অব্যাহত থাকে তেন্তে তিনি বছৰ লাগিব দেশৰ প্ৰতিজন নাগৰিকে লাভ কৰিবলৈ। এই টিকাকৰণৰ ক্ষেত্ৰতো বৈষম্য হৈছে। কাৰণ এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে বাজেটত ৩৫ হেজাৰ কোটি টকা ধাৰ্য কৰিছিল যদিও এতিয়া কেন্দ্ৰীয় চৰকাৰে ১৫০ টকাত, ৰাজ্য চৰকাৰসমূহে ৩০০-৬০০ টকা আৰু ব্যক্তিগত চিকিৎসালয়সমূহে ৬০০-১২০০ টকাকৈ ক'ভেক্সিন, ক'ভিশ্বিল্ড প্ৰতিষেধক ক্ৰয় কৰিবলগীয়া হৈছে। কিন্তু ভাৰত এখন কল্যানকামী ৰাষ্ট্ৰৰূপে এই প্ৰতিষেধক সকলোৰে বাবে সহজলভ্য হ'ব লাগে বুলি শইকীয়াই মত ব্যক্ত কৰি প্ৰতিষেধক প্ৰদানৰ একক নীতি কৰিবলৈ দাবী জনোৱা বুলি কয়। উল্লেখ্য যে অসমত প্ৰতিষেধক প্ৰদানৰ হাৰ বহু কম বুলি বিৰোধী দলপতি শইকীয়াই মত ব্যক্ত কৰি গাঁও আৰু চাহ বাগিচাত বহু লোকে প্ৰতিষেধক ল'বলৈ গৈ উপলব্ধ নথকাৰ ফলত উভতি আহিবলগীয়া হৈছে বুলি কয়। এই ক্ষেত্ৰত ৰাজ্যপালক সমগ্ৰ দিশ দৃষ্টিগোচৰ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰি গাঁও আৰু বাগিচাত ক'ভিড পৰীক্ষাৰ হাৰ বৃদ্ধি কৰিবলৈ চৰকাৰক দাবী জনায়। চৰকাৰৰ তিনিটা 'টি'ৰ উদ্ধৃতি দি শইকীয়াই পুনৰ কয়, 'যদি টেষ্টিংঙেই নহয়, ট্ৰেকিং , ট্ৰিটমেণ্ট কেনেকৈ হ'ব। পৰীক্ষাৰ হাৰ যথেষ্ট কম হৈছে। এনেকুৱা হৈ থাকিলে গাতে শুকুৱা গাতে লুকোৱা পৰিস্থিতি যে উদ্ভৱ নহ'ব কি মানে আছে। সেয়ে প্ৰতিজন নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আজি ৰাজ্যপালৰ জৰিয়তে এখন স্মাৰকপত্ৰ প্ৰদান কৰিছো।' উল্লেখ্য যে ৰাজ্যপালৰ সাক্ষাৎ কালত বিৰোধী দলপতি শইকীয়া, উপ-দলপতি হুছেইনৰ লগতে আজি প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি দ্বিজেন শৰ্মা, প্ৰাক্তন সাংসদ হিৰণ্য বৰা আৰু মুখপাত্ৰ প্ৰফুল্ল কুমাৰ দাস উপস্থিত থাকে।

## শ্ৰদ্ধাঞ্জলি

## সাৰিত্ৰী কলিতা



বাস্তৱ সত্য যে সকলো জীৱৰে যিদৰে এবাৰ জন্ম সংবাদ আছে, সেইদৰে মৃত্যু সংবাদো আছে। এনে সংবাদ কোনেও নুই কৰিব নোৱাৰে। মৃত্যুৰ গতি শিশুৰ পৰা বৃদ্ধলৈ একে। মাথোঁ সময় সন্ধিয়ে পাৰ্থক্য। এনে এক পাৰ্থক্যৰ সন্ধিৰহে পৰলোকলৈ গমন কৰিলে সম্প্ৰতি হাতীগাঁও লক্ষ্মীনাথ বেজবৰুৱা পথ নিবাসী সাৰিত্ৰী কলিতাই। চাৰিকুৰি চাৰি বছৰ বয়সীয়া প্ৰয়াত কলিতাই টিহু চ'ক নিবাসী প্ৰয়াত জগত চন্দ্ৰ কলিতাৰ স'তে বিবাহপাশত আবদ্ধ হৈ এজিচিচিৰ প্ৰাক্তন পৰিচালন সঞ্চালক তথা সাহিত্যসেৱী পুত্ৰ পৱিত্ৰ কুমাৰ কলিতা, লেখিকা-বোৱাৰী কামনা বৰুৱা কলিতা আৰু দুই কন্যাৰে সংসাৰৰ সকলো নীতি-নিয়ম সাৰোগত কৰি চলিছিল। অতিথিপৰায়ণা তথা ধৰ্মপ্ৰাণা মহিলা হিচাপে তেওঁ সকলোৰে প্ৰিয়ভাজন হৈ পৰিছিল। বৰ্ষীয়ান মহিলাগৰাকী কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাতে যোৱা ২৩ মে'ত স্বৰ্গগামী হোৱা সাৰিত্ৰী কলিতাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**হেমন্ত কুমাৰ চৌধুৰী**

# সংক্ৰমণ নিম্নগামী হোৱাৰ দিশে বজালী প্ৰশাসন-স্বাস্থ্য বিভাগৰ তৎপৰতা

**বিশেষ সংবাদদাতা**

**পাঠশালা, ৪ জুন ঃ** ক্ৰমাৎ ক'ভিডৰ সংক্ৰমণ নিম্নগামী হোৱাৰ দিশত অগ্ৰসৰ হৈছে বজালী জিলা। বজালী জিলাৰ ভিন্ন প্ৰান্তৰ নগৰ, গ্ৰামাঞ্চল, বাট-পথ, ৰেল ষ্টেছন সকলোতে বিগত কে'বাদিন ধৰি ক'ভিড পৰীক্ষা কৰা ব্যৱস্থা অব্যাহত আছে। ভৱানীপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পজিটিভৰ সংখ্যা আছিল পহিলা জুনত ২.৪৬ শতাংশ, আজি ০.৩২ শতাংশ হয়। আনহাতে, নিত্যানন্দ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত পজিটিভৰ সংখ্যা আছিল পহিলা জুনত ৩.৭ শতাংশ আৰু আজি পজিটিভ হৈছে ৩.৮ শতাংশ। ইফালে, কালি বজালী ৰাজহ চক্ৰৰ অন্তৰ্গত ডুবি (মালিপাৰা)ৰ সমীপৰ দণ্ডৰপাৰ চুবাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাত জিলা প্ৰশাসনে উক্ত অঞ্চলটোক আজি কণ্টেইনমেণ্ট জ'ন ৰূপে ঘোষণা কৰিছে। উপায়ুক্তই ৫০ উৰ্দ্ধৰ আক্ৰান্ত ব্যক্তিক হোম আছি'লেছনত নাথাকি ক'ভিড কেন্দ্ৰত ভৰ্তি হ'বলৈ আহ্বান জনাইছে। উল্লেখ্য যে পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ত স্থাপন কৰা ক'ভিড কেন্দ্ৰত ৫০ খন বিছনা সাজু কৰি ৰখাৰ লগতে অক্সিজেন কনছেনট্ৰেটৰো স্থাপন কৰা হৈছে। ক'ভিড সম্পৰ্কীয় সম্ভাব্য সকলো পৰিস্থিতিৰ লগত মোকাবিলা কৰাৰ বাবে জিলা প্ৰশাসন তৎপৰ হৈ আছে। সকলোৱে যাতে সহজতে ক'ভিড পৰীক্ষা কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ স্বাস্থ্য বিভাগক উপায়ুক্তই নিৰ্দেশ দিছে।

# ৩৩ মাহতো সম্পূৰ্ণ নহ'ল পঞ্চৰত্ন-খৰমুজা পথৰ কুমৰীৰ আৰ চি চি দলং

## উপ-পথ ভাঙি যোগাযোগ বিচ্ছিন্ন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ জুন ঃ** গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত পঞ্চৰত্ন-খৰমুজা পথৰ কুমৰীৰ আৰ চি চি দলংখনৰ বিগত ৩৩ মাহেও নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱাত ৰাইজে যাতায়াতৰ নামত জীয়াতু ভুগিবলগীয়া হৈছে। ইপিনে, ভূতৰ ওপৰত দানহ পৰাদি উপ-পথটো ভাঙি যোৱাত যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছে। উল্লেখ্য যে পঞ্চৰত্নৰ পৰা খুটামাৰী হৈ খৰমুজালৈ যোৱা পথটোৰ কুমৰীস্থিত ৩/১ আৰু খুটামাৰীস্থিত ৫/১ নম্বৰ দলংখন আৰ চি চি কৈ নিৰ্মাণৰ বাবে ২০১৮ৰ ৩১ আগষ্টত স্থানীয় বিধায়ক আব্দুৰ ৰছিদ মণ্ডলে আধাৰশিলা স্থাপন কৰে। দলং দুখন নিৰ্মাণৰ বাবে আৰ আই ডি এফৰ ২০১৭-১৮ বিত্তীয় বৰ্ষৰ অধীনত এক কোটি ৯৯ লাখ ৬৫ হেজাৰ টকা ধাৰ্য কৰা হয়। কিন্তু ৩৩ মাহ অতিক্ৰম কৰাৰ পাছতো কুমৰীৰ ৩/১ নম্বৰ দলংখন আধৰুৱা হৈ আছে। ইপিনে, দায়িত্বৰত ঠিকাদাৰে প্ৰায় দুমাহ পূৰ্বেই নিৰ্মাণ কাৰ্য বন্ধ কৰি দিয়ে। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে তলত পাথৰ থকা বাবেই দলংখনৰ এফালে পাইলিঙৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়। পাছত প্ৰাককলন সলনি কৰি নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হয়। ইপিনে, দায়িত্বৰত ঠিকাদাৰে পাৰ্ট পেমেণ্ট (আংশিক বিল) বিচাৰে যদিও ৱৰ্কিং এছটিমেটৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই অনুমোদন নিদিয়া বাবেই বিল আদায় দিব পৰা নাই। ইপিনে, বিল আদায় নোপোৱা বাবেই ঠিকাদাৰে কাম বন্ধ কৰি দিয়া বুলি কৰ্তৃপক্ষৰ মন্তব্যত প্ৰকাশ। এইদৰে বিভাগীয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবেই সময় মতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱাৰ কুফল ভুগিবলগীয়া হৈছে ৰাইজে। ইয়াৰ উপৰি শেহতীয়াভাৱে বিকল্প হিচাপে নিৰ্মাণ কৰা উপ-পথটো ভাঙি যোৱাত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। বৃহত্তৰ স্বাৰ্থৰ প্ৰতি গুৰুত্ব দি অতি শীঘ্ৰেই উপ-পথটো মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ লগতে আৰ চি চি দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# পিতৃহীন দুই কিশোৰ ৰুগীয়া মাতৃক শুশ্ৰূষা কৰিবলৈ জীৱন সংগ্ৰাম কৰিছে



**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৪ জুন ঃ** কামৰূপ গ্ৰাম্য জিলাৰ এটা দুৰ্ভগীয়া পৰিয়াল। ক'ভিড কেন্দ্ৰিক সান্ধ্য আইনে কোঙা কৰি পেলাইছে একাংশ পৰিয়ালক। কামৰূপ গ্ৰাম্য জিলাৰ গাছবাৰী অঞ্চলৰ কমলপুৰ বিধানসভা সমষ্টিৰ পূৰপাৰ জটিয়াভাংগাৰা গাঁৱৰ ননৰীয়া পাম চুবুৰিৰ মৰমী কলিতাৰ ঘৰত এতিয়া চৌকা নজ্বলা অৱস্থা। সেয়েহে এতিয়া কণমানি দুই পুত্ৰই দোকান চলাই, লোকৰ ঘৰত দিন হাজিৰা কৰি বাইদেউ আৰু ৰুগীয়া মাতৃক পোহপাল দিব লগা হৈছে। পাতিদৰং আদৰ্শ আঞ্চলিক হাইস্কুলৰ ষষ্ঠ আৰু চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ ক্ৰমে কিশোৰ কলিতা আৰু পল্লৱ কলিতাই ঘৰৰ সন্মুখত বাঁহৰ চাং পাতি দোকান দি চিপচ আদি বিক্ৰী কৰি পৰিয়াল পোহপাল দিব লগা হৈছে। বাইদেউ পিংকী কলিতা দশম শ্ৰেণীৰ ছাত্ৰী। কিন্তু তিনিওৰে অনলাইন ক্লাছ কৰিবলৈ স্মাৰ্টফোন দূৰৰে কথা দুবেলা-দুমুঠি খাবলৈও বহু চিন্তা কৰিবলগীয়া হৈছে। দুই কণমানি পুত্ৰই লোকৰ ঘৰৰ পৰা খুজি মাগি যি পায় তাৰেই ৰুগীয়া মাতৃ আৰু বায়েকক খুৱাই আছিল যদিও শেহতীয়াভাৱে কৰ'না মহামাৰীৰ বাবে জাৰি হোৱা সান্ধ্য আইনে এতিয়া সেয়াও বন্ধ হৈ পৰিল। চাৰি বছৰ পূৰ্বে মৰমী কলিতাৰ দিন হাজিৰা কৰা স্বামী ৰত্নেশ্বৰ কলিতাৰ অকাল বিয়োগৰ পৰা দুই পুত্ৰ আৰু এটি কন্যা সন্তানৰ স'তে এটি গোহালি সদৃশ ঘৰত আজি দীৰ্ঘদিন ধৰি বাস কৰি আহিছে। থাকিবলৈ নাই এটা ভাল ঘৰ। চৰকাৰী আঁচনিয়ে ঢুকি পোৱা নাই। পৰিয়ালটোক। ইপিনে, মাতৃ মৰমী ৰোগত আক্ৰান্ত হৈ বিনা চিকিৎসাই দিন কটাবলগীয়া হৈছে। চিকিৎসা কৰাবলৈ ধনৰ অভাৱ ঘটাত চিকিৎসালয়লৈ যোৱাৰ কথাই ভাবিব পৰা নাই। সেয়েহে দুই পুত্ৰই মাতৃক চোৱা-চিতা কৰিবলৈ এতিয়া দোকান দি চিপছ গুটখা আছে বিক্ৰী কৰিবলগীয়া হৈছে। হৃদয়বান লোকৰ লগতে দল-সংগঠন তথা স্থানীয় জনপ্ৰতিনিধিক চকু মেলি চাবলৈ আহ্বান জনাইছে এই দুৰ্ভগীয়া পৰিয়ালটোৱে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাক এই পৰিয়ালটো এবাৰ পৰিদৰ্শন কৰি উচিত পদক্ষেপ লৈ সহায় প্ৰদান কৰিবলৈ স্থানীয় লোকসকলেও আহ্বান জনাইছে।

# সাংস্কৃতিক কৰ্মী, প্ৰাক্তন খেলুৱৈ বন্তি হাজৰিকাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৪ জুন ঃ** মিলন বাকৰি ৰাস মহোৎসৱ সমিতিৰ মহিলা গোটৰ প্ৰাক্তন সভানেত্ৰী প্ৰাক্তন এথলেটিক, অভিনেত্ৰী বন্তি হাজৰিকা (৬৬)ৰ আজি পুৱা মৃত্যু হয়। উল্লেখ্য যে মিলনপুৰ কমাৰিচুবুৰীত জন্মগ্ৰহণ কৰা মহিলাগৰাকী দীৰ্ঘদিন ধৰি মধুমেহ আৰু হৃদৰোগত আক্ৰান্ত হৈ আছিল। স্কুলীয়া জীৱনৰ পৰাই তেওঁ এগৰাকী সুদক্ষ খেলুৱৈ, অভিনেত্ৰী, গায়িকাৰূপে পৰিচিত আছিল। মিলনপুৰ মইনা পাৰিজাত, মিলন বাকৰি ৰাস মহোৎসৱ সমিতিৰ মহিলা গোটৰ সভানেত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰা মহিলাগকাৰীৰে অসম আন্দোলনৰ সময়ত অঞ্চলটোৰ মহিলাসকলক সংঘবদ্ধ কৰি গ্ৰামাঞ্চলত অসম আন্দোলন অধিক গতিশীল কৰি তুলিছিল। মৃত্যুৰ সময়ত স্বামীসহ দুই পুত্ৰ, এগৰাকী কন্যাক এৰি যায়। তেওঁৰ বিয়োগত মিলন বাকৰি ৰাস মহোৎসৱৰ সমিতি, সমিতিৰ মহিলা গোট, বিভিন্ন মহিলা সংগঠন আদিয়ে শোক প্ৰকাশ কৰে।

# চাৰি জিলাৰ উপায়ুক্ত হ'ব

*এক পৃষ্ঠাৰ পৰা* সেই চুক্তি অনুসৰি আজি উক্ত নিৰ্দেশ জাৰি কৰা হয়। ইয়াৰ ফলত উপায়ুক্তসকল পৰিষদৰো এক অংশ হৈ পৰিল।

ইয়াৰ পূৰ্বে উপায়ুক্তসকলে কেন্দ্ৰীয় আঁচনিৰ তদাৰকী কৰা আৰু আইন শৃংখলাৰ দিশটোহে প্ৰধানকৈ চাইছিল। তেওঁলোক পৰিষদৰ অংশ নাছিল। ইয়াৰ ফলত জিলা পৰ্যায়ত বৃহৎ ফাট ৰৈ গৈছিল। বিটিচিৰ গাঁথনি অনুসৰি একেবাৰে তলৰ পৰ্যায়ত ভিচিডিচি, তাৰ ওপৰত খণ্ড আৰু একেবাৰে ওপৰত পৰিষদ থাকে। অৰ্থাৎ জিলা পৰ্যায়ত বিশেষ সাংবিধানিক গাঁথনি নাছিল। আজিৰ নিৰ্দেশটোৰ ফলত সেই গাঁথনি সৃষ্টি হয়। নিৰ্দেশত উল্লেখ কৰা অনুসৰি উপায়ুক্তকেইজনে বিটিচিৰ যিবোৰ বিভাগ আৰু অন্যান্য কাম-কাজ নিৰীক্ষণ আৰু তদাৰকী কৰিব সেইবোৰ হ'ল— কৃষি, ৰেচম, শিক্ষা, মীন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্যকাৰিকৰী, সমাজ কল্যাণ, বান নিয়ন্ত্ৰণ, জোখমাফ, নগৰ উন্নয়ন, ভূমি আৰু ৰাজহ, সুৰা-ভাং আদিকে ধৰি নিষিদ্ধ সামগ্ৰীৰ প্ৰচলন প্ৰতিৰোধ, সাহায্যৰ পুনৰ সংস্থাপন আৰু বিটিচি কৰ্তৃপক্ষই দাখিল কৰিবলগীয়া অন্যান্য দায়িত্ব।

# পুনৰ ক'ভিডত ৫৪ জনৰ মৃত্যুৰ

*এক পৃষ্ঠাৰ পৰা* কৰা হয়। সেই অনুসৰি সংক্ৰমণৰ হাৰ ৩.৬৮ শতাংশ। আনহাতে, আজিৰ দিনটোত ৪,২৬৩ জন ৰোগীয়ে ক'ভিডক পৰাজিত কৰি ঘৰলৈ উভতিবলৈ সক্ষম হয়। ৰাজ্যত এই পৰ্যন্ত ৫০,৭৬৫ ক'ভিড ৰোগী সক্ৰিয় ৰূপত আছে। আজিৰ দিনটোত কামৰূপ মহানগৰত সৰ্বাধিক ৪২১ গৰাকী আক্ৰান্ত হয়। ইয়াৰ বিপৰীতে কামৰূপ মহানগৰ, কাছাৰ, তিনিচুকীয়া জিলাত ছয়জনকৈ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে কাৰ্বি আংলঙত পাঁচজন, ডিব্ৰুগড়ত চাৰি, হোজাইত তিনি, বৰপেটা, বঙাইগাঁও, গোলাঘাট, যোৰহাট, কামৰূপ গ্ৰাম্য, লখিমপুৰ, মৰিগাঁও আৰু শিৱসাগৰত দুজনকৈ লোকৰ মৃত্যু হয়।

### ডিব্ৰুগড়ত চাৰিজনৰ মৃত্যু

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত আজি পুনৰ চাৰিজন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱাৰ বিপৰীতে নতুনকৈ আক্ৰান্ত হৈছে ৩৩৭ জন। জিলাখনত আজি ৪,০৭৩ জনৰ ৰেপিড এণ্টিজেন টেষ্ট কৰাত ২৬০ জনৰ দেহত পজিটিভ ওলোৱাৰ বিপৰীতে ৯৭০ জনৰ আৰ টি পি চি আৰ টেষ্ট কৰাত ৭৭ জনৰ দেহত পজিটিভ ধৰা পৰে। ইফালে, জিলাখনত মৃতকৰ সংখ্যা ১৯৬লৈ বৃদ্ধি পোৱাৰ বিপৰীতে আক্ৰান্তৰ সংখ্যা ১৪,৯৮৫ জনলৈ বৃদ্ধি পালে। বৰ্তমানেও জিলাখনত ৬,১২৩ জন চিকিৎসাধীন হৈ আছে।

### মৰাণত মহিলা আৰক্ষীৰ মৃত্যু

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ এগৰাকী মহিলা কনিষ্ঠবলৰ ক'ভিডত আক্ৰান্ত হৈ যোৱা নিশা মৃত্যু হয়। মৰাণহাট আৰক্ষী থানাত কৰ্মৰত নিজুমণি দেউৰী (৩৮)ৰ যোৱা নিশা অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। ক'ভিড পৰিস্থিতিৰ সময়ত নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি অহা মহিলা কনিষ্ঠবলগৰাকীক তিনিদিন পূৰ্বে হাস্পতালত ভৰ্তি কৰা হৈছিল। তাতে ক'ভিড পজিটিভ ধৰা পৰে। ডিব্ৰুগড়ৰ মধুপুৰ নিবাসী দেউৰীয়ে মৃত্যুৰ সময়ত চিআৰপিএফত কৰ্মৰত স্বামীৰ লগতে সাত বছৰীয়া কন্যাক এৰি গৈছে।

### নাজিৰাত আক্ৰান্ত ১৪

**নামতি ঃ** নাজিৰা মহকুমাত নতুনকৈ আক্ৰান্ত হৈছে ১৪ জন। ইয়াকে লৈ মহকুমাটোত ক'ভিডত আক্ৰান্তৰ সংখ্যা ৮৮৭লৈ বৃদ্ধি পালে। অৱশ্যে বিগত ২৪ ঘণ্টাত ৩৫ জন ৰোগী ক'ভিডৰ পৰা সুস্থ হৈ উঠাত সুস্থ হোৱা লোকৰ সংখ্যা ৬১৬ হ'ল।

### চাৰিং-গৌৰীসাগৰত দুজনৰ মৃত্যু

**গৌৰীসাগৰৰ অগ্ৰদূত বাৰ্তা ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ খণ্ডৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত চাৰিং কাকতি গাঁও নিবাসী প্ৰদীপ কুমাৰ ফুকন ওৰফে পুতাই (৭২) নামৰ মীন পালকজনৰ যোৱা নিশা কৰ'নাত আক্ৰান্ত হৈ শিৱসাগৰ অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। দীৰ্ঘদিন ধৰি পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ থকা ফুকনক যোৱা ২৮ মে'ত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। তিনি বছৰ আগেয়ে পত্নীক হেৰুওৱা লোকজনে মৃত্যুৰ সময়ত দুই বিবাহিতা কন্যাসহ আত্মীয়-স্বজনক এৰি যায়। ইফালে, গৌৰীসাগৰত মাটিয়াবাগ তিনিআলিৰ সুলভ মূল্যৰ দোকানী ৰত্নেশ্বৰ বৰা (৫৮)ৰ ক'ভিডত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। উল্লেখ্য যে বৰাৰ আজি মাতৃৰ দহাকাজ চলি আছিল। মাংগলিক কাৰ্য চলি থকাৰ মাজতে একমাত্ৰ পুত্ৰৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুই পুত্ৰক এৰি যায়।

### ধেমাজিত বৃদ্ধি আক্ৰান্তৰ সংখ্যা

**চিলাপথাৰৰ অগ্ৰদূত বাৰ্তা ঃ** ধেমাজি জিলাৰ গ্ৰাম্য অঞ্চলত বৃদ্ধি পাইছে কৰ'না আক্ৰান্তৰ সংখ্যা। জিলাখনত ২৬ খন মিনি আৰু ছয়খন গাঁও কণ্টেইনমেণ্ট জ'নৰূপে জিলা প্ৰশাসনে বন্ধ কৰি ৰাখিছে। জিলাখনৰ জোনাই সমষ্টিৰ চিচিবৰ গাঁও ৰাজহ চক্ৰত কালিলৈকে ৬৯৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। ইয়াৰ বাবে আজি এক ৰাজহুৱা সভাত বিধায়ক ভুবন পেগু, জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰে অনুষ্ঠিত এক আলোচনা সভাত সজাগতা বৃদ্ধিৰ বাবে প্ৰস্তাৱ লোৱা হয়। ইয়াৰ বাবে পঞ্চায়ত প্ৰতিনিধিসকলকো দায়িত্ব পালনত আহ্বান জনায়।

### নগাঁৱত পুনৰ দুজনৰ মৃত্যু

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত আজি পুনৰ দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে। মৃত লোক দুজন ৰহাৰ ৰিকি শইকীয়া (২৪) আৰু ৰহাৰে বগলাজান বাহকাবাৰীৰ কিৰণ ডেকা (৬৬)। দুয়ো নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ইফালে, জিলাখনত বিগত ২৪ ঘণ্টাত ৫,৮৪৯ জনৰ ক'ভিড পৰীক্ষা কৰাত ৩৩৯ জনৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে। জিলাখনত বৰ্তমানেও ৪,০৯৫ জন ক'ভিড আক্ৰান্ত ৰোগী সক্ৰিয় ৰূপত থকাৰ বিপৰীতে এই পৰ্যন্ত ৬৮ জনৰ মৃত্যু হৈছে।

### বঙাইগাঁৱত দুজনৰ মৃত্যু

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত নতুনকৈ ৬২ জন ক'ভিডত আক্ৰান্ত হোৱাত আক্ৰান্তৰ সংখ্যা জিলাখনত ২,৯৬২লৈ বৃদ্ধি পালে। অৱশ্যে আজি ৩৬ জনে আৰোগ্য লাভ কৰে যদিও দুজনৰ মৃত্যু হয়। ইয়াৰে অভয়াপুৰীৰ অনিলেন্দ্ৰ নাৰায়ণ দেৱ (৮৫)ৰ বঙাইগাঁৱৰ স্বাগত হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰত মৃত্যু হোৱাৰ বিপৰীতে মাণিকপুৰৰ দক্ষিণ বিজনীৰ জুৰি বেগম (৩২) নামৰ মহিলাগৰাকীৰ বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ হাস্পতালত মৃত্যু হয়।

### উত্তৰ শালমাৰাত ২২ জনৰ দেহত ক'ভিড

**অভয়াপুৰীৰ অগ্ৰদূত বাৰ্তা ঃ** ইফালে, উত্তৰ শালমাৰা মহকুমাত আজি ২২ জন লোকৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে। সৃজনগ্ৰাম প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৭৫৩ জনৰ আজি কৰ'না পৰীক্ষা কৰাৰ বিপৰীতে বইটামাৰীত পাঁচশজন লোকৰ ক'ভিড পৰীক্ষা কৰা হয়।

### শোণিতপুৰত দুজনৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰত আজি পুনৰ দুজনৰ কৰ'নাত মৃত্যু হোৱাৰ বিপৰীতে ২৮১ জন লোকৰ শৰীৰত কৰ'নাৰ অৱস্থিতি ধৰা পৰিছে। তেজপুৰ চহৰৰ চানমাৰীৰ ৰূপক শৰ্মা (৪৬) আৰু মাজগাঁও নিকামুল অঞ্চলৰ জোনালী চৌধুৰী (৩৫)ৰ আজি মৃত্যু হয়। ইফালে, শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ উলুবাৰী গাঁৱক নতুনকৈ কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা হৈছে।

### ক'ভিডত মৃত্যু হ'ল টংলাৰ দুই কৃষকৰ

**টংলাৰ অগ্ৰদূত বাৰ্তা ঃ** ক'ভিডত প্ৰাণ হেৰুৱালে টংলাৰ দুই কৃতী শিক্ষকে। অক্সফ'ৰ্ড ইংলিছ গাইড ইনষ্টিটিউট, পূব নলবাৰী টংলাস্থিত কেন্দ্ৰৰ শিক্ষক ৰমেশ স্বৰ্গীয়াৰীৰ ক'ভিডত আক্ৰান্ত হৈ কালি পুৱতি নিশা মৃত্যু হয়। ইংৰাজী বিষয়ৰ শিক্ষকৰূপে সমগ্ৰ মহকুমাটোতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা শিক্ষকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এবছুৰ ভলেণ্টিয়াৰ্ছ ফ'ৰ্চৰ সংগ্ৰামী নেতাজনে বড়ো আন্দোলনৰ নেতৃত্ব বহন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ-কন্যাক এৰি যায়। আনহাতে, এক নম্বৰ হাৰ্চাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা ওদালগুৰি জিলা প্ৰাথমিক শিক্ষক পৰিষদৰ সম্পাদক খৰ্গেশ্বৰ কছাৰী (৫৬)ৰ কালি নিজ গৃহতে ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হয়। এজন কৰ্তব্যপৰায়ণ শিক্ষকৰূপে পৰিচিত কছাৰীয়ে মৃত্যুৰ সময়ত পত্নীসহ দুই কন্যাক এৰি যায়।

### ওদালগুৰিত ৫৯ আক্ৰান্ত

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ওদালগুৰি জিলাত আজি নতুনকৈ ৫৯ জন ক'ভিডত আক্ৰান্তৰ সংখ্যা ৭৭০লৈ বৃদ্ধি পালে। আজি ১৭৫০ জনৰ ক'ভিড পৰীক্ষা কৰা হৈছিল। আনহাতে, আজি দিনটোত ১৭ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিছে। ইতিমধ্যে জিলাখনত ৪৬ জন কৰ'না আক্ৰান্তৰ মৃত্যু হৈছে।

### কোকৰাঝাৰত সংক্ৰমিত ৪৬

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত আজি নতুনকৈ ৪৬ জন ক'ভিডত আক্ৰান্ত হৈছে। আজি জিলাখনত ১৬৬৬ জনৰ ৰেপিড এণ্টিজেন আৰু ৪২৭ জনৰ আৰটিপিচিআৰ পৰীক্ষা কৰা হৈছিল। সম্প্ৰতি জিলাখনত ৩৪৬ জনৰ ক'ভিডত আক্ৰান্ত হৈ আছিল।

### গোৱালপাৰাত ১৪১ আক্ৰান্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰাত ২৩৬ জন লোক আৰোগ্য লাভ কৰাৰ বিপৰীতে আজি নতুনকৈ ১৪১ৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে। আজি জিলাখনত ২৮১১ জনৰ পৰীক্ষা কৰা হৈছিল। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত এহেজাৰ লোক ক'ভিডত আক্ৰান্ত হৈ আছে।

### নলবাৰীত ৭৭ পজিটিভ

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰীত আজি ৭৭ জন লোকৰ শৰীৰত কৰ'নাৰ অৱস্থিতি ধৰা পৰিছে। ইয়াকে লৈ জিলাখনত কৰ'নাত আক্ৰান্তৰ সংখ্যা ৫,৪৮২লৈ বৃদ্ধি পালে।

### আজাৰাত ৩৬ আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি ৩৬ জনৰ দেহত ক'ভিড ধৰা পৰিছে। আজি অঞ্চলটোত ৮৭৪ লোকৰ ক'ভিড পৰীক্ষা কৰা হৈছিল।

# বালিপৰাত সুলভ মূল্যৰ দোকানীক হাতে-লোটে ধৰিলে ৰাইজে

## গ্ৰাহকৰ সামগ্ৰী হৰলুকি

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৪ জুন ঃ** বালিপৰা সমবায় সমিতিৰ পৰা আৱণ্টিত সুলভ মূল্যৰ চাউল, চেনি তথা আটা আদি ৰাইজক প্ৰদানৰ নামত সুলভ মূল্যৰ এজেণ্টে চলোৱা মইমতালিৰ বিৰুদ্ধে আজি ৰাইজ সৰৱ হৈ উঠে। ৰাইজক এজেণ্টে কৰি অহা দুৰ্নীতি ফাদিল কৰে। কালি পুৱা ১১ বজাত বালিপৰাৰ পকাবিল আদাবাৰী গাঁৱৰ সুলভ মূল্যৰ দোকানী জগদীশ পাণ্ডিয়াক তেওঁ দীৰ্ঘকাল উপভোক্তা ৰাইজক প্ৰাপ্য চাউলৰ পৰা বঞ্চিত কৰি অহা তথা ভেজাল সামগ্ৰী বিতৰণ কৰাক লৈ জৱাবদিহি কৰাৰ উপৰি ইমানদিনে চলাই অহা দুষ্কাৰ্যৰ ফাদিল কৰে। উল্লেখ্য যে পাণ্ডিয়াৰ মাতৃ ৰত্নী পাণ্ডিয়াৰ নামত অনুজ্ঞাপত্ৰ থকা সুলভ মূল্যৰ এইখন দোকানত প্ৰয়াত গকুল পাল নামৰ আন এজন এজেণ্টৰো সামগ্ৰী আৱণ্টিত হয়। ইতিমধ্যে অনুজ্ঞাপত্ৰ থকা ৰত্নী দেৱীৰ বয়সৰ বাবে তেওঁ সমবায়লৈ অহা-যোৱা কৰিব নোৱাৰে যদিও পাণ্ডিয়াই দোকানখন চলাই আছিল। দুজন এজেণ্টৰ বিপৰীতে দুখন গাঁৱৰ সাতশ লোকক সামগ্ৰী বিতৰণ কৰাৰ নামত প্ৰায়ে নিজ খেয়ালখুচি প্ৰদৰ্শন কৰা দোকানীজনে একোজন ব্যক্তিক আদায় দিবলগীয়া চাউলৰ বিপৰীতে এককিলো দুশ গ্ৰামকৈ চাউল কমাই দিয়ে। আনহাতে, আটাৰ বস্তা খুলি ইয়াত খুদচাউল ভৰাই পৰিমাণ বৃদ্ধি কৰা বুলি উল্লেখ কৰি আজি ৰাইজে লগতে অভিযোগ কৰে যে সমবায়ৰ পৰা অনাৰ পাছত দুই তিনিদিনলৈ চাউল বিতৰণ নকৰা দোকানীজনে আনকি উপভোক্তাক এদিনতে তিনিবাৰকৈ সামগ্ৰী নিবলৈ অহাৰ বাবে বাধ্য কৰে। তৰ্জুত একাষে অধিক পৰিমাণৰ ওজন ব্যৱহাৰ কৰি ৰাইজক ৰামঠগন দিয়া দোকানীৰ কাৰ্যত সন্দেহ হৈ একাশ লোকে সামগ্ৰীসমূহ পুনৰ জুখিবলৈ ক'লেও মান্তি নোহোৱাত আজি বহুসংখ্যক লোকে আন দোকানত তেওঁলোকে লাভ কৰা সুলভ মূল্যৰ চাউল জোখাৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে। এনে অৱস্থাত ঘটনাস্থলীত আৰক্ষী তথা বালিপৰা সমবায় সমিতিৰ সদস্য উপস্থিত হয়। গোমৰ ফাঁক হোৱাৰ পাছতে দোকানী জগদীশ পাণ্ডিয়াই প্ৰথমতে এইবাৰ সমবায়ৰ পৰা চাউল কম পৰিমাণত লাভ কৰা বুলি ক'বলৈ চেষ্টা কৰে যদিও সমবায় সমিতিয়ে সম্পূৰ্ণ চাউল আদায় দিয়া বুলি স্পষ্ট কৰি দিয়ে। ৰাইজে এইজন দুৰ্নীতি পৰায়ণ দোকানীক যাতে সুলভ মূল্যৰ দোকানৰ মাতৃৰ নামত থকা অনুজ্ঞাপত্ৰ হস্তান্তৰ কৰা নহয় তাৰ বাবে দাবী জনায়। ইয়াৰ পাছতেই চাৰিদুৱাৰ আৰক্ষীয়ে দোকানখনত মজুত থকা চাউলকে ধৰি অন্যান্য সামগ্ৰী, তৰ্জু আদি জব্দ কৰাৰ লগতে জগদীশ পাণ্ডিয়াকো আটক কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও দোকানীজনৰ বিৰুদ্ধে এনে ধৰণৰ কাৰ্য সংঘটিত কৰাৰ অভিযোগ আছিল যদিও ৰহস্যজনকভাৱে অসামৰিক যোগান বিভাগে তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল।

# পশ্চিম গোৱালপাৰাৰ প্ৰাক্তন বিধায়ক এ বি এছ জোদ্দাৰৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ জুন ঃ** গোৱালপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় কমিটীৰ প্ৰাক্তন সভাপতি আবুবক্কৰ ছিদ্দিক জোদ্দাৰ (৫৬)ৰ কালি পুৱা ১০-৪৫ বজাত গোৱালপাৰা চহৰৰ চোলেছ হাস্পতালত মৃত্যু হয়। উল্লেখ্য যে ১৯৬৫ত গোৱালপাৰা পশ্চিম সমষ্টিৰ জয়পুৰত জন্মগ্ৰহণ কৰা জোদ্দাৰে জয়পুৰ বেছিক এল পি স্কুলৰ পৰা শৈক্ষিক যাত্ৰা আৰম্ভ কৰে। পাছত গুৱাহাটীৰ পৰা বি কম পৰীক্ষাত উত্তীৰ্ণ হৈ ছাত্ৰ সংগঠন আমছুলৈ মন মেলে আৰু পৰৱৰ্তী সময়ত আমছুৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি হয়। তাৰ পাছতেই প্ৰত্যক্ষ ৰাজনীতিত যোগদান কৰি ১৯৯৬ত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। জিলা কংগ্ৰেছৰ উপ-সভাপতি পদকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থকা প্ৰাক্তন বিধায়কজনৰ মৃত্যুত পশ্চিম গোৱালপাৰাত শোকৰ ছাঁ পৰিছে। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা প্ৰাক্তন বিধায়কজন কালি হঠাৎ অসুস্থ হৈ পৰে। ততাতৈয়াকৈ তেওঁক গোৱালপাৰা চহৰৰ চোলেছ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে কালি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। সদা হাস্যবদনৰ লোকজনে মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা, নাতি-নাতিনী আৰু অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়। প্ৰাক্তন বিধায়কজনৰ মৃত্যুত বিভিন্ন দল-সংগঠনৰ লগতে সমষ্টিটোৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডলে গভীৰ শোক প্ৰকাশ কৰিছে।

# ধুবুৰীত শীঘ্ৰে কাৰ্যক্ষম হ'ব আৰ টি পি চি আৰ পৰীক্ষাৰ লেবৰেট'ৰী

## জলসম্পদ বিভাগৰ কাম-কাজ খৰতকীয়া কৰাৰ নিৰ্দেশ উপায়ুক্তৰ

**ধুবুৰী, ৪ জুন ঃ** আগন্তুক এক-ডেৰ মাহৰ ভিতৰত ধুবুৰীত আৰ টি পি চি আৰ পৰীক্ষাৰ লেব'ৰেটৰী কাৰ্যক্ষম হৈ উঠিব। জিলা ঔষধ পণ্যাগাৰৰ ওপৰ মহলাত লেবৰেট'ৰীটোৰ নিৰ্মাণকাৰ্য চলি আছে। পৰহি এখন সংবাদমেলত ধুবুৰীৰ জিলা উপায়ুক্ত অম্বামুথন এম পিয়ে এই কথা সদৰী কৰে। উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সংবাদমেলত উপায়ুক্ত এম পিয়ে কয় যে আগন্তুক ছমাহৰ ভিতৰত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। ইতিমধ্যে নিৰ্মাণকাৰ্য প্ৰায়খিনি হৈ উঠিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত অসমৰ কাৰ্যবাহী সঞ্চালকে ইতিমধ্যে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কাম-কাজ বুজ লৈ গৈছে। তেওঁ পুনৰ কয় যে ধুবুৰীত বৰ্তমান প্ৰতিষেধকৰ কোনো নাটনি নাই আৰু প্ৰতিষেধক প্ৰদান সুচাৰুৰূপে চলি আছে। ধুবুৰীত থকা তিনিখন চাহ বাগিচাৰ শ্ৰমিকক অনলাইন পঞ্জীয়ন নকৰাকৈ প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰা বুলি উপায়ুক্তগৰাকীয়ে সদৰী কৰে। আনহাতে, শীঘ্ৰে গ্ৰামাঞ্চলৰ ঘৰে ঘৰে গৈ ক'ভিড লক্ষণযুক্ত ৰোগী চিনাক্ত কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি সদৰী কৰে জিলা উপায়ুক্তই। এই কাম বিগত বৰ্ষতো কৰা হৈছিল আৰু সেয়ে ইয়াক এইবাৰ ব্যৱহাৰ কৰা হ'ব। বান নিয়ন্ত্ৰণৰ বাবে জলসম্পদ বিভাগৰ কাম-কাজ খৰতকীয়া কৰিবলৈ নিৰ্দেশ দিয়া বুলি সদৰী কৰে উপায়ুক্তই কৰ'না মহামাৰী আৰু বান নিয়ন্ত্ৰণৰ কামত প্ৰশাসন ব্যস্ত থকাৰ সময়ত জিলাখনৰ আন আন উন্নয়নমূলক কামবোৰ যাতে স্তব্ধ নহয় তাৰ প্ৰতি চকু ৰখা বুলি কয় নৱনিযুক্ত উপায়ুক্তজনে। তেওঁ ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি পথ নিৰ্মাণৰ কামবোৰৰ শীঘ্ৰে পৰ্যালোচনা কৰিব বুলি সদৰী কৰে। ছিণ্ডিকেটকে ধৰি কোনো ধৰণৰ অবৈধ কাৰ্যকলাপ ধুবুৰীত চলিবলৈ দিয়া নহ'ব বুলি সংবাদমেলত স্পষ্ট কৰি দিয়ে উপায়ুক্তগৰাকীয়ে।



*লাহৰীঘাটত ধৃত চাৰি জুৱাৰী, শুকুৰবাৰে।*

# বিশিষ্ট সমাজকৰ্মী-প্ৰাক্তন সৈনিক যাদৱ দাসৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৪ জুন ঃ** বাগ্সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম খাগ্ৰাবাৰী (পূব খৰাচুবা) নিৱাসী সমাজকৰ্মী তথা প্ৰাক্তন ভাৰতীয় সৈনিক যাদৱ দাস (৫০)ৰ পৰহি পুৱা ৮-৩০ বজাত মৃত্যু হয়। কিছুদিন ধৰি বৰপেটাস্থিত ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল দাস। তেওঁ অবড়ো সুৰক্ষা সমিতিৰ জালাহ আঞ্চলিকৰ সম্পাদকৰ উপৰি পশ্চিম খাগ্ৰাবাৰী বুঢ়াগোহাঁই কীৰ্তনঘৰৰ সম্পাদকক দায়িত্বতো আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।

# ভৱানীপুৰত পথ নিৰ্মাণ-প্ৰতিষেধকৰ পৰিমাণ বৃদ্ধিৰ সমৰ্থনত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৪ জুন ঃ** ভৱানীপুৰৰ কৰাগাড়ী গাঁৱৰ পহুমাৰা আঞ্চলিক বজাৰৰ মাজেৰে যোৱা পথৰ দুৰৱস্থালৈ সমূলি আওকাণ কৰা চৰকাৰী লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে কালি সৰৱ হৈ পৰে টিচু, কৃষক সভা, এছ এফ আই আৰু ষ্টুডেণ্ট ইছলামিক অৰ্গেনাইজেছন অৰ্থাৎ এছ আই অ' সংগঠনসমূহ। পুৱা ১১ বজাত উক্ত সংগঠনসমূহৰ বিষয়ববীয়া আৰু সদস্যসকলে পহুমাৰা বজাৰৰ মাজমজিয়াত বোকা-পানীৰ মাজত থিয় হৈ পহুমাৰা আঞ্চলিক বজাৰৰ পথৰ দুৰৱস্থাৰ অতি শীঘ্ৰে সমাধান কৰাৰ পাছত প্ৰতিষেধকৰ পৰিমাণ বৃদ্ধি, ৰাজ্যৰ কৃষকৰ উৎপাদিত ফচলৰ ন্যায্য দাম পোৱাৰ ব্যৱস্থা, ক'ভিড জৰ্জৰ পৰিস্থিতিৰ মাজত দুখীয়া ছাত্ৰ-ছাত্ৰীক সাহায্য প্ৰদান আৰু এনৰেগা আৰু গাঁও পঞ্চায়তৰ অধীনস্থ কামসমূহৰ সঠিক ৰূপায়ণ আৰু দুৰ্নীতিমুক্ত কৰাৰ দাবী জনায়। উল্লেখ্য চৰকাৰী গড়কাপ্তানী বিভাগৰ পাঠশালা গ্ৰাম্য পথ সংমণ্ডলৰ অধীনস্থ ৰাজাখাটৰ পৰা সৰু টাপাৰ বি বি ৰোড সংযোগী প্ৰায় ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ সাতবছৰ প্ৰায় নিৰ্মিত পকী পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পৰৱৰ্তী বছৰটোৰ পৰাই ওপৰৰ অংশসমূহ এৰাই যাবলৈ আৰম্ভ কৰে। স্থানীয় ৰাইজে পথছোৱা সঠিকভাৱে নিৰ্মাণ নকৰাৰ বাবেই পথছোৱাৰ এনে দুৰৱস্থা হোৱা বুলি অভিযোগ কৰে। সংশ্লিষ্ট বিভাগ আৰু ঠিকাদাৰে বুজাবুজিৰ জৰিয়তে পথ নিৰ্মাণত বৃহৎ পৰিমাণৰ ধনৰ হৰলুকি কৰাৰ বিষয়েও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে পথছোৱাৰ প্ৰায় সমীপৰে পহুমাৰা নদী বৈ যোৱা কাৰণেও সততে অঞ্চলটো পহুমাৰা নদীৰ বানৰ কবলত পৰা বুলিও স্থানীয় ৰাইজে কয়। আনহাতে, নিৰ্মাণৰ দিন ধৰি পথছোৱা বিভাগটোৱে কোনোদিনেই মেৰামতি নকৰাৰো অভিযোগ তোলে অঞ্চলটোৰ কে'বাগৰাকী স্থানীয় বাসিন্দাই। প্ৰতিবাদী কাৰ্যসূচী সমাপ্তিৰ পূৰ্বে প্ৰতিবাদত অংশগ্ৰহণকাৰী ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ প্ৰাক্তন সভাপতি তথা গণতান্ত্ৰিক আন্দোলনৰ নেতা চিত্তৰঞ্জন দাস, ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ সম্পাদক বিশ্বজিৎ পাঠক আৰু এছ আই অ'ৰ বৰপেটা জিলা কমিটীৰ সম্পাদক চানোৱাৰ ৰহমানে পথৰ বোকা-পানীৰ মাজতে থিয় হৈ অতি শীঘ্ৰেই পথছোৱা নিৰ্মাণ কৰাৰ দাবী



জনাই ভাষণ আগবঢ়ায়। লোকনিৰ্মাণ বিভাগে যদি পথছোৱাৰ নিৰ্মাণৰ কাম অতি শীঘ্ৰেই আৰম্ভ নকৰে, তেনেহ'লে তেওঁলোকে অতি শীঘ্ৰেই গণতান্ত্ৰিক আন্দোলন সংগঠিত কৰি তোলাৰো সকীয়নি দিয়ে। উল্লেখ্য যে গুৰুত্বপূৰ্ণ এই পথছোৱাক কৰাগাড়ী গাঁও, কৰাগাড়ী পথাৰ, নকুছি পথাৰ, দাতিৰবড়ী, চাপাৰবড়ী, ফিঙুৱা আদি গাঁৱৰ ৰাইজে ভৱানীপুৰ, বৰপেটা নাইবা অন্যান্য ঠাইসমূহলৈ অহা-যোৱাৰ বাবে অঞ্চলটোৰ ৰাইজে সততে হ্ৰস্ব-দৈৰ্ঘ্যৰ পথ হিচাপে ব্যৱহাৰ কৰি আহিছে। বাৰিষা আহিলেই পথছোৱাৰে যাতায়াত বন্ধ হৈ পৰে আৰু বিকল্প পথৰ জৰিয়তেহে ৰাইজে কে'বা কিলোমিটাৰ পথ অতিক্ৰম কৰি গন্তব্যস্থললৈ যাবলগীয়া হয়। তদুপৰি সমষ্টিটোৰ এ আই ইউ ডি এফ দলৰ প্ৰাক্তন বিধায়ক আবুল কালাম আজাদেও তেওঁৰ কাৰ্যকালত পথছোৱাৰ উন্নয়নৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থাই গ্ৰহণ নকৰাৰ কথা কৈ স্থানীয় কে'বাগৰাকী ব্যক্তিয়ে প্ৰাক্তন বিধায়কজনৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰে। স্থানীয় ৰাইজে জনপ্ৰতিনিধিজনক এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

# কামপুৰত নিৰ্মীয়মাণ কপিলী দলং পৰিদৰ্শন বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ৪ জুন ঃ** কামপুৰত কপিলী নদীৰ ওপৰত নতুনকৈ নিৰ্মাণ কৰি থকা পকী দলঙৰ কাম-কাজ অগ্ৰগতি সম্পৰ্কে বুজ লোৱাৰ উদ্দেশ্যে যোৱা তিনি মে'ত উপস্থিত হয় বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী। উল্লেখ্য যে ব্ৰিটিছৰ দিনতে কপিলী নদীৰ ওপৰত থকা পুৰণি দলংখন দুৰ্বল হৈ পৰাত তাৰ কাষতে আন এখন নতুন দলং নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। বৰ্তমান উক্ত দলংখনৰ নিৰ্মাণকাৰ্য প্ৰায় ৫০ শতাংশ সম্পূৰ্ণ হৈছে যদিও কে'বাটাও বানপানী হোৱাৰ ফলত ডেৰবছৰ ধৰি বিশেষভাৱে কাম আগবঢ়াব পৰা হোৱা নাছিল। ২০১৯তে নিৰ্মাণকাৰ্য আৰম্ভ কৰা দলংখনৰ কাম বৰ্তমান পূৰ্ণগতিত চলাই থকা হৈছে। বঢ়মপুৰ সমষ্টিৰ বিধায়কজনে আজি বিভাগীয় বিষয়া-কৰ্মচাৰী লগত লৈ দলংখনৰ কাম-কাজৰ তদাৰক কৰে আৰু অহা ২০২২ৰ ১৫ আগষ্টৰ ভিতৰত দলংখন সম্পূৰ্ণ কৰি তোলা হ'ব বুলি জানিবলৈ দিয়ে। আনহাতে, কপিলী নদীৰ ওপৰত থকা পুৰণি দলংখনৰ উন্নত কৰাৰ লগতে দুয়োপাৰে আটক ধুনীয়াকৈ পাৰ্ক বনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইফালে ৰাইজৰ অভাৱ-অভিযোগৰ বুজ লোৱাৰ উদ্দেশ্যে প্ৰতি দেওবাৰে কামপুৰীয়া ৰাইজৰ স'তে মিলিত হ'ব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# ১৯ বছৰে বিনা বেতনে সেৱা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষই ল'লে অৱসৰ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শক্তিআশ্ৰম অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী তথা শক্তিআশ্ৰম স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ অধ্যক্ষ। নাম ড° পৰেশ চন্দ্ৰ ৰায়। শক্তিআশ্ৰম অঞ্চলৰ এখন চিনাকি মুখ। ড° ৰায় সৰুৰে পৰা আৰ্থিক দৈন্যৰ মাজেৰে ডাঙৰ-দীঘল হোৱা, যাৰ পিন্ধনত শক্তিআশ্ৰম অঞ্চলবাসী ৰাইজে আজিলৈকে কেৱল প্ৰত্যক্ষ কৰিছে সাধাৰণ বিশেষ ৰঙৰ পোছাক এযোৰ। আজিৰ পৰা ১৯ বছৰ পূৰ্বে এইজন অধ্যক্ষই কৰ্মসূত্ৰে প্ৰৱেশ কৰিছিল কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শক্তি আশ্ৰম উচ্চতৰ মাধ্যমিক আৰু কাৰিকৰী বিদ্যালয়ৰ এগৰাকী বিষয় শিক্ষক হিচাপে। কিন্তু গাঁৱৰ দৰিদ্ৰ ল'ৰা-ছোৱালীসকলৰ বাবে শক্তিআশ্ৰম অঞ্চলত এখন উচ্চ শিক্ষানুষ্ঠান গঢ় দিয়াৰ স্বাৰ্থত ড° ৰায় নামৰ শিক্ষকজনে বিগত ২৭ টা বছৰে জড়িত হৈ আহিছিল শক্তিআশ্ৰম স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ স'তে। ভেন্সাৰ হিচাপে আৰম্ভ কৰা স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ কামৰ স্বাৰ্থতেই পাছত শিক্ষকজনে শক্তিআশ্ৰম উচ্চতৰ মাধ্যমিক আৰু কাৰিকৰী বিদ্যালয়ৰ অসমীয়া বিভাগৰ বিষয় শিক্ষকৰ লোভনীয় চাকৰিটো এৰি দিবলগীয়াত পৰে আৰু স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে আজিৰ পৰা আঠ বছৰ পূৰ্বে ভেন্সাৰৰ পৰা চৰকাৰীকৰণ হৈছিল কোকৰাঝাৰ জিলাৰ এই শক্তিআশ্ৰম স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়খন। তেওঁৰ কাৰ্যকালত অদ্যাপি কোকৰাঝাৰৰ লগতে বিভিন্ন প্ৰান্তৰ বহু ল'ৰা-ছোৱালীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে এইখন মহাবিদ্যালয়ৰ পৰা, কিন্তু দুখৰ বিষয় ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্ত মৰ্মে নতুন শিক্ষানীতি অনুসৰি অধ্যক্ষৰ বাবে প্ৰয়োজনীয় সকলো অৰ্হতা থকাৰ পাছতো যোৱা ৩১ মে'ত চৰকাৰী দৰমহা পোৱাৰ পৰা বঞ্চিত হৈ একমাত্ৰ ত্যাগ স্বীকাৰেৰে শক্তিআশ্ৰম স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা অৱসৰ ল'লে নিষ্ঠাবান অধ্যক্ষজনে।

# ক'ভিডত মৃত গোৱালপাৰাৰ জ্যেষ্ঠ সাংবাদিক আশ্ৰাফুল আলমলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ জুন ঃ** গোৱালপাৰা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক উপ-সভাপতি তথা জ্যেষ্ঠ সাংবাদিক আশ্ৰাফুল আলমৰ মৃত্যুত পৰহি গোৱালপাৰা প্ৰেছ ক্লাৱে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। উল্লেখ্য যে ক'ভিড-১৯ত আক্ৰান্ত হোৱা জ্যেষ্ঠ সাংবাদিকজনে যোৱা ৩১ মে'ৰ নিশা চিকিৎসাধীন অৱস্থাতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰে। কালি প্ৰয়াত সাংবাদিকগৰাকীৰ আত্মাৰ চিৰশান্তিৰ কামনাৰ বাবে চহৰৰ বিঅ'চিত গোৱালপাৰা প্ৰেছ ক্লাৱে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। প্ৰয়াত সাংবাদিক আলমৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰেছ ক্লাবৰ সম্পাদক ৰপ্তাৰুল ইছলামে। ইয়াৰ লগে লগে প্ৰেছ ক্লাবৰ প্ৰতিজন সদস্যই পুষ্পৰে সাংবাদিকগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে গোৱালপাৰা জিলা আপকু'ৰ সম্পাদক মনোজ কুমাৰ দাস, সাংবাদিক কৰ্ম পৰিষদ গোৱালপাৰা জিলা কমিটীৰ সম্পাদক কন্দৰ্প নাথ আৰু ডি ৱাই এফ আই'ৰ সম্পাদক পাৰভেজ আলীও কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰয়াত সাংবাদিকগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# বিটিআৰ চুক্তি ৰূপায়ণ, শিক্ষক নিযুক্তিৰ বাবে তৎপৰতা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৪ জুন ঃ** চিৰাঙত এবছু আৰু বিটিআৰ প্ৰশাসনৰ পৰহি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হ'ব। চিৰাঙত বিটিআৰ চুক্তি ৰূপায়ণ, বিটিআৰৰ শিক্ষা আৰু বিদ্যালয় প্ৰাদেশীকৰণ আদি বিভিন্ন বিষয় লৈ নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতৃত্বৰে বিটিআৰ প্ৰশাসনৰ সভা অনুষ্ঠিত হয়। উক্ত সভাত চিৰাঙৰ ঢালিগাঁওস্থিত বঙাইগাঁও শোধনাগাৰ উপনগৰীৰ মানাস অতিথিশালাত অনুষ্ঠিত সভাত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়ো, সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীসহ কে'বাজনো নেতাৰ লগতে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিআৰৰ দুজনকৈ সচিব ক্ৰমে নৰেন চন্দ্ৰ বসুমতাৰী, শিক্ষা সঞ্চালক জগদীশ চন্দ্ৰ ব্ৰহ্মও উপস্থিত থাকে।

সভাৰ অন্তত এবছুৰ সভাপতি বড়োৱে সংবাদমেল সম্বোধন কৰি কয় যে বিটিআৰ প্ৰশাসনৰ স'তে বিটিআৰৰ শিক্ষাৰ স'তে সম্পৰ্ক থকা বিভিন্ন সমস্যা আৰু বিটিআৰ চুক্তি ৰূপায়ণ, বিদ্যালয় প্ৰাদেশীকৰণ আদি বিষয় লৈ আলোচনা কৰা হয়। সভাত অসম বিধানসভাৰ জুলাই অধিবেশনৰ পূৰ্বেই সকলো বিষয় প্ৰস্তুতৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বড়ো ভাষা অসমৰ সহযোগী ভাষাৰ স্বীকৃতি লাভৰ পাছত বড়ো ভাষা অসমীয়া ভাষাৰ লগে লগে লিখাৰ আহ্বান জনায় বড়োৱে। টেট শিক্ষক নিযুক্তি, বিদ্যালয় প্ৰাদেশীকৰণ, খালী পদ পূৰণ আদিৰ লগতে বিটিআৰ চুক্তি অনুসৰি হ'বলগীয়া প্ৰতিষ্ঠানসমূহ সোনকালে স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে কয় যে এবছুৰ স'তে বিটিআৰ চুক্তি সন্দৰ্ভত সভা অনুষ্ঠিত হয়। সভাত বিটিআৰৰ আওতাত থকা বিষয়সমূহ তৎকালীনভাৱে সমাধানৰ কথা জনায় বড়োৱে। তেওঁ লগতে কয় যে বিটিআৰৰ ভিতৰত জনগোষ্ঠীয় ভাষা শিক্ষাৰ যেনে চাওতালী, নেপালী, ৰাভা আদিৰ শিক্ষক নিযুক্তিৰ বিষয়ে আলোচনাৰে আগবাঢ়িছে। ৰাজ্য চৰকাৰৰ স'তে বিষয়টো আলোচনা মৰ্মে আগবঢ়া হ'ব বুলি কয়। বিদ্যালয় প্ৰাদেশীকৰণৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ বিটিআৰ চুক্তিৰ ৬.৩ অনুচ্ছেদ অনুসৰি আগবাঢ়ি যোৱা বুলি কয় বড়োৱে। তেওঁ লগতে কয় যে স্বনিৰ্ভৰশীলতাৰ ওপৰত অনুষ্ঠান, নিচাসক্তসকলৰ বাবে প্ৰতিখন জিলাত একোখনকৈ অনুষ্ঠান কৰাৰ বিষয়েও বড়োৱে উল্লেখ কৰে।

# ৰাইজ উপকৃত হ'ব পৰাকৈ আঁচনি গ্ৰহণত গুৰুত্ব আৰোপ

## বিধানসভাৰ অধ্যক্ষ, জলসিঞ্চন, গড়কাপ্তানী, জনস্বাস্থ্য কাৰিকৰী আৰু জলসম্পদ বিভাগৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৪ জুন ঃ** ওদালগুৰি জিলাৰ টংলাস্থিত জলসিঞ্চন সংমণ্ডল কাৰ্যালয়ত পৰহি বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীৰ স'তে জলসিঞ্চন, গড়কাপ্তানী, জনস্বাস্থ্য কাৰিকৰী আৰু জলসম্পদ বিভাগৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বিভিন্ন বিভাগসমূহৰ জৰিয়তে ৰূপায়ণ হোৱা আঁচনিসমূহৰ অগ্ৰগতি আৰু নতুন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ল'বলগীয়া পৰিকল্পনা সম্পৰ্কে উক্ত বিভাগসমূহৰ সন্মানীয় মুৰব্বীসকলৰ স'তে আলোচনাত মিলিত হয়। অধ্যক্ষ দৈমাৰীয়ে সংশ্লিষ্ট বিভাগসমূহক ৰাইজক উপকৃত কৰিব পৰাকৈ আঁচনি গ্ৰহণত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ বিশুদ্ধ খোৱা পানীৰ ক্ষেত্ৰত জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত খোৱাপানীৰ ক্ষেত্ৰত ৰাইজৰ সমস্যা দূৰ কৰিবলৈ বৃহৎ পানী যোগান আঁচনি ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা নামেশ্বৰ তায়ুং আৰু কনিষ্ঠ অভিযন্তা নগেন্দ্ৰ ভাৰতীয়ে জনস্বাস্থ্য কাৰিকৰী বিভিন্ন আঁচনিৰ প্ৰকল্প উপস্থাপন কৰে। সেইদৰে টংলা জলসিঞ্চন সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতা আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা ধনেশ্বৰ বড়োৰ স'তে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে জলসিঞ্চন আঁচনিৰ বিভিন্ন প্ৰকল্প সম্পৰ্কে বিষদভাৱে আলোচনা কৰে। দৈমাৰীয়ে জিলাখনৰ কৃষক ৰাইজৰ স্বাৰ্থত পৰিকল্পিতভাৱে ক্ষুদ্ৰ আৰু বৃহৎ জলসিঞ্চন আঁচনি ৰূপায়ণত জলসিঞ্চন বিভাগক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে দৈমাৰীয়ে জিলা জলসম্পদ উন্নয়ন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা উৎপল হাজৰিকা আৰু কনিষ্ঠ অভিযন্তা যুগল ডেকাৰ স'তে জিলাখনত জলসম্পদ উন্নয়নৰ বিভাগীয় কাম-কাজৰ খতিয়ান লোৱাৰ লগতে সম্ভাব্য আঁচনিসমূহৰ বিষয়েও পৰ্যালোচনা কৰে। ইয়াৰ উপৰি ওদালগুৰি জিলা গড়কাপ্তানী বিভাগৰ বিষয়াসকলৰ স'তে জিলাখনৰ নিৰ্মীয়মাণ বাট-পথৰ লগতে নতুনকৈ ৰূপায়ণ কৰিবলগীয়া বাট-পথ সম্পৰ্কে আলোচনা কৰে। ইয়াৰ উপৰি টংলা জলসিঞ্চন সংমণ্ডল ঠিকাদাৰ সন্থাই বিশ্বজিৎ দৈমাৰীক সৌজন্যমূলক সাক্ষাৎ কৰি বিভাগীয় ঠিকাদাৰসকলে পাবলগীয়া ধন মোকলাই দিয়াৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ আহ্বান জনায়।

# চৰকাৰী সম্পত্তিৰ ক্ষতিসাধনকাৰীক কঠোৰ শাস্তিৰ দাবী

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৪ জুন ঃ** হোজাই জিলাৰ উদালী আদৰ্শ চিকিৎসালয়ৰ ক'ভিড চেণ্টাৰত মঙলবাৰে লংকাকাণ্ড সংঘটিত কৰা ব্যক্তিসকলৰ বৰ্বৰতা কাৰ্যক সদৌ অসম আমোলা সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিছে। সদৌ অসম আমোলা সন্থাৰ সভাপতি দিলীপ কোঁৱৰ আৰু সাধাৰণ সম্পাদক সত্য নাৰায়ণ ৰায়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত চিকিৎসালয়ৰ কৰ্তব্যৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতি, নাৰ্ছ, চিকিৎসাকৰ্মীৰ ওপৰত মাৰধৰ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে কয় যে হোজাই জিলা প্ৰশাসনে এই কাৰ্যত লিপ্ত থকা ব্যক্তিসকলক চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰি চৰকাৰী সম্পত্তিৰ ক্ষতিপূৰণ বিহিব লাগে, যাতে ভৱিষ্যতে এনে কাৰ্যৰ পৰা সকলো পক্ষই বিৰত থাকে। সেইদৰে ভৱিষ্যতৰ দিনত অসমত এনে ঘটনা সংঘটিত কৰাৰ পৰা বিৰত থাকিবলৈ সকলো ৰাইজক সন্থাই অনুৰোধ জনায়। আনহাতে, ঘটনাত আহত চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীকলৰ সোনকালে আশু আৰোগ্য লাভৰ কামনা কৰে।

# ক'ভিড কালত আৰক্ষীৰ নিৰ্যাতনৰ বলি আব্দুল

## লাগে উন্নত চিকিৎসা-সহায়

**আলোপতি, ৪ জুন ঃ** ক'ভিডৰ প্ৰথম আৰু দ্বিতীয় ঢৌত চৰকাৰৰ নীতি-নিৰ্দেশনা অৱমাননা কৰা একাংশৰ বিৰুদ্ধে সমগ্ৰ দেশজুৰি আৰক্ষী প্ৰশাসনে কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। নীতি-নিৰ্দেশনা অৱমাননা কৰা একাংশৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে এনে শাৰীৰিক নিৰ্যাতনৰ বাবেই কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ বদলা গাঁৱৰ আব্দুল ৰহমান (৫০) নামৰ এজন শ্ৰমিক চিৰদিনৰ বাবে ঘুনীয়া হ'বলগীয়া হোৱাৰ অভিযোগ উত্থাপন হৈছে। ৰহমানে 'দৈনিক অগ্ৰদূত'ক সদৰী কৰা মতে বিগত বৰ্ষত তেওঁ ৰাজমিস্ত্ৰি কাম কৰিবলৈ গৈছিল ওদালগুৰি জিলাৰ মৌচিটা গাঁৱলৈ। ক'ভিড পৰিস্থিতিৰ বাবে হঠাৎ দেশজুৰি তলাবন্ধ ঘোষণা কৰাত শ্ৰমিকজন তাতেই আৱদ্ধ হৈ পৰে। তলাবন্ধ চলি থকাৰ মাজতে ৰহমানে ওচৰতে বজাৰ কৰিবলৈ গৈ এখন হোটেলত চাহ খাবলৈ ধৰোঁতে আৰক্ষীয়ে দোকানৰ ভিতৰত থকাসকলক প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰে। আৰক্ষীৰ পিটনত ফৰিং ছিটিকা পলাবলৈ লওঁতেই ৰহমান সোঁভৰিৰ নিম্ন অংশত বেয়াকৈ আঘাতপ্ৰাপ্ত হয়। ৰহমানক স্থানীয় চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি ঘৰলৈ পঠিওৱা হয় যদিও আজি তেওঁ পংগু হৈ পৰিছে। নিজৰ নামত থকা একমাত্ৰ মাটি বিক্ৰী কৰি চিকিৎসা গ্ৰহণ কৰে যদিও সেই চিকিৎসাত সুফল নাপালে। সম্প্ৰতি লাখুটিৰ ভৰত কোনোমতে চলাচল কৰিব পৰা ৰহমানে কোনো কাম-বন কৰিব নোৱাৰে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ৰহমানৰ এনে পংগুত্বৰ বাবেই পৰিয়ালটোৱে অভাৱত বাট নেদেখা অৱস্থাত পৰিছে। ছজনীয়া পৰিয়ালটোৱে অনাহাৰে-অনিদ্ৰাই দিন কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। অভাৱৰ বাবেই ৰহমানৰ তিনি কন্যা আৰু একমাত্ৰ পুত্ৰৰ শৈক্ষিক জীৱনো আধাতে সামৰণি পৰাৰ উপক্ৰম হৈছে। পংগু হৈ পৰা লোকজনক উন্নত চিকিৎসাৰে সুস্থ কৰিব পাৰিলেহে পৰিয়ালটোৰ এনে দুৰ্যোগৰ অন্ত পৰিব বুলি স্থানীয় লোকসকলে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে। পৰিয়ালটোৰ ভৱিষ্যতৰ পিনে লক্ষ্য কৰি ব্যক্তিজনৰ উন্নত চিকিৎসাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে ভুক্তভোগী পৰিয়ালটোৱে। তদুপৰি হৃদয়বান ব্যক্তিসকলে ৰহমানৰ উন্নত চিকিৎসাৰ বাবে তেওঁৰ পত্নী ছুফিয়া খাতুনৰ নামত থকা ভাৰতীয় ষ্টেট বেংকৰ ৩৬০১৬০৬৩৫৮১ নম্বৰৰ একাউণ্ট (আই এফ এছ চি এছ বি আই এন০০০৭৩৮৯) যোগে বা পৰিয়ালৰ ৬০০২২০২০৮৩ নম্বৰত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

# অবৈধ সুৰা জব্দ ঃ গ্ৰেপ্তাৰ এক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৪ জুন ঃ** যোৱা দুই জুনৰ নিশা হোজাইৰ ঠিকাদাৰ বস্তিৰ এখন গেলামালৰ দোকানৰ পৰা বৃহৎ সংখ্যক অবৈধ বিলাতী সুৰা জব্দ কৰাৰ লগতে এজনক আটক কৰে। ঠিকাদাৰ বস্তিৰ জুলন সৰকাৰৰ গেলামালৰ দোকানত অবৈধভাৱে মজুত কৰি বিক্ৰী কৰি থকাৰ সময়ত সাত কাৰ্টন বিলাসী সুৰা আৰক্ষীয়ে জব্দ কৰাৰ লগতে জুলন সৰকাৰক গ্ৰেপ্তাৰ কৰে। হোজাই চহৰৰ অনুজ্ঞাপত্ৰ থকা সুৰা বিপণীৰ পৰা পূৰ্বতে ক্ৰয় কৰি ধৃত জুলনে চৰা দামত বিক্ৰী কৰি আহিছিল। দীৰ্ঘদিনৰ পৰা কৰি অহা এই ব্যৱসায়ৰ তথ্য যোৱা ২৯ মে'ত আৰক্ষীয়ে লাভ কৰি অভিযান চলাই বৃহৎ পৰিমাণৰ সুৰাৰ লগতে জুলনক গ্ৰেপ্তাৰ কৰে।



# কাইলৈৰ পৰা সান্ধ্য আইন আৰম্ভ এক

*এক পৃষ্ঠাৰ পৰা* দুপৰীয়া ১২ বজাৰ পৰিৱৰ্তে এক বজাৰ পৰা পিছদিনা পুৱা পাঁচ বজালৈ সান্ধ্য আইন বলৱৎ হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত পুৱা ১১ বজাৰ পৰিৱৰ্তে ১২ বজাত বন্ধ হ'ব সকলো দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠান। এই নিয়মৰ লগত সংগতি ৰাখি হোটেল, ৰেস্তোৰাঁ, ধাবা আদি ১২ বজাতে বন্ধ কৰিব লাগিব। অৱশ্যে তাৰ পাছত অনলাইন হোম ডেলিভাৰী কৰিব পাৰিব। শীতল গৃহ আৰু ৱেৰহাউছ ১২ বজাৰ পাছতো খোলা ৰাখিব পাৰিব; কিন্তু তাত থকা বিক্ৰী কেন্দ্ৰ ১২ বজাত বন্ধ হ'ব। ইপিনে, চৰকাৰী-বেচৰকাৰী সকলো কাৰ্যালয় অহা ১৫ জুনলৈ বন্ধ থাকিব বুলিও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। অৱশ্যে জৰুৰী আৰু অত্যাৱশ্যকীয় কামৰ বাবে চৰকাৰী কাৰ্যালয়ত উপ-সচিবৰ পৰা উৰ্ধ্বতন বিষয়াসকল চৰকাৰী কাৰ্যালয়লৈ যাব পাৰিব। বেচৰকাৰী খণ্ডতো নিৰ্দিষ্ট সংখ্যক বিষয়া-কৰ্মচাৰীহে কাৰ্যালয়ত উপস্থিত হ'ব পাৰিব।

আন্তঃজিলা যাতায়াত অৱশ্যে বৰ্তমানৰ দৰেই নিষিদ্ধ থাকিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

# নিৰ্বাচনী বুজাবুজি-নেতৃত্বৰ মাজত সমন্বয়ৰ

*এক পৃষ্ঠাৰ পৰা* হৈছে। দলৰ পৰাজয়ৰ কাৰণসমূহ দাঙি ধৰা হৈছে এই প্ৰতিবেদনত। ইপিনে, পশ্চিমবংগত শোচনীয় পৰাজয়ৰ কাৰণ সম্পৰ্কীয় আলোচনা অব্যাহত আছে। অশোক চহ্বনৰ নেতৃত্বত গঠিত কমিটীয়ে এই প্ৰতিবেদনত নিৰ্বাচনী মিত্ৰতা, প্ৰচাৰৰ ত্ৰুটি, ৰাজ্যৰ শীৰ্ষ নেতাসকলৰ দায়িত্ব, তেওঁলোকৰ কাম-কাজৰ ত্ৰুটি আদি দিশসমূহ সন্নিবিষ্ট কৰা বুলি সূত্ৰত প্ৰকাশ। সূত্ৰত প্ৰকাশ যে চহ্বন কমিটীৰ প্ৰতিবেদন দাখিলৰ পাছত কংগ্ৰেছৰ সৰ্বোচ্চ ক্ষমতাযুক্ত কংগ্ৰেছ ৱৰ্কিং কমিটীত এই বিষয়ক লৈ আলোচনা হ'ব। তাৰ পাছত সাংগঠনিক ৰদ-বদল আৰম্ভ হ'ব। প্ৰকৃতাৰ্থত পাঁচখন ৰাজ্যৰ ভিতৰত তিনিখনৰ বিধানসভা নিৰ্বাচনী প্ৰতিবেদন দাখিলৰ পাছতে সংগঠনত ৰদ-বদল আৰম্ভ হৈছে। কংগ্ৰেছৰ সংখ্যালঘু কোষৰ পদৰ পৰা নাদিম জাভেদক আঁতৰাই মহম্মদ ইমৰান প্ৰতাপগঢ়ীক এই দায়িত্ব দিয়া হৈছে। ইমৰান হৈছে এজন জনপ্ৰিয় উৰ্দু কবি। মোৰাদাবাদ সমষ্টিৰ পৰা লোকসভা নিৰ্বাচনত তেওঁ পৰাজিত হৈছিল।

ইপিনে, ৰাজ্যৰ দায়িত্বপ্ৰাপ্ত এ আই চি চিৰ সাধাৰণ সম্পাদকৰ স'তে যিসকল সম্পাদক যুক্ত থাকে তেওঁলোকৰো ৰদ-বদল হৈছে। ২০১৪ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক টুকুৰা-টুকুৰকৈ কটাৰ কথা কৈ বিতৰ্কত সোমাই পৰা ইমৰান মাছুদক দিল্লীলৈ অনা হৈছে। শেহতীয়া নিৰ্বাচনত তামিলনাডুত ডিএমকেৰ কান্ধত ভৰ দি কংগ্ৰেছে জয়ৰ মুখ দেখিছে। অসমত বিজয়ৰ আশা কৰিলেও পৰাজিত হৈছে। পুডুচেৰীত কংগ্ৰেছ ক্ষমতাচ্যুত হৈছে। পশ্চিমবংগত অধিক শোচনীয় হৈছে দলৰ পৰিস্থিতি। চহ্বন কমিটীৰ প্ৰতিবেদন অনুসৰি, সমন্বয়ৰ অভাৱ, দলীয় ভাৱমূৰ্তি, দ্বন্দ্ব, নেতৃত্বৰ মাজত সমন্বয়ৰ অভাৱ, টিকট আবণ্টনত বিলম্ব আদিৰ ফল ভুগিছে দলে। অসমত বহু আসনত আঞ্চলিক দলে কংগ্ৰেছৰ একাংশ ভোট কাঢ়ি নিছে।

এইবোৰৰ পৰা শিক্ষা গ্ৰহণ কৰি কংগ্ৰেছে আগন্তুক বৰ্ষৰ পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলৰ আভ্যন্তৰীণ কন্দল নাশ কৰিব বিচাৰিছে। পঞ্জাৱৰ বাবে গঠন কৰা কমিটীয়ে বিগত কিছুদিন ধৰি দিল্লীত ৰাজ্যৰ নেতা, বিধায়ক-সাংসদৰ স'তে আলোচনাত মিলিত হয়। তাৰ পূৰ্বে কমিটীৰ সদস্য মল্লিকাৰ্জুন খাৰ্গে, হৰিশ ৰাৱট আদিয়ে ৰাহুল গান্ধীৰে পৰিস্থিতি সম্পৰ্কত বৈঠকত মিলিত হয়।

# বিগত সাত বছৰত দেশত কমেও পাঁচ

*এক পৃষ্ঠাৰ পৰা* প্ৰশ্নৰ উত্তৰত সম্প্ৰতি ৰিজাৰ্ভ বেংকে এই চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিছে। ঋণ গ্ৰহণৰ নামত ৰাষ্ট্ৰীয়কৃত বেংকৰ হেজাৰ হেজাৰ কোটি টকা লৈ বিদেশত অন্তৰ্ধান হৈছে বহুসংখ্যক বৃহৎ ব্যৱসায়ী। হীৰাৰ ব্যৱসায়ী মেহুল চ'কছি আৰু নীৰৱ মোদীক দেশলৈ উভতাই অনাৰ বিতৰ্কই নতুনকৈ গা কৰি উঠাৰ সময়তে ৰিজাৰ্ভ বেংকৰ এই তথ্যই চৰকাৰক অস্বস্তিত পেলাব বুলি আশংকা কৰা হৈছে। আৰ টি আইৰ তথ্য অনুসৰি দেশৰ মুঠ ৯০টা বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানত চলিত বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত ৪৫ হেজাৰ ৬১৩টা ঋণ অনাদায়ৰ ঘটনা ঘটিছে। মুঠ জালিয়াতিৰ পৰিমাণ হ'ব চাৰি কোটি ৯২ লাখ টকা। অৰ্থাৎ প্ৰায় পাঁচ লাখ কোটি টকা। ইয়াৰ ভিতৰত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ পৰা জালিয়াতি হৈছে ৭৮ হেজাৰ ৭২ কোটি টকা। পি এন বি, বেংক অৱ ইণ্ডিয়া, ইউনিয়ন বেংকসহ দেশৰ প্ৰথম শাৰীৰ পাঁচটা বেংক মিলাই জালিয়াতিৰ পৰিমাণ দুই লাখ ছয় হেজাৰ ৯৪১ কোটি টকা। এই বৃহৎ পৰিমাণৰ ধন ঋণৰ নামত আদায় লোৱা হৈছে। এই ক্ষেত্ৰত বেচৰকাৰী বেংকসমূহৰ তথ্য উদ্বেগজনক। ইয়াৰে শীৰ্ষস্থানত আছে আই চি আই চি আই বেংক। ৩১ মাৰ্চ পৰ্যন্ত বেংকৰ দ্বাৰা প্ৰদত্ত ৫.৩ শতাংশ কোষাগাৰলৈ উভতি অহা নাই। দ্বিতীয় আৰু তৃতীয় স্থানত আছে যথাক্ৰমে য়েছ বেংক (৪.০২ শতাংশ) আৰু এক্সিছ বেংক (২.৫৪ শতাংশ)। আনহাতে, এইছ ডি এফ চিৰ ক্ষেত্ৰত এই পৰিমাণ ০.৫৫ শতাংশ।

ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি ২০১৪-১৫ বৰ্ষৰ পৰা ২০১৯-২০ বিত্তীয় বৰ্ষৰ দেশৰ বেংকসমূহত ঋণ জালিয়াতিৰ পৰিমাণ তিনি লাখ ৬০ হেজাৰ কোটি টকা। ইয়াৰ ভিতৰত ২০১৮-১৯ আৰু ২০১৯-২০ বিত্তীয় বৰ্ষত ৯০.২ শতাংশ আৰু ৯৮.১ শতাংশ বৃদ্ধি পাইছে। ২০২০ৰ ৩১ ডিচেম্বৰ পৰ্যন্ত বেংকসমূহে ঋণ অনাদায়ীসকলৰ ২২৬১টা একাউণ্ট চিনাক্ত কৰিছে আৰু অনাদায় ধনৰ পৰিমাণ হৈছে এক লাখ ৭২ হেজাৰ কোটি টকা। ২০১৯-২০ বিত্তীয় বৰ্ষত ৫০টা একাউণ্টৰ জৰিয়তে জালিয়াতিৰ ৭৬ শতাংশ ধন আত্মসাৎ কৰা হৈছে। এই সমুদায় তথ্যই দেশৰ অৰ্থনীতিলৈ অশনি সংকেত কঢ়িয়াই আনিছে। বিৰোধী কংগ্ৰেছে চৰকাৰক এই বিষয়ে সমালোচনা কৰে। দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ড° গৌৰৱ বল্লভে শেহতীয়া এক সংবাদমেলত কয় যে মোদী চৰকাৰ ক্ষমতালৈ অহাৰ পাছত বিগত সাত বছৰত চাৰি লাখ ৯৮ হেজাৰ ৬৭৭ কোটি টকাৰ বেংক জালিয়াতি হৈছে।

# আৰ্থিক বিকাশৰ হাৰৰ পূৰ্বানুমান হ্ৰাস

*এক পৃষ্ঠাৰ পৰা* আৰ বি আইৰ গভৰ্ণৰ তথা মুদ্ৰানীতি কমিটী (এম পি চি)ৰ অধ্যক্ষ শক্তিকান্ত দাসে। দৰাচলতে কৰ'না প্ৰতিৰোধৰ বাবে দেশৰ বিভিন্ন ৰাজ্যই আংশিক আৰু সৰ্বাত্মক তলাবন্ধৰ পথ গ্ৰহণ কৰাত ভাৰতীয় অৰ্থনীতি বিপৰ্যয়ৰ সন্মুখীন হৈছে। কৰ'নাৰ আঘাতত অৰ্থনৈতিক ব্যৱস্থা বাধাগ্ৰস্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ কেন্দ্ৰীয় বেংকটোৱে ৰেপ' ৰেট আৰু ৰিভাৰ্ছ ৰেপ' ৰেট সলনি কৰাৰ সিদ্ধান্ত নল'লে। অৱশ্যে ৰেপ' ৰেট অপৰিৱৰ্তিত ৰাখিলেও চলিত বিত্তীয় বৰ্ষত দেশৰ আভ্যন্তৰীণ বৃদ্ধিৰ হাৰৰ পূৰ্বাভাস প্ৰত্যাহাৰ কৰিলে ৰিজাৰ্ভ বেংকে। এই মুহূৰ্তত ৰিজাৰ্ভ বেংকৰ ৰেপ' ৰেট হৈছে চাৰি শতাংশ আৰু ৰিভাৰ্ছ ৰেপ' ৰেট পূৰ্বৰ দৰে ৩.২৫ শতাংশ। প্ৰসংগত উল্লেখ্য যে ৰিজাৰ্ভ বেংকে যি হাৰত দেশৰ বাণিজ্যিক বেংকক ঋণ দিয়ে, সেই হাৰটোৱে হৈছে ৰেপ' ৰেট। আনহাতে, দেশৰ সৰ্বোচ্চ বেংকটোৱে যি হাৰত অন্যান্য বাণিজ্যিক বেংকৰ পৰা ঋণ গ্ৰহণ কৰে, তাক অৰ্থনীতিত 'ৰিভাৰ্ছ ৰেপ' ৰেট' বুলি কোৱা হয়। ৰেপ' ৰেট হ্ৰাস কৰাৰ অৰ্থ হৈছে সুদৰ হাৰ হ্ৰাস কৰিবলৈ দেশৰ বাণিজ্যিক বেংকসমূহক উৎসাহিত কৰা। যাতে মানুহে অধিক পৰিমাণত ঋণ গ্ৰহণ কৰে আৰু বজাৰত টকাৰ যোগান বৃদ্ধি পায়। কিন্তু এইবাৰ পূৰ্বৰ দৰে পথ অৱলম্বনৰ পৰিৱৰ্তে ৰিজাৰ্ভ বেংকে ৰেপ' ৰেট অপৰিৱৰ্তিত ৰাখিলে। একেদৰে ৰিভাৰ্ছ ৰেপ' ৰেটো সলনি কৰা নহ'ল। বজাৰত নগদৰ যোগান আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত ৰাখিবলৈ ২০২০ৰ ফেব্ৰুৱাৰীত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই ৰেপ' ৰেট আৰু ৰিভাৰ্ছ ৰেপ' ৰেট হ্ৰাস ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা সুদীৰ্ঘ প্ৰায় ডেৰ বছৰ কাল আৰ বি আয়ে এই হাৰ অপৰিৱৰ্তিত ৰাখিছে।

ইফালে, মহামাৰীৰ পৰিপ্ৰেক্ষিতত দেশৰ আভ্যন্তৰীণ বৃদ্ধিৰ হাৰক লৈ আশংকা প্ৰকাশ কৰিলে ৰিজাৰ্ভ বেংকে। আজি আৰ বি আয়ে প্ৰকাশ কৰা মতে, চলিত বিত্তীয় বৰ্ষত দেশত আৰ্থিক বিকাশৰ হাৰ ৯.৫ শতাংশ হ'ব পাৰে। আৰ বি আয়ে ইয়াৰ আগেয়ে চলিত বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) বৃদ্ধিৰ হাৰ ১০.৫ শতাংশ হ'ব বুলি পূৰ্বাভাস দিছিল। কিন্তু কৰ'নাৰ দ্বিতীয়টো ঢৌৰ আঘাতত ভাৰতীয় অৰ্থনীতি যথেষ্ট বাধাগ্ৰস্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰ বি আয়ে দেশৰ আৰ্থিক বৃদ্ধিৰ পূৰ্বাভাসৰ হাৰ কৰ্তন কৰিবলৈ বাধ্য হ'ল। দৰাচলতে যোৱা সোমবাৰে ৰাষ্ট্ৰীয় পৰিসংখ্যা বিভাগে তথ্য প্ৰকাশ কৰি কৈছিল যে ২০২০-২১ বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতি বৃদ্ধি হোৱাৰ পৰিৱৰ্তে ৭.৩ শতাংশলৈ সংকুচিতহে হৈছে। এই ফলাফল বিগত চাৰি দশকৰ ভিতৰত সবাতোকৈ শোচনীয় বুলি কোৱা হৈছে। ২০১৯-২০ বিত্তীয় বৰ্ষত মুঠ আভ্যন্তৰীণ উৎপাদনৰ পৰিমাণ আছিল ১৪৫.৬৯ লাখ কোটি টকা। প্ৰাথমিক হিচাপ অনুসৰি, ২০২০-২১ বিত্তীয় বৰ্ষত মুঠ আভ্যন্তৰীণ উৎপাদনৰ পৰিমাণ হ্ৰাস পাই ১৩৫.১৩ লাখ কোটি টকা হৈছে। অৱশ্যে এনে নিৰাশাৰ মাজতো আশাৰ ৰেঙণি দেখুৱাইছে কেৱল কৃষি ক্ষেত্ৰই। কিয়নো দেশৰ অৰ্থনীতিৰ অন্য সকলো খণ্ডত ব্যাপক অৱনতি ঘটাৰ বিপৰীতে কৃষি খণ্ডৰ উৎপাদন বৃদ্ধি পাইছে। কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিক সমল হিচাপে লৈ দেশত মূল্যবৃদ্ধিৰ হাৰ ছয় শতাংশৰ ভিতৰত ৰাখিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰিলে ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই।

# আপুনি 'হোম আইছ'লেছন'ত আছে নেকি?

*এক পৃষ্ঠাৰ পৰা* খাদ্য ভাল নহয়, চিকিৎসক-নাৰ্ছে গুৰুত্ব নিদিয়ে ইত্যাদি ইত্যাদি। সেয়ে 'হোম আইছ'লেছন'ত থকাই ভাল হ'ব। সময় মতে খোৱা-বোৱা, ঔষধ ইত্যাদি যোগান ধৰি বিপদে-আপদে মানুহ কাষতে পাব। অৱশ্যে হঠাৎ কিবা বিপদ হ'লে অথবা স্বাস্থ্যৰ অৱনতি ঘটিলে কি হ'ব? স্বাস্থ্য বিভাগৰ পৰা তেতিয়াকৈ কিবা সহায় পাবনে? এনে নানা চিন্তাই দোলা দিয়ে মনত। ইতিমধ্যে বহু ভুক্তভোগীয়ে বিভিন্ন মাধ্যমত অভিযোগ উত্থাপন কৰিছে যে 'হোম আইছ'লেছন'ত থকা ৰোগীৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে যথেষ্ট স্নেহহীন দৃষ্টিৰে চাই আহিছে। আজি 'দৈনিক অগ্ৰদূত'ৰ এই প্ৰতিবেদনত স্বাস্থ্য বিভাগৰ লগতে 'হোম আইছ'লেছন'ত থকা ক'ভিড ৰোগীৰ কেইগৰাকীমান অভিজ্ঞতা তুলি ধৰা হৈছে। যোৱা ১৪ মে'ত কৰ'নাত আক্ৰান্ত হোৱা মহানগৰীৰ হাতীগাঁও নিবাসী মুনমুন চেটিয়াই 'দৈনিক অগ্ৰদূত'ক কয়, 'দুদিন মানৰ আগৰ পৰা গাটো খুব বেয়া লাগি আছিল। কাহ, চৰ্দি লগতে জ্বৰ আৰু উশাহ লওঁতে কষ্ট অনুভৱ কৰিছিলো। পৰীক্ষা কৰি গম পালো মোৰ কৰ'না 'পজিটিভ'। ভাবিলো, হাস্পতালত ভৰ্তি হ'লে বাপেক নোহোৱা ল'ৰা-ছোৱালীহালক কোনে চাব, কোনে খুৱাব। আৰু যদি প্ৰশাসনক জনাওঁ গোটেই চৌহদটোৱে 'হোম আইছ'লেছন'ৰ ফলক লগাই দিব। মোৰ কাৰণে গোটেই চৌহদটোৰ বাসিন্দাই কষ্ট ভোগ কৰিব, ওলোৱা-সোমোৱা বন্ধ হ'ব। সেয়েহে অলপ পইচা বহু মহলৰ পৰা ধাৰ কৰি 'অক্সিমিটাৰ' এটা কিনি আনিলো। চিকিৎসক এজনৰ পৰা পৰামৰ্শ লৈ দৰৱখিনিও যোগাৰ কৰি ল'লো। মোৰ ল'ৰা-ছোৱালীহালৰ নিগেটিভ আহিল। মই নিজে আছুতীয়াকৈ থাকিলো। এসপ্তাহ মানৰ পাছত পুনৰ পৰীক্ষাত আমাৰ সকলোৰে 'নিগেটিভ' আহিল।' তেওঁ পুনৰ কয়, 'এসপ্তাহ মই কাকো ক'ব নোৱাৰি জীৱন-মৰণৰ যুঁজত নিৰৱে যুঁজ কৰি গৈছো। স্বাস্থ্য বিভাগৰ পৰা এটাও ফোন পোৱা নাছিলো। আজি-কালি কৰ'না পৰীক্ষা কৰাৰ পাছত স্বাস্থ্য বিভাগে কেৱল সংখ্যা হিচাপ কৰে নে কাৰোবাক পৰিচিত পালে কিবা ব্যৱস্থা গ্ৰহণ কৰে সন্দেহৰ বিষয়। যিয়েই নহওক, মই এতিয়া সুস্থ আছো।'

আনহাতে, কামাখ্যা নিবাসী নিপা কাকতিয়ে নিজৰ অভিজ্ঞতা বৰ্ণনা কৰি কয়, 'হোম আইছ'লেছন'ত থকা কৰ'না ৰোগীয়ে বিশেষ একো সেৱা লাভ কৰা নাই। কোনো চিকিৎসক বা স্বাস্থ্যকৰ্মীয়ে 'হোম আইছ'লেছন'ত থকা ৰোগীক চাবলৈ নাহে। ঘৰৰ সমুখত ফলক এখন আৰি দিয়েই দায়িত্ব সাৰিছে। তাৰ দ্বাৰা ঘৰৰ বাকী সদস্যসকলকো আৱদ্ধ কৰাহে হয়।'

ঘৰত তিনিজনকৈ কৰ'না ৰোগী চিনাক্ত হোৱা কাকতিয়ে কয়, 'যোৱা দেওবাৰে মা-দেউতাক কৰ'না পৰীক্ষা কৰাত দুয়োৰে সংক্ৰমণ ধৰা পৰে। বৰ্তমান দুয়ো সকলোৱে ক'ভিড কেয়াৰ চেণ্টাৰত ভৰ্তি হৈ আছে। ভাইটিকো কৰ'না ধৰা পৰিছে। এতিয়া 'হোম আইছ'লেছন'ত আছে। বৌৰো গা বেয়া। কৰ'নাৰ লক্ষণ দেখা দিছে যদিও পৰীক্ষা কৰাব পৰা নাই। ঘৰৰ সমুখত 'হোম আইছ'লেছন'ৰ ফলক লগাই থৈ গ'ল। তেতিয়াৰ পৰা নিগেটিভ ওলাইছে। সেয়েহে বৌকো আছুতীয়াকৈ ৰাখিছো। ঘৰত দুজনকৈ সদস্য 'হোম আইছ'লেছন'ত আছে। ইফালে, দাদা, বৌৰ সৰু কেঁচুৱাটোও আছে। দাদাই কেঁচুৱাটো এৰি ক'লৈকো ওলাই যাব নোৱাৰে। এতিয়া ইমানেই নগৰ যন্ত্ৰণাত আছো যে পৰিস্থিতিটো ভাষাৰে বুজাব নোৱাৰো। না আমি বাহিৰ ওলাই যাব পাৰিছো, না কোনোবা খবৰ ল'বলৈ আগবাঢ়ি আহিছে বা আহিব পাৰে। ইফালে, মা-দেউতাক হাস্পতালত দিয়া খাদ্য খাব পৰা নাই বুলি কান্দি আছে। আচলতে 'হোম আইছ'লেছন'ত থকা ৰোগীৰ বাবে যে স্বাস্থ্য বিভাগৰ কিবা দায়িত্ব আছে মোৰ সন্দেহ আছে।'

আনহাতে, কৰ'না জয় কৰা এগৰাকীয়ে নিজৰ অভিজ্ঞতাৰ পৰা কয়, 'ৰোগীৰ দুখত স্বাস্থ্য বিভাগৰ গাফিলতিৰ সীমা সংখ্যা নাই। ঠিক তেনেকৈয়ে বহু ক্ষেত্ৰত ৰোগী আৰু ৰোগীৰ আত্মীয়সকলৰ অধৈৰ্য, অসচেতন আৰু অসাৱধান। মূল কথাটো হ'ল হাস্পতালতেই হওক বা ঘৰত, ধৈৰ্য, সাহস, পৰিস্থিতি সাপেক্ষে সিদ্ধান্ত গ্ৰহণ আৰু প্ৰয়োজনীয় সামগ্ৰীখিনি যোগাৰ কৰি আমি নিজৰ জীৱন বচাব লাগিব, এয়াহে আচল কথা।'

ইপিনে, কামৰূপ মহানগৰ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক গণেশ শইকীয়াই এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ক কয়, 'আমাৰ স্বাস্থ্য বিভাগটোত ইমানো মানুহ নাই যে আমি ঘৰে ঘৰে গৈ প্ৰতিজন ৰোগীক নিৰীক্ষণ কৰিম। আমি যদি কেৱল 'হোম আইছ'লেছন'ত থকা ৰোগীৰ ক্ষেত্ৰত ... 'হোম আইছ'লেছন'ত থকা ৰোগীয়ে আমাৰ নিৰ্দেশনা মানি চলিব লাগিব। ... গুৱাহাটী মহানগৰত ২৭০৮ গৰাকী কৰ'না ৰোগী 'হোম আইছ'লেছন'ত আছে।' শইকীয়াই লগতে কয়, 'কিছুদিন আগলৈ সাত-আঠ হেজাৰ ৰোগী হোম আইছ'লেছন'ত আছিল। এতিয়া যথেষ্ট কমিছে।'

# শ্মশানৰ কালী মন্দিৰ চৌহদত

*এক পৃষ্ঠাৰ পৰা* কালী মন্দিৰৰ চৌহদৰ ভিতৰত দুষ্কৃতিকাৰীয়ে সন্দেহযুক্ত গো-মাংস ৰখা বুলি স্থানীয় ৰাইজে অভিযোগ কৰি পথ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাৰ উচিত তদন্তৰ দাবীত অটল হৈ থকাত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। তদুপৰি ঘটনাস্থলীত উপস্থিত উচ্চপদস্থ আৰক্ষীৰ দলে সন্দেহযুক্ত নিষিদ্ধ মাংসখিনি সংগ্ৰহ কৰি ফৰেনচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দি তিনিদিনৰ ভিতৰতে পৰীক্ষাৰ ফলাফল লৈ ইয়াৰ স'তে জড়িত দোষীক কৰায়ত্ত কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াত পৰিস্থিতি শান্ত হয়। উল্লেখ্য যে গোলকগঞ্জৰ ৰাইজে শান্তিপূৰ্ণ আৰু ভ্ৰাতৃত্বৰে বসবাস কৰি আহিছে। তাৰ পাছতো এটা দুষ্টচক্ৰই হিন্দু-মুছলমানৰ মাজত থকা সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধত কালিমা সানি সমাজত বিশৃংখলাৰ সৃষ্টি কৰি আহিছে। অৱশ্যে হালাকুৰা বজাৰৰ সমীপৰ এখন মাদ্ৰাছাৰ কাষতে দৈনিক এজন লোকে গো-মাংস বিক্ৰী কৰি অহা বুলি ৰাইজে আৰক্ষীৰ আগত অভিযোগ কৰি সেয়া শীঘ্ৰে বন্ধ কৰিবলৈ দাবী জনাইছে। স্থানীয় অঞ্চলৰ সকলো ৰাইজে সেয়া বন্ধ কৰিবলৈ দাবী জনাইছে।

# শীঘ্ৰে ৰাজ্যত খহনীয়াত সৰ্বস্বান্তৰ

*এক পৃষ্ঠাৰ পৰা* কৰিবলগীয়া আঁচনিখনৰ খচৰা সম্প্ৰতি দিছপুৰত প্ৰস্তুত কৰি থকা হৈছে। চৰকাৰৰ সূত্ৰই সদৰী কৰা অনুসৰি, প্ৰস্তাৱিত আঁচনিখনৰ অধীনত খহনীয়াৰ গ্ৰাসত পৰা পৰিয়ালবোৰে চৰকাৰৰ সাহায্যৰ বাবে আবেদন কৰিব পাৰিব। বাসভূমি, কৃষিভূমি সকলো হেৰুওৱা পৰিয়ালবোৰেহে এই আবেদন কৰিব পাৰিব। অৱশ্যে তেনে পৰিয়ালবোৰত যদিহে চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয়ত কাম কৰা কোনো সদস্য থাকে সেইসকলহে আবেদন কৰিব নোৱাৰিব। তদুপৰি ৰাজহুৱা খণ্ডৰ উদ্যোগ-প্ৰতিষ্ঠান, বেংক আদিত কৰ্মৰত লোক পৰিয়ালত থাকিলেও আবেদনৰ যোগ্যতা নাথাকিব। ইপিনে, খহনীয়াত সৰ্বস্বান্ত হ'লেও কোনো পৰিয়ালত যদি বছৰি পাঁচ লাখতকৈ অধিক উপাৰ্জন কৰা ব্যক্তিগত প্ৰতিষ্ঠানৰ কৰ্মচাৰী আৰু ব্যৱসায়ী থাকে তেতিয়াও পুনৰ সংস্থাপনৰ আঁচনিৰ সুযোগ নাপাব।

উপযুক্ত পৰিয়ালবোৰে নিজ নিজ ৰাজহ চক্ৰ কাৰ্যালয়ত পুনৰ সংস্থাপনৰ বাবে আবেদন দাখিল কৰিব লাগিব। তাৰ পাছত সেই আবেদনৰ ভিত্তিত বিভিন্ন স্তৰত যোগ্যতাৰ বিবেচনা কৰা হ'ব। স্থানীয় জনপ্ৰতিনিধিৰ ভূমিকাও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হ'ব। উল্লেখ্য যে পূৰ্বৰ বিজেপি মিত্ৰজোঁট চৰকাৰে ভূমিপট্টা প্ৰদানৰ এখন বৃহৎ আঁচনি ৰূপায়ণ হাতত লৈছিল। ডেৰ লাখতকৈ অধিক লোকক ইতিমধ্যে পট্টা প্ৰদান কৰা হৈছে। সেই আঁচনিখনো পুনৰ ৰূপায়ণ কৰা হ'ব। অৱশ্যে সেই প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰাৰ সম্ভাৱনা কম।

# অচিৰেই কেন্দ্ৰীয় মন্ত্ৰিত্বৰ পদ

*এক পৃষ্ঠাৰ পৰা* চৰকাৰী ঠিকনা। কিয়নো, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনক অচিৰেই কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ মন্ত্ৰীপদ দিয়াৰ সম্ভাৱনা আছে। এই চৰ্চা এতিয়া দিছপুৰৰ ভিতৰে-বাহিৰে চলিছে। আজি সোণোৱালৰ এক ঘনিষ্ঠ সূত্ৰই 'দৈনিক অগ্ৰদূত'ৰ আগত দাবী কৰে, 'প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালক কম দিনৰ ভিতৰতে কেন্দ্ৰীয় মন্ত্ৰীৰ পদত অধিষ্ঠিত কৰাটো প্ৰায় নিশ্চিত হৈছে। আমি এই মুহূৰ্তলৈকে জানিব পাৰিছো যে প্ৰাক্তন মুখ্যমন্ত্ৰীজনক তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ দায়িত্ব দিয়া হ'ব।'

সূত্ৰটোৱে লগতে কয়, 'এটা প্ৰভাৱশালী চক্ৰই প্ৰাক্তন মুখ্যমন্ত্ৰীজনক পেট্ৰ'লিয়াম মন্ত্ৰণালয়ৰ দায়িত্ব প্ৰদান কৰিবলৈ দিল্লীক হেঁচা প্ৰয়োগ কৰিছিল যদিও এয়া বৰ্তমানৰ পৰিস্থিতিত কোনো প্ৰকাৰে সম্ভৱ নহয়। এই মুহূৰ্তত এটা কথা ক'ব পাৰি যে প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱাল গুৱাহাটী এৰি দিল্লী যাত্ৰা কৰাটো প্ৰায়েই নিশ্চিত।'

উল্লেখযোগ্য যে কিছুদিন পূৰ্বে নিজ সমষ্টি মাজুলী ভ্ৰমণ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাজুলীৰ বিধায়কজনে বিজেপিৰ 'দেশ প্ৰথম, দল দ্বিতীয় আৰু শেষত ব্যক্তি' শ্ল'গান সোঁৱৰাই সমষ্টিবাসীক কোনো ব্যক্তিৰ ওপৰত নিৰ্ভৰ নহৈ ঐক্যবদ্ধভাৱে উন্নয়নৰ হকে কাম কৰি যাবলৈ আহ্বান জনাইছিল। অৱশ্যে সোণোৱালে পৰোক্ষভাৱে মাজুলীৰ পৰা প্ৰস্থানৰ ইংগিত দিলেও আজি পৰ্যন্ত মাজুলীবাসীয়ে বিধায়কক হিচাপে থাকি সেৱা আগবঢ়াবলৈ আহ্বান জনাই আহিছে।

# নাৰ্ছিংহোমৰ ক'ভিড মাচুল

*এক পৃষ্ঠাৰ পৰা* সাধাৰণ ৱাৰ্ডত এজন ৰোগীৰ এদিনৰ মাচুল হ'ব সৰ্বাধিক পাঁচ হেজাৰ টকা। ইয়াৰ বিপৰীতে সাধাৰণ চিকিৎসালয়ৰ সাধাৰণ ৱাৰ্ডত এদিনৰ মাচুল হ'ব লাগিব সৰ্বাধিক চাৰিহেজাৰ টকা। ছুপাৰ স্পেচিয়েলিটিৰ কেবিনত এদিনৰ সৰ্বোচ্চ মাচুল ৬,৫০০ টকা হোৱাৰ বিপৰীতে সাধাৰণ চিকিৎসালয়ৰ হ'ব পাঁচ হেজাৰ টকা। ছুপাৰ স্পেচিয়েলিটি ভেণ্টিলেচন অবিহনে আইচিইউৰ ভাড়া হ'ব সৰ্বোচ্চ ১০ হেজাৰ টকা আৰু সাধাৰণ হাস্পতালত হ'ব ন হেজাৰ টকা। ইয়াৰ বিপৰীতে আইচিইউসহ ভেণ্টিলেটৰৰ এদিনৰ মাচুল ছুপাৰ স্পেচিয়েলিটি হাস্পতালত সৰ্বোচ্চ ১৫ হেজাৰ টকাৰ বিপৰীতে সাধাৰণত হ'ব লাগিব সৰ্বাধিক ১২ হেজাৰ টকা। মন্ত্ৰী মহন্তই কয়, 'এই মাচুলৰ ভিতৰত পঞ্জীয়ন, চিকিৎসকৰ মাচুল, ঔষধ, পেথ'লজী, নিৰ্ধাৰিত অন্যান্য পৰীক্ষা, ছেনিটাইজেছন, পিপিইকিট, মাস্ক আদি সকলোবোৰ অন্তৰ্ভুক্ত থাকিব। অৱশ্যে চিটি স্কেনৰ দৰে পৰীক্ষাবোৰ, ডি ডাইমাৰ, ৰেমডিচিভিৰৰ দৰে খৰচী দৰবৰ প্ৰয়োগ আৰু অন্যান্য জটিল ৰোগত ভুগি থকা ক'ভিড আক্ৰান্তৰ ক্ষেত্ৰত সৰ্বোচ্চ মাচুলৰ ওপৰঞ্চি ব্যয় হ'ব। মাচুলৰ পৰিমাণ নিৰ্ধাৰণ কৰোতে অন্য ৰাজ্যৰ মাচুলৰ পৰিমাণবোৰ পুংখানুপুংখভাৱে বিশ্লেষণ কৰা হয়। তাৰ ভিত্তিত অসমত এক যুক্তিসন্মত মাচুল ধাৰ্য কৰা হৈছে। কমো নহয়, বেছিও নহয়।' চৰকাৰৰ সিদ্ধান্তক উলংঘা কৰা চিকিৎসালয়ৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলিও স্বাস্থ্যমন্ত্ৰীয়ে সকীয়নি প্ৰদান কৰে।

### কৰ'নাৰ তৃতীয় ঢৌৰ বাবে প্ৰস্তুতি

কৰ'নাৰ সম্ভাব্য তৃতীয় ঢৌৰ আশংকা বিশেষজ্ঞ মহলে ইতিমধ্যে কৰিছে। এই ঢৌত প্ৰধানকৈ শিশুসকল আক্ৰান্ত হ'ব বুলিও আশংকা কৰা হৈছে। তাৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য তৃতীয় ঢৌৰ বাবে অসমত প্ৰস্তুতি আৰম্ভ কৰা হৈছে বুলি স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰে। সেই অনুসৰি, ৰাজ্যৰ সাতখন চিকিৎসা মহাবিদ্যালয় আৰু সকলো জিলা চিকিৎসালয়ত শিশু আইচিইউ স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। মহন্তই কয়, 'চিকিৎসা মহাবিদ্যালয় ৩২০ খন আৰু জিলা চিকিৎসালয়ত ২৫০ খন শিশু আইচিইউ বিছনা সদ্যহতে স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়কেইখনৰ ভিতৰত গুৱাহাটীত ৬০ খন, যোৰহাটত ৩০ খন, অসম চিকিৎসা মহাবিদ্যালয়ত ৪০ খন, বৰপেটাত ৩০খন, তেজপুৰত ৩০ খন, লখিমপুৰত ৩০ খন আৰু ডিফুত ৩০ খন বিছনা হ'ব। জিলা চিকিৎসালয়বোৰৰ প্ৰতিখনত ১০ খনকৈ আইচিইউ বিছনা হ'ব। এমাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰা হ'ব।

### ঘৰৰ সমীপতে উপলব্ধ হ'ব প্ৰতিষেধক

অসমত প্ৰতিষেধক প্ৰদানক লৈ আজি কেতবোৰ সিদ্ধান্ত স্বাস্থ্যমন্ত্ৰী মহন্তই ঘোষণা কৰে। তেওঁ কয় যে বৰ্তমান ৰাজ্যত দৈনিক ৫০ হেজাৰৰ ওচৰা-উচৰি প্ৰতিষেধক প্ৰদান কৰি থকা হৈছে। সেই সংখ্যা ৭০ হেজাৰৰ কৰাৰ ব্যৱস্থা স্বাস্থ্য বিভাগে কৰিছে। তাৰ লগত সংক্ৰমণ অধিক হোৱা ছখন জিলাৰ চহৰাঞ্চলত ব্যাপক হাৰত প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাকেইখন হ'ল কামৰূপ মহানগৰ, নগাঁও, শোণিতপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া আৰু কাছাৰ। আনহাতে, বয়সস্থ, বিশেষভাৱে সক্ষম আদি লোকসকলে যাতে প্ৰতিষেধক ল'বলৈ দূৰলৈ যাব নালাগে তাৰ বাবে ঘৰৰ সমীপতে ব্যৱস্থা গঢ়ি তোলা হ'ব।

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ২৫ শতাংশ প্ৰতিষেধক ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ক দিব। হাস্পতালবোৰে নিৰ্ধাৰিত মূল্যত সেই প্ৰতিষেধক ক্ৰয় কৰিব লাগিব। আজি স্বাস্থ্যমন্ত্ৰীয়ে কয় যে ধনৰ অভাৱত হয়তো কোনো চিকিৎসালয়ে প্ৰতিষেধক ক্ৰয় কৰিব নোৱৰিব পাৰে। তেনে চিকিৎসালয়ক অসম চৰকাৰে তিনিমাহৰ বাবে সুতবিহীন ঋণ আগবঢ়াব কেৱল প্ৰতিষেধক ক্ৰয়ৰ বাবে। মহন্তই কয়, 'প্ৰতিষেধক প্ৰদান যাতে পিছ পৰি নৰয় তাৰে বাবে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অৱশ্যে তিনিমাহৰ ভিতৰত ঋণৰ ধন ঘূৰাই দিব লাগিব।' প্ৰসংগক্ৰমে স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰে যে ক'ভাক্সিনৰ যোগান যথেষ্ট কম হৈ আছে। পাছত যাতে ইয়াকে লৈ অসুবিধা হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি অসমত আৰু এইবিধ প্ৰতিষেধকৰ প্ৰথম পালি প্ৰদান কৰা নহয়। তাৰ বিপৰীতে ক'ভিশ্বিল্ড প্ৰয়োগ কৰা হ'ব। পাছলৈ যদি যোগান ধৰা হয় তেতিয়া হয়তো সিদ্ধান্ত সলনি হ'ব। অৱশ্যে ক'ভাক্সিনৰ দ্বিতীয় পালি ল'বলৈ থকাসকলে প্ৰতিষেধকবিধ পাব। অসমত ডেৰলাখ লোকে ক'ভাক্সিনৰ দ্বিতীয় পালি ল'বলৈ বাকী আছে বুলি স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰে। সম্প্ৰতি অসমত ৪৫ বছৰ উৰ্ধ্বৰ লোকৰ বাবে ৩.২ লাখ ক'ভিশ্বিল্ড মজুত থকাৰ বিপৰীতে ক'ভাক্সিন আছে মাত্ৰ ২০ হেজাৰ।

সম্প্ৰতি বন্ধ থকা আন্তঃজিলা যাতায়াত আৰু অন্যান্য ব্যৱস্থাসমূহৰ ক্ষেত্ৰত অহা সাত জুনত বিশ্লেষণ কৰা হ'ব বুলিও স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰে।

### জটিল ৰোগীক হোম কোৱাৰেণ্টাইনৰ অনুমতি নিদিব

ইপিনে, পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে অন্যান্য জটিল ৰোগত ভুগি থকা ক'ভিড ৰোগীসকলক হোম কোৱাৰেণ্টাইনত থকাৰ অনুমতি নিদিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে।

### অনলাইনৰ সামগ্ৰী যোগানকাৰীক প্ৰতিষেধক

সম্প্ৰতি অনলাইনত সামগ্ৰী ক্ৰয় যথেষ্ট বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন কোম্পানীৰ গ্ৰাহকক ঘৰে ঘৰে সামগ্ৰী যোগান ধৰা কৰ্মীসকলক তিনিদিনৰ ভিতৰত ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে।

# অতিৰিক্ত কয়লা পৰিবাহী ট্ৰাক নিয়ন্ত্ৰণৰ

*এক পৃষ্ঠাৰ পৰা* আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আৰক্ষী, পৰিবহন আৰু কৰ বিভাগৰ বিষয়াবৰ্গৰ স'তে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই উচ্চতম ন্যায়ালয়ৰ ৰায় তথা এই সম্পৰ্ক ব্যাপক ৰাজহুৱা আপত্তিৰ পৰিপ্ৰেক্ষিতত সামৰ্থ্যতকৈ অধিক কয়লা পৰিবাহী ট্ৰাকৰ চলাচল স্বচ্ছভাৱে বন্ধ কৰাৰ দিশত এই তিনিওটা বিভাগৰ ঐক্যবদ্ধ প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে আন্তঃৰাজ্যিক সীমান্তৰ জৰিয়তে এই কয়লা পৰিবাহী ট্ৰাকৰ চলাচল নিয়ন্ত্ৰণৰ বাবে এক বিস্তৃত মানসম্পন্ন পৰিচালনা বিধি (ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিউৰ) প্ৰস্তুতৰ বাবে পৰিবহন বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন নাথ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পৰিবহন বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদী, পৰিবহন আয়ুক্ত আদিল খান, কৰ বিভাগৰ আয়ুক্ত ৰাকেশ আগৰৱালা আদি উপস্থিত থাকে।

# ৰীতি-নীতিহে পালন হ'ব, দ্বিতীয়বাৰলৈ

*এক পৃষ্ঠাৰ পৰা* স্থগিত ৰাখি অনুষ্ঠুপীয়াকৈ আয়োজন কৰা হৈছিল। আগন্তুক মেলাও কেৱল ধৰ্মীয় ৰীতি-নীতিৰে পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কৰ্তৃপক্ষই আৰু এই সময়ছোৱাত তীৰ্থযাত্ৰী আৰু সাধু-সন্যাসীৰ আগমন বন্ধ কৰাৰ লগতে কোনো থকা-খোৱাৰ ব্যৱস্থা নাথাকিব বুলি সদৰী কৰিছে। সমান্তৰালভাৱে মা কামাখ্যা দেৱালয় পৰিচালনা সমিতিয়ে অহা ৩০ জুন পৰ্যন্ত মন্দিৰৰ দুৱাৰ বন্ধ থাকিব বুলি উল্লেখ কৰিছে।

উল্লেখ্য যে ৰাজ্যৰ ঐতিহাসিক পৰ্যটনস্থলীসমূহৰ অন্যতম কামাখ্যা দেৱালয়ত অনুষ্ঠিত হৈ অহা এই ধৰ্মীয় অনুষ্ঠানত দেশ-বিদেশৰ প্ৰায় ২০ লক্ষ ভক্ত তথা সাধু-সন্যাসীৰ আগমন ঘটে। মহোৎসৱত প্ৰতিবছৰে ৭০ৰ পৰা ৮০ লাখ টকাৰ বাজেট ধাৰ্য কৰা হয়। ৰাজ্যৰ পৰ্যটন বিভাগৰ লগতে কে'বাটাও বিভাগে এই মহোৎসৱৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। অম্বুবাচী মহোৎসৱৰ স'তে জড়িত এক সূত্ৰই সদৰী কৰা অনুসৰি, এই মহোৎসৱৰ লগত সংগতি ৰাখি ৰাজ্যত বহু কোটি টকাৰ ব্যৱসায়িক লেনদেন হয়। যাতায়াত, হোটেল বা থকা-খোৱাৰ লগতে এই মহোৎসৱলৈ অহা বহুতে ৰাজ্যৰ অন্যান্য পৰ্যটনস্থলীসমূহ পৰিদৰ্শন কৰাৰ ফলত বহু পৰিয়ালৰ উপাৰ্জনৰ পথ প্ৰশস্ত হয়; কিন্তু বিগত বৰ্ষৰ দৰেই ক'ভিডৰ জটিল পৰিস্থিতি এইবাৰো এই মহোৎসৱ কেৱল ধৰ্মীয় নীতি-ৰীতিয়ে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু দেশৰ সৰ্ববৃহৎ মহোৎসৱৰ লগত সংগতি ৰাখি গঢ় লৈ উঠা ব্যৱসায়ত পুনৰবাৰ মাধমাৰ পৰিল বুলি মত ব্যক্ত কৰে। সমান্তৰালভাৱে কামাখ্যাৰ ৯০ শতাংশ পৰিয়ালৰ উপাৰ্জন কেৱল তীৰ্থযাত্ৰীৰ ওপৰত নিৰ্ভৰশীল বাবে দ্বিতীয়বাৰলৈ ইয়াৰ ব্যাপক প্ৰভাৱ পৰিব বুলি আশংকা কৰা হৈছে। ইতিমধ্যে বিগত বৰ্ষত এই মহোৎসৱ অনুষ্ঠিত নোহোৱাৰ ফলত স্থানীয় লোকসকল কিদৰে ক্ষতিগ্ৰস্ত হৈছিল সেয়া প্ৰকাশ পাই আহিছে। কিয়নো একমাত্ৰ অম্বুবাচী মহোৎসৱৰ লগত সংগতি ৰাখিয়ে কামাখ্যাৰ বহু পৰিয়ালে বছৰটোৰ বাবে উপাৰ্জনৰ পথ প্ৰশস্ত কৰি আহিছে।

# বিজেপিৰ 'শ্ৰেষ্ঠ অসম'ৰ স্বৰূপ উদঙাই

*এক পৃষ্ঠাৰ পৰা* ২০১৬ত অসমক দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠৰাজ্য হিচাপে গঢ়ি তুলিব বুলি দিয়া প্ৰতিশ্ৰুতিৰ ওপৰত। কিয়নো নিটি আয়োগৰ উক্ত প্ৰতিবেদনত অসমৰ উন্নয়নৰ বহুকেইটা সূচকাংকত দেশৰ ভিতৰতে নিম্ন স্থানত আছে। শুকুৰবাৰে প্ৰকাশিত নিটি আয়োগৰ প্ৰতিবেদনৰ ওপৰত আলোকপাত কৰি অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়াই কয়, 'অসমক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰোৱাৰ সপোন দেখুৱাই দিছপুৰৰ দৰবাৰ দখল কৰা বিজেপি চৰকাৰখনে অসমক সৰ্বনিম্ন স্থানলৈ লৈ গৈছে। আমি এটা কথা ক'বই লাগিব যে নিটি আয়োগৰ প্ৰতিবেদনখনে বিজেপিৰ 'সৰ্বশ্ৰেষ্ঠ অসম'ৰ বাস্তৱ ছবিখন নগ্ন ৰূপত উদঙাই দিলে। কিয়নো নিটি আয়োগৰ প্ৰতিবেদনত সমগ্ৰ দেশৰ ভিতৰতে শেষৰ পৰা তিনি নম্বৰ স্থানত আছে বিজেপি চৰকাৰৰ 'বিকশিত অসম'।' নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনক সমালোচনা কৰি শইকীয়াই কয়, 'বহুতে হয়তো ক'ব পাৰে যে এয়া সৰ্বানন্দ সোণোৱাল চৰকাৰৰ বিফলতা আৰু এতিয়া হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত অসম ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্য হ'ব; কিন্তু বহনক্ষম উন্নয়নৰ প্ৰধান সূচকাংকৰ ভিতৰত অন্যতম সূচকাংক দুটাই হ'ল স্বাস্থ্য আৰু শিক্ষাখণ্ড। যোৱা ১৫টা বছৰত অধিকাংশ সময়তেই অসমৰ স্বাস্থ্য আৰু শিক্ষামন্ত্ৰীৰ দায়িত্বত আছিল নিজকে দক্ষ আৰু প্ৰভাৱশালী বুলি প্ৰচাৰ চলাই অহা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা।'

কালি প্ৰকাশিত নিটি আয়োগৰ বহনক্ষম উন্নয়ন প্ৰতিবেদনখনে অসমৰ স্বাস্থ্য আৰু শিক্ষাখণ্ডৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিলে বুলি দোহাৰি ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতিজনে কয়, 'দুৰ্ভাগ্যজনকভাৱে প্ৰসূতিৰ মৃত্যুৰ হাৰত অসম দেশৰ ৩৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অন্তিম স্থানত আছে। অৰ্থাৎ অসমতেই প্ৰসূতিৰ মৃত্যুৰ হাৰ সকলোতকৈ বেছি। অসমত প্ৰতি সাত লাখ প্ৰসূতিৰ বিপৰীতে ২১৫ গৰাকীৰ মৃত্যু হয়। ইয়াৰ বিপৰীতে কেৰালাত এই হাৰ কেৱল ৪৩। কেৱল সেয়াই নহয়, পাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ ক্ষেত্ৰতো অসম দ্বিতীয় স্থানত আছে। অসমত প্ৰতি এহেজাৰৰ বিপৰীতে ৪৭ গৰাকী পাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যু হয়। অসমতকৈ এই হাৰ কেৱল মধ্য প্ৰদেশত বেছি। আনহাতে, প্ৰতি ১০ হেজাৰৰ বিপৰীতে অসমত চিকিৎসক-নাৰ্ছৰ সংখ্যা কেৱল ২৩ গৰাকী; কিন্তু কেৰালাত এই হাৰ ১১৫ গৰাকী। এয়াই হৈছে তথাকথিত 'দক্ষ' মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনত হোৱা অসমৰ স্বাস্থ্যখণ্ডৰ উন্নয়নৰ প্ৰকৃত স্বৰূপ।'

শিক্ষা খণ্ডতো অসমৰ স্থান অতি পুতৌজনক বুলি কটাক্ষ কৰি শইকীয়াই কয়, 'উচ্চ মাধ্যমিকত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ ক্ষেত্ৰত দেশৰ ৩৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমৰ স্থান দ্বিতীয়। অৰ্থাৎ আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা অসমত দ্বিতীয় সৰ্বোচ্চ। অসমত প্ৰতি এশগৰাকী শিক্ষাৰ্থীৰ বিপৰীতে ৩১.৪৭ গৰাকীয়ে আধাতে নৱম আৰু দশম শ্ৰেণীত বিদ্যালয় এৰে। অসমতকৈ কেৱল অৰুণাচলত (৩৫.৯৮ শতাংশ) এই সংখ্যা বেছি। আনহাতে, হিমাচলত এই হাৰ মাত্ৰ ৭.৮১ শতাংশ। উচ্চ মাধ্যমিকত প্ৰশিক্ষিত শিক্ষকৰ সংখ্যাও অসমতেই সৰ্বনিম্ন। অসমত প্ৰশিক্ষিত শিক্ষকৰ হাৰ কেৱল ২৯.২৯ শতাংশ। এই ক্ষেত্ৰত প্ৰথম স্থানত থকা কেৰালাত এই হাৰ ৯৪.৫০ শতাংশ।'

নিটি আয়োগৰ প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, বিজেপি চৰকাৰৰ দিনত 'সুৰক্ষিত অসম'ত কোনোপধ্যে মহিলা সুৰক্ষিত নহয় বুলি সমালোচনা কৰি শইকীয়াই কয় যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধত দেশৰ ৩৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমৰ স্থান প্ৰথম। অৰ্থাৎ মহিলাৰ বিৰুদ্ধে আটাইতকৈ বেছি অপৰাধ সংঘটিত হয় অসমত। অসমত প্ৰতি এক লাখ মহিলাৰ বিপৰীতে অপৰাধৰ হাৰ ১৭৮। 'মহিলাৰ বিৰুদ্ধে আটাইতকৈ কম অপৰাধ সংঘটিত হোৱা ৰাজ্যখন হ'ল নগালেণ্ড (প্ৰতি এক লাখ মহিলাৰ বিপৰীতে অপৰাধৰ হাৰ চাৰি)। কেৱল মহিলাৰ বিৰুদ্ধে অপৰাধতে নহয়, ঘৰুৱা হিংসাৰ ক্ষেত্ৰতো দেশৰ ৩৭ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভিতৰত অসমৰ স্থান প্ৰথম। অসমত প্ৰতি এক লাখৰ বিপৰীতে ঘৰুৱা হিংসাৰ হাৰ ৭১।' এইদৰে কয় শইকীয়াই। তেওঁ লগতে কয়, 'বিশুদ্ধ খোৱাপানী যোগানৰ ক্ষেত্ৰত অসমৰ স্থান দেশৰ ৰাজ্যসমূহৰ ভিতৰত সৰ্বনিম্ন। অসমত কেৱল ২৫.৭০ শতাংশইহে লাভ কৰে বিশুদ্ধ খোৱাপানী। অৰ্থাৎ ৭৪.৩০ শতাংশ লোকেই বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হয়। এই ক্ষেত্ৰত প্ৰথম স্থানত থকা গুজৰাটে ৯৭.৫৭ শতাংশক যোগান ধৰে খোৱাপানী।'

প্ৰতিটো নিৰ্বাচনৰ সময়ত বিজেপিয়ে অসমৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ মিথ্যাচাৰেৰে ভৰা আৰু ভুৱা বুলি অভিযোগ কৰি শইকীয়াই কয় যে ২০১৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰধান প্ৰতিশ্ৰুতি আছিল অসমক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰা। '২০২১ত ক্ষমতালৈ আহি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইবাৰ অসমক দেশৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ কথা বাৰম্বাৰ কৈ আছে; কিন্তু নিটি আয়োগৰ প্ৰতিবেদনত উন্মোচিত হৈছে বিজেপিৰ শাসনত অসমৰ উন্নয়নৰ আঁৰৰ বাস্তৱ ছবিখন। সেয়েহে আমি দাবী কৰিছো— কেৱল মুখেৰেই কৈ থাকিলে নহ'ব, অসমৰ প্ৰকৃত উন্নয়নৰ বাবে চৰকাৰে বাস্তৱসন্মত পৰিকল্পনা যুগুত কৰক।' এইদৰে কয় ৰাইজৰ দলৰ নেতাজনে।

# 'ম'ষ্ট ৱাণ্টেড' ডকাইতৰ চৰ্দাৰসহ তিনিজন

*এক পৃষ্ঠাৰ পৰা* হোৱা তিনিজন 'ম'ষ্ট ৱাণ্টেড'ৰূপে পৰিচিত তথা ডকাইতৰ চৰ্দাৰ আবু বক্কৰ ছিদ্দিক ওৰফে বক্কৰ, বিজু আহমেদ আৰু ৰুবুল হুছেইন বুলি চিনাক্ত কৰা হৈছে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এ এছ-০১ এফ-৬৬৯৩ নম্বৰৰ এখন বিলাসী গাড়ী, এটা পিষ্টল আৰু কিছু আপত্তিজনক নথিপত্ৰ উদ্ধাৰ কৰে। পিঠি, হাত আৰু ভৰিত গুলি লাগি আঘাতপ্ৰাপ্ত তিনিওজন দুৰ্ধৰ্ষ ডকাইতক নিশাই জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

উল্লেখ্য যে যোৱা নিশা প্ৰায় ডেৰ বজাত নলবাৰী চহৰত চ'ক বজাৰৰ সন্মুখত ডকাইতৰ দলটোৱে মুখামুখি সংঘৰ্ষ হয়। আৰক্ষীয়ে সদৰী কৰা মতে, এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত যোৱা নিশা প্ৰায় ডেৰ বজাত নলবাৰী সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তপন কলিতা আৰু ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে মুগকুছি চ'কত খাপ পিটি বৈ আছিল। হাজো-নলবাৰী পথত মুগকুছি চ'কত এখন ডাম্পাৰ পথালিকৈ ভেটা দি ৰাখি থয় যদিও এখন বিলাসী বাহনত অহা ছয়জনীয়া ডকাইতৰ দলটোৱে তাৰ কাষেৰে তীব্ৰ বেগেৰে নলবাৰী চহৰৰ ফালে আৰক্ষীলৈ লক্ষ্য কৰি ধাৰাসাৰে গুলিচালনা কৰে। ইয়াৰ প্ৰত্যুত্তৰত আৰক্ষীয়ে গুলিচালনা কৰাত কোনো লোক হতাহত নহ'ল যদিও আৰক্ষীৰ গুলিত ডকাইতৰ বিলাসী বাহনখনৰ এটা চকা পাম্পচাৰ হয়। ইয়াৰ পাছতো গাড়ীৰ চকা ফুটিলেও ডকাইতৰ দলটোৱে তেনেকৈয়ে নলবাৰী চহৰ অভিমুখে পলায়নৰ চেষ্টা কৰে; কিন্তু আৰক্ষীয়ে পিছে পিছে খেদি যোৱাত চ'ক বজাৰ মাজদিয়া পথত গাড়ীখন ৰখাই ডকাইতৰ দলটোৱে পলায়নৰ চেষ্টা কৰি মেটেকা ভৰা এখন পিটনিত সোমাই আৰক্ষীৰ স'তে মুখামুখি সংঘৰ্ষত লিপ্ত হয়। সেই সময়তে দুয়োপক্ষৰ গুলীয়াগুলিত ডকাইতৰ দলটোৰ তিনিজন গুলিবিদ্ধ হয়। ইয়াৰে দুজনক আহত অৱস্থাত আটক কৰা হয়। ইফালে, গুলিবিদ্ধ আনজন ডকাইত ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও নিশাই পাৰ্শ্ববৰ্তী অৰৱা গাঁৱত ৰাইজৰ সহযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অৱশ্যে আন তিনিজনে পলায়ন কৰে। আৰক্ষীয়ে সদৰী কৰা মতে, জিলাখনৰ মুকালমুৱা থানাৰ অন্তৰ্গত গলদীঘলা গাঁৱৰ বাসিন্দা তথা 'ম'ষ্ট ৱাণ্টেড'ৰূপে চিহ্নিত আবু বক্কৰ ছিদ্দিক আলীৰ নেতৃত্বত ছয়জনীয়া ডকাইতৰ দলটোৰ সন্ধানত বিগত কিছুদিনৰ পৰা আৰক্ষীয়ে কে'বা ঠাইতো অভিযান চলাই আহিছে। কালি সন্ধিয়াৰ ভাগত এক নিৰ্ভৰযোগ্য খবৰৰ ভিত্তিত আৰক্ষীয়ে হাজো-নলবাৰী পথৰ মুগকুছি চ'কত খাপ পিটি বৈ থকাৰ সময়তে দুৰ্ধৰ্ষ ডকাইতৰ দলটোৰ মুখামুখি হয়। আৰক্ষীয়ে সদৰী কৰা মতে, গুলিবিদ্ধ আবু বক্কৰে দীৰ্ঘদিনৰ পৰা ডকাইতৰ চৰ্দাৰ হৈ জিলাখনৰ লগতে সমগ্ৰ ৰাজ্যতে কৃষক আৰু গো-পালকৰ গোহালিৰ গৰু, এটিএম মেচিন, মন্দিৰৰ সোণৰ আ-অলংকাৰ লুটকে ধৰি ভালেমান অপৰাধৰ স'তে জড়িত হৈ আহিছে। আজি চাৰিদিন পূৰ্বে নলবাৰী সৰিয়হতলীৰ বাসুদেৱ মন্দিৰৰ প্ৰায় কোটি টকা মূল্যৰ সোণৰ মূৰ্তি চুৰিৰ ঘটনাতো আবু বক্কৰৰ দলটো জড়িত থকা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। লক্ষ্যণীয় যে কে'বামাহ পূৰ্বে 'ম'ষ্ট ৱাণ্টেড' ডকাইতজনৰ বিৰুদ্ধে গলদীঘলা গৃহত মুকালমুৱা আৰক্ষীয়ে অভিযান চলাবলৈ যাওঁতে তেওঁৰ পত্নীসহ পৰিয়ালৰ লোকে ওলোটাই আৰক্ষীক আক্ৰমণ কৰাত ডকাইতজনে আৰক্ষীৰ বেহু ফালি পলাই যাবলৈ সক্ষম হৈছিল। কিন্তু ইয়াৰ পাছতো আবু বক্কৰে আৰক্ষীৰ চকুত ধূলি দি নিৰ্বিঘ্নে এটাৰ পাছত আনটো চুৰি আৰু ডকাইতিৰ ঘটনা সংঘটিত কৰি জিলাখনৰ লগতে ৰাজ্যখনত বৃহৎ ডকাইতৰ দল গঠন কৰিছিল।

### পলায়ন কৰা তিনি ডকাইতৰ বিৰুদ্ধে অভিযান

ইপিনে, যোৱা নিশা সংঘটিত গুলীয়াগুলিৰ ঘটনাৰ পাছতে পলায়ন কৰা তিনি ডকাইতৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে আৰক্ষীয়ে। বিলাসী বাহনখনত অহা ছয়জন ডকাইতৰ তিনিজন গুলিবিদ্ধ হৈ আৰক্ষীৰ হাতত আটক হয় যদিও আন তিনিজনে নিশাৰ এন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। এতিয়া আৰক্ষীয়ে জিলাখনৰ চৌদিশে তেওঁলোকৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

### আৰক্ষী মহা-পৰিদৰ্শকৰ ঘটনাস্থলী পৰিদৰ্শন

ইফালে, যোৱা নিশা নলবাৰীৰ মুগকুছিত সংঘটিত ঘটনাত ডকাইতৰ দলটো আটকৰ পাছত এয়া নলবাৰী আৰক্ষীৰ বাবে বৃহৎ সফলতাৰূপে চিহ্নিত হৈছে। নিশা সংঘটিত ঘটনাৰ পাছতে আজি নলবাৰীত উপস্থিত হয় নামনি অসম আৰক্ষীৰ মহা-পৰিদৰ্শক ব্ৰজেনজিৎ সিনহা। উচ্চপদস্থ আৰক্ষী বিষয়াজনে নলবাৰী আৰক্ষীৰ বৃহৎ সফলতাৰূপে গণ্য কৰি ঘটনাস্থলী মুগকুছি আৰু চ'কবজাৰৰ মাজদিয়া পথৰ মেটেকাভৰা পিটনি পৰিদৰ্শন কৰে। আৰক্ষী বিষয়াজনে আৰক্ষীৰ এই প্ৰচেষ্টাৰ শলাগ লোৱাৰ উপৰি সততাৰে নিজৰ কৰ্তব্য পালন কৰিবলৈ উৎসাহ প্ৰদান কৰে। আনহাতে, জিলা আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথেও আৰক্ষীৰ দলটোৰ সাহসী পদক্ষেপৰ শলাগ লয়।

### আৰক্ষীক সম্বৰ্ধনা বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ

ইফালে, নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি গুলীয়াগুলিৰ মাজতে আৰক্ষীৰ দলটোৱে তিনিজন দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰা কাৰ্যক নলবাৰীৰ সৰ্বস্তৰৰ ৰাইজে আদৰণি জনাইছে। এই ঘটনা নলবাৰী আৰক্ষীৰ বিশেষ সফলতা হিচাপে পৰিগণিত হৈছে। আৰক্ষীৰ এনে সাহসিকতাৰ বাবে নলবাৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই নলবাৰী সদৰ থানাত উপস্থিত হৈ আজি আৰক্ষী বিষয়াৰ দলটোৰ এনে সাহসী পদক্ষেপৰ শলাগ লয়। তদুপৰি বিধায়কজনে আৰক্ষীৰ দলটোক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁ কয় যে দীৰ্ঘদিনৰ পৰা আবু বক্কৰে গৰু চোৰ আৰু ইয়াৰ চোৰাং ব্যৱসায়ৰ স'তে জড়িত হোৱাৰ উপৰি গো-মাংসৰো অবৈধ ব্যৱসায় চলাই আহিছিল। আনহাতে, আৰক্ষীৰ এই সাহসিকতাক নলবাৰী জিলাই আদৰণি জনাই জিলা আছুৱে আৰক্ষীৰ দলটোক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে ব্যক্তি বিশেষেও আদৰণি জনায়।






# নাজিৰাবাসীৰ সুবিধাৰ্থে মুকলি নতুন ম'বাইল এপ

অগ্ৰদূত বাৰ্তা

**নামতি, ৪ জুন ঃ** সমগ্ৰ দেশতে কৰ'না মহামাৰীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ ফলত জনসাধাৰণৰ মাজত যি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণে ঘৰৰে পৰা ম'বাইল এপৰ জৰিয়তে নিত্য ব্যৱহাৰ্য সামগ্ৰী তথা খাদ্য সামগ্ৰীসমূহ অৰ্ডাৰ দি ঘৰতে থাকি ডেলিভাৰি পোৱা উদ্দেশ্যে নাজিৰাবাসী আৰু গোলাঘাটবাসী ৰাইজৰ সুবিধাৰ্থে এই Proyujan এপটো আজি নাজিৰাত মুকলি কৰে কেইজনমান উদীয়মান যুৱকে। এপটো ম'বাইলৰ গুগুল প্লেষ্টৰৰ পৰা ডাউনলড কৰি ল'ব লাগিব। বৰ্তমান সময়ত কৰ'না মহামাৰীৰ ফলত পৰাপক্ষত ঘৰতে থাকি জনসাধাৰণে এই Proyujan এপটোৰ জৰিয়তে উপকৃত হ'ব বুলি আশাবাদী এপটোৰ পৰিচালক অচ্যুত কুমাৰ কোঁৱৰ, ধ্ৰুৱ বৰা, নিলোৎপল চুতীয়া, মিণ্টু বৰুৱা আৰু ভৃগু কটকীয়ে।

# ছয়গাঁও ঔদ্যোগিক কেন্দ্ৰৰ পৰাই এফচিআইৰ চাউল নতুনকৈ পেকেজিং কৰি যোগান ধৰে অসম ৰাইফলছক

অগ্ৰদূত বাৰ্তা

**বকো, ৪ জুন ঃ** ছয়গাঁও সমষ্টিৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত ছাটাবাৰী ঔদ্যোগিক কেন্দ্ৰত থকা এশটা উদ্যোগৰ একাংশ মালিক পক্ষৰ বিৰুদ্ধে বিগত সময়ছোৱাত বিভিন্ন অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ মাজতে উক্ত ঔদ্যোগিক কেন্দ্ৰটোত এফ চি আইৰ চোৰাং চাউলৰ সৰবৰাহ অব্যাহত থকাৰ তথ্য পোহৰলৈ আহিছে। ঔদ্যোগিক কেন্দ্ৰটোৰ মাৰুতি কোৱালিটি প্ৰডাক্ট প্ৰাইভেট লিমিটেডৰ গুদামলৈ দীৰ্ঘদিন ধৰি মেঘালয়ৰ এফ চি আইৰ চাউল অহাৰ তথ্য প্ৰকাশৰ পাছতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মাৰুতি কোৱালিটি প্ৰডাক্ট প্ৰাইভেট লিমিটেডৰ গুদামত এফচিআইৰ বৃহৎ পৰিমাণৰ চোৰাং চাউল উদ্ধাৰ হোৱাৰ পাছতে প্ৰকৃত ঘটনাটো পোহৰলৈ আহে। উক্ত চোৰাং চাউল সংসাধন কৰি নতুনকৈ পেকেজিং কৰা হয়। এই চাউল চানৰাইজকে ধৰি কে'বাটাও ব্ৰেণ্ডৰ নামত নতুনকৈ পেকেজিং কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই চাউল অসম ৰাইফলছকে ধৰি চিআৰপিএফলৈ প্ৰেৰণ কৰা হয়। এনে কাৰ্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে আছু আৰু আৰছু। আজি আছুৰ ছয়গাঁও আঞ্চলিকৰ সভাপতি উপম দাসে 'দৈনিক অগ্ৰদূত'ক



কয়, 'কৰ'না অতিমাৰীৰ সময়ত একাংশ অসাধু চক্ৰই পিছদুৱাৰেৰে ব্যক্তিগত উদ্যোগত মজুত ৰাখিছে ভাৰতীয় খাদ্য নিগমৰ এক লাখতকৈয়ো অধিক চাউলৰ বেগ। আৰক্ষী প্ৰশাসনে এই ক্ষেত্ৰত যি উচ্চ পৰ্যায়ৰ তদন্ত কৰিব লাগিছিল তেনে কোনো পদক্ষেপ লোৱা নাই।' এই ক্ষেত্ৰত ছাত্ৰ সংগঠনটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ হস্তক্ষেপ বিচাৰিছে। তেওঁ পুনৰ কয় যে দীপক আগৰৱালা নামৰ ব্যৱসায়ীজনৰ মাৰুতি কোৱালিটি প্ৰডাক্ট প্ৰাইভেট লিমিটেডৰ নামত দুটা প্লান্ট আছে। ইয়াৰে দুই নম্বৰ ইউনিটটোত এনে ধৰণৰ অবৈধ কাৰ্য অব্যাহত ৰাখিছে। আৰক্ষী প্ৰশাসনক হাতৰ মুঠিত ৰাখি ব্যৱসায়ীজনে এনে অবৈধ কাৰ্য সংঘটিত কৰি থকা বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। ছাত্ৰ সংগঠনটোৱে ব্যৱসায়ী আগৰৱালাক গ্ৰেপ্তাৰ দাবী জনায়।

ইপিনে, নিখিল ৰাভা ছাত্ৰ সন্থা (আৰছু)ৰ কামৰূপ জিলাৰ সভাপতি অজিত ৰাভায়ো উক্ত ঘটনা সন্দৰ্ভত আৰক্ষী প্ৰশাসনৰ ভূমিকা সন্দেহজনক বুলি কয়। তেওঁ ক্ষিপ্ৰতাৰে উক্ত ঘটনাৰ তদন্তৰ দাবী জনায়। যদি এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্ত নহয় তেতিয়াহ'লে ছাত্ৰ সংগঠনটোৱে আন্দোলন কৰিব বুলি সকীয়াই দিয়ে। আৰছুৰ জিলা সভাপতিজনে উক্ত উদ্যোগটো ছীল কৰাৰো দাবী জনায়।

উল্লেখ্য যে উক্ত উদ্যোগটোত এফচিআইৰ চাউল সংসাধন কৰি নতুনকৈ পেকেজিং কৰাৰ পাছত সেই চাউল অসম ৰাইফলছ আৰু চিআৰপিএফক যোগান ধৰা হয়। দীৰ্ঘদিন ধৰি ব্যৱসায়ীজনে মেঘালয়ৰ পৰা সৰবৰাহ হোৱা এনে চাউলৰ জৰিয়তে লুণ্ঠন চলাই আছে। এই ব্যৱসায়ীজনৰ আন এটা প্লান্টত লুকুৱাই ৰাখিছে পেকেজিং চাউল ভৰ্তি দুখন ট্ৰাক। তদুপৰি উদ্যোগটোৰ সন্মুখৰ পাৰ্কিঙত থকা মেঘালয়ৰ পৰা অহা ১২ খন এফচিআইৰ চাউলভৰ্তি ট্ৰাক মজুত আছে। প্ৰতিখন ট্ৰাকৰ সন্মুখতে এফচিআইৰ লেবেলো আঁৰি থোৱা আছে। আনহাতে, মাৰুতি কোম্পানীৰ চৌহদতে আন এখন খালী ট্ৰাকো আছে। উল্লেখ্য যে যোৱা পহিলা জুনৰ নিশা বকোৰ নধিয়াপাৰাত সন্দেহবশতঃ ৰাইজে এখন ট্ৰাক জব্দ কৰাৰ পাছতে ঘটনাক্ৰমে উন্মোচিত হৈছে মাৰুতি কোৱালিটি প্ৰডাক্ট প্ৰাইভেট লিমিটেডৰ পৰ্বতসম অনিয়ম। বকো আৰক্ষীয়ে কোম্পানীটোৰ স'তে জড়িত সাতজন লোকক আটক কৰিছিল যদিও ৰহস্যজনকভাৱে তেওঁলোকক মুকলি কৰি দিয়ে।

# নগাঁৱৰ হাতত লাঠি লৈ প্ৰতীকী প্ৰতিবাদ শল্য চিকিৎসকৰ

বিশেষ সংবাদদাতা



**নগাঁও, ৪ জুন ঃ** দুদিন পূৰ্বে হোজাই জিলাৰ লংকা উদালীৰ ফুলতলিস্থিত আদৰ্শ চিকিৎসালয়ত একাংশ উন্মত্ত লোকে কৰ্মৰত এগৰাকী চিকিৎসকক বৰ্বৰোচিতভাৱে আক্ৰমণৰ ঘটনাৰ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া আজিও মাৰ যোৱা নাই। চিকিৎসালয়খনত সেৱা আগবঢ়াই থকা অৱস্থাতে চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত চলোৱা এটি অমানৱীয় শাৰীৰিক নিৰ্যাতনৰ প্ৰতিবাদত যোৱা নিশা নগাঁৱৰ আন এগৰাকী চিকিৎসকে এক অভিনৱ তথা প্ৰতীকী ৰূপত প্ৰতিবাদ কৰা ঘটনা সম্প্ৰতি সংবাদ মাধ্যমৰ শিৰোনামালৈ আহিছে। নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ডাঃ দিগন্ত বৰা নামৰ শৈল্যে চিকিৎসকজনে কালি চিকিৎসালয়খনত নিজৰ কৰ্তব্য পালনৰ সময়ত হাতত এডাল লাঠি লৈ থকা ঘটনাই বিশেষ চৰ্চা লাভ কৰিছে। চিকিৎসালয়খনত কালি ছাৰ্জাৰী বিভাগৰ ৰাউণ্ডৰ দায়িত্বত থকা ডাঃ বৰাই হাতত লাঠিডাল লৈ ৰোগীসকলৰ চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে ৰোগীক নিদান পত্ৰ লিখি দিয়ে। চিকিৎসকজনৰ এই কৰ্মকাণ্ডত সকলো স্তম্ভিত হৈ পৰে আৰু সৰ্বত্ৰে চৰ্চা লাভ কৰে। আজি চিকিৎসকজনক তেওঁৰ এই কাৰ্য সম্পৰ্কে প্ৰতিক্ৰিয়া বিচৰাত তেওঁ কয়, 'এয়া মোৰ প্ৰতীকী ৰূপত কৰা এক প্ৰতিবাদ মাত্ৰ। মই আজিলৈকে একো এটা প্ৰাণীকে হত্যা কৰি পোৱা নাই। আনকি মোৰ গাৰ ওচৰত উঠা এডাল বিছা পৰ্যন্ত মাৰি পোৱা নাই। কিন্তু দুদিন পূৰ্বে লংকাৰ উদালীৰ চিকিৎসালয়ত হোৱা ঘটনাক মোক বৰ মৰ্মাহত কৰিছে। ভগৱানৰ পাছতে মানুহে মনত স্থান দিয়া চিকিৎসকক ইমান নিৰ্মমভাৱে আক্ৰমণ কৰাৰ প্ৰতিবাদত মই এই প্ৰতীকী ৰূপত প্ৰতিবাদ কৰিলো।

# সমাজকৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক হোমেশ্বৰ শৰ্মাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৪ জুন ঃ** অবিভক্ত নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত মাজগাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক হোমেশ্বৰ শৰ্মা (৩৬)ৰ যোৱা নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। সমাজপ্ৰিয় সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰী শৰ্মাৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে লগেই জন্মস্থান মৰিগাঁও জিলাৰ কাহিবাৰীৰ লগতে হাতীচোং মৌজাৰ মাজগাঁৱঁতো শোকৰ ছাঁ পৰে। উল্লেখ্য যে ১৯৪৫ত মৰিগাঁও জিলাৰ কাহিবাৰীত জন্মগ্ৰহণ কৰা শৰ্মা অঞ্চলটোৰ ভিতৰতে মেধা ছাত্ৰ হিচাপে পৰিচিত আছিল। ১৯৬১ত তেওঁ কাহিবাৰী অঞ্চলৰ প্ৰথমজন মেধা ছাত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। পাছত মৰিগাঁও জিলাৰ দৈপৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰাৰ কেইবছৰমানৰ পাছত জিলাখনৰ সাপমাৰী মজলীয়া বিদ্যালয়তো শিক্ষকতা কৰে অবিভক্ত নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি সেই বিদ্যালয়ৰ পৰাই ২০০৫ত শিক্ষকতা জীৱনৰ অৱসৰ গ্ৰহণ কৰে। শৰ্মাই অৱসৰ গ্ৰহণ কৰাৰ পাছতো মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰি স্থানীয় দুৰ্গা পূজা সমিতি, জিলা ব্ৰাহ্মণ সমাজকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত মৃত্যুৰ আগমুহূৰ্তলৈকে সক্ৰিয়ভাৱে জড়িত কৰি ৰাখিছিল। সহজ-সৰল হাঁহিমুখীয়া সৰবৰহী ব্যক্তিজনৰ মৃত্যুত মৰিগাঁও জিলা ব্ৰাহ্মণ সমাজ, মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক গোট তথা পৰিচালনা সমিতি, অগ্ৰগামী যুৱক সংঘ, মাজ জাঁজৰি গোপাল দেৱ মন্দিৰ পৰিচালনা সমিতিকে ধৰি একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰে। শৰ্মাই মৃত্যুৰ সময়ত তিনি পুত্ৰ আৰু এগৰাকী কন্যাসহ আত্মীয়-স্বজনকে ধৰি বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# উদালী কাণ্ডৰ উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত হোৱা উচিত ঃ আৰ এম চি

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৪ জুন ঃ** 'হোজাইৰ উদালী হাস্পতালৰ এজন ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি চিকিৎসাত ব্ৰতী চিকিৎসকক মৃতকৰ আত্মীয়ৰ দ্বাৰা কৰা আক্ৰমণ মানৱ সমাজৰ বাবে অতিকৈ লজ্জাজনক আৰু ই অতি গৰ্হিত কাণ্ড। একেদৰে নিৰ্যাতিত চিকিৎসকৰ পৰিচয় এজন চিকিৎসক আৰু নিৰ্যাতনকাৰীসকলৰ পৰিচয় মৃত ৰোগীৰ আত্মীয়ৰ উপৰি দুৰ্বৃত্ত, বৰ্বৰ, দস্যু, অসুৰ আদি ধৰণৰ নহৈ নিৰ্যাতিত চিকিৎসকৰ পৰিচয় এজন হিন্দু আৰু নিৰ্যাতনকাৰীসকলৰ পৰিচয় মুছলমান তথা মিঞা প্ৰভৃতি হোৱাটোও তাতকৈ গৰ্হিত কাৰ্য।' এই মন্তব্য ধৰ্মীয় সংখ্যালঘু পৰিষদ চমুকৈ আৰ এম চিৰ মুখপাত্ৰ মিনহাজুল ইমৰানৰ। এক বিবৃতিত আৰ এম চিৰ মুখপাত্ৰজনে কয় যে মৃত ৰোগীৰ আত্মীয়ৰ দ্বাৰা চিকিৎসক তথা নাৰ্ছ নিৰ্যাতন এয়াই প্ৰথম নহয়। এই অসম মুলুকতে বিনাবেতনে চিকিৎসাসেৱা আগবঢ়াই থকা বৃদ্ধ চিকিৎসকক মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনা বেছিদিন হোৱা নাই আৰু সেই হত্যাকাৰীসকল কোনো মিঞা বা মুছলমান নাছিল। গতিকে অপৰাধীক অপৰাধী হিচাপে চোৱা উচিত, ধৰ্মীয় পৰিচয়ৰে নহয়। দৈনন্দিন বিভিন্ন কাৰণত মানুহৰ মৃত্যু হয়। সেয়ে মৃত্যুত ধৈৰ্য ধৰিবলৈ সকলোৱে যত্ন কৰা উচিত আৰু শান্তি আমাৰ কাম্য। যাৰ বাবে নিজৰ জীৱনক তুচ্ছ কৰি মহামাৰীৰ বিৰুদ্ধে যুঁজি থকা চিকিৎসাকৰ্মীৰ ওপৰত আক্ৰমণ কোনো কাৰণতেই সহ্যকৰ নহয়। তদুপৰি চিকিৎসক তথা নাৰ্ছৰ অৱহেলাৰ ফলত ৰোগীয়ে মৃত্যুক আঁকোৱালি লোৱাটোও গ্ৰহণযোগ্য নহয়। গতিকে হোজাইৰ উদালীত সংঘটিত হোৱা ঘটনাটো উচ্চ পৰ্যায়ৰ এক নিৰপেক্ষ তদন্ত হোৱা উচিত।



মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আজমল পৰিয়ালৰ ৫৮ লাখ ৫০ হেজাৰ টকাৰ চেক প্ৰদান, মহানগৰীত শুকুৰবাৰে।

# হাউলীত অৱসৰপ্ৰাপ্ত শিক্ষক সুবোধ চন্দ্ৰ তালুকদাৰৰ মৃত্যু

**হাউলী, ৪ জুন ঃ** হাউলী নিবাসী তথা হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক সুবোধ চন্দ্ৰ তালুকদাৰ (৭৫)ৰ আজি আবেলি তিনি বজাত মৃত্যু হয়। উল্লেখ্য যে যোৱা মেত ক'ভিড আক্ৰান্ত হোৱাত বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাল আইচিইউত ৰখাৰ কেইদিনমানৰ পাছত ক'ভিড নিগেটিভ ওলায়। ক'ভিড নিগেটিভ অহাৰ পাছত জেনেৰেল ৱাৰ্ডত ৰাখে। চিকিৎসালয়ত ১৪ দিন ৰখাৰ পাছত উন্নত চিকিৎসাৰ কাৰণে ৰঙিয়াৰ এখন চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসালয়ত ১৩ দিন ৰখাৰ পাছত তেওঁক ঘৰত অক্সিজেন যোগান ধৰি ৰাখিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি এজন পুত্ৰ, কন্যাক এৰি যায়। তেওঁৰ মৃত্যুত কৰ্মৰত বিদ্যালয়ৰ কৰ্মচাৰী, বৰপেটা জিলা সাংবাদিক সন্থাৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# চিকিৎসক সেউজ কুমাৰ সেনাপতিৰ জন্মস্থান দক্ষিণপাটত মৌন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ



বিশেষ সংবাদদাতা

**নগাঁও, ৪ জুন ঃ** হোজাই জিলাৰ লংকা উদালীৰ ক'ভিড চিকিৎসালয়ত এদল উদণ্ড লোকৰ বৰ্বৰ আক্ৰমণৰ বলি হোৱা ডাঃ সেউজ কুমাৰ সেনাপতিৰ জন্মস্থান দক্ষিণপাটত বিভিন্ন সংগঠন আৰু স্থানীয় ৰাইজে আজি মৌন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত কৰে। চিকিৎসকজনৰ দ্ৰুত আৰোগ্য কামনা আৰু চিকিৎসকজনৰ ওপৰত চলোৱা আক্ৰমণৰ প্ৰতিবাদত আজি স্থানীয় ৰাইজে এই কাৰ্যসূচী ৰূপায়িত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। সম্পূৰ্ণ ক'ভিড নিয়ম মানি দক্ষিণপাট চাৰিআলিত স্থানীয় ৰাইজে 'দোষীক দৃষ্টান্তমূলক শাস্তি দিয়ক', 'চিকিৎসক তথা চিকিৎসা কৰ্মীক সুৰক্ষা দিয়ক', চিকিৎসক সেউজ কুমাৰ সেনাপতিক ন্যায় দিয়ক' আদি বিভিন্ন শ্ল'গান সম্বলিত প্লে কাৰ্ড হাতে হাতে লৈ এই প্ৰতিবাদত স্থানীয় শতাধিক লোকে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত সমাজকৰ্মী নৰেন চন্দ্ৰ দাস, দক্ষিণপাট গাঁও পঞ্চায়তৰ সভাপতি যুগ প্ৰসাদ বৰদলৈ, শিক্ষাবিদ লৱকান্ত শৰ্মা, ঘন দাস, প্ৰবীণ মজুমদাৰ, ধীৰেন দাস, হীৰকজ্যোতি দাস, ৰাজীৱ দাস, পংকজ কুমাৰ দাস আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ডাঃ সেউজ কুমাৰ সেনাপতিৰ ঘৰ দক্ষিণপাট অঞ্চলৰ বালিগাঁৱত।

# দৈনিক সংক্ৰমণ অপৰিৱৰ্তিত, ২৪ ঘণ্টাত পুনৰ মৃত্যু ২,৭১৩ জনৰ

নিউজ ব্যু্ৰ'

**নতুন দিল্লী, ৪ জুন ঃ** বুধ আৰু বৃহস্পতিবাৰৰ দৰে আজিও দেশত ক'ভিডৰ দৈনিক আক্ৰান্তৰ সংখ্যা অপৰিৱৰ্তিত হৈ থাকিল। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল এক লাখ ৩২ হেজাৰ ৩৬৪ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশত মুঠ আক্ৰান্তৰ সংখ্যা দুই কোটি ৮৫ লাখলৈ বৃদ্ধি পালে। আজি ক'ভিডত দৈনিক মৃত্যুৰ সংখ্যাও তিনি হেজাৰৰ তলতে থাকিল। যোৱা ২৪ ঘণ্টাত কৰ'নাই প্ৰাণ কাঢ়িলে ২,৭১৩ জন ভাৰতীয়ৰ। বৰ্তমানলৈকে ভাৰতত অতিমাৰীৰ সমগ্ৰ পৰ্বত ক'ভিডত প্ৰাণ হেৰুৱালে তিনি লাখ ৪০ হেজাৰ ৭০২ জন লোকে। বিগত দুসপ্তাহৰো অধিক সময় ধৰি দেশত যিমানসংখ্যক লোক কৰ'নাত আক্ৰান্ত হৈছে, তাৰ তুলনাত প্ৰতিদিনে সুস্থ হৈ উঠিছে অধিকসংখ্যক লোক। ফলত ধাৰাবাহিকভাৱে দেশজুৰি সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। এইদৰে ৰোগীৰ সংখ্যা হ্ৰাস হোৱাৰ ফলত বৰ্তমানে দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যা ১৬.৫ লাখৰ তললৈ নামিছে। এই মুহূৰ্তত সক্ৰিয় ৰোগীৰ সংখ্যা হৈছে ১৬ লাখ ৩৫ হেজাৰ ৯৯৩ জন।

ৰাজ্যসমূহৰ ভিতৰত বৰ্তমানে তামিলনাডুত সৰ্বাধিকসংখ্যক কৰ'না আক্ৰান্ত দৈনিক চিনাক্ত হৈছে। অৱশ্যে যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত আক্ৰান্তৰ সংখ্যা ২৫ হেজাৰৰ তললৈ নামিলে। কৰ্ণাটক আৰু কেৰালাত সম্প্ৰতি দৈনিক আক্ৰান্তৰ সংখ্যা হৈছে ১৮ হেজাৰৰ ঘৰত। মহাৰাষ্ট্ৰত ক'ভিডৰ দৈনিক সংক্ৰমণ ১৫ হেজাৰৰ তললৈ নামিছে। অন্ধ্ৰ প্ৰদেশত দৈনিক ১১ হেজাৰৰ অধিক লোক আক্ৰান্ত হৈছে। পশ্চিমবংগত যোৱা ২৪ ঘণ্টাত সংক্ৰমণৰ সংখ্যা ন হেজাৰৰ তললৈ নামিছে। ওড়িছাতো আক্ৰান্তৰ সংখ্যা ন হেজাৰৰ তলতে আছে। অসমত দৈনিক সংক্ৰমণ বৰ্তমানে চাৰি হেজাৰৰ ঘৰত আছে। দেশৰ অন্যান্য ৰাজ্যসমূহত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ২৫০০ৰ তললৈ নামিছে। আনহাতে, দেশৰ ৰাজধানী দিল্লীত ক'ভিড পৰিস্থিতি পূৰ্বৰ তুলনাত যথেষ্ট উন্নত হৈছে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল পাঁচশৰো কম লোক।

# চি টেট উত্তীৰ্ণক নিযুক্তি দিবলৈ মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰীলৈ কাতৰ অনুৰোধ

অগ্ৰদূত বাৰ্তা

**দোতমা, ৪ জুন ঃ** চি টেট উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলক নিযুক্তি দিবলৈ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক কাতৰ আহ্বান জনাইছে চি টেট উত্তীৰ্ণসকলে। আজি এক বিবৃতিত চি টেট উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্দেশ্যে কয়, 'আপুনি আমাৰ অভিভাৱক। আমি সৰুৰে পৰা অসমীয়া মাধ্যমত পঢ়ি, শিকি ডাঙৰ-দীঘল হৈছো। কেৱল এটা পৰীক্ষাৰ বাবে আমাক অসমৰ বাহিৰত দি অভিহিত কৰা হৈছে। আমি অসমীয়া হৈ অসমত চাকৰি নাপালে ক'ত পাম? আমি চি টেট উত্তীৰ্ণ হৈ বহুত ডাঙৰ পাপ কৰিলো নেকি?' অসমত দুই বছৰে টেট পতা নাই বুলি উল্লেখ কৰি কয় যে এন চি টি ই অনুসৰি ৰাজ্যিক টেট নাপাতিলে চি টেটসকলক সুবিধা দিব লাগে বুলি উল্লেখ আছে। সেই অনুসৰি তেওঁলোক অধিকাৰ দিব লাগে যদিও নোকোৱাত মানসিকভাৱে ভাগি পৰিছে বুলি কয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বক শৰ্মাক উদ্দেশ্যে কৰি কয় যে আমি মেধাৰ ভিত্তিত চাকৰি দিব বুলি আশাৰে বাট চাই আছো। আমাক ভৱিষ্যত অন্ধকাৰলৈ ঠেলি দিলো। প্ৰতিবছৰে চি টেট উত্তীৰ্ণক আবেদন প্ৰক্ৰিয়াক সুযোগ দি অহাৰ বাবে তেওঁলোকে চি টেট উত্তীৰ্ণ হোৱা বুলিও উল্লেখ কৰি মুখ্যমন্ত্ৰীক কাতৰেৰে তেওঁলোকক নিযুক্তি দিবলৈ আহ্বান জনায়।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বলোৰাম ৰায়ৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ৪ জুন ঃ** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সমাজকৰ্মী বলোৰাম ৰায়ে আজি পুৱা ইহসংসাৰ ত্যাগ কৰে। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত কাউনীয়াভাষা গাঁৱত জন্মগ্ৰহণ কৰা ৰায় চিৰাং জিলাৰ বাসুগাঁও ৰাজাছাৰাং গাঁৱত নিগাজীকৈ থাকিবলৈ লৈছিল। অৱসৰপ্ৰাপ্ত শিক্ষকজন যোৱা এসপ্তাহ ধৰি পেটৰ অসুখত আক্ৰান্ত হৈ আছিল। ইয়াৰ মাজতে যোৱা নিশা বিছনাৰ পৰা নামিব খোজতে মুমূৰ্ষ অৱস্থাত পৰি থকা পত্নীয়ে প্ৰত্যক্ষ কৰি হুৰা-দুৰা লগায়। লগে লগে বঙাইগাঁও লৱাৰ আছাম নাৰ্ছিং হোম, চিভিল হাস্পতাল, আৰোগ্য হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ আদিত লৈ যায় যদিও অৱস্থা গুৰুতৰ দেখি ভৰ্তি নকৰিলে। অৱশেষত স্বাগত নাৰ্ছিং হোমত ৰাখি চিকিৎসাৰ ব্যৱস্থা কৰে যদিও আজি পুৱা উক্ত নাৰ্ছিং হোমত শেষ নিশ্বাস ত্যাগ কৰে। মৃতদেহ নিজ ঘৰলৈ অনাৰ পাছত অগণন আত্মীয়-কুটুম, গুণমুগ্ধৰ উপস্থিতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। অৱশেষত প্ৰায় পাঁচ কিলোমিটাৰ আঁতৰৰ নিজ জন্মগাঁও ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। জীৱনৰ অধিক কালছোৱা ধুতিসহ বগা সাজ পৰিধান কৰাত বাসুগাঁও-কালীপুখুৰী অঞ্চলৰ সৰ্বস্তৰৰ লোকে ধুতিৱালা বুলি জানিছিল। শিক্ষকৰ লগতে অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ আহিছিল। ইফালে, একেদিনাই নিকটৱৰ্তী জৰেগাঁও নিৱাসী থালেশ্বৰী ৰায় নামৰ আন এগৰাকী সৰবৰহী মহিলাই আজি শেষ নিশ্বাস ত্যাগ কৰে। মহিলাগৰাকীয়ে দুই পুত্ৰ আৰু চাৰি কন্যাসহ বহুতো আত্মীয়-কুটুম, গুণমুগ্ধক এৰি যায়।

# নগাঁৱৰ শালমৰাত ছুৰিকাঘাতত প্ৰাণ গ'ল ভ্ৰাতৃৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৪ জুন ঃ** নগাঁও জিলাৰ ফুলগুৰি পশ্চিম শালমৰাত আজি বিয়লি পাঁচ বজাত ককায়েকৰ ছুৰিকাঘাতত প্ৰাণ গ'ল কনিষ্ঠ ভ্ৰাতৃৰ। নিহত যুৱকজনৰ নাম কেশৱ কাকতি আৰু অভিযুক্তজন ৰঞ্জিত কাকতি। তেওঁক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। মদ্যপান কৰি দুই ভাই-ককায়েক আজি কাজিয়াত লিপ্ত হয়। কাজিয়াৰ মাজতে ঘৰৰ চোতালতে ৰঞ্জিতে কেশৱক ছুৰীৰে পেটত আঘাত হনাত তেওঁ অতি গুৰুতৰভাৱে আহত হয়। আহত কেশৱক ততাতৈয়াকৈ পৰিয়ালৰ লোকে চিকিৎসালয়লৈ আনে যদিও আদবাটতে তেওঁৰ মৃত্যু হয়। পৰিয়ালৰ লোকে অভিযোগ কৰা মতে, সুৰাৰ বাবে কাল হ'ল পৰিয়ালটোৰ।

# অসম আন্দোলনৰ সক্ৰিয় কৰ্মী অনিৰুদ্ধ বৰঠাকুৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৪ জুন ঃ** অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, সমাজ সংগঠক, জামুগুৰিহাটস্থিত মাধৱ প্ৰদীপ সাংস্কৃতিক টোলৰ পৰিচালনা সমিতিৰ সভাপতি তথা জনপ্ৰিয় ৰলিংষ্ট'ন ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য অনিৰুদ্ধ বৰঠাকুৰ(৬০)ৰ কালি সন্ধিয়া মৃত্যু হয়। জামুগুৰিহাটৰ বঢ়মপুৰ নিবাসী বৰঠাকুৰ ভালেমান দিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকাৰ পাছত কালি নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। জামুগুৰিহাটৰ এজন বিশিষ্ট ব্যৱসায়ী তথা বিভিন্ন সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত নিজকে বিলীন কৰি যোৱা বৰঠাকুৰৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বাসগৃহত গুণমুগ্ধ উপস্থিত হৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অসম আন্দোলনৰ এজন সক্ৰিয় সেনানীৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে। মৃত্যুৰ সময়ত বৰঠাকুৰে পত্নীসহ এগৰাকী জীয়ৰীৰ লগতে গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# বৰপেটাৰোডৰ তেল চুৰি ঃ গৃহৰক্ষীসহ ধৃত চাৰি অভিযুক্ত

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ৪ জুন ঃ** বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত মেছপাৰা অঞ্চলত দীৰ্ঘদিন ধৰি অইলৰ পাইপ ফুটাই খাৰুৱা তেলৰ চোৰাং বেহা কৰি চাৰি অভিযুক্তক আৰক্ষীয়ে কৰায়ত্ত কৰিছে। ধৃত অভিযুক্তকেইজন হ'ল বৰপেটা জিলাৰ বৰপেটাৰোড থানাৰ মেছপাৰা অঞ্চলৰ আকবৰ আলীৰ পুত্ৰ মইনাল হক (৪১), প্ৰয়াত ইছৱৰ পুত্ৰ মহিৰুদ্দিন (৩৮), প্ৰয়াত আলী হুছেইনৰ পুত্ৰ ৰাইজুদ্দিন (২৭) আৰু নুৰুদ্দিন আলীৰ পুত্ৰ তাৰেক আলী (৪৮)। ইপিনে, উক্ত অপৰাধী চক্ৰটোৰ অন্যতম সদস্য হাছমৎ আলী বৰ্তমানো পলাতক। উল্লেখ্য যে বৰপেটাৰোড আৰক্ষীয়ে যি চাৰিজন অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে তাৰ ভিতৰৰ মইনাল হ'ল ভৱানীপুৰ আৰক্ষী থানাৰ হোমগাৰ্ড। উল্লেখ্য যে বিগত ১৮ এপ্ৰিলতে বৰপেটাৰোড আৰক্ষীয়ে সন্দেহজনক স্থিতিত এ এছ-২৬ চি-২৩৪৭ নম্বৰৰ এখন চুৰি টেংকাৰ জব্দ কৰিছিল। ইয়াৰ সমান্তৰালভাৱে বৰপেটাৰোড আৰক্ষীয়ে অইল ইণ্ডিয়া লিমিটেডৰ গুৱাহাটীস্থিত বিষয়াৰ পৰা এখন এজাহাৰ লাভ কৰিছিল য'ত বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত মেছপাৰা অঞ্চলত অভিযান চলাইছিল। মেছপাৰাৰ জনৈক হাছমৎ আলীৰ টিনপাতৰ বেৰ দি এটা দুষ্টচক্ৰই সেই মাটিৰ তলেৰে যোৱা অইলৰ পাইপ ফুটা কৰি সেই ফুটাৰে খাৰুৱা তেল সংগ্ৰহ কৰিছিল। আনকি যোৱা ২৩ এপ্ৰিলত অইল ইণ্ডিয়া লিমিটেডৰ এটি দলে সেই স্থানত উপস্থিত হৈ চৰজমিন তদন্ত কৰে আৰু সাময়িকভাৱে দুষ্ট চক্ৰটোৱে ফুটা কৰি থৈ যোৱা অইলৰ পাইপ বন্ধ কৰি দিয়ে। আনহাতে, অইল ইণ্ডিয়া লিমিটেডৰ এজাহাৰৰ ভিত্তিত বৰপেটাৰোড আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰে আৰু এই অনুসন্ধানৰ মাজতে কালি নিশা মহিৰুদ্দিন, তাৰেক আলী, ৰাইজুদ্দিনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য মহিৰুদ্দিন আৰু ৰাইজুদ্দিনক এই তেল চুৰি চক্ৰৰ নায়ক বুলি আৰক্ষীয়ে সন্দেহ কৰিছিল যদিও এই গোটেই চক্ৰটোৰ মাষ্টাৰ মাইণ্ড আছিল মইনাল হক নামৰ ভৱানীপুৰ আৰক্ষী থানাৰ হোমগাৰ্ডজনৰ। আৰক্ষীয়ে মইনালকো গ্ৰেপ্তাৰ কৰে।

# পূব হাতীচোঙৰ গজপুৰীয়াৰ এদল তৰুণৰ ওপজা গাঁৱক লৈ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৪ জুন ঃ** সমগ্ৰ অসমৰ গাঁওসমূহৰ ভিতৰতে অন্যতম এখন মনোৰম গাঁওৰূপে নিজৰ ওপজা ভূমিক গঢ়িবলৈ আগবাঢ়িছে এজাক দুৰন্ত তৰুণে। নগাঁও জিলাৰ হাতীচোং মৌজাৰ নৈসৰ্গিক দৃশ্যৰে পৰিবেষ্টিত ঐতিহ্যমণ্ডিত গজপুৰীয়া গাঁওখনক এই পৰ্যন্ত কোনো ধৰণৰ চৰকাৰী পৃষ্ঠপোষকতা নোলোৱাকৈয়ে এখন নিকা প্ৰাকৃতিক পৰিৱেশৰে পৰিপূৰ্ণ গাঁওৰূপে গঢ়িবলৈ প্ৰস্তুতি চলাইছে গাঁওবাসীৰ সহযোগত কেইগৰাকীমান যুৱকে। নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া পূব হাতীচোঙৰ চকলাঘাটৰ ব্ৰাহ্মণগাঁও চাৰিআলিৰ গাতে লাগি থকা এই গাঁওখনৰে ৰাজীৱ বৰা, ত্ৰিনয়ন বৰুৱা, অংকুৰ বৰা, গৌতম বৰা, চম্পকজ্যোতি বৰা, হিমাংকু শইকীয়া, দেৱকান্ত বৰা, ভাস্কৰজ্যোতি বৰা, ৰক্তিম বৰা, প্ৰাণজ্যোতি বৰা, দ্বীপেন বৰা, দিগেন বৰা আদি যুৱককেইজনে সাম্প্ৰতিক কৰ'না ভাইৰাছৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতে সময় উলিয়াই নিজ হাতে-কামে নেৰানেপেৰাকৈ গঢ়িব বিচাৰিছে এখন ব্যতিক্ৰমী আদৰ্শ গাঁও। ৯৩ টা পৰিয়াল থকা এই গাঁওখনৰ পথকেইটাৰ কাষসমূহ বাঁহৰে বেৰা দি তাৰ কাষত বিভিন্ন ধৰণৰ গছপুলি, ফুলৰ পুলি ৰুই সৌন্দৰ্যবৰ্ধনৰ বাবেও প্ৰচেষ্টা হাতত লৈছে। এই উদ্দেশ্যে যোৱা ৩০ মে'ত গছপুলি ৰোপণৰ আৰম্ভ কৰে। ক'ভিড নিয়ম-নীতি মানি গাঁওখনৰে যুৱকৰ্মী ত্ৰিনয়ন (ৰণ) বৰুৱা আৰু ৰাজীৱ বৰাই আঁত ধৰা সেই অনুষ্ঠানত ডিমৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মোহিনী মোগন ডেকা, বেবেজীয়া প্ৰেছ ক্লাবৰ সভাপতি তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, যুৱ নেতা ভৰত কেওট, প্ৰবীণ অভিনেতা গণেশ বৰা, বিশিষ্ট আবৃত্তিকাৰ ড° দেৱাশীষ বেজবৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ শইকীয়া, সমাজকৰ্মী যজ্ঞেশ্বৰ বৰা, পংকজ ৰাজবংশী, নেত্ৰ শইকীয়া আদিয়ে ভাষণ প্ৰসংগত গজপুৰীয়া গাঁৱৰ যুৱকসকলৰ এই মহান পদক্ষেপৰ ভূয়সী প্ৰশংসাৰে উৎসাহিত কৰে। সেইদিনাখনেই উপস্থিত বৰ্ষীয়ান লোকসকলৰ লগতে অতিথিকেইগৰাকীক যুৱকসকলৰ তৰফৰ পৰা মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰা হয়। উল্লেখ্য যে পথৰ দাংতিত বাঁহেৰে তৈয়াৰী ডাষ্টবিনসমূহ ইতিমধ্যে ৰাইজৰ ব্যৱহাৰৰ বাবে মুকলি কৰা হৈছে। উল্লেখ্য যে বিশেষ অসুবিধাই দেখা নিদিলে আগন্তুক ছমাহৰ ভিতৰতে এই গাঁওখন প্ৰকৃতিৰ মোহনীয় দৃশ্যৰে পৰিপূৰ্ণ ৰূপত আকৰ্ষণীয় হৈ উঠিব বুলি উদ্যমী যুৱকসকলে আশা কৰিছে।

# মৈৰাবাৰী আৰক্ষীৰ জালত পাঁচ জুৱাৰী-তীৰৰ বুকী

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ৪ জুন ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত উদ্বেগজনকভাৱে বৃদ্ধি পোৱা ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ সমান্তৰালকৈ জুৱা আৰু তীৰ খেলৰ বিৰুদ্ধে ইতিমধ্যে মৈৰাবাৰী আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। যোৱা নিশা মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত এটি আৰক্ষীৰ দলে অভিযান চলাই বৰথল দলৈগাঁৱৰ পৰা চাৰিজনকৈ জুৱাৰীক আটক কৰাৰ লগতে ৰেল ষ্টেছনৰ পৰা এজন তীৰৰ বুকীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দলৈগাঁও অঞ্চলটো দীৰ্ঘদিনৰ পৰা জুৱাৰ ঘাটিৰ হটস্পট হিচাপে খ্যাত। এই জুৱাৰ ঘাটিবোৰত সমাগম ঘটে বিভিন্ন অঞ্চলৰ দাগী অপৰাধী। গ্ৰেপ্তাৰ হোৱা জুৱাৰীকেইজন ক্ৰমে বাবুল ইছলাম, মকিবুল ইছলাম, আবুল কালাম আৰু শ্বহিদুল ইছলাম। জুৱাৰ ঘাটিৰ পৰা আৰক্ষীয়ে প্লেয়িং কাৰ্ড আৰু নগদ পাঁচ হেজাৰ টকা জব্দ কৰিছে। জুৱাৰী কেইজনৰ বিৰুদ্ধে মৈৰাবাৰী থানাত ২৩১/২০২১ নম্বৰত এটি গোচৰ ৰুজু কৰি আৰক্ষীয়ে ধৃত জুৱাৰীকেইটাক আজি জেললৈ প্ৰেৰণ কৰিছে।

### নেদেখাজনৰ ওচৰত সমূহীয়া প্ৰাৰ্থনা স্থানীয় ৰাইজৰ

# সোণতলীত গৰাখহনীয়া অব্যাহত



অগ্ৰদূত বাৰ্তা

**সোণতলী, ৪ জুন ঃ** আগ বাৰিষাতেই কালৰূপ ধাৰণ কৰিছে মহাবাহু ব্ৰহ্মপুত্ৰই। খহনীয়া প্ৰতিৰোধৰ বাবে আগবাঢ়ি অহা নাই চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ অথবা জনপ্ৰতিনিধি। কামৰূপ জিলাৰ সোণতলীৰ পানীখাইতীত ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা ভয়াৱহ খহনীয়া প্ৰতিৰোধৰ বাবে নেদেখাজনৰ শৰণাপন্ন হৈছে স্থানীয় ৰাইজৰ লগতে দল-সংগঠন। কালি সমূহীয়া মোনাজাত কৰি নেদেখাজনৰ ওচৰত কাতৰে খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰক আহ্বান জনাই বিভাগীয় মন্ত্ৰী তথা ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কাতৰ আহ্বান জনাই কয় যে আমাক সুখ-শান্তিৰে বসবাস কৰিবলৈ গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থা সুনিশ্চিত কৰক। উল্লেখ্য যে দক্ষিণ কামৰূপ জিলা জমিয়ত উলেমা হিন্দৰ প্ৰায় অৰ্ধ-শতাধিক সদস্যই সোণতলীৰ পানীখাইতী অঞ্চলৰ খহনীয়া অঞ্চলত উপস্থিত হৈ নেদেখাজনৰ ওচৰত মোনাজাত কৰি খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰাৰ্থনা জনায়। বিগত ২০ বছৰ ধৰি অব্যাহত থকা সোণতলীৰ পানীখাইতী অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্যৰ চৰকাৰে কোটি কোটি টকা খৰচ কৰিও ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। সোণতলীৰ পানীখাইতী অঞ্চলৰ জ্বলন্ত সমস্যা গৰাখহনীয়া প্ৰতিৰোধৰ বাবে নৱ-নিযুক্ত জলসম্পদ মন্ত্ৰী পাযুষ হাজৰিকাৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰিছে জমিয়ত উলেমা হিন্দৰ দক্ষিণ কামৰূপ জিলা সমিতি।

## ধৰ্মপ্ৰাণা মহিলা তুল্যপ্ৰভা গগৈৰ মৃত্যু

**নামতি, ৪ জুন ঃ** শিৱসাগৰ জিলাৰ নামতি দল বাইলুং গাঁৱৰ ধৰ্মপ্ৰাণা মহিলা তুল্যপ্ৰভা গগৈ (৯৫)ৰ বাৰ্ধক্যজনিত কাৰণত কালি মৃত্যু হয়। জীৱনৰ অন্তিম কাললৈকে মহিলাগৰাকীয়ে বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত হৈ আহিছিল। বিশিষ্ট সমাজকৰ্মী প্ৰয়াত স্বামী কেশৱ গগৈৰ পদানুকৰণ কৰি তেওঁ সমাজ সেৱা কাৰ্যতো স'ততে আত্মনিয়োগ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে বহুতো আত্মীয়ক এৰি যায়।

# শতাধিক গোৰেশ্বৰৰ ই-ৰিক্সা চালকৰ পৰিয়াললৈ নামি আহিছে দুৰ্যোগ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২ জুন ঃ** এফালে ক'ভিড-১৯ৰ প্ৰকোপ আনহাতে, জীৱিকাৰ তাড়না। বাগ্‌সা জিলাৰ গোৰেশ্বৰ চহৰত ই-ৰিক্সা চলাই পৰিয়াল পোহপাল দিয়া ৰিক্সাচালকসকলৰ পৰিয়াললৈ চৰকাৰে বান্ধি দিয়া এছঅ'পি নীতিৰ বাবে এতিয়া দুৰ্ভোগ নামি আহিছে। কিয়নো এতিয়া নাই কোনো যাত্ৰী, এতিয়া নাই তেওঁলোকৰ কোনো ব্যস্ততা। পুৰাই জীৱিকাৰ তাড়নাত ই-ৰিক্সাখন লৈ তেওঁলোকে গোৰেশ্বৰস্থিত ই-ৰিক্সা ষ্টেণ্ডলৈ ওলাই আহে যদিও সুদাহাতে উভতিবলগীয়া হৈছে। একাংশই দিনটোত কেতিয়াবা এশ টকাও ভাড়া মাৰি উপাৰ্জন কৰিব নোৱাৰে। কিয়নো দিনৰ ১১ বজালৈহে তেওঁলোকৰ সময়সীমা। ১১ বজাৰ পাছত তেওঁলোক সুদাহাতে ঘৰমুৱা হ'বলগীয়া হয়।



উল্লেখ্য যে গোৰেশ্বৰ আঞ্চলিক ই-ৰিক্সা ইউনিয়নৰ অন্তৰ্গত ডেৰশ ই-ৰিক্সা আছে যদিও ইউনিয়নৰ অন্তৰ্ভুক্ত নোহোৱাকৈও আৰু বহুকেইখন ই-ৰিক্সা আছে। অঞ্চলটোত প্ৰায় ২৫০ খনৰো অধিক ই-ৰিক্সাচালকে এতিয়া দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ইয়াৰে বহুজনে বিভিন্ন ঋণ আদি লৈ ই-ৰিক্সা ক্ৰয় কৰিছিল যদিও এতিয়া পৰিশোধ কৰাৰ ক্ষেত্ৰতো দুৰ্ভোগ ভুগিবলগীয়া হৈছে। এনে পৰিস্থিতিত তেওঁলোকে পৰিয়াল কেনেকৈ চলাব তাকে লৈ চিন্তিত হৈ পৰিছে। খোৱা-লোৱাৰ লগতে, পৰিয়ালৰ সদস্যৰ ঔষধ-পাতি, কাপোৰ আৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনা কেনে ধৰণে আগুৱাই নিব তাৰে দুশ্চিন্তাত পৰিছে ই-ৰিক্সা চালকসকলে। চৰকাৰে এই সকল ই-ৰিক্সাচালকৰ বাবে কোনো চিন্তা কৰি উপকৃত কৰিব বুলি আশাৰে বাট চাইছে।

# এজাক বৰষুণতে তথৈবচ অৱস্থা গড়কাপ্তানী পথৰ

### কাণসাৰ নাই জনপ্ৰতিধিৰ



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৪ জুন ঃ** উন্নয়নৰ শ্ল'গানৰে ৰাজ্যত পুনৰ বিজেপিৰ নেতৃত্বত চৰকাৰ গঠন হ'ল। ৰাইজে পৰিৱৰ্তনৰ আশাৰে পুনৰ এবাৰ বিজেপিকে শাসনত অধিষ্ঠিত কৰালে। কিন্তু ৰাইজৰ সমস্যাসমূহ যেন সমস্যাই হৈ ৰৈছে। উন্নয়নৰ এক তথাকথিত স্বৰূপ পোহৰলৈ আহিছে। হয়, শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ ধিৰাইমাজুলী-ঢেকিয়াজুলি সংযোগী গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথটো সম্প্ৰতি বিধ্বস্ত জৰাজীৰ্ণ হৈ পৰিছে। যেন পথ নহয় পুখুৰীহে। পথটোৰ মাজত পুখুৰী সদৃশ্য প্ৰকাণ্ড গাতৰ সৃষ্টি হোৱাত উক্ত পথেৰে যাতায়াত কৰাত ৰাইজে যমৰ-যাতনা ভোগ কৰিবলগীয়া হৈছে। এজাক বৰষুণতে যাতায়াতৰ বাবে অনুপযোগী হৈ পৰে এই পথটো। উল্লেখ্য যে ধিৰাইমাজুলী-ঢেকিয়াজুলী সংযোগী গড়কাপ্তানী গুৰুত্বপূৰ্ণ পথটোত পিৰাকাটা, ধিৰাইমাজুলী, লুলুকাই, বগৰীবাৰী, বেঞ্চিমাৰী, ধিৰাইমুখ, গৰুডুবা, বেলশিৰি লাইন, শিঙৰী চাহ বাগিচাকে ধৰি অঞ্চলটোৰ ১০খন গাঁৱৰ লোকে যাতায়াত কৰে। নিতৌ শ শ লোকৰ লগতে যান-বাহনো আহ-যাহ কৰে এই পথেদি। কিন্তু শেহতীয়াকৈ পথটো তথৈবচ অৱস্থা হোৱাত দুৰ্ভোগ ভুগিব লগা হৈছে। ইপিনে, ৰাইজৰ অভিযোগ পথটোৰে বৰছলা সমষ্টিৰ বিধায়ক গণেশ লিম্বুৱে আহ-যাহ কৰে কিন্তু তেওঁৰ আজিও সুদৃষ্টি নপৰিল। বাৰিষাৰ পূৰ্বে এটা পথৰ এনে অৱস্থা। বাৰিষাত যে কি অৱস্থাৰ সৃষ্টি হ'ব সেয়া সহজেই অনুমেয়। এই ক্ষেত্ৰত শীঘ্ৰেই ৰাজ্যৰ লোকনিৰ্মাণ বিভাগ আৰু স্থানীয় বিধায়ক গণেশ লিম্বুৰ হস্তক্ষেপৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## নামৰূপত নিষিদ্ধ ড্ৰাগছসহ আটক তিনি ড্ৰাগছ আসক্ত

**নামৰূপ, ৪ জুন ঃ** নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যজুৰি ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে অসম আৰক্ষীয়ে। যোৱা নিশা নামৰূপ আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগছসহ আটক কৰে তিনি ড্ৰাগছ আসক্ত যুৱকক। বিশেষ তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত আৰক্ষীয়ে গান্ধী ময়দান অঞ্চলৰ পৰা বৰহাট টিটলাগড়ৰ জ্যোতিষ্মান সোণোৱাল, নামৰূপ পানীডুঙাৰ সীমান্ত গগৈ আৰু সাৰ নগৰী আৱাসিক কলনীৰ সঞ্জু দাস নামৰ ড্ৰাগছ আসক্ত তিনিজন যুৱকক আটক কৰাৰ লগতে ২৫ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰে। তদুপৰি ড্ৰাগছ আসক্ত যুৱক তিনিজনৰ পৰা এ এছ-৩৩-১৩০৮ নম্বৰৰ এখন মটৰ চাইকেল, ম'বাইল হেণ্ডছেট, ড্ৰাগছ সেৱনত ব্যৱহাৰ কৰা চিৰিঞ্জকে আদি কৰি ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা বিভিন্ন সা-সামগ্ৰী জব্দ কৰে।

# খাদ্য সংকটত পৰিছে ঐতিহ্যমণ্ডিত নাগশংকৰৰ দেৱালয়ৰ শ শ কাছ

### ক'ভিড প্ৰট'কলৰ প্ৰভাৱ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৪ জুন ঃ** কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে জাৰি কৰা এক প্ৰকাৰৰ আংশিক তলাবন্ধৰ প্ৰভাৱ অকল মানুহৰ ওপৰতে নহয় ইয়াৰ প্ৰভাৱ পৰিছে জীৱ-জন্তুৰ ওপৰতো। ক'ভিড প্ৰ'টকলৰ প্ৰভাৱ পৰিছে চতিয়াৰ নিকটৱৰ্তী নাগশংকৰৰ ঐতিহ্যমণ্ডিত নাগশংকৰ দেৱালৰ পুখুৰীত থকা শ শ কাছৰ ওপৰতো ক'ভিড-১৯ৰ বাবে ভক্তগণ ৰাইজৰ লগতে দৰ্শনাৰ্থীসকল দেৱালয়খনলৈ অহা বন্ধ হোৱাৰ বাবেই এতিয়া নাগশংকৰ দেৱালয়ৰ কাছসমূহ খাদ্য সংকটত পৰা পৰিলক্ষিত হৈছে। মন্দিৰ চৌহদৰ দুটাকৈ পুখুৰীত থকা প্ৰায় পাঁচশৰো অধিক কাছৰ বাবে দৈনিক যথেষ্ট পৰিমাণৰ শুকান মাছৰ প্ৰয়োজন হয় যদিও মন্দিৰ পৰিচালনা সমিতিৰ বাবে ক'ভিড সৃষ্ট পৰিৱেশৰ পৰিপ্ৰেক্ষিতত কাছৰ বাবে এই খাদ্য যোগান ধৰাটো অসম্ভৱ হৈ পৰিছে। অৱশ্যে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ তৎপৰতাত মন্দিৰ পৰিচালনা সমিতিয়ে এই সময়ছোৱাত কাছৰ বাবে খাদ্য যোগান ধৰি আহিছে যদিও বৰ্তমান সেয়া পৰ্যাপ্ত নহয়। সেয়েহে ঐতিহ্যমণ্ডিত নাগশংকৰ দেৱালয়ৰ মন্দিৰ পৰিচালনা সমিতিয়ে মন্দিৰ চৌহদৰ পুখুৰীতত থকা কাছসমূহে বৰ্তমান সন্মুখীন হোৱা সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰকৃতিপ্ৰেমী ৰাইজক কাছৰ বাবে লাগতিয়াল খাদ্য শুকান মাছৰ যোগান ধৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে নাগশংকৰ মন্দিৰৰ কাছসমূহক পূৰ্বতে বিস্কুটৰ লগতে মন্দিৰ পৰিচালনা সমিতিয়ে খাদ্যৰূপে ভোগকে আদি কৰি সামগ্ৰী দিছিল যদিও এবছৰ পূৰ্বে মন্দিৰলৈ অহা কাছ বিশেষজ্ঞৰ পৰামৰ্শৰ ভিত্তিত বৰ্তমান সেইসমূহ খাদ্য সামগ্ৰী কাছৰ বাবে বন্ধ ৰাখি মন্দিৰৰ কাছৰ শুকান মাছ খাদ্যৰূপে যোগান ধৰি অহা হৈছে।

## ধেমাজিত এন এল এফ বিৰ কেডাৰ গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা

**ধেমাজি, ৪ জুন ঃ** ধেমাজিত কালি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই এন এল এফ বিৰ এজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰে। ধেমাজিৰ বৰুৱা চুকত ভাড়াঘৰত আছিল ধৃত সদস্যজন। ধেমাজিৰ এটা আৰক্ষী দলে বিশেষ সূত্ৰৰপম খেদি অভিযান চলাই এন এল এফবিৰ সক্ৰিয় সদস্য দিব্যজ্যোতি হৃদয় বসুমতাৰী ওৰফে টাইগাৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত কেডাৰজনে ধেমাজিত আত্মগোপন কৰি আছিল। কেডাৰজন ওদালগুৰিৰ লগতে ধেমাজিত ধন সংগ্ৰহ আৰু সদস্য ভৰ্তিৰ লগত জড়িত আছিল। ধৃত কেডাৰজনৰ ঘৰ ওদালগুৰিত বুলি আৰক্ষী অধীক্ষকে সদৰী কৰিছে।

### চৰকাৰী ধনৰ অপচয় হোৱাৰ অভিযোগ

# নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতো উদ্বোধন নহ'ল দৰ্জিজান উপ-স্বাস্থ্য কেন্দ্ৰ



অগ্ৰদূত বাৰ্তা

**তালাপ, ৪ জুন ঃ** লাখ লাখ টকা ব্যয় কৰি ৰাজ্য চৰকাৰে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান নিৰ্মাণ কৰিছে যদিও তেনে কিছুমান ব্যৱহাৰ নোহোৱাৰ ফলত জহি-খহি যোৱাৰ উপক্ৰম হৈছে। এনেদৰে চৰকাৰী ধনৰ অপচয় হোৱাক লৈ বিভিন্নজনৰ মাজত প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। ৰাজ্যৰ তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত দৰ্জিজান গাঁৱতো তেনে ধন অপচয় হৈছে। গাঁওখনত বিগত ২০১৩-১৪ত জিলা স্বাস্থ্য বিভাগৰ ফালৰ পৰা সাত লাখ ৫০ হেজাৰ টকাৰে নিৰ্মাণ কৰা হৈছিল এটা উপ-স্বাস্থ্য কেন্দ্ৰ। কেন্দ্ৰটো নিৰ্মাণৰ কাম উক্ত সময়তে সম্পূৰ্ণ হৈ উঠিছিল যদিও আজিও নহ'ল উদ্বোধন। দৰ্জিজান উপ-স্বাস্থ্য কেন্দ্ৰটোত নিয়োগ হৈ আছে এগৰাকী এএনএম কৰ্মী। কেন্দ্ৰটো আজিও চৰকাৰীভাৱে মুকলি কৰি নিদিয়াত এএনএম কৰ্মীগৰাকীয়ে আশাকৰ্মী, অংগনৱাড়ী কেন্দ্ৰ আদিত সেৱা আগবঢ়াই থাকিব লগা হৈছে। স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত ৰাইজে চৰকাৰীভাৱে মুকলি হ'ব বুলি আশা পালি আছিল যদিও নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠাই প্ৰায় সাত বছৰ হ'ল; কিন্তু কেন্দ্ৰটো আজিও নহ'ল উদ্বোধন। চৰকাৰীভাৱে উপ-স্বাস্থ্য কেন্দ্ৰটো উদ্বোধন কৰি নিদিয়াৰ ফলতেই অব্যৱহৃত স্বাস্থ্য কেন্দ্ৰটো হাবি- জংঘলেৰে ভৰি পৰিছে। স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ লগতে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো উক্ত স্বাস্থ্য কেন্দ্ৰটো ৰাইজৰ হিতৰ কথা চিন্তা কৰি অতি শীঘ্ৰে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## অৰুণাচলী সুৰাভৰ্তি কন্টেইনাৰ জব্দ ঃ ধৃত এক

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/দোতমা/ফকিৰাগ্ৰাম, ৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পল লালহেমছেঙৰ নেতৃত্বত আৰক্ষীৰ এটা দলে শ্ৰীৰামপুৰ তালাচী চকীৰ সমীপত ৩১ নম্বৰ 'গ' ঘাইপথত তালাচী তীব্ৰতৰ কৰিছে। আৰক্ষীৰ এটা দলে অভিযান চলাই আজি পুৱা অসমৰ পৰা বংগ অভিমুখে যোৱা এল এল-০১ কিউ-১৬৯১ নম্বৰ এখন কন্টেইনাৰ ট্ৰাক জব্দ কৰি তালাচী চলোৱাত ট্ৰাকখনৰ পৰা বৃহৎ পৰিমাণৰ অৰুণাচলী বিলাতী সুৰা উদ্ধাৰ হয়। পাছত আৰক্ষীয়ে ট্ৰাকখনৰ চালক আৰমান হুচেইন (২৯)ক গ্ৰেপ্তাৰ কৰে আৰু গোসাঁইগাঁও আদালতত হাজিৰ কৰাই আদালতৰ নিৰ্দেশ মৰ্মে কোকৰাঝাৰ জেললৈ প্ৰেৰণ কৰে। ধৃত চালকজনে উল্লেখ কৰা মতে, উক্ত অৰুণাচলী সুৰাখিনি ডিব্ৰুগড়ৰ পৰা পশ্চিমবংগৰ শিলিগুৰিলৈ সৰবৰাহ কৰাৰ কথা আছিল যদিও শিমুলটাপু আৰক্ষীয়ে গোপনসূত্ৰে খবৰ পাই আজি ট্ৰাকখন জব্দ কৰে। জব্দকৃত কন্টেইনাৰৰ পৰা ৩২৫ কাৰ্টন বিলাতী সুৰা উদ্ধাৰ কৰা হয় যাৰ বজাৰ মূল্য ২০ লক্ষাধিক টকা হ'ব।

# অসম-নগালেণ্ড সীমান্তত আৰক্ষীৰ জালত নগা ড্ৰাগছ সৰবৰাহকাৰী



### বুজন পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা/নামতি, ৪ জুন ঃ** নগালেণ্ডৰ ডিমাপুৰৰ পৰা নাজিৰা মহকুমাৰ গেলেকী সীমান্তয়েদি সমগ্ৰ শিৱসাগৰ জিলাত চলে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাৰ সীমান্তৱৰ্তী গেলেকীত আৰক্ষীয়ে চলোৱা ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। কালি বিয়লি নাজিৰা মহকুমাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী গেলেকী আৰক্ষীয়ে সীমান্ত অঞ্চলত অভিযান চলাই সীমান্ত অঞ্চলটোৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী ইনামুল হুছেইন ওৰফে বিটু (২২), গেলেকী ৰঙাপৰা আৰু চাহিদা ৰহমান ওৰফে পুতু (২৫) গেলেকী কলগাঁওক গ্ৰেপ্তাৰ কৰাৰ পাছত আজি পুৱা পুনৰ ড্ৰাগছসহ দুজন নগা যুৱকক গ্ৰেপ্তাৰ কৰে। গেলেকী আৰক্ষী থানাৰ এছ আই সুনীল দাসৰ নেতৃত্বত যোৱা অভিযানকাৰী আৰক্ষীৰ এটা দলে সীমান্ত অঞ্চলটোৰ আঠখেলৰ পৰা মুৱাটেমচু চামটাম (৩১) আৰু ইম্নলিনবা (২৫) নামৰ নলাগেণ্ডৰ দুই যুৱকক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে। মুৱাটেমচুৰ ঘৰ নগালেণ্ডৰ টুৱেনচাঙৰ লাংখিম নগৰত আৰু ইম্নলিনবাৰ ঘৰ হৈছে নগালেণ্ডৰ ডিমাপুৰত। উল্লেখ্য যে এই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী দলটোৱে দীৰ্ঘদিন ধৰি নগালেণ্ডৰ ডিমাপুৰৰ পৰা সীমান্তৰ এই অঞ্চলটোৱেদি গেলেকী, নাজিৰা মহকুমাৰ বিভিন্ন অঞ্চলৰ লগতে সমগ্ৰ শিৱসাগৰ জিলাত ড্ৰাগছ, হেৰ'ইন ব্ৰাউন চুগাৰৰ এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। কালি গেলেকীৰ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী দলটোৱে নগালেণ্ডৰ পৰা ড্ৰাগছ গেলেকীত বিক্ৰী কৰাৰ উদ্দেশ্যে অনাৰ মুহূৰ্তত গ্ৰেপ্তাৰ হোৱাৰ পাছত আজি নগালেণ্ডৰ দুই যুৱক বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ হোৱাৰ ঘটনাই সমগ্ৰ শিৱসাগৰ জিলাত যে নগালেণ্ডৰ ডিমাপুৰৰ পৰা মুককচা, টুৱেনচাং, লং লং আদি নগালেণ্ডৰ বিভিন্ন অঞ্চলৰ পৰা সীমান্তৰ এই অঞ্চলটোৱেদি গেলেকী, নাজিৰা মহকুমাৰ বিভিন্ন অঞ্চলৰ লগতে সমগ্ৰ শিৱসাগৰ জিলাৰ একাংশ কলেজ, স্কুলীয়া যুৱকৰ যোগেদি যুৱ প্ৰজন্মৰ বাবে বৰবিহ স্বৰূপ এই মাৰাত্মক ড্ৰাগছৰ ব্যৱসায় অব্যাহত আছে।

# গোসাঁইগাঁৱৰ দাৱাগুৰি চি চি ব্লকেৰে নিৰ্মাণ হ'বলগীয়া পথৰ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/দোতমা/ফকিৰাগ্ৰাম, ৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা তথা বিটিচিৰ চাৰি নম্বৰ যমদুৱাৰ সমষ্টিৰ দাৱাগুৰিৰ আজি বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৱেয়া নাৰ্জিহাৰীয়ে এই পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। মুখ্যমন্ত্ৰীৰ 'গুড উইল মিছন' আঁচনিৰ দুই কোটি ৩৬ লাখ টকা ব্যয়ৰে তিনি কিলোমিটাৰ পথটো চি চি ব্লকেৰে নিৰ্মাণ কৰা হ'ব। পথ নিৰ্মাণ কামৰ আৰম্ভ কৰি কাৰ্যবাহী সদস্য নাৰ্জিহাৰীয়ে কয়, 'বিটিচি চৰকাৰ গঠন হোৱাৰ পাছত নিজৰ সমষ্টিত সৰ্বপ্ৰথম এইটো কামৰ আজি আৰম্ভ কৰিব পাৰি মই অভিভূত হৈছো। তেওঁ পুনৰ কয়, 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সদায় উন্নয়নৰ কথা চিন্তা কৰে। উক্ত অনুষ্ঠানত স্থানীয় গাঁওবুঢ়া, পথ নিৰ্মাণৰ ঠিকা লাভ কৰা ঠিকাদাৰৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

### অথলে গ'ল চৰকাৰী দুই কোটি টকা

# বাগ্‌সা-বজালীৰ ৰূপহী-পহুমাৰা নৈৰ ওপৰত থকা জলসিঞ্চন প্ৰকল্প আজিও নহ'ল কাৰ্যক্ষম



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৪ জুন ঃ** বাগ্‌সা-বজালী জিলাৰ সীমামূৰীয়া ৰূপহী আৰু পহুমাৰা নৈৰ ওপৰত থকা জলসিঞ্চন বিভাগৰ এখন পানী যোগান আঁচনি ২০১১তে আৰম্ভ কৰা হৈছিল যদিও আজি সম্পূৰ্ণ নোহোৱাৰ অভিযোগ উত্থাপন কৰি ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় কৃষক ৰাইজে। পথাৰত শস্য সিঁচিবলৈ পানী বিচাৰি হাহাকাৰ কৰি অৱশেষত যন্ত্ৰৰে নিজাববীয়াকৈ পানীৰ যোগান ধৰিব লগা হৈছে খেতিয়কে। কৃষকে অভিযোগ কৰি কয় যে প্ৰকল্পটোৰ ১০ ডাল পাইপ, ১০ টা যন্ত্ৰ থকাৰ পাছতো দুটা বা এটা পাইপ অথবা যন্ত্ৰৰেহে অলপ অচৰপ পানী যোগান ধৰা হৈছে। তথাপি এঘণ্টা যন্ত্ৰ চলিলে দুঘণ্টাই নচলে। খেতিয়কে ক্ষোভ প্ৰকাশ কৰি কয় যে যদি পানীয়ে যোগান ধৰিব নোৱাৰে তেন্তে দুই কোটি টকা ব্যয় সাপেক্ষে এই আঁচনিখন মুকলি কৰাৰ কোনো অৰ্থই নাছিল। উপান্তৰ খেতিয়কসকলে এই ক্ষেত্ৰত চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## ফৰকাটিঙত হেৰ'ইনসহ গ্ৰেপ্তাৰ-১

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৪ জুন ঃ** নৱপ্ৰজন্মক তিলতিলকৈ মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া নিষিদ্ধ বৰবিহ ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যত আৰক্ষী বিভাগে ব্যাপক অভিযান চলাই বহু ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ সময়তে আজি গোলাঘাট জিলা ফৰকাটিং আৰক্ষীয়ে ১০ গ্ৰাম হেৰ'ইনসহ এজন কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। ফৰকাটিং আৰক্ষী চকীৰ বিষয়া উৎপল দত্তৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে বিশেষ সূত্ৰৰ পমখেদি বিয়লি প্ৰায় ৩-৩০ বজাত আৰক্ষীৰ দলটোৱে ফৰকাটিঙৰ দুই নম্বৰ ফাটোৱাল গাঁৱৰ চন্দন বৰুৱাৰ ঘৰত তালাচী চলায়। তালাচী কালত ড্ৰাগছৰ বহু সংখ্যক খালী কণ্টেইনাৰৰ লগতে ১০ গ্ৰাম হেৰ'ইনসহ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী চন্দনক গ্ৰেপ্তাৰ কৰে।

# চন্দ্ৰপুৰত মৰাপাগলাদিয়াৰ খহনীয়া



### উমঘাম নাই চৰকাৰৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৪ জুন ঃ** বাগ্‌সাৰ চন্দ্ৰপুৰত মৰাপাগলাদিয়া নদীৰ খহনীয়াত সন্ত্ৰস্ত হৈ পৰিছে ৰাইজ। পুনৰ বাৰিষা আহিল যদিও খহনীয়া প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে প্ৰশাসনে। যাৰ ফলত এটা অঞ্চলৰ ৰাইজৰ চকুৰ টোপনি হৰিছে। উল্লেখ্য যে বাগ্‌সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত চন্দ্ৰপুৰত বছৰ বছৰ ধৰি মৰাপাগলাদিয়া নদীয়ে ব্যাপক খহনীয়াৰ সৃষ্টি কৰি আহিছে। খহনীয়াৰ ফলত চন্দ্ৰপুৰ গাঁৱৰ কে'বাটাও পৰিয়ালৰ ভেটি-মাটিৰ লগতে খেতিমাটি নদীৰ বুকুত জাহ গৈছে। নৈখনে সোঁত সলনি কৰি দক্ষিণ-পশ্চিম দিশেৰে গতি কৰাত ব্যাপক হাৰত ক্ষতিগ্ৰস্ত হৈছে গাঁওখন। ১০বছৰ আগতে নৈখন বৰ্তমানৰ স্থানৰ পৰা ৭০ মিটাৰ পূবে আছিল। প্ৰতিবছৰে নৈখনে পশ্চিম দিশে গতি কৰিছে। এই সন্দৰ্ভত ব্যৱস্থা ল'বলৈ গাঁওবাসীয়ে প্ৰশাসনক বাৰম্বাৰ অনুৰোধ জনোৱাৰ পাছতো আজিলৈকে গুৰুত্ব প্ৰদান নকৰিলে। স্থানীয় জনপ্ৰতিনিধিজনৰ বিষয়টো সন্দৰ্ভত ন্যূনতম উৎসাহ নাই। ৰাইজৰ সমস্যাৰ বুজ ল'বলৈ তেওঁৰ অলপো সময় নাই। ফলত দিশহাৰা হৈছে স্থানীয় নৈপৰীয়া ৰাইজ। ৰাইজৰ অভিযোগ অনুসৰি বন বিভাগৰ জ্ঞাতসাৰে একাংশ লোকে নৈখনত খনন কাৰ্য চলাই অহাৰ বাবে এনেদৰে অঞ্চলটোত খহনীয়াৰ সৃষ্টি হৈ আহিছে। গাঁওবাসীয়ে নৱগঠিত ৰাজ্য তথা বিটিচি প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে চন্দ্ৰপুৰ গাঁৱৰ খহনীয়াত ক্ষতিগ্ৰস্ত তনুৰাম নাথ, হৰেকৃষ্ণ নাথ, কেশৱ নাথ, ভদ্ৰেশ্বৰ নাথ, সোনেশ্বৰ দেউৰী, বীৰেন নাথ, যোগেন নাথ, পৰমানন্দ নাথ, নগাৰাম নাথ, সোনাৰাম মণিৰথ স্বৰ্গীয়াৰী, গৌতম নাথ, ভৱেশ বৈশ্য, কৰ্ণসিং লামা, কালে লামা, থানেশ্বৰ নাথ আদি ক্ষতিগ্ৰস্ত লোকে। খহনীয়া সন্দৰ্ভত তনুৰাম নাথে কয় যে ৰাইজৰ প্ৰতিনিধিবোৰে প্ৰতিটো ভোটৰ সময়ত চন্দ্ৰপুৰৰ গৰাখহনীয়া ৰোধৰ স্থায়ী ব্যৱস্থা ল'ব বুলি ৰাইজক কয়। কিন্তু লংকাত গৈ সকলো ৰাৱণ হয়। ৰাইজক দিয়া প্ৰতিশ্ৰুতি তেওঁলোকে পাহৰে। বিগত ৩০ বছৰে এনে কথা কৈ আহিছে। জনপ্ৰতিনিধিৰ ৰাইজৰ কাম কৰাৰ মুঠেই ইচ্ছা নাই। থকা হ'লে চন্দ্ৰপুৰৰ খহনীয়াই আজি কালৰূপ ধৰিব নাপালেহেঁতেন। ইতিমধ্যে এই অঞ্চলৰ পৰা ১৩টা পৰিয়াল নৈৰ খহনীয়াত পৰি নিজৰ বাসগৃহ হেৰুৱাবলগীয়া হৈছে। তেওঁলোকৰ বহু সা-সম্পত্তি হেৰুৱাবলগীয়া হৈছিল। গাঁওখনৰে হৰেকৃষ্ণ নাথে সাংবাদিকক কয় যে আমাৰ চন্দ্ৰপুৰ গাঁওখন বহুবছৰ খহনীয়াত ক্ষতিগ্ৰস্ত। কিন্তু কোনেও একো নকৰে। বিগত বৰ্ষত জিলা উপায়ুক্তই কিবা ব্যৱস্থা ল'ব বুলি কৈছিল। কিন্তু একো নল'লে। গতিকে সময় থাকোতে ব্যৱস্থা লোৱা দৰকাৰ।








ইংলণ্ডৰ হোটেলত পত্নীৰ স'তে ঈশান্ত শৰ্মা।


# এছিয়ান বক্সিংত ৰূপৰ পদক জয়ী শিৱ থাপাৰ সাক্ষাৎ মুখ্যমন্ত্ৰীক

## তিনি লাখ টকাৰ আৰ্থিক অনুদান প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ জুন ঃ** সদ্যসমাপ্ত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰা বক্সাৰ শিৱ থাপাই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ জনতা ভৱনস্থিত কাৰ্যালয়কক্ষত সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই বক্সাৰজনক অভিনন্দন জ্ঞাপন কৰাৰ উপৰি ৰাজ্যিক ক্ৰীড়া নীতি অনুসৰি তিনি লাখ টকাৰ আৰ্থিক অনুদানৰ এখন চেক অৰ্পণ কৰে। মুখ্যমন্ত্ৰীয়ে বক্সাৰজনে ভৱিষ্যতেও এনেধৰণৰ সফলতাৰে অসম তথা ভাৰতবৰ্ষক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ভৱিষ্যতেও তেওঁলৈ যথোচিত সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি কয়।

আজিৰ সাক্ষাৎকালত ক্ৰীড়া মন্ত্ৰী বিমল বৰা, বিধায়কদ্বয় ক্ৰমে মৃণাল শইকীয়া, মানৱ ডেকা, ক্ৰীড়া বিভাগৰ আয়ুক্ত সচিব মলয় বৰা, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক পৱিত্ৰ খাউণ্ড, বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ উপাধ্যক্ষ শান্তনু কলিতা, বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কলিতা উপস্থিত থাকে।



ফ্ৰেন্স অপেনৰ দ্বিতীয় ৰাউণ্ডৰ খেলত ৰজাৰ ফেডেৰাৰ।

# বাৰাণ্ডাত বেৰা দি ৰখা হৈছে কোহলি বাহিনীক

**নিউজ ব্যুৰ'**

**ছাউদাম্পটন, ৪ জুন ঃ** ইতিমধ্যেই টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল আৰু ইংলণ্ডৰ বিপক্ষে শৃংখলাত অংশ লোৱাৰ বাবে ইংলণ্ডত উপস্থিত হৈছে ভাৰতীয় ক্ৰিকেট দল। কালি পুৱা বিৰাট কোহলি নেতৃত্বাধীন দলটো ছাউদাম্পটনত উপস্থিত হোৱাৰ পাছত তেওঁলোকক ষ্টেডিয়ামৰ সংলগ্ন এখন হোটেলত ৰখাৰ ব্যৱস্থা কৰা হয়। হোটেলত প্ৰৱেশ কৰাৰ পাছত সংলগ্ন সেউজ ষ্টেডিয়ামৰ ফটো প'ষ্ট কৰিছে। কিছুদিনলৈ দলটো এই হোটেলত কোৱাৰেণ্টাইনত থাকিব লাগিব।

ইফালে, কোৱাৰেণ্টাইনত খেলুৱৈসকলে পৰস্পৰৰ স'তে মিলিত হ'ব নোৱাৰিব। উল্লেখ্য যে কোহলি বাহিনীক ৰখা হিলটন হোটেলৰ কোঠাসমূহ পৃথক হ'লেও বাৰাণ্ডা সকলোৰে বাবে এখনেই। সেয়ে ক্ৰিকেটাৰসকলে যাতে কোৱাৰেণ্টাইনৰ নিয়ম ভাঙি পৰস্পৰৰ কাষলৈ আহিব নোৱাৰে, তাৰ বাবে প্ৰতিটো কোঠাৰ বাৰাণ্ডা অস্থায়ী বেৰা দি পৃথক কৰা হৈছে। অৱশ্যে এই বেৰা কাঁচৰ হোৱা বাবে সিফালে থকাজনক দেখা পাব প্ৰতিজন ক্ৰিকেটাৰে। কোৱাৰেণ্টাইনত থকা অৱস্থাত তেওঁলোকৰ নিয়মিতভাৱে ক'ভিড পৰীক্ষা সম্পন্ন হ'ব। কোৱাৰেণ্টাইন পৰ্ব সমাপ্ত হোৱাৰ পাছত বিশ্ব টেষ্ট ফাইনেলৰ বাবে মাত্ৰ চাৰিটা সত্ৰৰ অনুশীলনৰ সময় পাব কোহলি বাহিনীয়ে।

## ভাৰতৰ পৰাজয়

**নিউজ ব্যুৰ'**

**কলকাতা, ৪ জুন ঃ** বিশ্বকাপৰ যোগ্যতা অৰ্জন পৰ্বৰ খেলত পুনৰ পৰাজিত হ'ল ভাৰতীয় দল। যোৱা নিশাৰ খেলত কাতাৰে ভাৰতক ১-০ গ'লত পৰাজিত কৰে। এই পৰ্যন্ত ছখন মেচত তিনি পইণ্ট সংগ্ৰহ কৰা ভাৰতীয় দলে এতিয়ালৈকে এই পৰ্বত জয়ৰ মুখ দেখা নাই। ইতিমধ্যেই ভাৰতৰ বিশ্বকাপৰ আশা স্তিমিত হৈছে। এই মণ্ডলত ১৯ পইণ্ট লৈ শীৰ্ষত আছে কাতাৰ।

## পাকিস্তান টি-২০ দলত মঈন-পুত্ৰ

**নিউজ ব্যুৰ'**

**ইছলামাবাদ, ৪ জুন ঃ** পাকিস্তানৰ জাতীয় দলত স্থান পালে প্ৰাক্তন অধিনায়ক মঈন খানৰ পুত্ৰ আজম খানে। আগন্তুক ইংলণ্ড আৰু ৱেষ্টইণ্ডিজ ভ্ৰমণৰ বাবে নিৰ্বাচন কৰা পাকিস্তানৰ টি-২০ দলত আজমক স্থান দিয়া হৈছে। ২২ বছৰীয়া আজমে ইয়াৰ পূৰ্বে মাত্ৰ এখন প্ৰথম শ্ৰেণীৰ আৰু ৩৬খন ঘৰুৱা লীগৰ টি-২০ মেচ খেলিছিল।

# ড'পিংত নিৰ্বাসিত ভাৰতীয় মল্লযুঁজাৰু

## অলিম্পিকৰ সপোন অনিশ্চিত হ'ল সুমিত মালিকৰ ঃ চিৰনিৰ্বাসনৰ আশংকা

**নিউজ ব্যুৰ'**

**কলকাতা, ৪ জুন ঃ** অলিম্পিকত খেলাৰ সম্ভাৱনা অনিশ্চিত হৈ পৰিল ভাৰতীয় মল্লযুঁজাৰু সুমিত মালিক। ড'পিঙৰ অভিযোগত সাময়িকভাৱে নিৰ্বাসিত হ'ল প্ৰথমবাৰলৈ অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰা মল্লযুঁজাৰুজন। নিষিদ্ধ ঔষধ সেৱন কৰাৰ অভিযোগতে মালিকক সাময়িকভাৱে নিৰ্বাসিত কৰিছে বিশ্ব মল্লযুঁজ ফেডাৰেচনে। এই সন্দৰ্ভত অৱশ্যে ভাৰতীয় অলিম্পিক সন্থা, ভাৰতীয় মল্লযুঁজ ফেডাৰেচন বা মালিকে কোনো মন্তব্য কৰা নাই।

বিশ্ব মল্লযুঁজ ফেডাৰেচনৰ নাম প্ৰকাশত অনিচ্ছুক এজন কৰ্মকৰ্তাই কয়, 'সুমিত ড'প পৰীক্ষাত ব্যৰ্থ হোৱাৰ বিষয়টো ইতিমধ্যে ভাৰতীয় মল্লযুঁজ ফেডাৰেচনৰ কৰ্মকৰ্তাসকলক জনোৱা হৈছে। অহা ১০ জুনত তেওঁৰ 'বি' নমুনাৰ পৰীক্ষা হ'ব। আমি ধাৰণা কৰিছো, সুমিতে হয়তো আঁঠুৰ যন্ত্ৰণা নিৰাময়ৰ বাবে কোনো আয়ুৰ্বেদিক ঔষধ সেৱন কৰিছিল। কিন্তু তেওঁৰ দৰে মল্লযুঁজাৰু আৰু সজাগ হোৱা উচিত আছিল।' ২০১৮ত কমনৱেলথ গেমছৰ স্বৰ্ণপদক জয়ী মালিক ১০ জুনৰ দ্বিতীয় পৰীক্ষাতো ব্যৰ্থ হ'লে তেওঁ চিৰ নিৰ্বাসনৰ সন্মুখীন হ'ব। মাত্ৰ এমাহৰ পূৰ্বে মালিকে প্ৰথমবাৰলৈ অলিম্পিক খেলাৰ যোগ্যতা অৰ্জন কৰিছিল।



## হঠাৎ অক্সিজেন কমি স্বাস্থ্যৰ অৱনতি

# পুনৰ হাস্পতালত ভৰ্তি কিংবদন্তি মিলখা সিং

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৪ জুন ঃ** হঠাৎ পুনৰ চিকিৎসাধীন হ'ল মিলখা সিং। শৰীৰত পাবলৈ ধৰাত পৰিয়ালৰ ত ত া ৈ ত য. া ৈ ক সম্প্ৰতি দিল্লীৰ এখন চিকিৎসাধীন হৈ আছে



স্বাস্থ্যৰ অৱনতি ঘটাত কিংবদন্তি দৌৰবিদ অক্সিজেনৰ স্তৰ হ্ৰাস লোকে তেওঁক চিকিৎসালয়লৈ নিয়ে। হাস্পতালৰ আইচিইউত বৰ্ষীয়ান দৌৰবিদজন।

উল্লেখ্য যে কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে কিছুদিনৰ পূৰ্বে মিলখাক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। পৰিয়ালৰ অনুৰোধত যোৱা দেওবাৰে তেওঁক হাস্পতালৰ পৰা মুক্তি দিয়া হৈছিল। কিন্তু ঘৰত পুনৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটে। স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ তৰফৰ পৰা জনোৱা হৈছে যে অক্সিজেন ক্ৰমাৎ হ্ৰাস পোৱাৰ বাবেই কিংবদন্তি ক্ৰীড়াবিদজনক আইচিইউত ভৰ্তি কৰোৱা হৈছে। ৯১ বছৰীয়া এছিয়ান গেমছৰ স্বৰ্ণজয়ীৰ শাৰীৰিক অৱস্থা সম্প্ৰতি স্থিতিশীল বুলিও হাস্পতাল কৰ্তৃপক্ষই জনাইছে।

# জন্মদিনত দৰ্শনীয় জয় নাডালৰ

## ফ্ৰেন্স অপেনৰ তৃতীয় ৰাউণ্ডত ফেডেৰাৰ

**নিউজ ব্যুৰ'**

**পেৰিছ, ৪ জুন ঃ** নিজৰ ৩৫ বছৰীয়া জন্মদিনত দৰ্শনীয় বিজয় অৰ্জন কৰিলে ক্লে'-ক'ৰ্টৰ সম্ৰাট ৰাফেল নাডালে। ফ্ৰেন্স অপেনত প্ৰথমবাৰলৈ নিশাৰ ভাগত অনুষ্ঠিত খেলত অংশগ্ৰহণ কৰি নাডালে পুৰুষ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডৰ খেলত ৰিচাৰ্ড গেছকুৱেটক ৬-০, ৭-৫, ৬-২ ছেটত পৰাজিত কৰে। উল্লেখ্য যে বিগত ১৭টা জন্মদিনৰ ১৪টা পেৰিছতে অতিবাহিত কৰিছে



১৩ বাৰৰ চেম্পিয়ন নাডালে, কিয়নো সেই সময়তে চলি থাকে ফ্ৰেন্স অপেন। ইফালে, প্ৰাক্তন এক নম্বৰ খেলুৱৈ ৰজাৰ ফেডেৰাৰো সুকলমে তৃতীয় ৰাউণ্ডত উপনীত হৈছে। যোৱা নিশা অনুষ্ঠিত আন এখন খেলত ছুইজাৰলেণ্ডৰ তাৰকাজনে মাৰিন চিলিচক ৬-২, ২-৬, ৭-৬ (৭/৪), ৬-২ ছেটত পৰাজিত কৰে। এক নম্বৰ পুৰুষ খেলুৱৈ ন'ভাক ড'ক'ভিচো ইতিমধ্যে তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

## ফ্ৰেন্স অপেনত মেচ-ফিক্সিঙৰ কলীয়া ডাৱৰ

# গ্ৰেপ্তাৰ হ'ল ৰুছ মহিলা খেলুৱৈ



**নিউজ ব্যুৰ'**

**পেৰিছ, ৪ জুন ঃ** মেচ-ফিক্সিঙৰ কলীয়া ডাৱৰে ঢাকি ধৰিলে চলিত ফ্ৰেন্স অপেনত। জুৱাৰীৰ পৰা ধন লোৱা আৰু মেচ-ফিক্সিঙত জড়িত হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল ৰাছিয়াৰ এগৰাকী মহিলা টেনিছ খেলুৱৈ। যোৱা নিশা য়ানা ছিজিক'ভাক নামৰ ডাবলছ্ বিশেষজ্ঞ খেলুৱৈগৰাকীক পেৰিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

উল্লেখ্য যে কৰ'নাৰ প্ৰকোপৰ বাবে যোৱা বছৰৰ ফ্ৰেন্স অপেন ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল। তেতিয়াই এখন মহিলাৰ ডাবলছ মেচত ফিক্সিং হোৱাৰ অভিযোগ উঠিছিল আৰু ফ্ৰান্সত ইয়াৰ তদন্ত অব্যাহত আছিল। উক্ত খেলত আমেৰিকান সংগী মেডিছন ব্ৰেংগলৰ অজ্ঞাতে য়ানাই জুৱাৰীৰ পৰা ধন লৈ খেলখনত ফিক্সিং কৰাৰ পৰ্যাপ্ত প্ৰমাণ পোৱাৰ বাবেই যোৱা নিশা তেওঁক গ্ৰেপ্তাৰ কৰা হয়। ফ্ৰান্ত টেনিছ ফেডাৰেচনে এই কথা সদৰী কৰিছে যদিও ঘটনাৰ সন্দৰ্ভত অধিক তথ্য জনোৱাৰ পৰা বিৰত আছে। উল্লেখ্য যে য়ানাই কালি ৰুছ সতীৰ্থ একাটেৰিনা আলেকজান্দ্ৰোভাৰ স'তে ডাবলছৰ প্ৰথম ৰাউণ্ডৰ খেলত পৰাজিত হৈছিল। পৰাজয়ৰ কিছু সময়ৰ পাছতে তেওঁক গ্ৰেপ্তাৰ কৰা হয়।

## বাৰ্টিৰ নাম প্ৰত্যাহাৰ ঃ ছাবালেংকাৰ পৰাজয়

# শীৰ্ষ তিনি মহিলাৰ বিদায় ৰোলাঁ গেৰোঁৰ পৰা



এছলে বাৰ্টি

**নিউজ ব্যুৰ'**

**পেৰিছ, ৪ জুন ঃ** শীৰ্ষৰ তিনিগৰাকী তাৰকাৰ অবিহনেই আগবাঢ়িব চলিত ফ্ৰেন্স অপেনৰ মহিলা ছিংগলছৰ প্ৰতিযোগিতা। আজি তৃতীয় ৰাউণ্ডৰ মেচত বৃহৎ অঘটনৰ সন্মুখীন হ'ল মহিলা ছিংগলছৰ তৃতীয় বাছনিৰ খেলুৱৈ আৰিনা ছাবালেংকা। আজিৰ খেলত এনাষ্টেছিয়া পাভলিউচেংক'ভাই ফৰ্মত থকা খেলুৱৈ ছাবালেংকাক ৬-৪, ২-৬, ৬-০ ছেটত পৰাজিত কৰে।

উল্লেখ্য যে প্ৰতিযোগিতাৰ শীৰ্ষ বাছনিপ্ৰাপ্ত এছলে বাৰ্টিয়ে কালি নিতম্বৰ আঘাতৰ বাবে দ্বিতীয় ৰাউণ্ডৰ খেলৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হৈছিল। আনহাতে, প্ৰতিযোগিতাৰ প্ৰাক্‌ক্ষণত এক বিতৰ্কত সাঙোৰ খাই পৰা দ্বিতীয় বাছনিৰ জাপানী তাৰকা নাওমি অ'ছাকাই প্ৰথম ৰাউণ্ডৰ খেলত জয়লাভ কৰাৰ পাছতে প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল।

# বৰ্ণময় কেৰিয়াৰৰ অস্তাচলত বেডমিণ্টন তাৰকা ছাইনা!

## সন্মুখত আছে কঠিন যাত্ৰাপথ ঃ প্ৰাক্তন প্ৰশিক্ষক

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৪ জুন ঃ** ক্ৰমাৎ অস্ত যোৱাৰ উপক্ৰম ঘটিছে দেশৰ অন্যতম তাৰকা ক্ৰীড়াবিদ ছাইনা নেহৱালৰ বৰ্ণময় কেৰিয়াৰৰ। এই আশংকাই কৰিছে ভাৰতীয় বেডমিণ্টন দলৰ প্ৰাক্তন প্ৰশিক্ষক বিমল কুমাৰে। ছাইনাৰ আগন্তুক টকিঅ' অলিম্পিকত খেলাৰ সপোন ধূলিসাৎ হোৱাৰ পাছত কুমাৰে মন্তব্য কৰিছে যে দেশৰ অন্যতম শীৰ্ষ বেডমিণ্টন তাৰকাগৰাকীৰ সন্মুখৰ যাত্ৰাপথ এতিয়া অত্যন্ত কঠিন। নিজৰ কেৰিয়াৰ দীঘলীয়া কৰাৰ বাবে ছাইনাই নিৰ্দিষ্ট প্ৰতিযোগিতা বাছি ল'ব লাগিব বুলিও কুমাৰে মন্তব্য কৰিছে।



উল্লেখ্য যে বিগত প্ৰায় দুটা বছৰ ধৰি ৩১ বছৰীয়া ছাইনাই আঘাত আৰু ধাৰাবাহিতাৰ অভাৱৰ স'তে সংগ্ৰাম কৰি আছে। কৰ'না অতিমাৰীৰ বাবে অন্তিম তিনিখন যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা বাতিল হোৱাত ছাইনাৰ চতুৰ্থবাৰলৈ অলিম্পিক খেলাৰ সপোনো মাৰ যায়। এসময়ত বিশ্বৰ এক নম্বৰ খেলুৱৈত পৰিগণিত হোৱাৰ ক্ষেত্ৰত ছাইনাক তদাৰক কৰা কুমাৰে আগন্তুক সময়ত তাৰকাগৰাকীৰ সম্ভাৱনা প্ৰত্যাহ্বানজনক বুলিও মন্তব্য কৰিছে। তেওঁ কয়, '২০০৫-০৬ত তেওঁ পাদপ্ৰদীপলৈ আহিছিল। প্ৰকাশ পাডুক'নৰ পাছত তেওঁ বিৰাট প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ বহু বছৰ ধৰি ধাৰাবাহিকভাৱে খেলিছিল আৰু এই বছৰ যোগ্যতা অৰ্জন কৰিব নোৱৰাটো দুখৰ কথা। মই ভাবো অন্তিম দুবাৰৰ অলিম্পিকত তেওঁ সামান্য দুৰ্ভাগ্যশালী আছিল।' প্ৰাক্তন প্ৰশিক্ষকজনে লগতে কয় যে লণ্ডন অলিম্পিকৰ ব্ৰঞ্জ বিজয়িনীয়ে কিছু বছৰলৈ খেলিব পাৰিব যদিও ইয়াৰ বাবে তেওঁ সঠিকভাৱে পৰিকল্পনা কৰাৰ লগতে নিজৰ শৰীৰৰো যত্ন ল'ব লাগিব। 'তেওঁ আৰু কিছু বছৰলৈ খেল অব্যাহত ৰাখিব পাৰে, কিন্তু সেয়া অত্যন্ত কঠিন হ'ব। তেওঁক সঠিক পৰিকল্পনাৰ প্ৰয়োজন হ'ব, নিৰ্দিষ্ট কিছু প্ৰতিযোগিতাক লক্ষ্য কৰি ল'ব লাগিব আৰু সেই মতে প্ৰস্তুতি লাগিব। অভিজ্ঞতাৰ সহায়ত তেওঁ এতিয়াও শ্ৰেষ্ঠ খেলুৱৈক পৰাজিত কৰিব পাৰে। অৱশ্যে তেওঁ ৰেংকিঙলৈ চালে নহ'ব, কিয়নো প্ৰত্যেক প্ৰতিযোগিতাত খেলাটো কঠিন হ'ব আৰু আঘাতমুক্ত হৈ থকাও সহজ নহ'ব।' কুমাৰে লগতে কয়।

# চিলিৰে ড্ৰ খেলিলে আৰ্জেণ্টিনাই

## ষ্টেডিয়ামত উন্মোচন হ'ল মাৰাডোনাৰ প্ৰতিমূৰ্তি

**নিউজ ব্যুৰ'**

**বুয়েনছ আয়াৰ্ছ, ৪ জুন ঃ** বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত চিলিৰ স'তে ড্ৰ খেলিলে আৰ্জেণ্টিনাই। দীৰ্ঘদিনৰ পাছত জাতীয় দলৰ হৈ খেলি গ'ল দিলেও দলক জয়ী কৰাব নোৱাৰিলে লিয়নেল মেছিয়ে। যোৱা নিশা বুয়েনছ আয়াৰ্ছত অনুষ্ঠিত মেচখন ১-১ গ'লত ড্ৰ হোৱাত দুয়োটা দলে এটাকৈ পইণ্ট ভগাই লয়। উল্লেখ্য যে নৱেম্বৰৰ পাছত আৰ্জেণ্টিনাই কোনো



প্ৰতিযোগিতামূলক মেচ খেলিলে।

খেলখনৰ ২৭ মিনিটতে পেনাল্টিৰ দ্বাৰা মেছিয়ে গ'ল দি আৰ্জেণ্টিনাক আগুৱাই নিয়ে। অৱশ্যে কিছু সময়ৰ পাছতে এলেক্সিছ ছানচেজে চিলিৰ হৈ সমতা স্থাপন কৰে। কালিৰ খেলখনৰ পূৰ্বে মাদ্ৰেছ ডে ছিউদাদ ষ্টেডিয়ামৰ বাহিৰত ডিয়েগো মাৰাডোনাৰ এটা পূৰ্ণাবয়ৱ প্ৰতিমূৰ্তি উন্মোচন কৰি প্ৰয়াত কিংবদন্তিজনলৈ সন্মান প্ৰদৰ্শন কৰে আৰ্জেণ্টিনা ফুটবল সন্থাই। উক্ত অনুষ্ঠানত মেছি সহ জাতীয় দলৰ প্ৰতিজন খেলুৱৈ উপস্থিত থাকে। ইফালে, কালি অনুষ্ঠিত দক্ষিণ আমেৰিকা মণ্ডলৰ যোগ্যতা অৰ্জনকাৰী মেচত উৰুগুৱে আৰু পেৰাগুৱেই গ'ল শূন্যভাৱে ড্ৰ খেলাৰ বিপৰীতে বলিভিয়াই ভেনিজুৱেলাক ৩-১ গ'লত পৰাজিত কৰে।

## জটিলতা অব্যাহত আছে টকিঅ' অলিম্পিকত

# নাম প্ৰত্যাহাৰ কৰিলে ১০ হেজাৰ স্বেচ্ছাসেৱকে

**নিউজ ব্যুৰ'**

**টকিঅ', ৪ জুন ঃ** টকিঅ' অলিম্পিকলৈ মাজত মাত্ৰ ৪৯টা দিন বাকী আছে। তৎসত্বেও আঁতৰা নাই ক্ৰীড়া মহাসমাৰোহখনিৰ জটিলতা। নিত্য-নতুন কোনো নহয় কোনো সমস্যাই অলিম্পিকৰ আয়োজকক বিমোৰত পেলাই আছে। কৰ'না ভাইৰাছৰ ব্যাপকতাৰ বাবে জাপানত বিভিন্ন মহলে অলিম্পিক বাতিলৰ দাবী কৰি আহিছে। তেনে সময়তে অলিম্পিকৰ ১০ হেজাৰ স্বেচ্ছাসেৱকে নাম প্ৰত্যাহাৰ কৰি আয়োজকক অধিক বিমোৰত পেলালে।

উল্লেখ্য যে অলিম্পিক সফলতাৰে আয়োজনৰ বাবে বিপুল সংখ্যক স্বেচ্ছাসেৱকৰ প্ৰয়োজন হয়। সমগ্ৰ বিশ্বৰে নিৰ্দিষ্ট বয়সৰ সীমাৰ মানুহৰ পৰা আবেদন বিচৰা হয়। টকিঅ'ও ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। অৱশ্যে এইবাৰৰ অলিম্পিকত গ্ৰহণ লগাইছে কৰ'না ভাইৰাছে। যোৱা বছৰ অলিম্পিক পিছুৱাই দিয়া হয়। এইবাৰ আয়োজকে দৃঢ়তাৰে অলিম্পিক আয়োজনৰ বাবে প্ৰস্তুতি লৈছে যদিও কৰ'নাত আক্ৰান্ত হোৱাৰ আশংকা এতিয়াও আছে। সেইবাবেই বহুতে স্বেচ্ছাসেৱক হ'বলৈ ইচ্ছা কৰা নাই। সম্প্ৰতি এক প্ৰতিবেদনত প্ৰকাশ পাইছে যে মুঠ ৮০ হেজাৰ স্বেচ্ছাসেৱকৰ ভিতৰত ১০ হেজাৰে সেই দায়িত্ব পালনৰ বাবে অসন্মতি প্ৰকাশ কৰিছে। আয়োজকসকলে অৱশ্যে এই কথা স্বীকাৰ কৰা নাই। এক সূত্ৰই দাবী কৰিছে যে ক্ৰীড়াবিদসকলৰ ওচৰলৈ যোৱাৰ সম্ভাৱনা নাই বাবেই স্বেচ্ছাসেৱকসকলক প্ৰতিষেধক দিয়া নহয়। এই নীতি বহু স্বেচ্ছাসেৱকে মানি ল'ব পৰা নাই। সেইবাবেই তেওঁলোকে দায়িত্বৰ পৰা অব্যাহতি বিচাৰিছে। আকৌ বহুতে ধাৰণা কৰিছে যে কামৰ যি সময়ৰ কথা কোৱা হৈছে, সেয়া তেওঁলোকে সহ্য কৰিব নোৱাৰিব। অৱশ্যে আয়োজকসকল এইবাৰ অলিম্পিক আয়োজনৰ বাবে দৃঢ়প্ৰতিজ্ঞ। এই ঘটনাই অলিম্পিক আয়োজনত কোনো প্ৰভাৱ নেপেলাব বুলিয়ে আয়োজকে দাবী কৰিছে।



## বিল্যাসনন্দন চ'ৰা



# কেইচা হে হাল-চাল?

**পুৱাৰে** পৰা দিল্লীৰ বাদশ্বাহৰ গাত তৰণি নাই। পেলেচৰ চিপাহী-কটকীবোৰক কোৱা হৈছে যে আজি বাদশ্বাহক লগ পাবলৈ এজন স্পেচিয়েল গেষ্ট আহিব। তাকে লৈ বাদশ্বাহৰ ইমান উৎসাহ! এই উৎসাহ দেখি পেলেচৰ মানুহবোৰ অলপ অলপ আচৰিতো হৈছে! বাদশ্বাহেতো এনেয়ে কাকো ইমান পাত্তা নিদিয়ে। বাকী ৰাজ্যৰ ৰজাবোৰকে তেওঁ ফু মাৰি উৰুৱাই দিব খোজে। এইজননো এনে কি স্পেচিয়েল গেষ্ট ওলাল, যাক লগ পাবলৈ দিল্লীৰ বাদশ্বাহো নাচিব ধৰিছে? গেষ্টজনক চাবলৈ সকলোৱে তামাম আগ্ৰহী হৈ আছে! আটায়ে ডাঙৰ ডাঙৰকৈ চকু দুটা মেলি পেলেচৰ দুৱাৰখনলৈ চাই থাকিল। হঠাতে বেণ্ডপাৰ্টি বাজি উঠিল। ঢোল-ডবা-পেঁপাই কোৰাছ গাব ধৰিলে। পেলেচৰ ৱাল পৰ্যন্ত কঁপি উঠিল।

অৱশেষত পেলেচৰ দুৱাৰেদি সেই স্পেচিয়েল গেষ্টজন সোমাই আহিল। পেলেচৰ চিপাহীবোৰে দেখিলে যে বাকী ৰাজ্যৰ ৰজাবোৰতকৈ কম হ'ব বয়স! তথাপি ইমান আদৰণি! চিপাহী এজনে আন এজনক সুধিলে— ল'ৰা ৰজা নেকি? আনজনে শুধৰাই দিলে— নহয়! দাদা ৰজা!

দাদা ৰজাই আজি বাদশ্বাহক এটা চালাম থুকিলে। কঁপা কঁপা হাতখনেদি বাদশ্বাহে দাদা ৰজাৰ মূৰটো পিহি দি চকীত বহিবলৈ দিলে। দাদা ৰজাই বাদশ্বাহক হিন্দীতে সুধিলে, 'কেইচা হে হাল-চাল?'

বাদশ্বাহে ভোটৰ টাইমত শিকা অসমীয়াখিনিৰ কথা মনত পেলাই অসমীয়াতে ক'লে— 'হাল বেহাল আৰু চাল বেকাৰ। দিদিয়ে মোক হৰুৱাই দিলে আৰু তুমিও মোক বেয়া লেং মাৰিলা।'

ডিঙিত থকা গামোচাখনেৰে চকুপানীখিনি মচি লৈ বাদশ্বাহে



ক'লে— 'ইমানদিনে তাক মই কোলাত লৈ ফুৰিছিলো আৰু সি বেচেৰায়ো মোক সৰ্ব আনন্দ দি মোৰ একো অনিষ্ট কৰিব নোৱাৰাকৈ সোণাৰ ৱাল এখনো বনাব বুলি কৈছিল। হঠাতে তাক নমাই আনি তুমি কেনেকৈ মোৰ কোলাত জঁপিয়াই বহি গ'লা, গমেই নাপালোহে!'

দাদা ৰজাই মিচিকিয়া হাঁহি মাৰি ক'লে— 'কেনেকৈ গম পাব বাদশ্বাহ! মইতো কেতিয়াবাই আপোনাৰ গাতে লাগি থকা কৰিশ্মা শ্বাহৰ কোলাত বহি আছিলো। ভোটৰ ৰিজাল্ট ওলোৱাৰ লগে লগে আপোনাৰ কোলালৈ ভৰি দুখন মেলি লাহে লাহে ভৰিৰে ঠেলি-হেঁচি আপোনাৰ বেচেৰাক মাটিলৈ পেলাই দিলো। অৰ্থাৎ মূৰটো শ্বাহৰ কোলাত আৰু ভৰি দুখন আপোনাৰ কোলাত। আপোনালোক দুয়োৰে মিলি মোক ওপৰলৈ দাঙি ৰজা বুলি ঘোষণা কৰিলে।'

বাদশ্বাহে সেই মুহূৰ্তটো সুঁৱৰি ক'লে— 'মই ভৰি দুখন দাঙিছিলো, মূৰটো দাঙিছিল শ্বাহে। নমাই অনাতহে দেখিছিলো যে মই ধৰি থকা ভৰি দুখন তোমাৰহে, বেচেৰাৰ নহয়।'

দাদা ৰজাই ক'লে— 'ভুলটো আপোনাৰ নহয় জাহাপনা! ভৰি চাই মানুহ চিনিব নোৱাৰিতো! দেখাত সৰবে ভৰি একেই!'

ঃ আৰু সেই কাৰণেই তুমি মূৰটো শ্বাহৰ কোলাত লুকুৱাই ৰাখি ভৰি দুখন মোৰ কোলালৈ মেলি দিলা নহয়! কি জিনিছহে তুমি!

ঃ লাজ নিদিব হে জাহাপনা!

ঃ বেচেৰাৰ খবৰ লৈছানে নাই?

ঃ মই সদায় আম গছৰ পৰা ছিঙি খাওঁ। মাটিলৈ সৰি পৰা আম বিচাৰি ফুৰাৰ হেবিট মোৰ নাই জাহাপনা!

বাদশ্বাহে এইবাৰ মুড চেঞ্জ কৰি ক'লে— 'এতিয়া মোৰ মন কী বাত শুনা! দিল্লীত মোৰ পজিছন ভাল নহয়। মানে মই মোৰ আসনত ভালকৈ বহি থাকিব পৰা নাই। কেনেকৈ কি কৰিলে মোৰ পজিছন ভাল হ'ব কোৱাচোন।'

ঃ উপায় এটাই আছে জাহাপনা!

ঃ কি?

ঃ আপুনি সেই আসনৰ পৰা নামি আহক আৰু তাত মোক বহিবলৈ দিয়ক।

'অহ্ নো' বুলি চিঞৰি জাহাপনাই নিজৰ আসনখনত ভৰি দুখনো উঠাই ল'লে!

# সূৰ্যক প্ৰত্যাহ্বান চীনৰ 'কৃত্ৰিম সূৰ্য'ৰ!

## সৌৰ কেন্দ্ৰতকৈও অধিক উত্তাপত বিস্মিত বিজ্ঞানী



■ **নিউজ ব্যুৰ'**

**বেইজিং, ৪ জুন ঃ** নকল সামগ্ৰীয়ে কেতিয়াও প্ৰকৃত সামগ্ৰীক প্ৰত্যাহ্বান জনাব নোৱাৰে। আমি সকলোৱে এই ধাৰণাৰ বশৱৰ্তী। নকল সদায় নকলে। কিন্তু এই ধাৰণা কিমান সত্য? অন্তত চীনৰ 'কৃত্ৰিম সূৰ্য'ই এই ধাৰণাক চূৰমাৰ কৰিলে বুলি ক'ব পাৰি। সূৰ্যৰ কেন্দ্ৰৰ উষ্ণতা হৈছে ডেৰ কোটি ডিগ্ৰী চেলচিয়াছ। চীনৰ 'কৃত্ৰিম সূৰ্য'ই উৎপাদন কৰিবলৈ সক্ষম হৈছে ১২ কোটি ডিগ্ৰী চেলচিয়াছ ডিগ্ৰী উষ্ণতা। অৰ্থাৎ সূৰ্যৰ কেন্দ্ৰৰ তাপমাত্ৰাতকৈ প্ৰায় আঠগুণ অধিক। অৱশ্যে মাত্ৰ ১০১ ছেকেণ্ডৰ বাবেহে এইদৰে চীনৰ 'কৃত্ৰিম সূৰ্য'ই অবিশ্বাস্য পৰিমাণৰ তাপ উৎপন্ন কৰিবলৈ সক্ষম হৈছে। স্বল্প সময়ৰ বাবে হ'লেও চীনৰ বিজ্ঞানীৰ এই সাফল্যই চমকিত কৰিলে বিশ্বৰ বৈজ্ঞানিক মহলক। মাত্ৰ ২০ ছেকেণ্ডৰ বাবে এই 'কৃত্ৰিম সূৰ্য'ই উৎপন্ন কৰিলে ১৬ কোটি ডিগ্ৰী চেলচিয়াছৰ তাপমাত্ৰা। বৰ্তমানে চীনৰ বিজ্ঞানীয়ে দীৰ্ঘ সময়ৰ বাবে এই ধৰণৰে তাপমাত্ৰ উৎপাদন কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

সূৰ্যৰ আভ্যন্তৰত নিৰন্তৰে 'নিউক্লিয়াৰ ফিউচন' প্ৰক্ৰিয়াৰ জৰিয়তে হাইড্ৰ'জেনৰ পৰা হিলিয়াম উৎপন্ন হয়। এই প্ৰক্ৰিয়াতে উৎপন্ন হয় উক্ত বিপুল তাপশক্তি। এই পদ্ধতিকে ব্যৱহাৰ কৰি বাজিমাৎ কৰিলে চীনৰ 'এক্সপেৰিমেণ্টেল এডভান্সড ছুপাৰ কনডাক্টিং ট'কামেক' আৰু ইষ্ট ফিউচন ৰিয়েক্টৰে। চীনৰ চৰকাৰ পৰিচালিত সংবাদ মাধ্যম 'গ্ল'বেল টাইমছ'-এ এই পৰীক্ষাত 'উল্লেখনীয় অগ্ৰগতি' আখ্যা দি আগন্তুক দিনত নকল সূৰ্যৰ জৰিয়তে অধিক সফলতা অৰ্জনৰ আশা ব্যক্ত কৰিছে। অৱশ্যে এই ৰিয়েক্টৰৰ কাম-কাজ এতিয়াও পৰীক্ষা-নিৰীক্ষামূলক পৰ্যায়তে আছে। চীনৰ বিজ্ঞানীৰ আশা অনুসৰি, আগন্তুক এক দশকৰ ভিতৰতে এই ক্ষেত্ৰত অধিক সফলতা অৰ্জন কৰাটো সম্ভৱ হ'ব। এই লক্ষ্যত উপনীত হ'বলৈ সম্প্ৰতি নিয়োজিত হৈছে চীনৰ ৩০০ জন বিজ্ঞানী আৰু অভিযন্তা।

কিন্তু ইমান অধিক তাপমাত্ৰা উৎপন্ন কৰি কোন লক্ষ্যত উপনীত হ'ব বিচাৰিছে এই তথাকথিত 'কৃত্ৰিম সূৰ্য'ই? আচলতে চীনৰ এই প্ৰকল্পৰ মুখ্য লক্ষ্য হৈছে নিৰৱচ্ছিন্ন শক্তি প্ৰৱাহ তৈয়াৰ কৰা। সমুদ্ৰৰ পৰা লাভ কৰা ডয়টেৰিয়ামৰ সহায়ত সূৰ্যৰ দৰেই নিউক্লিয়াৰ ফিউচন ঘটাই 'কৃত্ৰিম সূৰ্য'ৰ সৃষ্টিৰে সেই শক্তিপ্ৰৱাহ তৈয়াৰ কৰিব বিচাৰিছে চীনৰ বিজ্ঞানীয়ে। অৱশ্যে এই ক্ষেত্ৰত কেৱল চীনৰ বিজ্ঞানীয়ে নহয়, দক্ষিণ কোৰিয়াৰ বিজ্ঞানীয়েও 'কৃত্ৰিম সূৰ্য'ৰ জৰিয়তে উত্তাপ সৃষ্টি ক্ষেত্ৰত চীনক প্ৰত্যাহ্বান জনাইছে। ২০২০ ৰ ডিচেম্বৰতে 'ছুপাৰ কনডাক্টিং ট'কামেক এডভান্সড ৰিচাৰ্ছ ফিউচন ডিভাইচ'-এ ১০ কোটি ডিগ্ৰী তাপমাত্ৰা উৎপাদন কৰিছিল। অৱশ্যে মাত্ৰ ২০ ছেকেণ্ডৰ বাবেহে এইদৰে 'কৃত্ৰিম সূৰ্য'ৰ জৰিয়তে এই বৃহৎ পৰিমাণৰ তাপমাত্ৰা উৎপন্ন কৰাটো সম্ভৱ হৈছিল.

## দিল্লীৰ এইমছৰ গৱেষণামূলক অধ্যয়নৰ তথ্য

# টিকাগ্ৰহণৰ পাছত ক'ভিড আক্ৰান্ত হ'লেও প্ৰাণহানিৰ শংকা সীমিত



■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৪ জুন ঃ** যোৱা এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত যিসকল লোকে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰিছিল, সেইসকল লোকৰ অনেক কৰ'নাত আক্ৰান্ত হৈছিল যদিও তেওঁলোকৰ প্ৰাণহানি হোৱা নাছিল। নতুন দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ গৱেষণামূলক অধ্যয়নত প্ৰকাশ পালে এই তথ্য। এইমছৰ প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, দেশত ক'ভিডৰ প্ৰতিষেধক লোৱাৰ পাছতো কিছুসংখ্যক লোক এই ভাইৰাছত আক্ৰান্ত হৈছে যদিও তেওঁলোকৰ ক্ষেত্ৰত ক'ভিড সংক্ৰমণ প্ৰাণঘাতক প্ৰমাণিত নহ'ল। টিকাগ্ৰহণৰ পাছত কোনো ব্যক্তি ৰোগত আক্ৰান্ত হ'লে সেই সংক্ৰমণক বিশেষজ্ঞসকলে 'বেকথ্ৰ' সংক্ৰমণ' বুলি অভিহিত কৰে। পূৰ্বেও আমেৰিকাৰ 'চেণ্টাৰ ফৰ ডিজিজ কন্ট্ৰ'ল এণ্ড প্ৰিভেনচন' (চি ডি চি)-এ এই কথা প্ৰকাশ কৰি কৈছিল যে প্ৰতিষেধক গ্ৰহণৰ পাছত খুব কমসংখ্যক লোক গুৰুতৰভাৱে ক'ভিড আক্ৰান্ত হৈছিল, যিসকলক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। কিন্তু প্ৰতিষেধক লোৱা ব্যক্তিৰ মাজত ক'ভিডত মৃত্যুৰ হাৰ যথেষ্ট কম প্ৰত্যক্ষ হৈছে। চি ডি চিৰ এই দাবীৰ ভিত্তিতে গৱেষণা চলাই এইমছৰ গৱেষকে প্ৰকাশ কৰা অনুসৰি, যোৱা এপ্ৰিল-মে'ত অতিমাৰীৰ দ্বিতীয় ঢৌৰ সময়ত দেশত টিকা লোৱা অনেক ব্যক্তি ক'ভিডত আক্ৰান্ত হৈছিল আৰু তেওঁলোকৰ শৰীৰত 'ভাইৰেল ল'ড'ৰ পৰিমাণো যথেষ্ট অধিক আছিল। কিন্তু এইসকল টিকাগ্ৰহণকাৰী ক'ভিড ৰোগীৰ এজনৰো দেশত মৃত্যু হোৱা নাছিল।

এইমছে প্ৰতিবেদনত উল্লেখ কৰি কয় যে গৱেষণামূলক অধ্যয়নটোৰ বাবে তেওঁলোকে টিকাগ্ৰহণৰ পাছত ক'ভিডত আক্ৰান্ত হোৱা দেশৰ ৬৩ জন ব্যক্তিক বাচি লৈছিল। এইসকল ৰোগীক লৈ গৱেষণা চলোৱাৰ সময়ত কোন ব্যক্তিৰ শৰীৰত কি প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ হৈছিল, সেই কথালৈ বিশেষ দৃষ্টি ৰখা হৈছিল। টিকা লোৱাৰ পাছত ক'ভিডত আক্ৰান্ত ৬৩ ব্যক্তিৰ মাজত ৩৬ জনে দুপালি প্ৰতিষেধক আৰু ২৭ জনে প্ৰথম পালি প্ৰতিষেধক গ্ৰহণ কৰিছিল। অধ্যয়নৰ জৰিয়তে জানিব পৰা যায় যে আক্ৰান্ত ব্যক্তিকেইজনৰ শৰীৰত পাঁচ-সাতদিনলৈকে জ্বৰ আছিল যদিও তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থা স্থিতিশীল আছিল। তেওঁলোকে আক্ৰান্ত হোৱাৰ ফলত শৰীৰত 'এণ্টিব'ডী' গঢ় লৈ উঠিছিল আৰু ইয়াৰ স'তে প্ৰতিষেধক মিশ্ৰণ হোৱাত আক্ৰান্ত ব্যক্তিৰ শৰীৰত এক 'যৌথ প্ৰতিৰোধ' ক্ষমতাৰ সৃষ্টি হৈছিল। কৰ'নাৰ প্ৰতিষেধক গ্ৰহণৰ পাছত ৰোগ প্ৰতিৰোধ ক্ষমতা শৰীৰত কিমান দিনলৈ বৰ্তি থাকিব, তাক লৈ অনেকৰ মনত এক প্ৰশ্ন উত্থাপিত হৈছিল। এই প্ৰশ্নৰ সন্দৰ্ভতে দুমাহ ধৰি প্ৰতিষেধক লোৱা ক'ভিড আক্ৰান্তক সামৰি দিল্লীস্থ এইমছে চলোৱা অধ্যয়নত গৱেষকে এক ইতিবাচক উত্তৰ লাভ কৰিবলৈ সক্ষম হ'ল। এইমছৰ বিশেষজ্ঞৰ মতে, ক'ভিডৰ দুপালি প্ৰতিষেধক লোৱাৰ পাছতো কোনো ব্যক্তি এই ভাইৰাছত আক্ৰান্ত হ'ব পাৰে, কিন্তু এতিয়ালৈকে চলোৱা অধ্যয়নৰ তথ্য অনুসৰি, প্ৰতিষেধক লোৱা ব্যক্তিৰ ক্ষেত্ৰত কৰ'নাত মৃত্যুৰ শংকা তেনেই সীমিত হয়। ক'ভিডে বিশ্বজুৰি সৃষ্টি কৰা মহাআতংকৰ সময়ত এইমছৰ গৱেষকৰ অধ্যয়নৰ এই প্ৰতিবেদনে কিছু আশা কঢ়িয়াই আনিলে বুলি বিশেষজ্ঞমহলে মন্তব্য কৰিছে।







সত্যমেৱ জয়তে

অসম চৰকাৰ
বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ

বিশ্ব পৰিৱেশ দিৱস
৫ জুন, ২০২১

॥ মূল বিষয় ঃ পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ ॥

কেশৱ মহন্ত
মন্ত্ৰী, বিজ্ঞান আৰু প্ৰযুক্তি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, তথ্য প্ৰযুক্তি বিভাগ, অসম

মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ আহ্বানক্ৰমে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' কাৰ্যসূচীৰ প্ৰতি সহাৰি জনাই অসম আৰু ৰাজস্থানৰ যুটীয়া আয়োজন

কাৰ্যসূচী
(১) অসম আৰু ৰাজস্থানৰ যুটীয়াভাৱে ৱেবিনাৰ
(২) এনভিচ হাব, অসমৰ উদ্যোগত চিত্ৰাংকণ প্ৰতিযোগিতা
(৩) ৰাষ্ট্ৰীয় সেউজ বাহিনীৰ অধীনত বিদ্যালয় ইক' ক্লাবৰ জৰিয়তে বৃক্ষৰোপন

॥ ৱেবিনাৰৰ আয়োজক ॥
অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদ
আৰু
চেন্ট্ৰেল এৰিড জ'ন ৰিৰ্ছাচ ইন্সটিটিউট, যোধপুৰ, ৰাজস্থান

REIMAGINE
RECREATE
RESTORE

২০২১-৩০ ৰ দশকটোক ৰাষ্ট্ৰসংঘই "পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ দশক' হিচাপে কৰা ঘোষণাৰ পৰিপ্ৰেক্ষিতত এক সুস্থ পৰিস্থিতিতন্ত্ৰৰ বাবে সামূহিক প্ৰচেষ্টাৰ বিনম্ৰ প্ৰয়াস।

জনসংযোগ/ডি/৭৫৯/২১


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com